# আল্লাহ আৰু তেওঁৰ গুণাৱলী



লিখক

হজৰত মিৰ্জা গোলাম আহমদ

# আল্লাহ্  আৰু তেওঁৰ গুণাৱলী

এই উজ্জ্বলময় মণি ক্রয় কৰাৰ  যোগ্য যদিও তাক নিজৰ
সমস্ত অস্তিত্বৰ বিনিময়ত পোৱা যায়।

সংকলন
মনচুবা  বনদী কমিটি ভাৰত
(কাদিয়ান, পঞ্জাৱ)

**নাম কিতাপ** ঃ আল্লাহ্ আৰু তেওঁৰ গুণাৱলী
**অনুবাদক** ঃ ৰুবুল মাইবেলা আলী
নেইমচ গ্ৰুপ অফ কলেজ (যোৰহাট)
**মূল কিতাপ** ঃ আল্লাহ্ জাল্লা শ্বানাহু ওৱা আজ্জা ইছমুহু
**লিখক** ঃ হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)
**প্ৰকাশক** ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
**প্ৰথম প্ৰকাশ** ঃ ২০২০,কপি ৫০০
**মুদ্ৰণে** ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ)

**Name Book** : Allah aru Teur Gunavali
**Translated by** : Rubul Maibella Ali
Neims Group of College (Jorhat)
**Original Book** : Allah jalle Shanuhu wa Ajja Ismuhu
**Author** : Hazrat Mirza Ghulam Ahmed Qadiani
**Published by** : Nazarat Nashor-O-Ishaat Qadian
**First Published** : 2020, 500 Copies
**Printed at** : Fazle-Umar Printing Press Qadian,
Dist: Gurdaspur 143516 (Punjab)

# প্ৰকাশকৰ কথা

হজৰত মছীহ্ মাওউদ (আঃ)ৰ লিখিত পুস্তক আল্লাহ্ জাল্লা শ্বানাহু ওৱা আজ্জা ইছমুহু পুস্তকখনৰ অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় ৰুবুল মাইবেল্লা আলী চাহাব (নেইমচ গ্ৰুপ অফ কলেজ যোৰহাট)। ৰিভিউ কৰিছে মাননীয় আমান আলী চাহাব মূৰব্বী ছিলছিলা (সভাপতি ৰিভিউ কমিটি অসম) মাননীয় মজিবৰ ৰহ্মান চাহাব মূৰব্বী ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মূৰব্বী ছিলছিলা। ৰিভিউ হোৱাৰ পাছত মাননীয় মজিবৰ ৰহ্মান চাহাবে চালি-জাৰি চাই কিতাপখন প্ৰস্তুত কৰি উলিয়াইছে। কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে সহায় সহযোগীতা আগবঢ়োৱা সকলোকে আল্লাহ তা'লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# সূচিপত্র


| | |
|---|---|
| ১) আল্লাহ্ আৰু তেওঁৰ গুণাৱলী | 9 |
| ২)আল্লাহ তা'লা সম্পৰ্কে নিজস্ব অভিজ্ঞতা | 9 |
| ৩)আমাৰ বেহেস্ত আমাৰ খোদা হয় | 10 |
| ৪)সকলোবোৰ লাভালাভৰ আৰম্ভণী আৰু সকলোবোৰ জ্যোতিৰ ডাঙৰ কাৰণ | 10 |
| ৫)পৱিত্ৰ আৰু পৰিপূৰ্ণ তৌহিদ কেৱল আঁ-হ্জৰত (ছাঃ)ৰ মাধ্যমে লাভ কৰিব পৰা যায় | 11 |
| ৬) খোদাৰ কুদৰত ......সাধাৰণ চকুৰে দেখা নাযায় | 14 |
| ৭) কোৰাণ শ্বৰীফৰ শিক্ষা খোদাক প্ৰিয় বনোৱায় | 16 |
| ৮) ৰহমত দুই প্ৰকাৰৰ | 17 |
| ৯) খোদাক দেখাৰ কাৰণে এই দুনিয়াত অনুতাপ কৰাৰ শক্তি লাভ হয় | 18 |
| ১০) সকলো ধৰণৰ প্ৰশংসা আল্লাহৰ সৈতে নিৰ্ধাৰিত | 23 |
| ১১) আল্লাহ তা'লা সম্বন্ধে আন ধৰ্মসকলৰ ভুল আকিদা (বিশ্বাস) | 24 |
| ১২) হিন্দু আৰু আৰ্যসকলৰ আকিদা | 25 |
| ১৩) খ্ৰীষ্টানসকলৰ আকিদা (বিশ্বাস) | 27 |
| ১৪) খোদাৰ উপকাৰ সাধাৰণ হয় | 29 |
| ১৫)হে সৰ্বশক্তিমান খোদা আৰু সৃষ্টিকৰ্তা, মানৱৰ | |

| | |
|---|---|
| বেয়া গুপ্তকাৰী | 31 |
| ১৬)আল্লাহ তা'লাৰ গুণ দুই প্ৰকাৰ-সাদৃশ্যমূলক আৰু বেয়াৰ পৰা পৱিত্ৰ | 32 |
| ১৭)আল্লাহৰ আৰশ্ব- সেইজনাৰ স্থান পাৰ্থিৱ ত্যাগ আৰু বেয়াৰ পৰা পৱিত্ৰ | 36 |
| ১৮)কোনো বস্তু নিজৰ অস্তিত্বত বা গুণত খোদা তা'লাৰ সমান নহয় | 38 |
| ১৯)প্ৰকৃত গুণ খোদা তা'লাৰ মহব্বত আৰু ৰহম হয় | 39 |
| ২০)কোৰাণ কৰীমত নিম্ন লিখিত খোদা তা'লাৰ গুণাৱলী | 40 |
| ২১)আল্লাহ তা'লাৰ চাৰিটা বুনিয়াদী গুণ | 46 |
| ২২) চাৰিটা উচ্চ মৰ্যাদাৰ সত্যতা | 60 |
| ২৩) পৰিপূৰ্ণ সৌন্দৰ্য আৰু পূৰ্ণ এহছান | 73 |
| ২৪)আল্লাহ তা'লাৰ এহছানৰ চাৰিটা গুণাৱলী | 77 |
| ২৫)আমাৰ খোদাত আশ্চৰ্যজনক বস্তু আছে | 81 |
| ২৬) খোদা তা'লাৰ কুদৰত সৰ্বশক্তিমান | 86 |
| ২৭)স্ৰষ্টা ঐশ্বৰিক কলিমাৰ ছাঁ আৰু প্ৰভাৱ | 94 |
| ২৮) খোদা ভিন্ন ভিন্ন আকৃতি কিয় সৃষ্টি কৰিছে | 105 |
| ২৯)আৰ্যসকলৰ কুধাৰণাসমূহৰ ৰদ | 112 |
| ৩০)খ্ৰীষ্টানসকলৰ কুধাৰণাসমূহৰ ৰদ | 119 |
| ৩১)এক অতি সূক্ষ্ম সততা | 120 |
| ৩২)খোদা আমাৰ সৈতে মানুহৰ নিচিনা কথা পাতে | 127 |
| ৩৩)আল্লাহক চিনাক্ত কৰাৰ মাধ্যমে পৰিপূৰ্ণ | |

| | |
|---|---|
| ঐশ্বৰিক ইলহাম হয় | 129 |
| ৩৪)পৱিত্ৰ হয় যেতিয়া তেওঁক পায় | 137 |
| ৩৫)খোদা তা'লাৰ ৰহমত তাৰ ক্ৰোধতকৈ অধিক | 142 |
| ৩৬)আকাশ আৰু পৃথিৱীৰ বাদশ্বাহত খোদা তা'লাৰ | 144 |
| ৩৭) বেয়াৰ পৰা পৱিত্ৰ আৰু পাক স্থানৰ নাম আৰশ্ব | 156 |
| ৩৮)চাৰিটা গুণ যিয়ে এই আৰশ্বক উঠাই ৰাখিছে | 162 |
| ৩৯)তৌহিদে ইলাহি সম্পৰ্কে খ্ৰীষ্টানসকলৰ আকিদাৰ ৰদ | 164 |
| ৪০)আল্লাহৰ বাহিৰে আনফালে জুকি যোৱা খোদাৰ পৰা দূৰত্ব | 167 |


## মনজুম কালামৰ প্ৰশংসাত


| | |
|---|---|
| ৪১)কিমান পৰিমাণে প্ৰকাশিত সেই আৰম্ভণীৰ জেউতিৰ পোহৰ | 175 |
| ৪২)আজি আমি প্ৰেমিকৰ আৰু প্ৰেমিক আমাৰ হৈ গৈছে | 177 |
| ৪৩)এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبْحَانَ مَنْ يَّرَانِیْ | 177 |
| ৪৪) আহ্বান কৰিবলগীয়া সেইজনাক যিজন সকলোতকৈ প্ৰিয় সেইজনাত মন প্ৰাণ কোৰবান | 179 |
| ৪৫) হে প্ৰিয়সকল সেইজনাক বিচৰা প্ৰতিমাবোৰত উপকাৰ নাই | 179 |

| | |
|---|---|
| ৪৬) পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে | 181 |
| ৪৭)আল্লাহ তা'লাৰ প্ৰশংসাত (ফাৰ্চী নজম) | 183 |
| ৪৮) আকাশ আৰু পৃথিৱীৰ সৃষ্টিকৰ্তাৰ ওচৰত এক দোৱা (ফাৰ্চী নজম) | 186 |
| ৪৯)হে খোদা ! মোৰ বিপদ আঁতৰ কৰোঁতা (ফাৰ্চী নজম) | 186 |
| ৫০)তোমাৰ সৈতে মহব্বত কৰা হাজাৰ ৰোগৰ ঔষধ(ফাৰ্চী নজম) | 188 |
| ৫১)মোৰ হৃদয় প্ৰেমিকৰ আসন (ফাৰ্চী নজম) | 189 |
| ৫২)আকিদিয়ত (ধৰ্মত বিশ্বাস) (ফাৰ্চী নজম) | 191 |
| ৫৩)প্ৰেমিকৰ সন্মানৰ বাবে যুদ্ধ | 192 |

## আল্লাহ আৰু তেওঁৰ গুণাৱলী

সেই খোদা যি সমস্ত নৱীসকলৰ বাবে আৰ্বিভাৰ হৈছিল,যি হজৰত মুছা কলিমুল্লাহ (আঃ)ৰ প্ৰতি তুৰ পাহাৰত আৰ্বিভাৰ হৈছিল, যি হজৰত মছীহ(আঃ)ৰ বাবে শ্বাঈৰ পাহাৰৰ উৰ্দ্ধত উদিত হৈছিল আৰু যি হজৰত মোহাম্মদ মোস্তাফা (ছাঃ)ৰ ওপৰত জ্যোতি হৈ বিচ্ছুৰিত হৈছিল- ফাৰান পাহাৰত, পিছত সেই সৰ্বশক্তিমান খোদা তা'লাই আমাৰ ওপৰতো তেওঁৰ জ্যোতি প্ৰকাশ কৰিছে। তেওঁ মোৰ লগত কথা পাতিছে। তেওঁ মোক কৈছে —' সেই সৰ্বোচ্চ অস্তিত্ব যাৰ উপাসনাৰ বাবে সমস্ত নৱীসকলক প্ৰেৰণ কৰা হৈছে সেইজন মই। মই একমাত্ৰ স্ৰষ্টা আৰু অধিপতি, মোৰ কোনো অংশী নাই আৰু মই জন্ম গ্ৰহণ তথা মৃত্যুবৰণৰ পৰা পৱিত্ৰ।' ( জামিমাহ ৰিছালাহ জিহাদ-ৰুহানী খাজাইন জিলদ **১৭ পৃঃ২৯**)

## আল্লাহ তা'লা সম্পৰ্কে নিজস্ব অভিজ্ঞতা

সেই পৱিত্ৰ জীৱন যি পাপৰ পৰা মুক্ত থাকিলে পোৱা যায়, এয়া এক মুকুতা যিটো কাৰো ওচৰত নাই। গতিকে সঁচা, আল্লাহ তা'লাই মোক সেই মুকুতা প্ৰদান কৰিছে আৰু তেওঁ মোক প্ৰেৰণ কৰিছে যেন পৃথিৱীক সেই মণি লাভৰ পথ প্ৰদৰ্শন কৰিব পাৰো। মই দৃঢ় আস্থাৰে ঘোষণা কৰিছোঁ যে এই পথত চলিলে প্ৰতিজন ব্যক্তিয়ে মুকুতা লাভ কৰিবলৈ সমৰ্থ হ'ব। লগতে এই মুকুতাৰ মাধ্যমেৰে সেই পথ লাভ কৰিব পাৰি, সেয়া একক, যাক কোৱা হয়- খোদাক চিনি পোৱা প্ৰকৃত মাৰুফৎ বা সত্য জ্ঞান কোৱা হয়। প্ৰকৃত প্ৰস্তাৱত এই প্ৰশ্নটো এটা অতি কঠিন আৰু সৰল প্ৰশ্ন। কিয়নো এয়া এক কঠিন বিষয় সম্পৰ্কিত প্ৰশ্ন (মছলা)। দাৰ্শনিকসকলে (যাক মই আগতে উল্লেখ কৰিছোঁ)। অসমান আৰু ভূমিৰ প্ৰতি লক্ষ্য কৰি আৰু বিশ্ব জগতৰ সৃষ্টিৰ সুন্দৰ শৃংখলা, বিন্যাস আৰু নিয়ন্ত্ৰণক অৱলোকন কৰি মাথোন ইয়াকে ক'ব পাৰি যে, এজন সৃষ্টিকৰ্তা থকাটো সম্ভৱ। কিন্তু আমি তেওঁক ইয়াতকৈ ওখ স্থানলৈ

উন্নীত কৰিছোঁ আৰু নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ দৃষ্টিৰে উল্লেখ কৰিছোঁ -খোদা বাস্তৱত আছে। (আলহাকম তাৰিখ **১৭** ডিচেম্বৰ পৃঃ **৩, ৪**,মলফুজাত জিলদ দ্বিতীয় পৃঃ **১২** এডিশ্বন **২০০৩)**

## আমাৰ বেহেস্ত আমাৰ খোদা হয়

আমাৰ স্বৰ্গ আমাৰ খোদা। আমাৰ সকলোতকৈ ডাঙৰ আনন্দ আমাৰ খোদাত। কিয়নো আমি তেওঁক দেখিছোঁ আৰু সকলো ধৰণৰ সোন্দৰ্য্য তেওঁৰ মাজত পাইছোঁ। এই সম্পদ গ্ৰহণ যোগ্য যদিও ইয়াক প্ৰাণৰ বিনিময়ত পোৱা যায়। লগতে এই উজ্জ্বলময় মণি ক্ৰয় কৰাৰ যোগ্য যদিও তাক নিজৰ সমস্ত অস্তিত্বৰ বিনিময়ত পোৱা যায়। হে বঞ্চিত গণ! এই নিজৰাৰ কাষলৈ দৌৰি আঁহা, ই তোমালোকক পৰিতৃপ্ত কৰিব। এয়া হ'ল জীৱনৰ নিজৰা, ই তোমালোকক ৰক্ষা কৰিব। মই কি কৰো, আৰু কেনেকৈ এই সু-সংবাদ হৃদয়বোৰত প্ৰৱেশ কৰাম, মই কোনটো ডবা বজাই বজাৰতঘোষণা কৰিম যে, এয়া তোমালোকৰ খোদা, যাতে মানুহ শ্ৰৱণ কৰে, আৰু লগতে মই কোনটো দৰব দি চিকিৎসা কৰিম, যাতে মানুহৰ কাণবিলাক মুকলি হৈ পৰে? (কিশ্তী-এ-নুহ্ ৰুহানি খজাইন জিলদ **১৯** পৃঃ **২১,২২)**

## সকলোবোৰ লাভালাভৰ আৰম্ভণী আৰু সকলোবোৰ জ্যোতিৰ ডাঙৰ কাৰণ

খোদা, জমিন আৰু আছমানৰ জেউতি। অৰ্থাৎ- প্ৰতিটো পোহৰ সেয়া লাগে পৰ্বতৰ শৃংগৰ ওপৰত হওঁক, সেয়া আত্মাৰ ভিতৰত হওঁক, দেহত হওঁক, জাতিয়ে হওঁক, আৰু প্ৰকাশ্য হওঁক, গোপনীয় হওঁক, মনৰ ভিতৰতে হওঁক বা বাহিৰতে হওঁক, এই সকলোবোৰ তেওঁৰে কল্যাণৰ দান। ইয়াত এই দিশলৈ ইংগিত কৰা হৈছে যে জগতৰ প্ৰভু-প্ৰতিপালকৰ অৰ্থাৎ ৰব্বুল আলামীনৰ ফয়েজ আম বা সাধাৰণ কল্যাণ আৰু কৃপাই সমস্ত কিছুক পৰিবেষ্টন কৰি আহিছে। কোনেও তেওঁৰ কৃপা

আৰু কল্যাণৰ পৰা বঞ্চিত নহয়। তেওঁ যাৱতীয় কৃপা আৰু কল্যাণৰ উৎস, সকলো পোহৰৰ চূড়ান্ত কাৰণ, সকলো দয়াৰ উৎস-প্ৰস্ৰবণ। তেওঁৰ সত্য অস্তিত্ব সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ ভৰসা তথা সৰু-ডাঙৰ সকলোৰে আশ্ৰয়স্থল। তেওঁ সেইজন যি সকলো সামগ্ৰীক অনস্তিত্বৰ অন্ধকাৰ গহ্বৰৰ পৰা উদ্ধাৰ কৰি আনিছে আৰু অস্তিত্বৰ পৰিচ্ছেদে ভূষিত কৰিছে। তেওঁৰ বাহিৰে আন কোনো অস্তিত্ব নাই, যি স্বয়ং নিজৰ মাজতেই বিদ্যমান, অনাদি, অনন্ত, তেওঁৰ অবিহনে কৃপা আৰু কল্যাণ প্ৰাপ্ত নহয়। বৰঞ্চ ভূমণ্ডল, আকাশ মণ্ডল, মানৱ আৰু প্ৰাণীকুল,প্ৰস্তৰ আৰু বৃক্ষৰাজি তথা সকলো আত্মা আৰু দেহ, সকলোবোৰে তেওঁৰে কৃপা আৰু কল্যাণৰ ৰাশিৰ পৰা অস্তিত্ব লাভ কৰিছে (বৰাহীনে আহমদীয়া, খণ্ড চাৰি, ৰুহানি খাজাইন জিলদ **১** পৃঃ **১৯১,১৯২** হাশিয়া নম্বৰ **১১**)

'ইছলামৰ খোদা হৈছে সেই গৰাকী খোদা যি আইনত বাস্তৱিকতা বা প্ৰাকৃতিক নিয়মৰ দাপোণ তথা ফিৎৰত বা স্বভাৱৰ গ্ৰন্থত পৰিদৃষ্ট হৈছে। ইছলামে কোনো নতুন খোদাৰ দাৱী কৰা নাই। সেই খোদাৰ দাবী কৰিছে যি খোদাই মানুহৰ হৃদয়ত, মানুহৰ বিবেকত তথা আকাশ আৰু পৃথিৱীত পোহৰৰ সন্ধান দিছে। (তবলীগে ৰেচালত, জিলদ **৬** পৃঃ **১৪**)

## পৱিত্ৰ আৰু পৰিপূৰ্ণ তৌহিদ কেৱল আঁ-হজৰত (ছাঃ)ৰ মাধ্যমে লাভ কৰিব পৰা যায়

এই শক্তিমান তথা সত্য তথা পৰিপূৰ্ণ খোদাক আমাৰ আত্মা তথা আমাৰ অস্তিত্বৰ প্ৰতিটো অণু-পৰমাণুৱে চিজদা (সাষ্টাঙ্গে প্ৰণিপাত) কৰি আহিছে। যাৰ হাতেৰে প্ৰকাশিত হৈছে প্ৰতিটো আত্মা আৰু সৃষ্টিৰ প্ৰতিটো পৰমাণু আদিৰ সকলো শক্তি আৰু বৃত্তি। যাৰ অস্তিত্বৰ বাবেই বিৰাজমান বাকী সকলোৰে অস্তিত্ব। কোনোৱে তেওঁৰ জ্ঞানৰ বাহিৰত নাই, তেওঁৰ নিয়ন্ত্ৰণৰ বাহিৰত নাই,তেওঁৰ সৃষ্টিৰ বাহিৰত নাই। হাজাৰো দৰূদ (প্ৰাৰ্থনা) আৰু ছালাম (নমস্কাৰ) আৰু হাজাৰো ৰহমত (দয়া) আৰু বৰকত (কল্যাণ)

সেই পৱিত্ৰ নৱী মোহাম্মদ মোস্তফা (ছাঃ)ৰ ওপৰত, যাৰ যোগেদি আমি জীৱন্ত খোদাক লাভ কৰিছোঁ, যি খোদাই নিজৰ কথা কয়, নিজৰ অস্তিত্বৰ নিদৰ্শন আমাক প্ৰদৰ্শন কৰি আহিছে। লগতে যি অসাধাৰণ নিদৰ্শনাৱলী প্ৰদৰ্শন কৰে তেওঁৰ চিৰন্তন কৰ্মময় শক্তি আৰু ক্ষমতাসমূহৰ জ্যোতিময় চেহেৰা প্ৰদৰ্শনৰ মাজেৰে। গতিকে আমি এনে ৰছুলক লাভ কৰিছোঁ যি আমাৰ খোদাক দেখুৱাইছে। লগতে আমি এনে খোদাক লাভ কৰিছোঁ যি তেওঁৰ মহান শক্তিৰে প্ৰতিটো বস্তুক সৃষ্টি কৰিছে। তেওঁৰ কুদৰত বা ক্ষমতাৰ মাজত কিমান যে মহিমা বিদ্যমান, তেওঁৰ ক্ষমতাৰ অবিহনে কোনো অস্তিত্বই ৰূপ লাভ নকৰে। কোনো তেওঁৰ সহায়ৰ অবিহনে চলি থাকিব নোৱাৰে। তেওঁ আমাৰ সত্য খোদা, তেওঁ অন্তহীন কল্যাণৰ অধিপতি, অন্তহীন ক্ষমতাৰ অধিকাৰী। তেওঁ অনন্ত সৌন্দৰ্যৰ আকাৰ, তেওঁ অনন্ত কৃপা আৰু কৰুণাৰ উৎস। তেওঁৰ বাহিৰে আন কোনো খোদা নাই। (নাছীমে দাৱাত- ,ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৩৬৩)

খোদা তা'লাৰ অস্তিত্ব অদৃশ্যতকৈ অদৃশ্য, অতিক্ৰান্তকৈ অতিক্ৰান্ত, অতি গোপন যাক একমাত্ৰ মানবীয় যুক্তিৰ দ্বাৰা বা জ্ঞানৰ দ্বাৰা আৱিষ্কাৰ কৰা কোনোমতে সম্ভৱ নহয়। কোনোধৰণৰ যুক্তি তেওঁৰ সত্বা প্ৰকাশৰ বাবে অকাট্য বিবেচিত হ'ব নোৱাৰে। কিয়নো জ্ঞান বা যুক্তিৰ দৌৰ আৰু বিচৰণৰ সীমা ইমানেই মাথো প্ৰসাৰিত যে বিশ্ব জগতৰ দিশে লক্ষ্য কৰিলে অনুভৱ হ'ব যে ইয়াৰ কোনো স্ৰষ্টা থকাটো প্ৰয়োজন। কিন্তু প্ৰয়োজনক অনুভৱ কৰাটো এক কথা আৰু সেই নিশ্চিত জ্ঞানৰ স্তৰত উত্তীৰ্ণ হোৱাটো যি খোদাৰ প্ৰয়োজনতা অনুভৱ কৰা হৈছে সেই খোদা সঁচাকৈ অস্তিত্ববান,ভিন্ন কথা। যিহেতু, যুক্তি বুদ্ধিৰ পদ্ধতি আৰু প্ৰতিক্ৰিয়া ত্ৰুটিপূৰ্ণ বা অসম্পূৰ্ণ আৰু সন্দেহযুক্ত। যিহেতু প্ৰতিটো দৰ্শনে কেৱল নিজৰ বুজনিৰ মাধ্যমে খোদাক চিনাক্ত কৰিব নোৱাৰে,বৰঞ্চ সেইসকল লোক যি একমাত্ৰ নিজৰ জ্ঞানৰ সহায়ত খোদাক চিনি পাব বিচাৰে, তেওঁলোক

অৱশেষত নাস্তিক হৈ পৰে। তেতিয়া আকাশ-পাতালৰ সৃষ্টিকলৈ চিন্তা কৰিলেও তেওঁলোকৰ কোনো লাভ নহ'ব। তেওঁলোকে খোদা তা'লাক ভক্তি কৰা লোকসকলকলৈ হাঁহি-ঠাট্টা আৰম্ভ কৰে। তেওঁলোকে এটা যুক্তি প্ৰদৰ্শন কৰি থাকে যে পৃথিৱীত এনে হাজাৰটা বস্তু পোৱা যায় যিবিলাকৰ অস্তিত্ব আমাৰ কোনো কামত নাহে। যিবিলাকৰ সৃষ্টি হোৱাৰ এনে কোনো যুক্তিগ্ৰাহ্য প্ৰমাণ পোৱা নাযায় যে প্ৰকৃততে কোনো স্ৰষ্টা আছে। বৰঞ্চ সেইবিলাক নিজেই অস্তিত্বৱান,সেইবিলাক ব্যৰ্থ আৰু অনাৱশ্যকও।

পৰিতাপৰ বিষয় যে সেই মুৰ্খই নাজানে যে জ্ঞানৰ শূন্যতাৰ পৰা অস্তিত্বৰ শূন্যতা প্ৰমাণিত নহয়।(অৰ্থাৎ কিবা নাজানিলেই সকলো নোহোৱা হৈ নাযায়)। এনেধৰণ লোক এই সংসাৰত লাখ লাখ সংখ্যাত পোৱা যায় যি নিজকে অতি বুদ্ধিমান,ডাঙৰ দাৰ্শনিক বুলি ভাবে, সেয়ে তেওঁলোকে খোদা তা'লাৰ অস্তিত্বক সচৰাচৰ অস্বীকাৰ কৰি আহিছে। যদি মহামহিম স্ৰষ্টাৰ অস্তিত্বৰ সপক্ষত কোনো যুক্তিগ্ৰাহ্য সুস্পষ্ট প্ৰমাণৰ দ্বাৰা তেওঁলোকক পৰাস্ত কৰা হয় বা দোষী সাব্যস্ত কৰা হয়, তেতিয়া তেওঁলোকে ইমান নিৰ্লজ্জ ভাবে হাঁহি-ঠাট্টাৰে খোদা তা'লাৰ অস্তিত্বক অস্বীকাৰ কৰিব নোৱাৰে। গতিকে কোনো ব্যক্তিয়ে দৰ্শনৰ নাঁৱত উঠি সংশয়ৰৰ ধুমুহাৰ পৰা পৰিত্ৰাণ পাব নোৱাৰিব। বৰঞ্চ ডুবি মৰিব। তেন্তে কোনো কাৰণতে প্ৰকৃত তৌহিদৰ চৰবত পান কৰিব নোৱাৰিব। এতিয়া ভাবি চাওঁক যে এনেধৰণ চিন্তা কিমান বিভ্ৰান্ত আৰু দুৰ্গন্ধময় যে নৱী (ছাঃ) আৰবৰ নাস্তিক, প্ৰকৃতি-পূজাৰী, ভ্ৰান্ত ধৰ্মালম্বীসকলক হাজাৰোধিক স্বৰ্গীয় নিদৰ্শনক দেখুৱাই তেওঁলোকক খোদা তা'লাৰ বিশ্বাসী হ'বলৈ বাধ্য কৰিছিল। এতিয়ালৈকে হজৰত মোহাম্মদ (ছাঃ)ৰ সত্য আৰু পূৰ্ণ আনুগত্যকাৰীৰ নাস্তিক আৰু প্ৰকৃতি বা সৃষ্টিৰ উপাসকসকলৰ সন্মুখত সেই সমস্ত নিদৰ্শন প্ৰকাশ কৰিছে ।এটা কথাই সত্য যে যেতিয়ালৈকে

মানুহে জীৱন্ত খোদাৰ জীৱন্ত ক্ষমতা প্ৰত্যক্ষ নকৰে,তেতিয়ালৈকে চয়তান তেওঁলোকৰ হৃদয়ৰ পৰা আঁতৰি নাযাব। অৰ্থাৎ প্ৰকৃত তৌহিদ তেওঁৰ হৃদয়ত প্ৰবিষ্ট নহয় আৰু খোদাৰ অস্তিত্বৰ প্ৰতি প্ৰকৃত বিশ্বাস স্থাপন কৰিব নোৱাৰে। এয়া যে প্ৰকৃত পৱিত্ৰ আৰু কৰ্মময় তৌহিদ, যাক লাভ কৰিব পাৰি  হজৰত মোহাম্মদ (ছাঃ)ৰ মাধ্যমেৰে। (হকীকাতুল ওহীঃৰুহানি খাজাইন জিলদ ২২ পৃঃ ১২০,১২১

## খোদাৰ কুদৰত ......সাধাৰণ চকুৰে দেখা নাযায়

মনত ৰাখিব যে মানুহৰ কোনো ক্ষমতা নাই যে মানুহে খোদাতালাৰ অতি ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰ কৰ্মৰ সম্পৰ্কত অৱগত হ'ব। কিন্তু খোদা তা'লাৰ কাম সকলো মানবীয় বুদ্ধি,চিন্তা আৰু কল্পনাৰ বহু উচ্চত। মানুহৰ মাথোন ইমান খিনি জ্ঞানৰ ওপৰত গৰ্ব কৰা উচিত নহয় তেওঁ কিছু পৰিমাণে ছিলছিলাৰ কাৰণ জানিব পাৰিছে, কাৰণ  এই জ্ঞান  নিতান্তই সীমাৱদ্ধ। লগতে মানুহৰ সকলো শক্তি হ'ব পাৰে সমুদ্ৰৰ এক বিন্দু পানীৰ কোটি ভাগৰ এভাগৰ সমান। সত্য কথা হ'ল খোদা তা'লা নিজেই যিমান সীমাহীন তেওঁৰ কাৰ্যৱলীও সিমানেই সীমাহীন। তেওঁৰ কোনো কামৰ মৌলিকত্বৰ সম্পৰ্কত জানিব পৰাটো মানবীয় ক্ষমতাৰ বাহিৰত আৰু উচ্চত। গতিকে সঁচা,আমি তেওঁৰ চিৰন্তন গুণাৱলীৰ প্ৰতি লক্ষ্য কৰি ইয়াকে উল্লেখ কৰিব পাৰো যে খোদা তা'লাৰ গুণাৱলী নিষ্ক্ৰিয় হৈ নাথাকে,যিহেতু খোদা তা'লাৰ সৃষ্টিৰ মাজত এটা নহয় এটা প্ৰজাতিৰ সূচনা বা আদিম সৃষ্টিৰ কাৰ্যকৰ। অৰ্থাৎ সৃষ্টিৰ শ্ৰেণীসমূহৰ মাজত এটা নহয় এটা ধাৰা লক্ষ্য কৰা যায়। খোদা তা'লাৰ সৃষ্টি জগতত প্ৰজাতিসমূহৰ মাজতো সকলো সময়ত কোনো এটা প্ৰজাতিৰ অস্তিত্বৰ মাজেৰে প্ৰকাশ হয়। সেয়ে ব্যক্তিৰ আদিমত্ব এই ক্ষেত্ৰত বাতিল হৈ পৰে। তথাপি খোদাতালাৰ ধ্বংসকাৰী গুণাৱলী সদায় সক্ৰিয় হৈ আছে, কেতিয়াও এইবোৰ নিষ্ক্ৰিয় হৈ নপৰে। অবুজ দাৰ্শনিকে যদি পৃথিৱী আৰু আকাশমণ্ডলৰ জড় আৰু জীৱ সমস্ত সৃষ্টিক নিজৰ বিজ্ঞানৰ বা প্ৰাকৃতিক নিয়মাৱলীৰ মাজত অন্তৰ্ভুক্ত কৰে

বা সেই বিলাকৰ সৃষ্টিৰ সূত্ৰ প্ৰতিষ্ঠাৰ বাবে বলপূৰ্বক চেষ্টা কৰে তথাপি সেইবোৰ ব্যৰ্থ হৈ পৰিব বা অক্ষম হৈ থাকিব।তেওঁলোকে নিজৰ পদাৰ্থ সম্পৰ্কিত গৱেষণাত যিখিনি অৰ্জন কৰিছে বা জমা কৰিবলৈ সক্ষম হৈছে, সেইবিলাকো সম্পূৰ্ণ আৰু ত্ৰুটিযুক্ত। অৰ্থাৎ এটাই সেই কাৰণ যাৰ বাবে তেওঁলোকে নিজৰ তত্বৰ প্ৰতি বাৰে বাৰে আস্থশীল হৈ পৰে বা বৰ্তি থাকিব নোৱাৰে। বাৰে বাৰে সেইবিলাকৰ মাজত পৰিৱৰ্তন সাধন কৰিব লগা হৈছে। কোনে জানে আৰু কিমান বাৰ পৰিৱৰ্তন কৰিব লগাত পৰে। যিহেতু তেওঁলোকৰ যাৱতীয় গৱেষণাৰ অৱস্থা হৈছে, তেওঁলোকে তেওঁলোকৰ সমস্ত উদ্দেশ্য আৰু প্ৰচেষ্টাৰ ক্ষেত্ৰত কেৱল নিজৰ বুদ্ধি আৰু চিন্তাৰ ওপৰতেই নিৰ্ভৰশীল আৰু খোদাৰ তৰফৰ পৰাও কোনো প্ৰত্যক্ষ সহায় তেওঁলোকে লাভ নকৰে, কিয়নো তেওঁলোকে আন্ধাৰ অতিক্ৰম কৰি আহিব নোৱাৰে। প্ৰকৃতে কোনো ব্যক্তিয়ে খোদাক চিনিব নোৱাৰে যেতিয়ালৈকে নিগূঢ় জ্ঞান বা মা'গফেৰাতৰ সেই সীমালৈকে উপনীত নহয়,য'ত উপনীত হ'লে তেওঁলোকে বুজিব পাৰে যে খোদাতালাৰ ইমান অসংখ্য কাৰ্যৱলী আছে যিবোৰ মানৱ চিন্তা, বুদ্ধি, জ্ঞান, চেতনাৰ পৰা বহু নিলগত, বহু উচ্চত।

এই নিগূঢ় জ্ঞান লাভ কৰাৰ আগলৈকে মানুহ নাস্তিক বা প্ৰকৃতি পূজাৰী বা কোনো সৃষ্টিৰ উপাসক হৈ থাকে।নতুবা তেওঁ খোদাৰ অস্তিত্বৰ প্ৰতি অবিশ্বাসী হৈ থাকে। যদিও তেওঁ খোদাক মানি চলে তেন্তে তেওঁ একমাত্ৰ সেই খোদাক মানি চলে যি তেওঁৰ যুক্তি-বুদ্ধিজাত এক ফল মাথোন। এই খোদা সেই খোদা নহয় যাৰ জ্যোতিময়তাৰ স্ফুৰণৰ দ্বাৰা নিজৰ সত্বাকে নিজেই প্ৰকাশ কৰি থাকে। তেওঁৰ ক্ষমতা বা বাস্তৱৰ ৰহস্যৱলী ইমান গভীৰ আৰু বিশাল যে মানৱ বুদ্ধিয়ে তাৰ চুক এটা স্পৰ্শ কৰিব নোৱাৰে। যেতিয়াৰে পৰা খোদাই আমাক এই জ্ঞান প্ৰদান কৰিছে যে খোদাতালাৰ ক্ষমতাৱলী আৰু তেওঁৰ সৃষ্টিসমূহ বিস্ময়ৰ পৰা

বিস্ময়কৰ, গভীৰতকৈ গভীৰ, সূক্ষ্মতকৈ সূক্ষ্ম আৰু ধ্যান-ধাৰণাৰ বাহিৰত, তেতিয়াৰে পৰা মই সেইলোকসকলক যিবিলাকে নিজকে দাৰ্শনিক বুলি জাহিৰ কৰে তেওঁলোকক সম্পূৰ্ণ কাফিৰ বুলি ভাবি আহিছো, গোপন নাস্তিক বুলি ভাবো। মোৰ ব্যক্তিগত পৰ্যাবেক্ষণ, মোৰ ব্যক্তিগত অভিজ্ঞতা এয়া যে মই খোদাতালাৰ বহু বিস্ময়কৰ সৃষ্টি এনেধৰণে প্ৰত্যক্ষ কৰিছোঁ যে সেইবিলাক ধাৰ্মিকতাৰ পৰা কোনোধৰণে বিধৰ্মী বুলি আখ্যা দিয়াতো সম্ভৱ নহয়। যেনেকৈ এই শ্ৰেণীৰ নিদৰ্শনৰ কোনো কোনো দৃষ্টান্তৰ কথা কোনো কোনো সময়ত বৰ্ণনা কৰিছোঁ। সৃষ্টিৰ এই লীলা যি দেখা নাই, সি কি দেখিছে? আমি তেনে কোনো খোদাক মানিব নিবিচাৰো, যাৰ সৃষ্টি বা ক্ষমতা মাথোন আমাৰ যুক্তি-বুদ্ধি, চিন্তা-চেতনাৰ মাজতেই সীমাৱদ্ধ, ইয়াৰ বাহিৰে তেওঁৰ একো নাই। সেয়ে আমি সেই খোদাক স্বীকাৰ কৰো যাৰ সৃষ্টি বা ক্ষমতা তেওঁৰ সত্বাৰ দৰে অসীম, অকল্পনীয় আৰু অন্তহীন। (চশমা মাৰুফাত,ৰুহানি খাজাইন জিলদ ২৩ পৃঃ২৮০-২৮২)

## কোৰাণ শ্বৰীফৰ শিক্ষা খোদাক প্ৰিয় বনোৱায়

কোৰাণ শ্বৰীফৰ মাজত এনে শিক্ষা প্ৰদান কৰা হৈছে যে যি খোদাতালাৰ প্ৰিয় কৰি তোলাৰ চেষ্টা কৰে। সেয়া কেতিয়াবা নিজৰ ৰূপ আৰু সৌন্দৰ্য প্ৰকাশ কৰে আৰু কেতিয়াবা নিজৰ কৃপা আৰু কল্যাণৰাজিৰ কথা মনত পেলাই দিয়ে। কিয়নো কাৰোবাৰ প্ৰতি হৃদয়ত ভালপোৱাৰ সৃষ্টি হয়, তেওঁৰ সৌন্দৰ্যৰ কাৰণে ,কৃপা আৰু কল্যাণৰ কাৰণে। সেয়ে লিখিত হৈছে যে খোদা তেওঁৰ সকলো সৌন্দৰ্যৰ ক্ষেত্ৰত একক আৰু অংশবিহীন-ৱাহিদ লা-শ্বৰিক। তেওঁৰ মাজত কোনো প্ৰকাৰৰ ত্ৰুটি নাই। তেওঁ সমস্তপূৰ্ণ আৰু কাৰ্যকৰ গুণৰ সমষ্টি, সমস্ত পৱিত্ৰ সৃষ্টি বা শক্তিৰ আধাৰ। সকলো শক্তিৰ উৎস। যাৱতীয় কল্যাণৰ প্ৰস্ৰবণ। তেওঁ প্ৰতিটো পুৰস্কাৰ আৰু শাস্তিৰ গৰাকী। সকলোবোৰে তেওঁৰ দিশে প্ৰত্যাবৰ্তন কৰে। তেওঁ ওচৰত তথাপি নিলগত। তেওঁ নিলগত তথাপি ওচৰত।

তেওঁ সকলোৰে ওপৰত,কিন্তু ইয়াকো ক'ব পৰা নাযায় যে তেওঁৰ তলত কোনোবা আছে। তেওঁ সকলোৰে পৰা অতি গোপন, কিন্তু ইয়াকো ক'ব নোৱাৰি তেওঁতকৈ প্ৰকাশিত অধিক কিবা আছে। তেওঁ জীৱন্ত নিজৰ সত্বাত আৰু সকলোবোৰ তেওঁৰে পৰা অস্তিত্ববান। তেওঁ সকলোৰে ভৰসা আৰু আশ্ৰয়স্থল কিন্তু একোৱে তেওঁৰ বাবে ভৰসা আৰু নিৰ্ভৰস্থল নহয়। এনে একো নাই যি তেওঁৰ অবিহনে নিজে নিজে সৃষ্টি হৈছে বা তেওঁক বাদ দি নিজে নিজে জীয়াই আছে। তেওঁ সকলোবোৰ পৰিবেষ্টন কৰি আছে কিন্তু ক'ব পৰা নাযায় তেওঁৰ পৰিধি কিমান যে প্ৰসাৰিত। তেওঁ আকাশ-পাতাল সকলো বস্তুৰে নুৰ, পোহৰ। প্ৰতিটো পোহৰ তেওঁৰ হাততেই বিচ্ছুৰিত আৰু তেওঁৰে সত্বাৰ প্ৰকাশ। তেওঁ সকলো জগতৰ প্ৰতিপালক, পৰৱৰদেগাৰ। এনে কোনো আত্মা নাই যি তেওঁৰ প্ৰতিপালনৰ পৰা বঞ্চিত আৰু নিজেই নিজেই অস্তিত্ববান। কোনো আত্মাৰ এনে শক্তি নাই যি তেওঁৰ পৰা লাভ নকৰাকৈ নিজে নিজে অস্তিত্ববান হৈছে। তেওঁৰ

## ৰহমত দুই প্ৰকাৰৰ

এক) এয়া কোনো কৰ্মীৰ কৰ্মফল নহয় অৰ্থাৎ ৰহমতসমূহ আদি কালৰে পৰা প্ৰকাশিত। যেনে- পৃথিৱী আৰু আকাশ, সূৰ্য আৰু চন্দ্ৰ, নক্ষত্ৰসমূহ, অগ্নি আৰু পানী আৰু বায়ু আৰু এই জগতৰ সকলোবোৰ যিবোৰক সৃষ্টি কৰা হৈছে আমাৰ সুবিধাৰ বাবে আৰু তেনেকৈ আনবিলাক সামগ্ৰীৰ প্ৰয়োজন আছিল আমাৰ। সেয়েহে সকলো বিলাক আমাৰ জন্মৰ পূৰ্বে সৰবৰাহ কৰা হৈছে আমাৰ বাবে। সকলোবিলাক কৰা হৈছে সেই সময়ত যেতিয়া আমাৰ কোনো অস্তিত্বই নাছিল বা কোনো কৰ্ম বা কৰ্মফল নাছিল। কোনে ক'ব পাৰে সূৰ্যক আমাৰ কৰ্মৰ ফলত সৃষ্টি কৰা হৈছে, পৃথিৱীক আমাৰ সৎ কৰ্মৰ ফলত সৃষ্টি কৰা হৈছে। সংক্ষেপত এয়া হৈছে সেই ৰহমত (দয়া) যি মানুহ আৰু মানুহৰ কৰ্মৰ আগতে প্ৰকাশিত হৈছিল। যিবিলাক কোনো কৰ্মৰফল নহয়।

দুই) এই ৰহমত হৈছে সেই ৰহমত যি কৰ্মৰ ফলস্বৰূপে প্ৰকাশ ঘটে আৰু কোনো বিশদ ব্যাখাৰ প্ৰয়োজন নাই।

## খোদাক দেখাৰ কাৰণে এই দুনিয়াত অনুতাপ কৰাৰ শক্তি লাভ হয়

কোৰাণ শ্বৰিফত বৰ্ণনা কৰা হৈছে যে খোদাতালাৰ সত্বা সকলো প্ৰকাৰৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ আৰু সকলো ধৰণৰ ক্ষতিৰ পৰা মুক্ত। তেওঁ বিচাৰে যে মানুহে তেওঁৰ শিক্ষা অনুসৰণ কৰি দোষ-ত্ৰুটিৰ পৰা মুক্ত হওঁক। সেয়ে, তেওঁ উল্লেখ কৰিছে-

وَمَنْ كَانَ فِي هٰذِهٖٓ اَعْمٰى فَهُوَ فِي الْاٰخِرَةِ اَعْمٰى

(17:73)

যি ব্যক্তি ইহজগতত অন্ধ থাকিব পৰজগততো অন্ধ হ'ব।(বনি ইস্ৰাইল আয়াত ৭৩ ) অৰ্থাৎ যি ব্যক্তি ইহজগতত অন্ধ থাকিব তেওঁ সেই অনুপম সত্বাক দেখিবলৈ নাপাব, মৃত্যুৰ পিছতো অন্ধ হ'ব তথা অন্ধত্বৰ পৰা কেতিয়াও আঁতৰ হ'ব নোৱাৰিব। কিয়নো খোদাক প্ৰত্যক্ষ কৰা ইন্দ্ৰসমূহ ইহজগতত পোৱা যায় আৰু যি ব্যক্তিয়ে এই ইন্দ্ৰসমূহ নিজৰ লগত পৰজগতলৈ লৈ যাব নোৱাৰে তেওঁ কেতিয়াও খোদাক দেখা নাপাব। এই আয়াতত খোদাই স্পষ্ট ভাবে উল্লেখ কৰিছে মানুহৰ কেনেধৰণৰ উন্নতি তেওঁ বিচাৰে। লগতে মানুহে তেওঁৰ শিক্ষাক অনুকৰণ কৰিলে কিমান উন্নতি কৰিব পাৰে। গতিকে কোৰাণ শ্বৰীফত তেওঁ সেই শিক্ষা প্ৰদান কৰিছে যাৰ মাধ্যমেৰে, যাৰ ওপৰত চৰ্চা কৰিলে মানুহে এই দুনিয়াতে 'দীদাৰে-এ-ইলাহী' বা দৰ্শন লাভ কৰা গৰাকী হোৱাটো সম্ভৱ।

যেনেকৈ তেওঁ উল্লেখ কৰিছে—

فَمَنْ كَانَ يَرْجُوْا لِقَآءَ رَبِّهٖ فَلْيَعْمَلْ عَمَلًا صَالِحًا وَّلَا
يُشْرِكْ بِعِبَادَةِ رَبِّهٖٓ اَحَدًا ۝

(18:111)

যি ব্যক্তিয়ে তেওঁৰ প্ৰভু-প্ৰতিপালকৰ লগত দীদাৰ বা সাক্ষাৎ লাভ কৰাৰ আশা কৰে, তেওঁ যেন সৎ কৰ্ম কৰে আৰু নিজৰ প্ৰতিপালক বা প্ৰভুৰ উপাসনাৰ লগত আনক যেন অংশী নাপাতে (চুৰা কাহাফ অয়াত ১১১)

অৰ্থাৎ যি ব্যক্তিয়ে বিচাৰে যে এই পৃথিৱীত তেওঁৰ খোদাৰ সেই দীদাৰ লাভ হওঁক, যি সঁচাকৈ খোদা আৰু সৃষ্টিকৰ্তা। তেনেহ'লে তেওঁ এনে কিছুমান ভাল কাম কৰিব লাগিব যাৰ মাজত কোনো ত্ৰুটি নাথাকিব। অৰ্থাৎ তেওঁৰ আমল বা কৰ্ম এনে হ'ব লাগিব যে যাৰ মাজত নাথাকিব কোনো প্ৰদৰ্শনমূলক ভাৱ বা ইচ্ছা। নতুবা তেওঁৰ মনৰ মাজত এনে অহংকাৰ সৃষ্টি নহ'ব-'মই ইয়াক কৰিছোঁ, সেয়া এয়া হৈছে।' সেই আমল ত্ৰুটিযুক্ত নহ'ব , তাৰ মাজত এনে কোনো দুৰ্গন্ধি নাথাকিব যি তেওঁৰ ভালপোৱাৰ পৰিপন্থী হ'ব। অথচ সেয়া হ'ব আন্তৰিকতা আৰু বিশ্বস্ততাৰে পৰিপূৰ্ণ। ইয়াৰ লগে লগে এয়াও হ'ব পাৰে তেওঁ যেন সকলো প্ৰকাৰৰ চেৰেক মুক্ত হয়। সূৰ্য,চন্দ্ৰ, আকাশ,তৰা,বতাহ,জুই,পানী, পৃথিৱী একোকে উপাস্য হিচাপে লোৱা নহ'ব নতুবা পৃথিৱীৰ উপায় উপকৰণক ইমান সন্মান আৰু গুৰুত্ব দিব নালাগিব, এনে ভৰসা কৰিব নালাগিব যাৰ দ্বাৰা অনুভৱ হ'ব পাৰে যে সেইবিলাক খোদাৰ অংশীদাৰ। নতুবা নিজৰ শক্তি আৰু প্ৰচেষ্টাক অলপ গুৰুত্ব প্ৰদান কৰা হয়। কাৰণ বিভিন্ন প্ৰকাৰৰ চিৰকৰ মাজত এয়াও এক চিৰক। সকলো সমাধান কৰাৰ পিছত এনেকৈ ভাবিব লাগে যে মই একো কৰা নাই। নিজৰ জ্ঞানলৈ কোনো গৰ্ব কৰিব নালাগে। নিজৰ কৰ্মৰ বাবেও আনন্দ-উল্লাহ্ প্ৰকাশ কৰিব নালাগে। নিজকে এক অজ্ঞ বুলি ভাবিব লাগে, খোদাতালাৰ প্ৰতি সদায় আত্মনিবেদিত হৈ থকাৰ লগতে আৰু প্ৰাৰ্থনাত তেওঁৰ কৃপা, কৰুণাক নিজৰ প্ৰতি আকৰ্ষণ কৰা। তথা সেই ব্যক্তিৰ বাবে ন্যায় কৰা হ'ব অতি তৃষ্ণাতুৰ আৰু হাত-ভৰি নথকা অসহায় ব্যক্তিৰ সন্মুখত যেতিয়া ভাহি উঠিব পানীৰ উৎস, যি পানী অতি পৰিষ্কাৰ আৰু মিঠা। যেতিয়া মাটিত বুকু ঘহি ঘহি সেই ব্যক্তি পানীৰ উৎসৰ কাষ চাপিল তেতিয়া পানীত মুখ দি পানী পান কৰিব ধৰিলে, যিমান সময়ে তেওঁৰ হেপাহ পলোৱা নাছিল।

# আল্লাহ আৰু তেওঁৰ গুণাৱলী

কোৰাণ কৰীমত আমাৰ খোদাৰ গুণাৱলীৰ সম্পৰ্কত কোৱা হৈছে-

قُلْ هُوَ اللّٰهُ اَحَدٌ ۝ اَللّٰهُ الصَّمَدُ ۝ لَمْ يَلِدْ ۙ وَلَمْ يُوْلَدْ ۝
وَلَمْ يَكُنْ لَّهٗ كُفُوًا اَحَدٌ ۝

(112:2-5)

কোৱা তেওঁ আল্লাহ, অদ্বিতীয়, আল্লাহ স্বনিৰ্ভৰশীল আৰু সকলো কাকুতি-মিনতিৰ পাত্ৰ। সেইজনাই জন্ম নিদিয়ে,নাইবা সেইজনাকো কোনেও জন্ম দিয়া নাই। আৰু সেইজনাৰ দৰে আন কোনো নাই।(চুৰা এখলাচ আয়াত ২-৫)

অৰ্থাৎ তোমাৰ খোদা হৈছে সেই খোদা যি সত্তাত, গুণাৱলীত অদ্বিতীয়। এনে কোনো সত্তা নাই যি তেওঁৰ সত্তাৰ ন্যায় চিৰন্তন তথা চিৰস্থায়ী অৰ্থাৎ অনাদি আৰু অনন্ত। কোনো বস্তুৰ গুণাৱলী তেওঁৰ গুণাৱলীৰ সদৃশ নহয়। মানুহৰ জ্ঞান কোনো শিক্ষকৰ জ্ঞানৰ ওপৰত নিৰ্ভৰশীল তথা সীমাৱদ্ধ। কিন্তু তেওঁৰ জ্ঞান আনৰ ওপৰত নিৰ্ভৰশীল নহয়। কল্পনাতীত ভাবে সীমাহীন। মানুহৰ শ্ৰবণশক্তি বতাহৰ ওপৰত নিৰ্ভৰশীল তথা সীমিত। কিন্তু খোদাৰ শ্ৰৱণ শক্তি তেওঁৰ ব্যক্তিগত ক্ষমতাৰ অন্তৰ্গত তথা সীমিত নহয়। মানুহৰ দৰ্শন শক্তি সূৰ্য বা আন কোনো পোহৰৰ ওপৰত নিৰ্ভৰশীল। সেয়া সীমিত। কিন্তু খোদাৰ দৰ্শন শক্তি তেওঁৰ ব্যক্তি সত্তাৰ পোহৰৰ পৰাই (শক্তিমান) তথা সেয়া সীমিত নহয়। তেওঁৰ সমস্ত গুণাৱলী অতুলনীয় আৰু অন্যান্য। তেওঁৰ যেনেকৈ কোনো তুলনা নাই, তেনেকৈ তেওঁৰ গুণাৱলীৰো তুলনা নাই। তেওঁৰ যদি কোনোবা এটা গুণ ক্ৰটিপূৰ্ণ হয়, তেন্তে সকলো গুণ ক্ৰটিপূৰ্ণ হৈ পৰিব, সেইবাবে তেওঁ একত্ব বা তৌহিদ প্ৰতিষ্ঠিত হ'ব নোৱাৰে, যেতিয়ালৈকে তেওঁ নিজৰ সত্তাৰ দৰে সকলো গুণাৱলীও অতুলনীয় । তদুপৰি উল্লেখিত আয়াতসমূহত এই কথাও উল্লেখ কৰা হৈছে- খোদা কাৰোৰে পুত্ৰ নহয়, তেওঁৰো কোনো পুত্ৰ নাই। কিয়নো তেওঁ তেওঁৰ সত্তাত স্বনিৰ্ভৰশীল। তেওঁৰ কোনো পিতাৰ প্ৰয়োজন নাই, নাই কোনো পুত্ৰৰ। এয়াই হৈছে তৌহিদ যাৰ

শিক্ষা কোৰাণ শ্বৰিফে দিয়ে আৰু যি ঈমানৰ এক ভেটি (ভাষণ লাহোৰ, ৰুহানি খাজাইন জিলদ ২০ পৃঃ১৫২-১৫৫)

খোদাই মোক সম্বোধন কৰি কৈছে - মই যেন মোৰ জামাতক এই কথা অৱগত কৰো যে তেওঁলোকে ঈমান আনক আৰু ঈমানৰ সৈতে দুনিয়াৰ কোনো বিষয়ক সংযুক্ত নকৰক। সেই ঈমানৰ মাজত যেন কপটতা আৰু কালপুৰুষতা লেখমাত্ৰ নাথাকে । সেই ঈমান আনুগত্যতাৰ কোনো স্তৰৰ পৰা বঞ্চিত নহওঁক। এই শ্ৰেণী লোক খোদাৰ পছন্দৰ লোক। লগতে খোদাই কৈছে যে এইসকলে সেইসকল যাৰ পদক্ষেপ আন্তৰিকতাৰ পদক্ষেপ।

হে শ্ৰোতাগণ শুনা! খোদাই তোমালোকৰ পৰা কি বিচাৰে? মাথোন ইমানেই যেন তোমালোক তেওঁৰ হৈ পৰা। তেওঁৰ লগত কাকো জড়িত নকৰিবা, নহয় আকাশত, নহয় পৃথিৱীত। আমাৰ খোদা সেই খোদা যি এতিয়াওঁ জীৱন্ত, যেনেকৈ তেওঁ জীৱন্ত আছিল অতীতত। তেওঁ এতিয়াও কথা কৈছে যিদৰে অতীতত কৈছিল। তেওঁ এতিয়াও শুনি থাকে যিদৰে অতীতত শুনি আছিল। এনেধাৰণা ভ্ৰান্ত যে এই যুগত তেওঁ মাথোন শুনে, কিন্তু নকয়। তেওঁ শুনেও, কয়। তেওঁৰ সমস্ত গুণাৱলী চিৰন্তন আৰু চিৰস্থায়ী। তেওঁৰ কোনো গুণ আকোৰগোজ নহয় আৰু কেতিয়াও আকোৰগোজ নহ'ব। তেওঁ সেই ৱাহিদ আৰু লা শ্বৰিক সেই এজনেই অংশবিহীন,যাৰ কোনো পুত্ৰ নাই। কোনো পত্নী নাই। তেওঁ সেই অতুলনীয়, দৃষ্টান্তবিহীন যাৰ কোনো দ্বিতীয় নাই। কোনো ব্যক্তি কোনো গুণতে তেওঁৰ দৰে সমগুণান্বিত নহয়,তেওঁৰ কোনো সমকক্ষ নাই। তেওঁৰ গুণাৱলীত কোনো অংশীদাৰ নাই। তেওঁৰ ক্ষমতাৰ কোনো হ্ৰাস নাই। তেওঁ অতি ওচৰত, আঁতৰত থকাৰ পিছতো, তেওঁ অতি দূৰত, কাষত থকাৰ পিছতো। তেওঁ ৰূপক হিচাপে আহ্‌লে- কাশ্‌ফ বা দিব্যদৰ্শনৰ অভিজ্ঞ ব্যক্তিসকলৰ প্ৰতি নিজকে প্ৰকাশিত কৰে, কিন্তু ইয়াৰ বাবে তেওঁৰ

কোনো দেহ্ বা আকাৰ নাই। তেওঁ সকলোবোৰৰ ওপৰত, কিন্তু ক'ব পৰা নাযায় তেওঁৰ লগত যে কোনোবা আছে। তেওঁ আৰশ্বৰ ওপৰত আছে কিন্তু ক'ব নোৱাৰি মাটিৰ ওপৰত যে নাই। তেওঁৰ সৰ্বোচ্চ সমস্ত গুণাৱলীৰ আধাৰ আৰু প্ৰকৃত প্ৰশংসাৰ প্ৰকাশিত ৰূপ। তেওঁ সমস্ত সৌন্দৰ্যৱলীৰ উৎস আৰু সমস্ত ক্ষমতাৰ অধিকাৰী। তেওঁ যাৱতীয় কৃপা আৰু কল্যাণৰ উৎস, সকলোবোৰ তেওঁৰ ওচৰতে প্ৰত্যাবৰ্তন কৰে। তেওঁ প্ৰতিখন ৰাজ্য আৰু ৰাষ্ট্ৰৰ অধিপতি আৰু সমস্ত সৎ গুণৰ অধিকাৰী। তেওঁ প্ৰতিটো ত্ৰুটি- বিচ্যুতি আৰু দুৰ্বলতাৰ পৰা মুক্ত। লগতে তেওঁ এই বিষয়ত এনেদৰে একক ৰূপে বিশিষ্ট যে, পৃথিৱীবাসী আৰু নভোমণ্ডলবাসীসকলোৱে তেওঁক উপাসনা কৰিব। একোৱে তেওঁৰ ক্ষমতাৰ বৰ্হিভূত নহয়। সমস্ত আত্মা আৰু তাৰ শক্তিসমূহ আৰু সমস্ত অনু-পৰমাণু আৰু তাৰ শক্তিসমূহ সকলো তেওঁৰে সৃষ্টি। তেওঁক বাদ দি একোৱে প্ৰকাশিত হ'ব নোৱাৰে। তেওঁ নিজৰ ক্ষমতাসমূহ, তেওঁৰ শক্তিসমূহ আৰু তাৰ নিদেৰ্শনসমূহে নিজৰ সত্বাক নিজেই প্ৰকাশ কৰে। আমি তাৰ মাধ্যমেৰে তেওঁক লাভ কৰিব পাৰো। তেওঁ সাধুসকলৰ প্ৰতি সদায় নিজৰ অস্তিত্ব প্ৰকাশ কৰি আহিছে। তেওঁলোকক নিজৰ শক্তি বা বাস্তৱতা প্ৰকাশ কৰে। এইবিলাকৰ মাজেৰে তেওঁক চিনিব পৰা যায়, ইয়াৰ মাধ্যমেৰে নিজৰ পছন্দৰ পথ অনুকৰণ কৰিব পৰা যায়, চিনিব পাৰি।

তেওঁক দৈহিক (ভৌতিক ) চকুৱে প্ৰত্যক্ষ নকৰে। তেওঁ শুনিব পাৰে দৈহিক কাণ অবিহনে। একেদৰে তেওঁ কথা পাতে দৈহিক জিভা বিহীনভাবে। নাস্তিকতাৰ পৰা ধৰ্মীয়তাৰ মাজলৈ অনাটো তেওঁৰে কৰ্ম। যেনেদৰে তোমালোকে দেখি আহিছা যে, সপোনৰ মাজত কোনো সামগ্ৰীৰ অস্তিত্ব ত্যাগ কৰি তেওঁ এখন জগত সৃষ্টি কৰি আহিছে আৰু প্ৰতিটো অবাস্তৱ বা মৃত আৰু অস্তিত্বহীন বস্তুক অস্তিত্ববান কৰি দেখুৱায়। এয়াই

হৈছে তেওঁৰ সকলো ক্ষমতাৰ নমুনা। মূৰ্খ সি যি তেওঁৰ ক্ষমতাসমূহক অস্বীকাৰ কৰে। অন্ধ সি যি তেওঁৰ ক্ষমতাৰ গভীৰতাৰ খবৰ নাৰাখে। তেওঁ সকলোবোৰ কৰে আৰু কৰিব পাৰে, মাথো সেইবোৰ বিষয় বাদ যিবোৰ তেওঁৰ মৰ্যাদাৰ সৈতে সংগতিপূৰ্ণ নহয় আৰু যিবিলাক তেওঁৰ অংগীকাৰৰ পৰিপন্থী তেওঁ ওৱাহি দ- তেওঁৰ নিজৰ সত্বাত আৰু গুণাৱলীত, কৰ্মকাণ্ডত আৰু শক্তিসমূহত। তেওঁৰ ওচৰলৈ যোৱা সকলোবোৰ দুৱাৰ বন্ধ হৈ পৰিছে একমাত্ৰ সেইখন দুৱাৰ বাদ দি যিখন মুকলি কৰে ফুৰকানে মজিদে। (ৰিছালা আল অচিয়ত,ৰুহানি খাজাইন জিলদ ২০ পৃঃ ৩০৯-৩১১)

## সকলো ধৰণৰ প্ৰশংসা আল্লাহৰ সৈতে নিৰ্ধাৰিত

আলহামদুলিল্লাহ, সকলো প্ৰশংসা আল্লাহৰ। সকলো প্ৰশংসা সেই মা'বুদ বৰহক্কৰ, সেই সত্য উপাসকৰ, যাৰ সত্বাত সন্নিবিষ্ট সকলো পূৰ্ণ, শুদ্ধ গুণাৱলী,নাম যাৰ আল্লাহ্। মই আগতেই বৰ্ণনা কৰি আহিছোযে পৱিত্ৰ কোৰাণ শ্বৰিফৰ আওতাত ‘আল্লাহ’ হৈছে সেই সফল আৰু শুদ্ধ সত্বাৰ নাম যি হ'ল মা'বুদে বৰহক্ক আৰু পূৰ্ণ- সৰ্বোত্তম গুণাৱলীৰ আধাৰ, সকলো দোষ-ত্ৰুটিৰ পৰাও একক অংশবিহীন- ৱাহিদ লা শ্বৰীক। সকলো -কৃপা কল্যাণৰ উৎস। কিয়নো, খোদাতালাৰ পৱিত্ৰবাণী কোৰাণ শ্বৰিফত তেওঁৰ নাম ‘আল্লহকে’ আন সকলো নামৰ আৰু গুণাৱলীৰ আধাৰ হিচাপে সাব্যস্ত কৰিছে। কোনো স্থানতে ইয়াৰ বাহিৰে আন নামক এই মৰ্যাদা প্ৰদান কৰা হোৱা নাই। আল্লাহৰ নামটো হ'ল সকলো প্ৰকাৰৰ প্ৰশংসাৰ সমষ্টিৰ স্বৰূপ হোৱাৰ বাবে সকলোবোৰ গুণৰ আধাৰ হৈ পৰিছে, যিবোৰ নিৰ্হিত হৈ আছে সেই নামবোৰৰ মাজত। যিহেতু তেওঁৰ নামসমূহৰ সমষ্ঠি আৰু সকলো গুণাৱলীৰ দ্বাৰা গুণান্বিত, ইয়াৰ তাৎপৰ্য এটাই যে ইয়াৰ ব্যাপকতাৰ মাজত এটা শুদ্ধ গুণাৱলী সন্নিবিষ্ট হৈ আছে। গতিকে ‘আলহামদুলিল্লাহ'ৰ তাৎপৰ্য হৈছে সকলো প্ৰকাৰৰ প্ৰশংসা- সেয়া মুকলি

ভাবে হওঁক বা গোপনকৈ হওঁক, ব্যক্তিগত লাভালাভৰ সম্পৰ্কিত হওঁক আৰু প্ৰাকৃতিক বিস্ময়াদি হওঁক, সেই সকলোবোৰ আল্লাহৰ বাবে বিশেষ বা বিশিষ্ট। ইয়াৰ মাজত কোনোবা জড়িত বা অংশীদাৰ নাই। তদুপৰি যিমান সম্ভৱ প্ৰকৃত প্ৰশংসা আৰু সৰ্বোত্তম গুণাৱলীৰ কথা যিকোনো জ্ঞানীজনৰ জ্ঞান উপলব্ধ কৰিব পাৰে, তাৰ সমস্ত সৌন্দৰ্য আল্লাহ্‌ৰ মাজত সমৃদ্ধ। এনে কোনো সৌন্দৰ্য নাই, যি সৌন্দৰ্যই মানৱ বুদ্ধিক প্ৰকাশ কৰিব পাৰে বা ধাৰণ কৰিব পাৰে অথচ সেই সৌন্দৰ্যৰ পৰা হতভগা মানুহৰ দৰে আল্লাহ্ তালা বঞ্চিত হৈ আছে। বৰঞ্চ কোনো জ্ঞানী ব্যক্তিয়ে এনে সৌন্দৰ্য উত্থাপন কৰিব নোৱাৰে, যি খোদাতালাৰ মাজত পোৱা নাযাব। মানুহৰ যিমান সম্ভৱ অধিক থাকিব অধিক সৌন্দৰ্যৱলী কল্পনা কৰিবলৈ সক্ষম আৰু সেয়া সকলো তেওঁৰ মাজত বিদ্যমান।তেওঁৰ সত্বা, গুণাৱলী, প্ৰশংসা, সকলো ধৰণে পৰিপূৰ্ণ তথা উত্তম আৰু সকলোবোৰ, সকলো প্ৰকাৰৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ।

## আল্লাহ তা'লা সম্বন্ধে আন ধৰ্মসকলৰ ভুল আকিদা (বিশ্বাস)

এতিয়া চাওঁক এয়া এনে এক সত্যতা, যাৰ দ্বাৰা সঁচা-মিছা ধৰ্মৰ পাৰ্থক্য প্ৰকাশিত হৈ পৰে। কিয়নো সকলো ধৰ্মকলৈ চিন্তা কৰিলে ইয়াক পৰিষ্কাৰকৈ বুজিব পৰা যাব যে, ইছলামক বাদ দি সমগ্ৰ পৃথিৱীত এনে কোনো ধৰ্ম নাই যি খোদাতালাৰ সকলোবোৰ দোষ-ত্ৰুটিৰ পৰা পৱিত্ৰ আৰু সকলোবিলাক পূৰ্ণতম প্ৰশংসাত প্ৰকাশিত বুলি অনুভৱ হয়।

## হিন্দু আৰু আৰ্যসকলৰ আকিদা

সাধাৰণতে হিন্দুসকলে তেওঁলোকৰ দেৱতাসকলক খোদাতালাৰ স্বৰূপ বা প্ৰতিপালকত্বৰ অংশীদাৰ বুলি ভাবি আৰু খোদাতালাৰ কাৰ্যৱলীৰ মাজেৰে তেওঁলোকৰ (দেৱতাৰ)প্ৰত্যক্ষ হস্তক্ষেপ বা অংশগ্ৰহণ আছে বুলি বিশ্বাস কৰে। লগতে ইয়াকো বিশ্বাস কৰে যে, তেওঁলোকে

(দেৱতাসকলে) খোদাৰ ইচ্ছাক-অংগীকাৰক সলনি কৰিব পাৰে, আৰু তেওঁৰ (খোদাৰ) দ্বাৰা নিৰূপিত ভাগ্যকো ওলট-পালট কৰি দিব পাৰে। তদুপৰি হিন্দুসকলে কোনো কোনো মানুহ আৰু জন্তুৰ সম্পৰ্কত এনে কি, কোন কোন অপৱিত্ৰ তথা লেতেৰা, বিষ্টাখোৱা জন্তু,গাহৰি আদিৰ ক্ষেত্ৰতো এই ধাৰণা পোষণ কৰে যে যুগে যুগে তেওঁলোকৰ পৰমেশ্বৰ শ্ৰেণীৰ যোনিত জন্মগ্ৰহণ কৰি সেই সকলো অকল্যাণ আৰু পাপ- যোনিৰ পংকিলতাত জড়িত হৈ আহিছিল, যিবোৰ সেইবিলাকৰ বাস্তৱ অৱস্থা। তদুপৰি তেওঁলোকে আনসকলৰ দৰে ক্ষুধা-তৃষ্ণা,দুখ-বেদনা, ভয়-চিন্তা, ব্যাধি- মৃত্যু, লাঞ্চনা-গঞ্জনা, অসহায়-দুৰ্বলতাৰ মাজত জড়িত হৈ আহিছিল। গতিকে ইয়াৰ পৰা প্ৰমাণ হৈছে যে সেই জাতীয় বিশ্বাসে খোদাতালাৰ গুণাৱলীক নসাৎ কৰি দিয়ে। লগতে তেওঁৰ চিৰন্তন, চিৰস্থায়ী গৌৰৱ আৰু মহিমাক অতি বেয়াকৈ ম্লান কৰি দিয়ে।

লগতে এই আৰ্য সমাজ, যি তেওঁলোকৰ সভ্যতাৰ ভাতৃ, তেওঁলোকে এই ধাৰণা পোষণ কৰে যে তেওঁলোকে সঠিকভাবে বেদৰ পথ অনুকৰণ কৰি চলিছে। তেওঁলোকে খোদাতালাৰ সৃষ্টি কৰাৰ ক্ষমতাক অস্বীকাৰ কৰে। তেওঁলোকে সমস্ত আত্মাক খোদাৰ স্বয়ম্ভু সত্তাৰ দৰে অ-সৃষ্ট অনুভৱ কৰে আৰু ভাবে যে, আত্মাবোৰ ৱাজেবুল-অজুদ বা অপৰিহাৰ্য অস্তিত্ব বা স্ব-অস্তিত্বৱান আৰু স্বতঃ সত্বাৱান। অথচ সুস্থ বুদ্ধিয়ে ইয়াক খোদাতালাৰ সৰ্ম্পকত অতি পৰিষ্কাৰভাবে এক ত্ৰুটি বুলি অনুভৱ কৰে যে, তেওঁ সৃষ্টিৰ গৰাকী হোৱাৰ পিছতো কোনো কিবাৰ স্ৰষ্টা আৰু প্ৰতিপালক নহয়। লগতে বিশ্বজগতৰ জীৱন তেওঁৰ আশ্ৰয় আৰু সহায়ৰ ওপৰত নিৰ্ভৰশীল নহয়, বৰঞ্চ তেওঁলোক স্ব-নিৰ্ভৰশীল আৰু স্ব অস্তিত্বশীল। যদি সুস্থ বুদ্ধিৰ সন্মুখত দুটা প্ৰশ্ন উত্থাপন কৰা হয় যে, সৰ্বশক্তিমান খোদাতালাৰ সমগ্ৰ প্ৰশংসাৱলীৰ ক্ষেত্ৰত এই কথা সঁচাকৈ যথাৰ্থ আৰু উপযুক্ত যে, তেওঁ স্বয়ং নিজৰ অসীম শক্তিৰ দ্বাৰা সমগ্ৰ

সৃষ্টিকে অস্তিত্ব দান কৰিছে আৰু সেই সমগ্ৰ সৃষ্টিৰে প্ৰতিপালক আৰু স্ৰষ্টা হৈছে, সমগ্ৰ সৃষ্টিৰ ধাৰা তেওঁৰে প্ৰতিপালকত্বৰ ওপৰত নিৰ্ভৰশীল। সৃষ্টি কৰাৰ গুণ- ক্ষমতা তেওঁৰ কাৰ্যক্ষম সত্তাৰ মাজত বিদ্যমান আৰু জন্ম-মৃত্যুৰ ক্ষতি বা প্ৰভাবৰ পৰা পৱিত্ৰ ( অৰ্থাৎ জন্ম-মৃত্যুৰ পৰা মুক্ত) অথবা,খোদাতালাৰ মহামহিমাৰ ক্ষেত্ৰত এই কথা যথোপযুক্ত যে, এই বিশাল বিশ্বজগত,যাৰ পূৰ্ণ নিয়ন্ত্ৰণ তেওঁৰ হাতত,তাৰ একোৱে তেওঁৰ সৃষ্টি নহয় আৰু তেওঁৰ সহায়,আশ্ৰয় বা ৰক্ষণাবেক্ষণ একোৰে প্ৰয়োজন নাই। সেইবিলাকৰ অস্তিত্ব- স্থায়িত্ব তেওঁৰ প্ৰতি মুখাপেক্ষী নহয়,তেওঁ সেইবিলাকৰ স্ৰষ্টা আৰু প্ৰতিপালক নহয়, তেওঁৰ মাজত স্ৰষ্ট্ৰাৰ গুণ আৰু শক্তি একোৱে নাই নে তেওঁ জন্ম আৰু মৃত্যুৰ প্ৰভাৱৰ পৰা মুক্ত। তেন্তে যুক্তি বা জ্ঞানে এই সিদ্ধান্ত প্ৰদান কৰাৰ বাবে অনুমতি নিদিয়ে যে যি বিশ্বজগতৰ গৰাকী তেওঁ এই বিশ্বজগতৰ সৃষ্টিকৰ্তা নহয় আৰু হাজাৰোধিক বিস্ময়কৰ গুণাৱলী যি আত্মাসমূহ, দেহসমূহৰ মাজত লক্ষ্য কৰা হয়, সেয়া সকলো নিজে নিজেই সৃষ্টি হৈছে আৰু সেইবিলাকৰ কোনো সৃষ্টিকৰ্তা নাই? যি খোদা সমস্ত কিছুৰ গৰাকী বুলি দাৱী কৰে তেওঁ নামমাত্ৰ গৰাকী মাথোন। তদুপৰি,(যুক্তি আৰু জ্ঞানে) এই সিদ্ধান্ত নিদিয়ে যে- সৃষ্টি কৰাৰ দৰে তেওঁৰ (খোদাতালাৰ) কোনো ক্ষমতা নাই, তেওঁ দুৰ্বল, অসহায় আৰু ত্ৰুটিপূৰ্ণ, তেওঁ অপবিত্ৰ, বেয়াৰ ভক্ষণকাৰী, অন্যায়-নীচ, কদৰ্য অভ্যাসৰ অধিকাৰী অথবা তেওঁ মৃত্যু, শোক, দুঃখ, অকমণ্যতাৰ আৰু অজ্ঞানতাৰ অধীন। বৰঞ্চ যুক্তিয়ে পৰিষ্কাৰ ভাবে সাক্ষ্য প্ৰদান কৰে যে খোদাতালা সেইবিলাক নীচ বৈশিষ্ট্যৱলী আৰু দোষ-ত্ৰুটিৰ পৰা সম্পূৰ্ণভাবে পৱিত্ৰ তথা পূৰ্ণ পৰিশুদ্ধতা বা পূৰ্ণ কৰ্মদক্ষতাৰ দাৱী হৈছে পূৰ্ণ অধিকাৰ অৰ্জন কৰা। আকৌ যদি খোদাতালা পূৰ্ণ ক্ষমতাৰ অধিকাৰী নহয় অৰ্থাৎ তেওঁ কোনো সৃষ্টি কৰিব নোৱাৰে, যদি নিজৰ সত্তাক কোনো প্ৰকাৰৰ ক্ষতিৰ পৰা ৰক্ষা কৰিব নোৱাৰে, তেনেহ'লে বুজিব লাগিব যে তেওঁ পূৰ্ণ ক্ষমতাৰ অধিকাৰী নহয়। লগতে পূৰ্ণ ক্ষমতাৰ অধিকাৰী নহ'লে

তেওঁ পূৰ্ণ প্ৰশংসাৰো যোগ্য নহয়।

## খ্ৰীষ্টানসকলৰ আকিদা (বিশ্বাস)

এয়াই হৈছে হিন্দু আৰু আৰ্যসকলৰ অৱস্থা।আনহাতে খ্ৰীষ্টান যি অলপ খোদাতালৰ গৌৰৱ প্ৰকাশ কৰি আহিছে, সেয়া এনে এক বিষয় যে যিটো এটা মাত্ৰ প্ৰশ্নৰ যোগেদি বুদ্ধিমানজনে বুজি উঠে। অৰ্থাৎ যদি কোনো বুদ্ধিমান ব্যক্তিৰ দ্বাৰা প্ৰশ্ন উত্থাপন কৰা হয় যে কি? এয়া সঠিক যে খোদাৰ সত্বা পূৰ্ণ বা কাৰ্যক্ষম তথা চিৰন্তন, গণী বেনিৱাজ- স্বয়ং সম্পূৰ্ণ, যি নিজৰ সমস্ত মহিমামণ্ডিত কৰ্মকাণ্ড, যাক তেওঁ আদিৰেপৰা সম্পাদন কৰি আহিছে তেওঁ নিজে-নিজেই যথেষ্ট, তেওঁ অকলশৰীয়া কোনো পিতা-পুত্ৰৰ প্ৰয়োজনীয়তাক বাদ দি স্বয়ং সমগ্ৰ জগতক সৃষ্টি কৰিছে। নিজেই সকলো আত্মা, দেহক প্ৰয়োজনীয় শক্তি দান কৰিছে, নিজেই সমগ্ৰ সৃষ্টিৰ ৰক্ষাকৰ্তা,স্থিতিদাতা,নিয়ন্ত্ৰণকৰ্তা আননালাগে সিঁহতৰ অস্তিত্ব প্ৰাপ্তিৰ আগতে সিহঁতৰ প্ৰয়োজনীয় সকলোবোৰক নিজৰ ৰহমানীয়ত (দয়াৰে) গুণৰ কাৰণে সৃষ্টি কৰি থৈছিল। কোনো কৰ্মফল, কোনো কৰ্মীৰ বাবে অপেক্ষা নকৰাকৈ সূৰ্য আৰু চন্দ্ৰ,অগনিত নক্ষত্ৰবোৰ, পৃথিৱী আৰু পৃথিৱীৰ হাজাৰ নিয়ামত (অনুগ্ৰহ) মানুহৰ বাবে সৃষ্টি কৰিছে মাথো নিজৰ দয়া আৰু কৃপাৰ আৱেশত। লগতে সকলোবোৰ তেওঁ সম্পন্ন কৰিছে কোনো পুত্ৰৰ বাবে অপেক্ষা নকৰি। তেন্তে তেওঁ সেই কাৰ্যক্ষম খোদা এই আখেৰী জামানাত( অন্তিম ক্ষণত) আহি কেনেকৈ নিজৰ সকলো গৌৰৱ আৰু শক্তি নিঃশেষ কৰি দি ক্ষমা আৰু পৰিত্ৰাণ দানৰ বাবে এজন পুতেকৰ নিৰ্ভৰশীল হৈ পৰিল? সেই পুত্ৰ ইমান দুৰ্বল পুত্ৰ যে বাপেকৰ লগত কোনো মিল নাই, যি নিজৰ বাপেকৰ দৰে আকাশৰ কিবাক সৃষ্টি কৰিছে বা পৃথিৱীৰ এনে এটা সামগ্ৰী য'ত ঈশ্বৰত্বৰ এটা প্ৰমাণ পোৱা যায়। (মাৰ্কছ বাব ৮ আয়াত ১২) তেওঁৰ দুৰ্বল অৱস্থাৰ বৰ্ণনা দিয়া হৈছে যে , তেওঁ দীঘল উশাহলৈ কৈছিল- 'এই যুগৰ

লোকসকলে নিদৰ্শন চাব বিচাৰে কিয় ? মই তোমালোকক সঁচাকৈ কৈছো, এই যুগৰ লোকৰ বাবে কোনো নিদৰ্শন প্ৰকাশ নহয়।' লগতে তেওঁ ক্ৰুশবিদ্ধ হোৱাৰ অৱস্থাত ইহুদীসকলে কৈছিল—'তেওঁ যদি আমাৰ সন্মুখত জীৱন্ত হৈ পৰে, আমি বিশ্বাস কৰিম।' কিন্তু তেওঁ তাক জীৱন্ত হৈ দেখুৱাব নোৱাৰিলে। নিজৰ খোদাত্বৰ ক্ষুদ্ৰ প্ৰমাণো প্ৰকাশ কৰিব নোৱাৰিলে। একেদৰে যদি কিবা চিহ্ন প্ৰদৰ্শন কৰিছিল, সেয়া প্ৰতিজন নবীয়ে তাক প্ৰদৰ্শন কৰি গৈছে। আননালাগে সেই সময়ত এটা পুখুৰীৰ পানীত বহুতো আচৰিত ঘটনা সংঘটিত হোৱা দেখা গৈছিল। (বাব পঞ্চম ইঞ্জিল ইউহন্না)। সংক্ষেপত তেওঁ খোদা হোৱাৰ কোনো প্ৰমাণ দাঙি ধৰিব পৰা নাছিল। যিবোৰ উল্লেখিত আয়াততো বৰ্ণিত হৈছে। বৰঞ্চ এক অসহায়ৰ নাৰীৰ গৰ্ভত জন্ম লাভ কৰি (খ্ৰীষ্টানসকলৰ বৰ্ণনা অনুসৰি) তেওঁ গোটেই জীৱনটো লাঞ্ছনা,অৱমাননা, অসহায় অৱস্থাৰ মাজেদি অতিবাহিত কৰিছিল, যিটো মানুহৰ মাজত, মানুহৰ কপালত যুক্ত হৈ থকা ভাগ্য, যিসকল হতভগীয়া। একেদৰে এটা নিৰ্দিষ্ট সময়লৈকে গৰ্ভাশয়ৰ অন্ধকাৰৰ মাজত বন্দী হৈ থাকি অপৱিত্ৰ প্ৰস্ৰাৱৰ পথেদি জন্ম হৈছে। জন্ম হোৱা সকলো কষ্ট তেওঁ ভোগ কৰিব লগা হৈছে। এয়া মানবীয় দুঃখ-দুৰ্দশা, ত্ৰুটি-বিচ্যুতিৰ পৰা এনে একো পৃথক নাছিল, যাৰ ফলত সেই পুত্ৰ পিতাৰ বদনামকাৰী হোৱাৰ দোষৰ পৰা মুক্ত হৈ থাকিব। আকৌ তেওঁ নিজৰ গ্ৰন্থতে নিজৰ অজ্ঞতা, জ্ঞানহীনতা, ক্ষমতাহীনতা আৰু সৎ লোক নোহোৱাৰ কথা স্বীকাৰ কৰিছে। অথচ ইমানবিলাকৰ পিছতো সেই বিনীত ভক্তই মিছাতে খোদাৰ পুত্ৰ বুলি আখ্যা দিছে। তেওঁ আন আন জ্যেষ্ঠ নবীগণৰ তুলনাত এলমী আৰু আলমী বা জ্ঞান আৰু কৰ্মৰ মৰ্যাদাত অপেক্ষাকৃত কম মৰ্যাদা সম্পন্ন আছিল। লগতে তেওঁৰ শিক্ষাও আছিল ত্ৰুটিযুক্ত শিক্ষা। সেয়া আছিল মুছায়ি চৰিয়তৰ এটা শাখা মাত্ৰ। তেনেহ'লে এয়া কেনেকৈ সম্ভৱ—সৰ্বশক্তিমান খোদাতালা যি চিৰঞ্জীৱ আৰু চিৰন্তন,

তেওঁৰ প্ৰতি এই কলংক আৰোপ কৰা হ'ব যে তেওঁ সদায় নিজৰ সত্তাত পূৰ্ণ, কাৰ্যক্ষম হোৱাৰ, স্বয়ং সম্পূৰ্ণ হোৱাৰ পিছতো, সৰ্বশেষত এজন দুৰ্বল পুত্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল আৰু নিজৰ সকলো গৌৰৱ-মহিমা, মৰ্যাদা-সাফল্যক লুণ্ঠিত কৰি তুলিছিল ? আমি একোতেই বিশ্বাস কৰিব নোৱাৰো যে, কোনো জ্ঞানী লোকে সেই পূৰ্ণ-কাৰ্যক্ষম, সফল সত্তা, যি সকলোবোৰ সৰ্বোত্তম গুণাৱলীৰ আধাৰ— তেওঁৰ সম্পৰ্কত এনে ধৰণৰ কোনো অৱমাননাকৰ অৱস্থাৰ কথা কল্পনা কৰিব পাৰে। (বাৰাহীনে আহমদীয়া খণ্ড ৪,ৰুহানি খাজাইন জিলদ ১ পৃঃ ৪৩৫-৪৪১ হাশিয়া নম্বৰ ১১)

## খোদাৰ উপকাৰ সাধাৰণ হয়

এই কথা কোনো ধৰণৰ বিৰ্তক নকৰাকৈ গ্ৰহণ কৰা যোগ্য যে, সেই সত্য আৰু কাৰ্যক্ষম খোদাৰ ওপৰত ঈমান অনাটো প্ৰতিগৰাকী ভক্তৰ ফৰজ- অপৰিহাৰ্য কৰ্তব্য, তেওঁ হৈছে **ৰব্বুল আলামীন**- জগতসমূহৰ প্ৰভু প্ৰতিপালক। তেওঁৰ ভগৱন্ত বা প্ৰতিপালকত্বকোনো জাতিৰ বাবে সীমাৱদ্ধ নহয়। কোনো বিশেষ যুগলৈকো সীমাৱদ্ধ নহয় বা কোনো দেশলৈকে। তেওঁ সকলো জাতিৰ আৰু গোত্ৰৰ প্ৰতিপালক, লগতে সকলো যুগৰ প্ৰতিপালক। সকলোবোৰ স্থানৰ প্ৰতিপালক। সকলো দেশৰ তেওঁ প্ৰতিপালক,তেওঁ সকলো কৃপা, কল্যাণৰ উৎস। যাৱতীয় দৈহিক আৰু আত্মিক শক্তি তেওঁৰে দান। তেওঁৰ দ্বাৰা সমগ্ৰ বিশ্ব জগত লালিত-পালিত, তেওঁ সকলোৰে নিৰাপত্তা, আশ্ৰয় আৰু সহায়।

খোদাতালাৰ সাধাৰণ কৃপা আৰু কল্যাণ সকলো জাতি,সকলো দেশ, সকলো যুগত বিৰাজিত। এয়া এই কাৰণে সম্ভৱ হৈছে যাতে কোনো জাতিৰ কোনো অভিযোগ কৰাৰ সুযোগ নাথাকে আৰু কোনেও এই কথা ক'ব নোৱাৰে - খোদাই অমুক অমুক জাতিৰ প্ৰতি অনুগ্ৰহ কৰিছে তথা অমুক অমুক জাতিয়ে তেওঁৰ পৰা হেদায়ৎ লাভৰ বাবে কিতাপ

লাভ কৰিছে, আমি পোৱা নাই। নতুবা অমুক যুগত তেওঁ ঐশীবাণী বা ওহী- ইল্‌হাম, অলৌকিক নিদৰ্শনৰ মাধ্যেমেৰে নিজকে প্ৰকাশ কৰিছিল, কিন্তু আমাৰ যুগত গোপনে থাকি গৈছে। কাৰ্যত তেওঁ আম ফয়েজ অৰ্থাৎ সাধাৰণ কৃপা প্ৰদৰ্শন কৰি সেই সকলোবোৰ অভিযোগ খণ্ডন কৰিছে, মোহাৰি পেলাইছে। এনেদৰে নিজৰ উন্নত আখলাক বা চৰিত্ৰ প্ৰদৰ্শন কৰিছে যে দৈহিক আৰু আত্মিক কৃপাৰজিৰ পৰা কোনো জাতিক বঞ্চিত কৰা নাই আৰু কোনো যুগক হতভগা কৰা নাই। (পয়গামে ছুলেহ, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ৪৪২)

## হে সৰ্বশক্তিমান খোদা আৰু সৃষ্টিকৰ্তা, মানৱৰ বেয়া গুপ্তকাৰী

اے خدا اے کارساز و عیب پوش و کردگار      اے مرے پیارے مرے محسن مرے پروردگار
کس طرح تیرا کروں اے ذوالمنن شکر و سپاس      وہ زباں لاؤں کہاں سے جس سے ہو یہ کاروبار
یہ سراسر فضل و احساں ہے کہ مَیں آیا پسند      ورنہ درگہ میں تری کچھ کم نہ تھے خدمت گذار
دوستی کا دم جو بھرتے تھے وہ سب دشمن ہوئے      پر نہ چھوڑا ساتھ تُو نے اے میرے حاجت برار
اے مرے یارِ یگانہ اے مری جاں کی پنہ      بس ہے تو میرے لئے مجھ کو نہیں تجھ بن بکار

مَیں تو مر کر خاک ہوتا گر نہ ہوتا تیرا لطف      پھر خدا جانے کہاں یہ پھینک دی جاتی غبار
اے فدا ہو تیری رہ میں میرا جسم و جان و دل      مَیں نہیں پاتا کہ تجھ سا کوئی کرتا ہو پیار
ابتدا سے تیرے ہی سایہ میں میرے دن کٹے      گود میں تیری رہا میں مثلِ طفلِ شیر خوار
نسلِ انساں میں نہیں دیکھی وفا جو تجھ میں ہے      تیرے بن دیکھا نہیں کوئی بھی یارِ غمگسار
لوگ کہتے ہیں کہ نالائق نہیں ہوتا قبول      مَیں تو نالائق بھی ہو کر پا گیا درگہ میں بار
اس قدر مجھ پر ہوئیں تیری عنایات و کرم      جن کا مشکل ہے کہ تا روزِ قیامت ہو شمار

(براہین احمدیہ حصّہ پنجم ۔ روحانی خزائن جلد ۲۱ صفحہ ۱۲۷)

### হে খোদা হে সৰ্বশক্তিমান,বেয়া দূৰ কৰোঁতা আৰু স্ৰষ্টা

হে খোদা হে সৰ্বশক্তিমান,বেয়া দূৰ কৰোঁতা আৰু স্ৰষ্টা
হে মোৰ প্ৰিয় মোৰ এহছানকাৰী প্ৰতিপালক।
কেনেকৈ কৰো তোমাৰ গুণৰ ধন্যবাদ
সেই ভাষা ক'ৰ পৰা লৈ আহো যাৰ দ্বাৰা হ'ব এই ব্যাপাৰ।
এয়া ফজল আৰু এহছান হয় যি মোৰ পছন্দ হৈছে
নতুবা তোমাৰ দৰগাহত সেৱা কৰাৰ কোনো কমি নাছিল।

বন্ধুত্ব যিসকল আছিল সিহঁত শত্রু হৈ গ'ল
তথাপি মোক এৰা নাই হে মোৰ প্ৰয়োজনীয়তা পূৰ্ণকাৰী।
হে মোৰ খোদা, হে মোৰ প্ৰাণৰ নিৰাপত্তা দানকাৰী
তুমি মোৰ বাবে যথেষ্ট, তোমাৰ অবিহনে নাই মোৰ নতুন কাম।
মইতো মৰি ধূলি কণা হৈ গলোহেঁ যদি নাথাকিলহেঁ তোমাৰ কৃপা
খোদা জানে ক'ত এয়া দলিয়াই দিলেহেঁ ধূলি কণা।
হে খোদা, তোমাৰ পথত মোৰ জান প্ৰাণ কোৰবান
মই নাপাও তোমাৰ নিচিনা আৰু কোনো প্ৰেমকাৰী।
আৰম্ভণীৰ পৰা তোমাৰ ছাঁত মোৰ দিন অতিবাহিত হৈছে
কোলত থাকিছোঁ তোমাৰ, গাখীৰ পান কৰা শিশুৰ নিচিনা।
মানৱৰ বংশধৰত দেখা নাই মই সহানুভূতি যি তোমাৰ মাজত আছে
তোমাৰ বাহিৰে দেখা নাই কোনো বন্ধুৰ সহানুভূতি।
লোকসকলে কয় যে,অযোজ্ঞ গ্ৰহণ নহয়
মই তো অযোজ্ঞ হৈয়ো পাই গলো দৰগাহত স্থান।
তোমাৰ দয়া আৰু কৃপা ইমান মোৰ ওপৰত হৈছে
যি কিয়ামতলৈকে হ'ব গণনা কৰা কঠিন।
(বাৰাহিনে আহমদীয়া হিচ্চা পঞ্চম-ৰুহানি খাজাইন জিলদ ২১ পৃঃ১২৭)

## আল্লাহ তা'লাৰ গুণ দুই প্ৰকাৰ-সাদৃশ্যমূলক আৰুবেয়াপৰাপৱিত্ৰ

খোদাতালাই তেওঁৰ বিনীত ভক্তক তেওঁৰ পূৰ্ণ মা'ৰেফাতৰ জ্ঞান প্ৰদান কৰাৰ বাবে নিজৰ গুণাৱলীক পৱিত্ৰ কোৰাণ শ্বৰিফৰ মাজত দুই ধৰণে প্ৰকাশ কৰিছে -

ক) প্ৰথম, এই পদ্ধতিত বৰ্ণনা কৰিছে, যাৰ মাজত তেওঁৰ গুণাৱলীৰ লগতে ৰূপকৰ আকাৰত সৃষ্টিৰ গুণাৱলীৰ সাদৃশ্য বিদ্যমান। যেনে, তেওঁ

কৰীম-ৰহীম- কৃপালু আৰু দয়াৱান। তেওঁ উপকাৰ কৰে আৰু ক্ৰোধও প্ৰকাশ কৰে। তেওঁৰ মাজত ভালপোৱাও আছে। তেওঁৰ (কুদৰতৰ) হাতও আছে, চকু আছে আৰু তেওঁৰ ভৰি আৰু ভৰিৰ আঙুলি আছে। লগতে তেওঁৰ কাণও আছে। লগতে আদিৰে পৰা সৃষ্টিৰ ধাৰা তেওঁৰ স'তে চলি আহিছে। কিন্তু একোৰে তেওঁৰ তুলনাত একক ব্যক্তিগত অস্তিত্ব নাই, আছে প্ৰজাতিগত সহ অস্তিত্ব। যদিও সেয়া খোদাৰ সৃজনকাৰী গুণৰ বাবে জৰুৰী বিষয় নহয়। কিয়নো যিমান খাল্‌ক অৰ্থাৎ সষ্টি কৰা গুণসমূহৰ অন্তৰ্গত, তেনেকুৱা কেতিয়াও আৰু কোনো যুগত একত্ব, নিঃসঙ্গতা প্ৰকাশো তেওঁৰ গুণাৱলীৰ অন্তৰ্গত। তেওঁৰ কোনো গুণ স্থায়ী অকেজো হৈ পৰাটো সম্ভৱ নহয়। গতিকে, সত্য, সাময়িকভাবে স্থগিত থাকিব পাৰে। সংক্ষেপত খোদাই মানুহৰ সৃষ্টি কৰি তেওঁৰ প্ৰতি সেইবিলাক সাদৃশ্যসূচক গুণ প্ৰকাশিত কৰিছে, যি গুণাৱলীৰ লগত মানুহৰ দৃশ্যগত অংশীদাৰিত্ব থাকে। যেনে, স্ৰষ্টা হোৱা। কিয়নো মানুহে নিজস্ব সীমাৈলেকে বহুতো কিবাৰ স্ৰষ্টা বা ৰূপকাৰ হ'ব পাৰে। এনেকৈ,মানুহক কৰীম বা কৃপালু বুলি ক'ব পৰা যায়,কিয়নো তেওঁ নিজৰ সীমাৈলেকে 'কৰম' বা কৃপালুৰ গুণ নিজৰ মাজত ধাৰণ কৰে। একেদৰে মানুহক 'ৰহিম' বুলিও ক'ব পৰা যায়। কিয়নো নিজস্ব সীমাৈলেকে 'ৰহম' বা দয়াৰ ক্ষমতা নিজৰ মাজত ধাৰণ কৰিব পাৰে। লগতে ইয়াৰ মাজত ক্ৰোধৰ শক্তিও আছে। তদুপৰি মানুহৰ চকু-কাণ আদিও আছে। সেয়ে, এইবিলাক সাদৃশ্যসূচক গুণৰ বাবে কাৰোবাৰ মনত এই সন্দেহ সৃষ্টি হ'ব পাৰে যে হয়তো মানুহ এই সকলো গুণাৱলীৰ বাবে খোদা সদৃশ আৰু খোদাও মানুহ সদৃশ। এই বাবেই খোদাতালাই এই সকলোবোৰ গুণৰ তুলনাত কোৰাণ শ্বৰিফৰ মাজত তেওঁৰ তানজিহী অৰ্থাৎ অতিক্ৰান্ত গুণাৱলীৰ কথাও উল্লেখ কৰিছে। অৰ্থাৎ এনেবোৰ গুণৰ বৰ্ণনা কৰিছে যাৰ পৰা প্ৰমাণিত হ'ব পাৰে যে খোদাৰ সত্তা আৰু গুণাৱলীৰ লগত কাৰোৰে অংশীদাৰিত্ব নাই। মানুহৰ লগতো কোনো অংশীদাৰিত্ব নাই। তেওঁৰ সৃষ্টিও মানুহে

কৰা সৃষ্টিৰ দৰে নহয়। তেওঁৰ ৰহম (দয়া) মানুহৰ ৰহমৰ দৰে নহয়। তেওৰঁ খং মানুহৰ খঙৰ দৰে নহয়। তেওঁৰ ভালপোৱা মানুহৰ ভালপোৱাৰ দৰে নহয়। তেওঁ মানুহৰ দৰে কাৰোবে ওপৰত নিৰ্ভৰশীল নহয়। লগতে এই বৰ্ণনা অৰ্থাৎ খোদা যে নিজৰ গুণাৱলীত মানুহতকৈ সম্পূৰ্ণ স্বতন্ত্ৰ তাৰ বৰ্ণনা কোৰাণ শ্বৰিফৰ বহু স্থানত উল্লেখ কৰিছে—

لَيْسَ كَمِثْلِهِ شَيْءٌ ۚ وَهُوَ السَّمِيعُ الْبَصِيرُ ۝

(42:12)

সেইজনাৰ অনুৰূপ আৰু কোনো বস্তু নাই আৰু তেওঁ হৈছে সকলো শুনোতা,সকলো দেখোঁতা।(চুৰা আশ্ব-শ্বুৰা আয়াত ১২)

অৰ্থাৎ একোকে তেওঁৰ সত্তা আৰু গুণৰ মাজত অন্তৰ্ভুক্ত নহয়, তেওঁ সৰ্বশ্ৰোত আৰু সৰ্বদ্ৰষ্টা। আন এক স্থানত উল্লেখ আছে—

اَللّٰهُ لَآ اِلٰهَ اِلَّا هُوَ ۚ اَلْحَيُّ الْقَيُّوْمُ ۚ لَا
تَاْخُذُهٗ سِنَةٌ وَّلَا نَوْمٌ ؕ لَهٗ مَا فِي السَّمٰوٰتِ
وَمَا فِي الْاَرْضِ ؕ مَنْ ذَا الَّذِيْ يَشْفَعُ عِنْدَهٗٓ
اِلَّا بِاِذْنِهٖ ؕ يَعْلَمُ مَا بَيْنَ اَيْدِيْهِمْ وَمَا
خَلْفَهُمْ ۚ وَلَا يُحِيْطُوْنَ بِشَيْءٍ مِّنْ عِلْمِهٖٓ
اِلَّا بِمَا شَآءَ ۚ وَسِعَ كُرْسِيُّهُ السَّمٰوٰتِ
(2:256) وَالْاَرْضَ ۚ وَلَا يَـُٔوْدُهٗ حِفْظُهُمَا ۚ وَهُوَ
الْعَلِيُّ الْعَظِيْمُ ۝

আল্লাহ, তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই, তেওঁ চিৰঞ্জীৱ, চিৰস্থায়ী, তেওঁক তন্দ্ৰাই স্পৰ্শ কৰিব নোৱাৰে বা নিন্দ্ৰাই। যি বিলাক আকাশত আছে, যিবোৰ পৃথিৱীত আছে সকলো তেওঁৰ। এনেজন কোন আছে যি তেওঁৰ বিনা অনুমতিত তেওঁৰ আগত মধ্যস্থতা কৰিব? সিহঁতৰ আগত আৰু সিহঁতৰ পিছত কি অছে তেওঁ তাক জানে; আৰু তেওঁৰ ইচ্ছা বিনে সিহঁতে তেওঁৰ জ্ঞানৰ ভাগ আগুৰিব নোৱাৰে; তেওঁৰ সিংহাসন আকাশমণ্ডলী আৰু পৃথিৰী জুৰি আছে, আৰু এই উভয়ৰ সংৰক্ষণে তেওঁক ক্লান্ত নকৰে। আৰু তেওঁৰেই অতি উচ্চ মহান। (চুৰা বাকাৰা আয়াত ২৫৬)

অৰ্থাৎ সত্য অস্তিত্ব, সত্য স্থায়িত্ব আৰু সকলো সত্যতাৰেপূৰ্ণ গুণাৱলী বিশেষকৈ খোদাৰ বাবে, এই বিলাকৰ আন একোৰ মিলন নাই। সত্তাগত ভাবে তেওঁ সদায় জীৱিত আৰু বাকী সকলোবোৰ তেওঁৰ দ্বাৰা জীৱিত, তেওঁ নিজত সত্তাত স্বয়ং চিৰস্থায়ী আৰু সকলোবিলাক স্থায়িত্ব তেওঁৰ সহায়তহে সম্ভৱ। মৃত্যুৱে যেনেকৈ তেওঁক প্ৰভাবিত কৰিব নোৱাৰে, তেনেকৈ তেওঁৰ ইন্দ্ৰিয়ৰ সাময়িক বিৰতি, যেনে-নিদ্ৰা-তন্দ্ৰা আদিয়ে তেওঁক প্ৰভাৱিত কৰিব নোৱাৰে। কিন্তু আনৰ ওপৰত মৃত্যু যেনেকৈ আহে,তেনেকৈ আহে নিদ্ৰা আৰু তন্দ্ৰাও। পৃথিৱীত যিবিলাক তোমালোকে দেখিবলৈ পাইছা বা আকাশত দেখিছা সকলোবোৰ তেওঁৰে দ্বাৰা প্ৰকাশিত আৰু প্ৰতিষ্ঠিত। কোন এনে আছে যে, তেওঁৰ অনুমতিৰ অবিহনে কোনে তেওঁৰ ওচৰত আবেদন কৰিব পাৰিব? তেওঁ সকলো অৱগত, মানুহৰ বৰ্তমান আৰু ভৱিষ্যত। তেওঁৰ জ্ঞানে প্ৰকাশে আৰু গোপন সকলোকে প্ৰতিফলিত কৰে। কোনো এনে নাই যি জ্ঞানৰ সামান্য চুক এটা স্পৰ্শ কৰিব পাৰে, অৱশ্যে তেওঁ যিমান বিচাৰে সিমানখিনিৰ বাহিৰে। তেওঁৰ শক্তি আৰু জ্ঞান সমগ্ৰ পৃথিৱী অথবা সমগ্ৰ আকাশ পৰিব্যপ্ত হৈ আছে। তেওঁ সকলোৰে অৱলম্বন। তেওঁ আকাশ-পাতাল

আৰু এই দুটাৰ মাজৰ সকলোবোৰকে ৰক্ষণা-বেক্ষণ দি ক্লান্তহৈ নপৰে। তেওঁ এই কথাৰ বহু উৰ্ধ্বত যে তেওঁৰ প্ৰতি দুৰ্বলতা, অসহায়তা, শক্তিহীনতা আৰোপ কৰিব পৰা যায়।

## আল্লাহৰ আৰশ্ব- সেইজনাৰ স্থান পাৰ্থিৱ ত্যাগ আৰু বেয়াৰ পৰা পৱিত্ৰ

আন এক স্থানত উল্লেখ কৰিছে—

اِنَّ رَبَّكُمُ اللّٰهُ الَّذِىۡ خَلَقَ السَّمٰوٰتِ
وَالۡاَرۡضَ فِىۡ سِتَّةِ اَيَّامٍ ثُمَّ اسۡتَوٰى عَلَى الۡعَرۡشِ

(7:55)

নিশ্চয় তোমালোকৰ প্ৰভু আল্লাহ যিজনে ছ'দিনত আকাশমণ্ডলী আৰু পৃথিৱী সৃজন কৰিছে; তাৰ পিছত তেওঁ মহা সিংহাসনত প্ৰতিষ্ঠিত হ'ল। (7:55)

তোমাৰ প্ৰতিপালক হৈছে সেই খোদা যি আকাশ আৰু ভূমিভাগক নিজ হাতেৰে জন্ম দিছে। গতিকে তেওঁ 'আৰশ'ৰ ওপৰত অধিষ্ঠিত হৈছে। অৰ্থাৎ মাটি আৰু আকাশ সকলোবোৰৰ মাজত যি আছে সেইবিলাকক সৃষ্টি কৰাৰ পিছত 'তাছবিহী' বা সাদৃশ্যসূচক (অৰ্থাৎ Immanent বা পৰিব্যপ্ত) গুণাৱলী প্ৰকাশ কৰাৰ পিছত, পুনবাৰ 'তানজিহী' (অৰ্থাৎ Transcendental বা অতীন্দ্ৰিয়) গুণাৱলীক প্ৰকাশ কৰাৰ বাবে চিৰ অতীন্দ্ৰিয় আৰু ঐশিক অৱস্থানৰ প্ৰতি নিজকে নিবিষ্ট কৰিছে। তেওঁৰ এই লক্ষ্য অতিক্ৰান্তৰ পৰা অতি কান্ত ( Beyond of beyond )আৰু সৃষ্টিৰ কাষত, সন্নিধানৰ পৰা বহু বহু নিলগত। এই যে অতি সমুন্নত লক্ষ্য ইয়াকে 'আৰশ' নামেৰে আখ্যা দিয়া হৈছে। ইয়াৰ ব্যাখা হ'ল আদিতে সমগ্ৰ সৃষ্টি আছিল অস্তিত্বহীন আৰু খোদাতালা সেই অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত বা 'ৰৱাউল ৰৱা' অৱস্থানত, লক্ষ্যস্থানত নিজৰ জ্যোতিৰ্ময়তা

প্ৰকাশ কৰিছিল, যাৰ নাম ‘আৰশ’। অৰ্থাৎ সেই যে অৱস্থান প্ৰতিখন জগততকৈ উন্নত আৰু উচ্চত লগতে ইয়াৰ প্ৰকাশ আৰু পোহৰৰ বিম্ব। তাত তেওঁৰ সত্তাৰ বাহিৰে একো নাছিল। গতিকে পৃথিৱী আৰু আকাশমণ্ডলীৰ মাজত যি আছে তেওঁ সৃষ্টি কৰিলে আৰু যেতিয়া সৃষ্টি-জগৎ প্ৰকাশিত হ'ল, তেতিয়া তেওঁ অধিক নিজৰ সত্তাক গোপন কৰি পেলালে লগতে বিচাৰিলে যে সৃষ্টিৰ মাজত তেওঁক চিনাক্ত কৰা হওঁক। কিন্তু এই কথা অৱশ্যে মনত ৰাখিব লাগিব যে ঐশী গুণাৱলী বা চিফাতে ইলাহীয়া কেতিয়াও চিৰস্থায়ী ভাৱে অকাৰ্যক্ষম হৈ নপৰে আৰু খোদাৰ বাহিৰে আন কোনো ব্যক্তিৰ অস্তিত্ব নাই, আছে প্ৰজাতিগত সহ-অস্তিত্ব।খোদাৰ কোনো গুণ স্থায়ীভাৱে অকাৰ্যক্ষম হ'ব নোৱাৰে, কিন্তু সাময়িক ভাৱে অকাৰ্যক্ষম হোৱাৰ প্ৰয়োজন নথকা নহয়। অৰ্থাৎ সৃষ্টি কৰাৰ গুণ আৰু ধ্বংস কৰাৰ গুণ পৰস্পৰ সম্পূৰ্ণ বিৰোধী, যিহেতু ধ্বংস কৰাৰ গুণ যেতিয়া পূৰ্ণৰূপে ক্ৰিয়াশীল হয়, তেতিয়া সৃষ্টি কৰাৰ গুণ এটা ক্ষণ বা ম্যাদলৈকে অকাৰ্যক্ষম হৈ থাকে। সংক্ষেপত আদিতে আছিল খোদাতালাৰ একত্ববাদ (ৱাহদাত) গুণৰ ক্ৰিয়াশীলতাৰ কাল। আমি ক'ব নোৱাৰো যে এই ম্যাদ বা ক্ষণ অতি প্ৰাচীন আৰু সীমাহীন। যিহেতু আল্লাহ্ সকলো প্ৰকাৰ গুণৰ ওপৰত একত্ববাদ বা ৱাহদাত গুণৰ ম্যাদকাল বা ক্ষণৰ অগ্ৰধিকাৰ আছে। গতিকে এইক্ষেত্ৰত ক'ব পৰা যায় যে আদিতে আল্লাহতালা অকলশৰীয়া আছিল আৰু তেওঁ লগত কোনো নাছিল। গতিকে আল্লাই মাটি আৰু আকাশ আৰু এই দুয়োটাৰ মাজত যিবোৰ আছে সকলো সৃষ্টি কৰিছিল। এই সূত্ৰে তেওঁ প্ৰকাশ কৰিলে নিজৰ নামবোৰ যে তেওঁ কৰীম আৰু ৰহীম,তেওঁ ক্ষমাকাৰী আৰু তৌবা কবুলকাৰী। কিন্তু যি ব্যক্তি পাপত মগ্ন হৈ থাকে, পাপক পৰিহাৰ নকৰে, তেনে ব্যক্তিক তেওঁ শাস্তি প্ৰদান নকৰাকৈ নাথাকে। তেওঁ নিজৰ এই নামত প্ৰকাশ কৰিছে যে তেওঁ তৌবা বা অনুতাপকাৰীক ভালপায়, লগতে তেওঁৰ ক্ৰোধ বা গজৱ সেইসকল লোকৰ ওপৰত পতিত হয়, যি অত্যাচাৰ,

অন্যায়, পাপকাৰ্যৰ পৰা বিৰত নহয়।

## কোনো বস্তু নিজৰ অস্তিত্বত বা গুণত খোদা তা'লাৰ সমান নহয়

এই সকলো গুণাৱলী তেওঁৰ সত্তাৰ লগত যথোপযোগী, এই বিলাক মানুহৰ গুণৰ দৰে নহয়। তেওঁৰ দৃষ্টি কোনো দেহ বা দৈহিক নহয়। তেওঁৰ গুণ মানুহৰ কোনো গুণৰ দৰে নহয়। যেনেকৈ মানুহে নিজৰ ক্ৰোধৰ সময়ত ক্ৰোধজনিত কষ্ট অনুভৱ কৰে, উত্তেজনা আৰু ক্ৰোধৰ তীব্ৰতাই তৎক্ষণাৎ নিজৰ দেৰ প্ৰশান্তি দূৰ হৈ জ্বলন সৃষ্টি হয় আৰু মস্তিষ্কত চাপ সৃষ্টি হয়। লগতে সমগ্ৰ অৱস্থাৰ এক পৰিৱৰ্তনে দেখা দিয়ে। কিন্তু খোদা এনে পৰিৱৰ্তনৰ পৰা মুক্ত। তেওঁৰ ক্ৰোধৰ অৰ্থ এয়াই যে যি ব্যক্তি অপকৰ্মৰ পৰা বিৰত নহয়, তেওঁৰ ওপৰৰ পৰা খোদাই নিজৰ সহায় আৰু ছায়া অপসাৰণ কৰে আৰু তেওঁৰ আদিম প্ৰাকৃতিক নিয়ম অনুসৰি তেওঁৰ লগতো একেধৰণৰ ব্যৱহাৰ কৰে, যেনেকৈ ব্যৱহাৰ কৰে কোনো ক্ৰোধান্বিত ব্যক্তিয়ে। এই বাবেই ৰূপক ভাবে খোদাৰ এই ব্যৱহাৰক কোৱা হয়,ক্ৰোধ বা গজব। তেনেকৈ তেওঁৰ ভালপোৱা মানুহৰ ভালপোৱাৰ দৰে নহয়, কিয়নো মানুহে ভালপোৱাৰ বাবেও কষ্ট অনুভৱ কৰে, ভালপোৱাৰ পাত্ৰ পৃথক বা বিচ্ছিন্ন হৈ পৰিলে নিজৰ প্ৰাণত কষ্ট অনুভৱ হয়। কিন্তু খোদা এইবিলাক কষ্টৰ পৰা পৱিত্ৰ। একেদৰে তেওঁৰ আত্মীয়তা মানুহৰ আত্মীয়তাৰ দৰে নহয়। কিয়নো মানুহ যেতিয়া এজন আনজনৰ আত্মীয় হৈ পৰে, তেতিয়া নিজৰ পূৰ্বৱতী অৱস্থান পৰিত্যাগ কৰে। কিন্তু খোদা কাষত থকাৰ পিছতো নিলগত বা নিলগত থকাৰ পিছতো ওচৰত। সংক্ষেপত খোদাতালাৰ প্ৰতিটো গুণ মানুহতকৈ বেলেগ। ইয়াৰ মাজত সাদৃশ্য মাথো শব্দ বা কথাতকৈ অধিক নহয়। সেই বাবেই আল্লাহতালাই কোৰাণ শ্বৰিফত কৈছে— لَيْسَ كَمِثْلِهِ شَيْءٌ একোৱে নিজস্ব সত্তা আৰু গুণাৱলী খোদাতালাৰ দৰে নহয়। (চশমা মাৰেফাত, ৰুহানি খাজাইন

জিলদ গুণবোৰ চিৰস্থায়ী ভাবে নাইকিয়া হৈ পৰে আৰু কেতিয়াওঁ সেইবিলাক বিচ্ছুৰিত নহ'ব। তেনেহ'লে সেয়া একেবাৰে অজ্ঞতাৰ বিষয় হ'ব। কিয়নো ঐশী গুণাৱলী কেতিয়াও স্থগিত হৈ পৰাটো সম্ভৱ নহয়। বৰঞ্চ খোদাতালৰ মৌলিক গুণাৱলী হৈছে- ভালপোৱা আৰু দয়া। লগতে এইবিলাকেই হৈছে সকলো গুণাৱলীৰ জন্মদাতা, এইবিলাক কেতিয়াবা কেয়িাবা মানুহৰ সংশোধনৰ বাবে গৌৰৱ আৰু অভিশাপ গুণৰূপে প্ৰকাশিত হয়। যেতিয়া সংশোধন ঘটে ভালপোৱাই তেতিয়া নিজৰ ৰূপলৈ প্ৰকাশিত হয়। সকলো সময়তে ভালপোৱাৰ ৰূপ নিজেই ক্ৰিয়াশীল হৈ থাকে। খোদা এনে নিষ্ঠুৰ মানুহৰ দৰে নহয়, যি অহৈতুক শাস্তি প্ৰদান কৰি আনন্দ অৰ্জন কৰে। তেওঁ কাৰো প্ৰতি অত্যাচাৰ নকৰে,বৰঞ্চ মানুহে নিজেই নিজৰ ওপৰত অত্যাচাৰ কৰে। তেওঁৰ প্ৰতি ভালপোৱাতেই সকলো পৰিত্ৰাণ আৰু তেওঁক পৰিত্যাগ কৰাতেই সকলো শাস্তি। (চশ্‌মা মছিহী ৰুহানি জিলদ ২০ পৃঃ ৩৬৯-৩৭০ )

খোদা কেতিয়াও অসক্ৰিয় হৈ নপৰে। তেওঁ সৰ্বদাই স্ৰষ্টা, সৰ্বদাই ৰিজেকদাতা, সৰ্বদাই প্ৰতিপালক, সৰ্বদাই ৰহমান,সৰ্বদাই ৰহীম আছিল আৰু থাকিব। মোৰ মতে ইমান এক মহামহিমান্বিত অসীম ক্ষমতাধৰ আৰু সৰ্বগুণাকৰৰ সম্পৰ্কত কোনো বিৰ্তকৰ সৃষ্টি কৰা মানেই পাপত পতিত হোৱা। খোদায়ে এনে একো বলপূৰ্বক ভাবে জাপি নিদিয়ে, যাৰ কোনো দৃষ্টান্ত তেওঁ নিদিয়ে। (মালফুজাত, দ্বিতীয় খণ্ড পৃঃ ৬৩৭ এডিশ্বন ২০০৩)

## প্ৰকৃত গুণ খোদা তা'লাৰ মহব্বত আৰু ৰহম হয়

মনত ৰাখিব লাগিব যে তৰাবোৰ যেনেকৈ সকলো সময়ত পৰ্যায়ক্ৰমে উদিত হৈ থাকে, তেনেকৈ খোদাতালাৰ গুণাৱলী উদিত হৈ থাকে। কেতিয়াবা মানৱ খোদাৰ গৌৰৱ আৰু স্বয়ং সম্পূৰ্ণতাৰ গুণাৱলীৰ প্ৰতিছায়াৰ তললৈ আহে পুনৰ কেতিয়াবা সৌন্দৰ্যৰ গুণাৱলীৰ প্ৰতিছায়া

তেওঁৰ ওপৰত পৰে। এই বিলাকে ইংগিত বহন কৰি আল্লাই কৈছে- (55:30)كُلَّ يَوْمٍ هُوَ فِيْ شَأْنٍ ۚ۝۳۰ প্ৰতিদিনে তেওঁৰ নৱ নৱ মহিমাত প্ৰকাশিত হয়। অৰ্থাৎ এয়া সেই মূৰ্খসকলৰ কাম সিহঁতে ধাৰণা কৰে যে তাৰ পিছত মুজৰিম সকলক দোজখত সোমাই দিয়া হ'ব। তাৰ পিছত দয়াৰ গুণ আৰু কৃপা চিৰকালৰ বাবে সমাপ্ত হৈ যাব আৰু কেতিয়াও তাৰ কিৰণ নাহিব কাৰণ আল্লাহৰ গুণাগুণ শেষ হৈ গৈছে। অৰ্থাৎ প্ৰকৃত গুণ খোদা তা'লাৰ মহব্বত আৰু দয়া হয় আৰ সেয়াই উম্মুছ চিফাত হয়। সেয়া কেতিয়াবা মানুহৰ সংশোধনৰ কাৰণে আল্লাহৰ গুণ আৰু ক্ৰোধৰ ৰূপত প্ৰকাশ পায় আৰু যেতিয়া সংশোধন হৈ যায় তেতিয়া মহব্বত নিজৰ ৰূপত প্ৰকাশ হৈ থাকে। তেতিয়া তাৰ মহব্বত চিৰকালৰ বাবে থাকি যায়। খোদা মানুহৰ ক্ৰোধৰ নিচিনা নহয় যিয়ে শাস্তি দিয়াৰ ইচ্ছা কৰে। তেওঁ কোনোবাৰ ওপৰত অত্যাচাৰ নকৰে অৰ্থাৎ মানুহ নিজেই নিজৰ ওপৰত জুলুম কৰে। তেওঁৰ সৈতে মহব্বত কৰাত মুক্তি আৰু তেওঁক এৰি দিয়াত শাস্তি।( চশ্মায়ে মছীহ ,ৰুহানি খাজাইন জিলদ ২০ পৃঃ ৩৬৯-৩৭০)

## কোৰাণ কৰীমত নিম্ন লিখিত খোদা তা'লাৰ গুণাৱলী

জনাটো প্ৰয়োজন যে, যি খোদাৰ প্ৰতি কোৰাণ শ্বৰিফে আমাক আহ্বান কৰে তাৰ মাজতেই তেওঁৰ সকলো গুণাৱলী লিখিত আছে-

هُوَ اللّٰهُ الَّذِیۡ لَاۤ اِلٰہَ اِلَّا هُوَ ۚ عٰلِمُ الۡغَیۡبِ
وَ الشَّهَادَۃِ ۚ هُوَ الرَّحۡمٰنُ الرَّحِیۡمُ ۝۲۳

(59:23)

مٰلِكِ یَوۡمِ الدِّیۡنِ ؕ۝۴ (1:4)

اَلۡمَلِكُ الۡقُدُّوۡسُ السَّلٰمُ الۡمُؤۡمِنُ الۡمُهَيۡمِنُ
الۡعَزِيۡزُ الۡجَبَّارُ الۡمُتَكَبِّرُ ؕ (59:24)

هُوَ اللّٰهُ الۡخَالِقُ الۡبَارِئُ الۡمُصَوِّرُ
لَهُ الۡاَسۡمَآءُ الۡحُسۡنٰى ؕ (59:25)

يُسَبِّحُ لَهٗ مَا فِى السَّمٰوٰتِ وَ الۡاَرۡضِ ۚ وَ هُوَ
الۡعَزِيۡزُ الۡحَكِيۡمُ ۝٢٥ (59:25)

عَلٰى كُلِّ شَىۡءٍ قَدِيۡرٌ (2:149)

رَبِّ الۡعٰلَمِيۡنَ ۝٢ الرَّحۡمٰنِ الرَّحِيۡمِ ۝٣ مٰلِكِ يَوۡمِ الدِّيۡنِ ۝٤
(1:2-4)

اُجِيۡبُ دَعۡوَةَ الدَّاعِ اِذَا دَعَانِ ۙ (2:187)

الۡحَىُّ الۡقَيُّوۡمُ ۝٣ (2:256)

قُلۡ هُوَ اللّٰهُ اَحَدٌ ۝١ اَللّٰهُ الصَّمَدُ ۝٢ لَمۡ يَلِدۡ ۙ وَلَمۡ يُوۡلَدۡ ۝٣
وَلَمۡ يَكُنۡ لَّهٗ كُفُوًا اَحَدٌ ۝٤ (112:2-5)

অৰ্থাৎ সেই খোদা যি ৱাহেদ লা শৰিক- একক আৰু অংশবিহীন, তেওঁৰ বাহিৰে আনকোনো উপাস্য নাই আৰু আনুগত্য লাভৰ যোগ্য নহয়। এই বাবেই উল্লেখ কৰা হৈছে- তেওঁ যদি লা-শৰিক নহয়, তেনেহ'লে এনে হ'ব পাৰে যে তেওঁৰ ক্ষমতাৰ ওপৰত শত্ৰুৰ ক্ষমতাই জয় লাভ কৰিব। এনে হ'লে তেওঁৰ খোদাত্ব বিপন্ন হৈ পৰিব। এই যে কোৱা হৈছে তেওঁৰ বাহিৰে কোনো উপাসনাৰ যোগ্য নাই, ইয়াৰ তাৎপৰ্য হৈছে- তেওঁ এনে সত্য বা কাৰ্যক্ষম খোদা যাৰ গুণাৱলী আৰু সৌন্দৰ্যৰ তুলনা ইমান উচ্চ- মহিমান্বিত

# আল্লাহ আৰু তেওঁৰ গুণাৱলী

যে যদি সমগ্ৰ বিশ্বজগতৰ পূৰ্ণগুণাৱলী সম্পন্ন খোদা নিৰ্বাচন কৰাৰ প্ৰয়োজনতা আহি পৰে তথা হৃদয়ৰ মাজত উৎকৃষ্টতকৈ উৎকৃষ্ট, উচ্চৰ পৰা উচ্চ কোনো খোদাৰ গুণাৱলী ধাৰণা কৰা হয়, তেন্তে তেওঁ হ'ব সকলোতকৈ ডাঙৰ, তেওঁতকৈ ডাঙৰ আন কোনো হ'ব নোৱাৰে। তেওঁ এনে খোদা যাৰ উপাসনাত আন কোনোবাক জড়িত কৰাটো অত্যাচাৰ কৰা হ'ব। লগতে কোৱা হৈছে - '**আলেমুল গায়েব**'—অদৃশ্য বিষয়ে জ্ঞাত। অৰ্থাৎ নিজৰ সত্তাক মাথো নিজেই অৱগত। তেওঁৰ সত্তাক কোনেও পৰিবেষ্টিত কৰিব নোৱাৰে। আমি সূৰ্য, চন্দ্ৰ, প্ৰতিটো সৃষ্টিৰ আগপিচ জানিব পাৰো, কিন্তু খোদাৰ বিষয়ে অৱগত হোৱাটো সম্ভৱ নহয়। পুনৰ কৈছে তেওঁ সকলো দৃশ্যৰ বিষয়ে পৰিজ্ঞাত '**আলেমুছ ছাহাদাত**' অৰ্থাৎ একোৱে তেওঁৰ দৃষ্টিৰ অন্তৰালত নাই। এয়া হ'বনোৱাৰে তেওঁ খোদা অথচ সৃষ্টি জগত সম্পৰ্কত কোনো ধৰণৰ খবৰ নাই। তেওঁ এই বিশ্বজগতৰ প্ৰতিটো অণু-পৰমাণুৰ ওপৰত দৃষ্টি দিয়ে,কিন্তু মানুহৰ পক্ষে সেয়া সম্ভৱ নহয়। তেওঁ জানে যে কেতিয়া তেওঁ শৃংখলাক চূৰমাৰ কৰি দিব বা কেয়ামত বা অন্তিম বিচাৰ আৰম্ভ কৰি দিব। লগতে তেওঁৰ বাহিৰে আন কোনোৱে নাজানে সেয়া কেতিয়া অনুষ্ঠিত হ'ব। গতিকে তেওঁ সেই খোদা যি সকলো সময়ৰ সম্পৰ্কত অৱগত। আকৌ কোৱা হৈছে— তেওঁ '**আৰ ৰহমান**' অসীম- অযাচিতভাৱে দয়াকাৰী। অৰ্থাৎ তেওঁ প্ৰাণীকুলৰ অস্তিত্ব আৰু তেওঁলোকৰ কৰ্মত মাথো আপোনাৰ কৰুণাময়তা, কোনো প্ৰকাৰৰ স্বাৰ্থক বাদ দি কাৰোৰ কোনো কৰ্ম বা কৰ্মফলৰ অপেক্ষাক বাদ দি, সিহঁতৰ আৰাম-সুবিধাৰ বাবে সকলো সামগ্ৰী আৰু উপকৰণ সৰবৰাহ কৰিছে। যেনে- সূৰ্য, ভূমণ্ডল আৰু আন আন সকলোকে আমাৰ অস্তিত্ব তথা আমাৰ কৰ্মৰ অস্তিত্বৰ আগতেই আমাৰ বাবে সৃষ্টি কৰি থৈছিল। এই অৱদানৰ নাম খোদাতালাৰ কিতাপৰ মাজত '**ৰহমানিয়ত**' আৰু কাম পৰিপ্ৰেক্ষিতত খোদাতালাই নিজকে '**ৰহমান**'বুলি অভিহিত কৰিছে। পুনৰ কৈছে- '**আৰ ৰহিম**' অৰ্থাৎ সেই খোদা যি উত্তম কৰ্মৰ উত্তম পুৰস্কাৰ প্ৰদান কৰি আহিছে। একেদৰে কাৰোৱে পৰিশ্ৰমক অনিষ্ট নকৰে। এই কামৰ বাবেই নিজকে অভিহিত কৰিছে '**ৰহিম**'। এই গুণক '**ৰহমানিয়ত**' বুলি কোৱা হয়। লগতে কোৱা হৈছে—

‘**মালিক ইয়াওমিদ্দিন**’। অৰ্থাৎ সেই খোদা যি প্ৰত্যেকৰে প্ৰতিফল নিজ হাতত থৈছে। তেওঁৰ এনেকোনো কৰ্মকৰ্তা নাই যাক আকাশ-মাটিত শাসন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে তথা নিজে অকলশৰীয়াকৈ বেলেগে বহি আছে,নিজেই একোকে নকৰে নতুবা সেই কৰ্মকৰ্তাই সকলো পুৰস্কাৰ বা শাস্তি প্ৰদান কৰি আহিছে বা ভৱিষ্যতে দিব। আকৌ কৈছে—‘ **আল্ মালিকুল কুদ্দুছ**’ অৰ্থাৎ খোদা হৈছে বাদশ্বাহ বা সম্ৰাট, যাৰ ওপৰত ত্ৰুটিৰ কোনো চিহ্ন নাই। এয়া জানিব লগা কথা মানবীয় বাদশ্বাহগিৰি বা সাৰ্বভৌমত্ব ত্ৰুটিৰ পৰা মুক্ত নহয়। দৃষ্টান্ত স্বৰূপে সকলো প্ৰজাই যদি দেশ ত্যাগ কৰে, আন দেশলৈ আঁতৰি যায়, তেন্তে তেওঁৰ কোনো ক্ষমতা নাথাকিব, যদি প্ৰজাসকল দুৰ্ভিক্ষ-পীড়িত হৈ পৰে ৰাজহ আহিব ক’ৰ পৰা। যদি প্ৰজাসকলে বিবাদ আৰম্ভ কৰি দিয়ে আৰু কয় - ‘তুমি আমাতকৈ কোন ফালৰ পৰা ডাঙৰ?(যদি সম্ৰাটৰ সাৰ্বভৌমত্বক প্ৰত্যাহ্বান জনাই) তেন্তে কিদৰে সাৰ্বভৌমত্বক ৰক্ষা কৰিব? কিন্তু খোদাতালাৰ সাৰ্বভৌমত্ব এনেধৰণৰ নহয়। তেওঁ পলকতে সকলো ৰাজ্যক ধ্বংস কৰি নতুন এখন জগত সৃষ্টি কৰিবলৈ সক্ষম। যদি তেওঁ এনে ৰূপত শক্তিমান নহয় তেনেহ’লে অত্যাচাৰক বাদ দি তেওঁৰ ৰাজত্ব নচলিব। কিয়নো সেই ক্ষেত্ৰত তেওঁ দুনিয়াক এবাৰ ক্ষমা কৰি দিয়ে লগতে পৰিত্ৰাণ কৰি পুনৰ এখন দুনিয়াক (শাসন কৰাৰ বাবে) ক’ত স্থাপন কৰিব? নতুবা পৰিত্ৰাণ বা নাজাতপ্ৰাপ্ত লোকসকলক পুনৰ পৃথিৱীলৈ পঠোৱা বাবে ধৰি ধৰি আনিলেহেঁতেন বা অত্যাচাৰৰ পথ অৱলম্বন কৰি ক্ষমা বা নাজাতপ্ৰাপ্ত লোকসকলক পুনৰ উভতাই লৈ আহিলেহেঁতেন? এনেহ’লে খোদায়ত্ব বা ঈশ্বৰত্বৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন হয়, তেওঁ পৃথিৱীৰ বাদশ্বাহসকলৰ দৰে ত্ৰুটিপূৰ্ণ বাদশ্বাহত পৰিণত হ’লহেতেঁন? যিসকলে দুনিয়াৰ বাবে আইন প্ৰণয়ন কৰে, ক’ত ক’ত ভুল হয় বা ৰূপ বেলেগ হয় আৰু নিজৰ স্বাৰ্থ পূৰণৰ বিষয়টো যেতিয়া আহি পৰে, তেতিয়া অত্যাচাৰৰ বাহিৰে উপায় নাথাকে, তেতিয়া নিজাধৰণে অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। উদাহৰণ স্বৰূপে ৰাষ্ট্ৰীয় আইনত এয়া বৈধ যে জাহাজ এখনক উদ্ধাৰ কৰিবলৈ যাওঁতে নাঁৱ এখনৰ যাত্ৰীক ধ্বংস কৰি দিয়া। কিন্তু খোদাৰ ক্ষেত্ৰত ইমান অসহায় অৱস্থা এটা সৃষ্টি হ’ব

নোৱাৰে। গতিকে খোদা যদি সৰ্বশক্তিমান বা শূন্যৰ পৰা সৃষ্টিকাৰী নহ'লহেঁতেন তেন্তে দুৰ্বল ৰজাসকলৰ দৰে ক্ষমতাৰ পৰিৰ্বতে অত্যাচাৰৰ মাজেৰে কাম কৰিলেহেঁতেন আৰু বিচাৰ কৰিলেহেঁতেন খোদায়ত্ব বাদ দিলেহেঁতেন। কিন্তু খোদাৰ যি জাহাজ সেয়া পূৰ্ণ ক্ষমতা বা সঠিক সু-বিচাৰৰ ওপৰত চলন্ত। পুনৰ কৈছে- **আছচালাম**-খোদা সকলো প্ৰকাৰৰ দোষ-ত্ৰুটি, দুৰ্ভোগ, দুঃখ যন্ত্ৰণাৰ পৰা সম্পূৰ্ণ সুৰক্ষিত আৰু অনুৰূপ সুৰক্ষা প্ৰদানকাৰী বা সুখ প্ৰদানকাৰী। ইয়াৰ অৰ্থও সকলোৱে জানে। কিয়নো তেওঁ যদি নিজেই দুখ-অশান্তিৰে জৰ্জৰিত হ'লহেঁতেন,তেন্তে মানুহৰ হাতত সকলো শেষ হৈ পৰিলহেঁতেন আৰু তেওঁৰ সকলো ইচ্ছা অংগীকাৰ তাত ব্যৰ্থ হৈ পৰিলহেঁতেন। তেতিয়া এনে দুৰ্দশা দেখি হৃদয়ত কেনেদৰে সান্তনা পালোহেঁতেন যে এনে এজন খোদায়ে কেনেকৈ আমাৰ দুখ-যন্ত্ৰণা দূৰ কৰিব। খোদাতালাই কৈছে—

إِنَّ الَّذِينَ تَدْعُونَ مِن دُونِ اللَّهِ لَن
يَخْلُقُوا ذُبَابًا وَلَوِ اجْتَمَعُوا لَهُ ۖ وَإِن
يَسْلُبْهُمُ الذُّبَابُ شَيْئًا لَّا يَسْتَنقِذُوهُ
مِنْهُ ۚ ضَعُفَ الطَّالِبُ وَالْمَطْلُوبُ ﴿٧٤﴾
مَا قَدَرُوا اللَّهَ حَقَّ قَدْرِهِ ۗ إِنَّ اللَّهَ لَقَوِيٌّ (22:74,75)
عَزِيزٌ ﴿٧٥﴾

বাস্তৱতে আল্লাহক এৰি তোমালোকে যিবিলাকক আহ্বান কৰা সিহঁতে মাখি এটিকো কেতিয়াও সৃজন কৰিব নোৱাৰে,যদিও সিহঁত জুটীয়া চেষ্টা কৰিববলৈ একেলগ হয়; আৰু যদি মাখি এটিয়ে অকণমান বস্তুকে সিহঁতৰ আগৰ পৰা লৈ যায়,সেই বস্তু তাৰ পৰা ঘূৰাই আনিববলৈ সিহঁত অসমৰ্থ।প্ৰাৰ্থী আৰু প্ৰাৰ্থনাগ্ৰাহী দুয়ো কেনে নিৰ্বলী। আল্লাহ যি গুণসমূহৰ যোগ্য সেই গুণসমূহ

সিহঁতে তেওঁৰ প্ৰতি আৰোপ নকৰে; নিশ্চয় আল্লাহ শ্ৰেষ্ঠ শক্তিশালী পৰম ক্ষমতাপন্ন।(22:74,75) অৰ্থাৎ যিসকল লোকক তোমালোকে খোদা মানি বহি আছা,তেওঁলোক এনে যে তেওঁলোক সকলো লগ হৈ এটা মাখিও সৃষ্টি কৰিব বিচাৰিলেও তাক কৰিব নোৱাৰিব। যদি তেওঁলোক সকলোৱে এজনে আনজনক সহায়-সহযোগিতা কৰে তথাপিও নোৱাৰিব। বৰঞ্চ মাখিয়ে যদি তেওঁলোকৰ কিবা মূল্যৱান বস্তু হঠাৎ লৈ যায় তেতিয়াও তেওঁলোকৰ শক্তি নহ'ব মাখিৰ পৰা সেই বস্তু উভতাই আনিবলৈ। তেওঁলোকৰ উপাস্য জ্ঞানৰ দিশত কিমান যে দুৰ্বল,ক্ষমতাৰ দিশৰ পৰাও কিমান যে শক্তিহীন। কি? খোদা জানো এনেকুৱা হ'ব পাৰে? খোদা সেইজন যিজন সকলো ক্ষমতাৱানতকৈ ক্ষমতাশালী আৰু সকলোৰে ওপৰত বিজয় প্ৰাপ্তকাৰী। তেওঁক কোনেও ধৰিব নোৱাৰে, কোনেও মাৰিব নোৱাৰে। সেই ধৰণৰ ভ্ৰান্তিৰ মাজত যিসকল পৰে তেওঁলোকে খোদাৰ মৰ্যাদা নাজানে। লগতে নাজানে খোদা কেনেকুৱা হোৱা উচিত। পুনৰ কোৱা হৈছে খোদা **আমান** শান্তি আৰু নিৰাপত্তাদানকাৰী। অৰ্থাৎ তেওঁ কামালাত-উৎকৰ্ষতা, তৌহিদৰ সমৰ্থনত যুক্তি-প্ৰমাণ প্ৰদানকাৰী। ই এক কথাৰ দিশে ইংগিত কৰে যে সত্য খোদাক মানি চলা সকল কেতিয়াও মজলিচত বা সভাত লজ্জিত নহ'ব আৰু খোদাৰ সন্মুখতো লজ্জিত নহ'ব। কিয়নো তেওঁৰ ওচৰত শক্তিশালী যুক্তি-প্ৰমাণ থাকে। কিন্তু কৃত্ৰিম খোদাক মানি চলা সকল সদায় বিপদৰ মাজত থাকে, বিপাঙত পৰে। তেওঁলোকে যুক্তি-প্ৰমাণ দাঙি ধৰাৰ পৰিৰ্বতে অনৰ্থক কথা- বাৰ্তাক ৰহস্য বুলি ক'ব বিচাৰে, কাৰণ তেওঁলোক হাঁহিৰ পাত্ৰ হ'ব নিবিচাৰে, ইয়াৰ জড়িয়তে তেওঁলোকে নিজৰ ভ্ৰান্ত প্ৰমাণবোৰ নাইকিয়া কৰিব বিচাৰে।

পুনৰ উল্লেখ কৰা হৈছে- **আল্ মুহায়মিনুল আজিজুল জব্বাৰুল মুতাকাব্বিৰ**- অৰ্থাৎ তেওঁ সকলো ৰক্ষাকাৰী, সকলোৰে ওপৰত বিজয়ী, নষ্ট আৰু বিকৃতক পুনৰ গঠনকাৰী আৰু তেওঁৰ সত্তা অতি উন্নত আৰু উচ্চতৰ। পুনৰ কৈছে— **হুৱাল্লাহুল খালিকুল বাৰীউল মুচ্চাবিৰু লাহুল আছমাউল হুছনা**- অৰ্থাৎ তেওঁ এনে খোদা, তেওঁ দেহসমূহৰ সৃষ্টিকৰ্তা,আত্মাসমূহৰ সৃষ্টিকৰ্তা আৰু তেওঁ গৰ্ভাশয়ৰ ৰূপ-আকাৰ দানকাৰী। সকলোবোৰ সুন্দৰ,

সুন্দৰ নাম, যিমানলৈকে কল্পনা কৰিব পৰাটো সম্ভৱ-সকলো তেওঁৰে নাম। আকৌ কৈছে—**ইউছাব্বিহু লাহু মাফিছ ছামাৱাতে ওৱাল আৰ্জা ওৱা হুৱাল আজিজুল হাকীম**- অৰ্থাৎ আছমানৰ লোকসকলেও পৱিত্ৰতাৰে তেওঁৰ নাম স্মৰণ কৰে, জমিনৰ লোকসকলেও কৰে। এই আয়াতত ইয়াকে ইংগিত কৰিছে যে-আকাশৰ গ্ৰহ- নক্ষত্ৰত ( ক'ৰবাত, ক'ৰবাত) আবাদী বা জনবসতি আছে। সেইসকল লোকো আল্লাহ তালাৰ হিদায়ৎৰ অনুকৰণকাৰী। পুনৰ কোৱা হৈছে—**আলা কুল্লি শ্বাইয়িন কাদিৰ**-অৰ্থাৎ খোদা অতি শক্তিশালী। এয়া এবাদতকাৰীৰ (উপাসনা কৰা সকলৰ) বাবে সান্তনাৰ বিষয়। কিয়নো খোদা যদি অতি শক্তিশালী নহয়, দুৰ্বল হ'লহেঁতেন, তেন্তে তেওঁৰ পৰা কি আশা কৰিব পৰা গ'লহেঁতেন। পুনৰ কৈছে—**ৰাব্বুল আলামীন, আৰৰহমানিৰ ৰাহিম, মালিকি ইৱাও মিদ্দীন, উজীবু দাৱাতাদ দায়ি এজা দাআনি**- অৰ্থাৎ সেই খোদা জগতসমূহৰ লালন-পালনকৰ্তা। তেওঁ ৰহমান-ৰহীম আৰু নিজেই প্ৰতিফল প্ৰদানৰ দিনৰ গৰাকী। এই বিশেষত্বক তেওঁ আনকাৰোৰে লগত সংযুক্তকৰণ কৰা নাই। তেওঁ সকলো আহ্বানকাৰীৰ আহ্বান শুনে আৰু উত্তৰ দিয়ে। অৰ্থাৎ তেওঁ প্ৰাৰ্থনা কবুল কৰে। পুনৰ কৈছে- আল হাইয়ুল কাইয়ুম অৰ্থাৎ সদায় স্থায়ী, সকলো প্ৰাণীৰ প্ৰাণ, সকলো অস্থিত্বৰ আশ্ৰয়। সেই কাৰণে কৈছে যে তেওঁ যদি চিৰঞ্জীৱ আৰু চিৰস্থায়ী নহ'লহেঁতেন, তেনেহ'লে জীৱনবো এই আশংকা থাকিলহেঁতেন পিছলৈ নহয় তেওঁৰ আমাৰ আগতে মৃত্যু হ'ব। লগতে কোৱা হৈছে সেই খোদা অকলশৰীয়া খোদা। তেওঁ কাৰোৰে পুত্ৰ নহয়, তেওঁৰ কোনো পুত্ৰ নাই। একেদৰে কোনো তেওঁৰ সমকক্ষ নহয়, নাই কোনো তেওঁৰ অনুৰূপ (ইছলামী উছুল কি ফিলোচফি, ৰুহানি খাজাইন জিলদ ১০ পৃঃ ৩৭২-৩৭৬)

## আল্লাহ তা'লাৰ চাৰিটা বুনিয়াদী গুণ

খোদাতালাৰ উচ্চ মৰ্যাদাৰ মৌলিক গুণ চাৰিটা। এই গুণবোৰ হৈছে আন গুণবিলাকৰ জন্মদাতা- উন্মুছ ছেফাত। প্ৰতিটো গুণে আমাৰ মানবীয়তা বা বাচাৰিয়েত - এৰ সন্দৰ্ভত চাহিদা পূৰণ কৰে। উক্ত চাৰিটা গুণ হৈছে—

ৰবুবিয়ত, ৰহমানিয়ত,ৰহিমীয়ত আৰু মালিকিয়ত।

**ৰবুবিয়ত( প্ৰভুত্ব আৰু প্ৰতিপালকত্ব)** ঃ এই গুণ নিজৰ কৃপা আৰু ১)কল্যাণৰাজি প্ৰকাশ কৰাৰ বাবে নাস্তি (Nothingness) অথবা নাস্তি সদৃশ অৱস্থাৰ চাহিদা ৰাখে। সেয়ে সৃষ্টিৰ সকলোবোৰ জড়ে হওঁক জীৱই হওঁক-সকলোৱে ইয়াৰ বাবেই অস্তিত্ব লাভ কৰে।

**২) ৰহমানিয়ত (অসীম আৰু অযাচিত দানশীলতা) ঃ** এই গুণ নিজৰ কৃপা আৰু কল্যাণময়তা প্ৰকাশ কৰাৰ বাবে নিৰকুংশ চাহিদা ৰাখে। অৰ্থাৎ সম্পূৰ্ণ সেই নাস্তিত্বৰ- যিসময়ত কোনো অস্তিত্বৰ কোনোধৰণৰ প্ৰভাৱ আৰু প্ৰকাশ নহ'ব। এই সম্পৰ্কত একমাত্ৰ প্ৰাণীকুলৰ লগত, আন কোনোৰ লগত নহয়।

**৩) ৰহীমিয়ত (বাৰে বাৰে প্ৰতিফল প্ৰদানকাৰী পৰম দয়াময়)** ঃ এই গুণ নিজৰ কৃপা আৰু কল্যাণসমূহ প্ৰকাশ কৰাৰ বাবে যুক্তি আৰু বুদ্ধিসম্পন্নসকলৰ কাষত নাস্তিত্ব বা অনাস্তিত্বৰ একোবাৰ চাহিদা ৰাখে বা স্বীকৃতিৰ চাহিদা ৰাখে আৰু একমাত্ৰ মানুহৰ লগত সম্পৰ্কযুক্ত।

**৪) মালিকিয়ত ইয়াউমিদ্দিন (বিচাৰৰ দিনৰ অধিপতি) ঃ** এই গুণ নিজৰ কৃপা আৰু কল্যাণৰাজি প্ৰকাশ কৰাৰ বাবে অতি বিনীত প্ৰাৰ্থনা, কাকুতি আৰু মিনতিৰ চাহিদা ৰাখে। এই গুণ কেৱল সেইসকল লোকৰ লগত সম্পৰ্কিত যিসকলে ভিক্ষাৰীৰ ন্যায় সেই এককত্ব (সেই এক খোদাৰ)আস্তানত বিভোৰ হৈ পৰে। কৃপা আৰু কৰুণা প্ৰাপ্তিৰ আশাত সততা আৰু আন্তৰিকতাৰ আচল পাতি দিয়ে। অৰ্থাৎ আপোনসকলক খালি হাত অৱস্থাত দেখি তেওঁৰ মালিকত্বৰ প্ৰতি ঈমান আনে।

এয়াই হৈছে সেই চাৰিটা গুণ যি পৃথিৱীত ক্ৰিয়াশীল হৈছে। ইয়াৰ মাজত ৰহমীয়ত গুণে প্ৰাৰ্থনা কৰাৰ আদেশ দিয়ে আৰু মালিকীয়ত গুণে ভয় আৰু ত্ৰাসৰ অগ্নিক দহন কৰি নিৰ্মল বিনয়ীৰ জন্ম দান কৰে।

কিয়নো এই গুণৰ পৰা ইয়াকে প্ৰমাণিত হৈছে যে- খোদাতালা পুৰস্কাৰ দান কৰাৰ গৰাকী, কাৰো কোনো অধিকাৰ বা হক্ক নাই যে সেই দাবী কৰি কোনোবাই কিবা লাভ কৰিব। সেয়ে মাগফিৰাত আৰু নাজাত, ক্ষমা আৰু পৰিত্ৰাণ কেৱল তেওঁৰ ফজল বা অনুগ্ৰহতহে সম্ভৱ। (আইয়ামুছ ছুলাহ, ৰুহানি খাজাইন

জিলদ ১৪ পৃঃ ২৪২-২৪৩)

'চুৰা ফাতিহা'ৰ মাজত খোদাতালাৰ চাৰিটা গুণৰ বিষয়ে উল্লেখ কৰিছে — **১]** ৰাব্বুল আলামীন **২)** ৰহমান **৩)** ৰহিম আৰু **৪)** মালিক ইয়াও মিদ্দীন। অৰ্থাৎ এই চাৰিটা গুণৰ মাজেৰে ৰাব্বুল আলামীনক সকলোৰে আগত স্থান দিছে। ইয়াৰ পিছত উল্লেখ কৰা হৈছে 'ৰহমান' গুণৰ কথা। তাৰ পিছত 'ৰহিম' গুণৰ বৰ্ণনা দিয়া হৈছে। সৰ্বশেষত 'মালিকি ইয়াও মিদ্দীন' ৰ বিষয়ে উল্লেখ কৰিছে। ইয়াত বুজিব লাগিব খোদাতালাই কিয় এই তৰতীব বা অনুক্ৰম (তেওঁৰ গুণৰ বৰ্ণনাত) অনুসৰণ কৰিছে। ইয়াৰ দৃঢ় তাৎপৰ্য এটাই যে- চাৰিটা গুণৰ স্বাভাৱিত তৰতীব বা অনুক্ৰম একেধৰণৰ। তথা এইবিলাক তৰতীব অনুসৰি স্বকীয় অৱস্থাত প্ৰকাশিত হৈ থাকে। ইয়াৰ বিস্তাৰিত বৰ্ণনা হৈছে— দুনিয়াৰ ওপৰত খোদাতালাৰ কৃপা আৰু বদান্যতা বা ফৱেজান হৈছে চাৰি প্ৰকাৰৰ যাক চিন্তা কৰিলে প্ৰতিজন বুদ্ধিমান লোকে বুজিব পাৰে।

প্ৰথম যি কৃপা বা বদান্যতা সেয়া হৈছে সৰ্বত্ৰ ঃ সাধাৰণ কৃপা আৰু বদান্যতা অৰ্থাৎ ফৱেজানে আ'অম'। এয়া হৈছে সেই নিৰকুংশ বদান্যতা আৰু কৃপা, যি অবিৰাম উৰ্দ্ধ আকাশৰ পৰা পৃথিৱীলৈকে প্ৰাণী আৰু জড় সকলো বিলাকৰ ওপৰত বিনা ব্যতিক্ৰমে প্ৰতিফলিত হৈছে। প্ৰতিটো বস্তুৰ অনস্তিত্বৰ পৰা অস্তিত্বৰ ৰূপ লাভ কৰা আৰু সেই অস্তিত্ব পূৰ্ণ পৰিণত অৱস্থা লাভ কৰা-এই কৃপা আৰু বদান্যতাৰ কাৰণেই সম্ভৱ হয়। তথা কোনো বস্তু জড়েই হওঁক, প্ৰাণীয়েই হওঁক ইয়াৰ পৰা বঞ্চিত নহয়। ইয়াৰ মাধ্যমেৰে সমস্ত আত্মা তথা সমস্ত দেহ অস্তিত্বৱান হৈছে আৰু হৈ থাকিব। তথা সকলোবোৰ প্ৰতিপালিত হৈছে আৰু হৈ থাকিব। এই কৃপা আৰু বদান্যতা সমগ্ৰ সৃষ্টিৰ প্ৰাণ। সেয়া যদি এক পলৰ বাবে ছিন্ন হৈ পৰে তেনেহলে সমগ্ৰ সৃষ্টিৰে পৰিসমাপ্তি ঘটিব। সেয়া যদি আকৌ নহ'লহেঁতেন, তেন্তে বিশ্বজগতৰ কোনো সৃষ্টি নহ'লহেঁতেন। ইয়াৰ নাম কোৰাণ শ্বৰিফত কোৱা হৈছে— ৰবুবিয়ত (প্ৰভুত্ব আৰু প্ৰতিপালকত্ব)। অৰ্থাৎ ইয়াৰ বাবেই খোদাৰ নাম হৈছে—'ৰাব্বুল আ'লামীন' (জগতসমূহৰ প্ৰভু আৰু প্ৰতিপালক)। যেনেকৈ তেওঁ এক স্থানত উল্লেখ কৰিছে - وَهُوَ رَبُّ كُلِّ شَيْءٍ অৰ্থাৎ তেওঁ (খোদাতালা) সকলোৰে ৰব্ব

(প্ৰভু আৰু প্ৰতিপালক) (6:165)। সৃষ্টিৰ একোৱেই তেওঁৰ ৰব্বুয়িতৰ বাহিৰত নহয়। সেয়ে খোদাতালাৰ চুৰা ফাতিহাৰ মাজত এইবিলাক কৰ্মৰ ফল বা কৰ্মজনিত কল্যাণ লাভৰ কাৰণে সৃষ্টি অৰ্থাৎ তেওঁ পূৰ্বজন্মত এনে কোনো সৎ কৰ্ম কৰিছিল যাৰ প্ৰতিফল হিচাপে এইবিলাক নেয়ামত খোদাতালাই মানৱজাতিক পুৰস্কাৰ হিচাপে প্ৰদান কৰিছে। গতিকে এয়াই প্ৰমাণিত হৈছে যে এই ফয়েজান যিকোনো হাজাৰটা উপায়ে আত্মাধাৰীসকলৰ বা জীৱকুলৰ সুখৰ বাবে অস্তিত্ব প্ৰদান কৰা হৈছে। সেয়ে এইবিলাক এনে দান যে তাত কাৰো অধিকাৰ নাথাকে বা এয়া কাৰো কৰ্মৰ ফল নহয়। এয়া এক প্ৰকাৰৰ ৰহমতৰ উৎস বা প্ৰেৰণাৰ সম্বল, যাৰ দ্বাৰা প্ৰতিটো প্ৰাণীয়ে নিজৰ লক্ষ্যত উপনীত হয়। স্বভাৱগতভাবে যিবিলাকৰ প্ৰয়োজনীয়তা দিয়া হৈছে সেয়া পূৰ্ণ হৈ পৰে। গতিকে এই ফয়েজানৰ আওতাত ঐশী এনায়ত বা বদান্যতা কাম হৈছে, মানুহ বা আন সকলো প্ৰাণীৰ প্ৰয়োজনীয়তা পূৰণ কৰা আৰু তেওঁলোকৰ সকলো প্ৰকাৰৰ খবৰ ৰখা বা তত্ত্বাবধান কৰা, যাতে তেওঁলোক নষ্ট হৈ নপৰে। লগতে তেওঁলোকৰ বিকাশ অপূৰ্ণ হৈ থাকি নাযায়। এই ফয়েজান বা দাতা আৰু কৃপাময়তাৰ গুণ যে খোদাতালাৰ সত্ত্বাতে বিৰাজমান, সেয়া প্ৰাকৃতিক নিয়মাৱলীৰ প্ৰতি দৃষ্টিপাত কৰিলেই অতি সুস্পষ্টৰূপে উপলদ্ধি কৰিব পৰা যায়। কিয়নো কোনো বুদ্ধিমান ব্যক্তিয়ে ইয়াক অস্বীকাৰ কৰিব নোৱাৰে যে এই বিশ্বজগতত চন্দ্ৰ, সূৰ্য, মাটি আৰু আন আন মৌলিক পদাৰ্থ আদি যিবোৰ আছে সেইসকলোবোৰৰ ওপৰত প্ৰাণীৰ জীৱন নিৰ্ভৰশীল, সেয়ে সকলো এই ফয়েজান বা কৃপাময়তাৰ পৰাই প্ৰকাশিত হয়। লগতে প্ৰত্যেক শ্বাস-প্ৰশ্বাস গ্ৰহণকাৰী-সেয়া মানুহ হওঁক বা পশু হওঁক, বিশ্বাসী হওঁক আৰু অবিশ্বাসী হওঁক, সৎ হওঁক আৰু অসৎ হওঁক, সকলোৱে বিনা ব্যতিক্ৰমে, প্ৰয়োজন অনুসৰি এই আলোচ্য কৃপাৰে পৰা কৃপামণ্ডিত হৈছে। লগতে কোনো প্ৰাণী ইয়াৰ পৰা বঞ্চিত নহয়। বৰঞ্চ এই ফয়েজানৰ নাম কোৰাণ শ্বৰিফত কোৱা হৈছে ‘ৰহমানিয়ত’। যেনেকৈ উল্লেখ আছে- আল্‌হামদুলিল্লাহি ৰাব্বিল আলামীন- আৰ ৰহমান। এই গুণৰ প্ৰতি কোৰাণ শ্বৰীফত আৰু বহু স্থানত ইংগিত দিয়া হৈছে।

وَ اِذَا قِيْلَ لَهُمُ اسْجُدُوْا لِلرَّحْمٰنِ قَالُوْا
وَمَا الرَّحْمٰنُ ۗ اَنَسْجُدُ لِمَا تَاْمُرُنَا
وَزَادَهُمْ نُفُوْرًا ۩ ﴿٦١﴾

تَبٰرَكَ الَّذِيْ جَعَلَ فِي السَّمَآءِ بُرُوْجًا
وَّ جَعَلَ فِيْهَا سِرٰجًا وَّ قَمَرًا مُّنِيْرًا ﴿٦٢﴾
وَهُوَ الَّذِيْ جَعَلَ الَّيْلَ وَالنَّهَارَ خِلْفَةً لِّمَنْ
اَرَادَ اَنْ يَّذَّكَّرَ اَوْ اَرَادَ شُكُوْرًا ﴿٦٣﴾
وَعِبَادُ الرَّحْمٰنِ الَّذِيْنَ يَمْشُوْنَ عَلَى
الْاَرْضِ هَوْنًا وَّ اِذَا خَاطَبَهُمُ الْجٰهِلُوْنَ
قَالُوْا سَلٰمًا ﴿٦٤﴾

(25:61-64)

‘যেতিয়া তেওঁলোকৰ কথা উল্লেখ কৰা হয় যে, তোমালোক ৰহমান (আল্লা)ক চিজদা কৰা, তেতিয়া তেওঁলোকে কয়‘ ৰহমান আকৌ কোন? আমি কি তেওঁক চিজদা কৰিম যাৰ সম্বন্ধে তুমি আমাক আদেশ দিছা? বস্তুত এই কথাই তেওঁলোকৰ ঘৃণাক অধিক বৃদ্ধি কৰে।’

‘তেওঁ পৰম কল্যাণৰ অধিকাৰী সত্বা যি আকাশত (নক্ষত্ৰৰাজিৰ বাবে) কক্ষপথসমূহ সৃষ্টি কৰিছে আৰু তাত প্ৰদীপ্ত সূৰ্য আৰু চন্দ্ৰ সৃষ্টি কৰিছে।’

‘তথা তেওঁ সেই সত্তা যি ৰাতি আৰু দিনক এটাৰ পিছত আনটো পশ্চাদ্ধাবন কৰি সৃষ্টি কৰিছে সেই ব্যক্তিৰ উপকাৰৰ বাবে যি উপদেশ গ্ৰহণ কৰিব বিচাৰে

অথবা সকৃতজ্ঞ বান্দা হ'ব বিচাৰে।' আৰু 'ৰহমান'—ৰ প্ৰকৃত বান্দা তেওঁলোক যি ভূপৃষ্ঠৰ ওপৰত নম্ৰ হৈ চলে তথা অজ্ঞই যেতিয়া তেওঁলোকক সম্বোধন কৰে তেতিয়া তেওঁলোকে (কোনো বিবাদ নকৰাকৈ) কয় 'ছালাম'ঃ-(25:61-64)

অৰ্থাৎ যেতিয়া কাফিৰসকলক, বেদ্বীনসকলক আৰু নাস্তিকসকলক কোৱা হয়যে, তোমালোকে 'ৰহমান'ক চিজদা কৰা, তেতিয়া তেওঁলোকে ৰহমান নামৰ প্ৰতি ঘৃণা প্ৰকাশ কৰি অস্বীকৃতিসূচক প্ৰশ্ন কৰে যে 'ৰহমান' আকৌ কি বস্তু? এই প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে, 'ৰহমান' হৈছে সেই সত্তা যি প্ৰভুত কল্যাণৰ অধিকাৰী আৰু সমগ্ৰ কল্যাণৰ চিৰস্থায়ী উৎস, যি আকাশত বুৰুজসমূহ বা সুবৃহৎ কক্ষপথসমূহ সৃষ্টি কৰিছে। সেই সকলোবিলাক কক্ষৰ মাজত সূৰ্য আৰু চন্দ্ৰক স্থাপিত কৰিছে যি সকলো সৃষ্টি বিশ্বাসী-অবিশ্বাসী নিৰ্বিশেষে- পোহৰ বিতৰণ কৰিছে। সেই 'ৰহমানেই তোমালোকৰ বাবে অৰ্থাৎ সকলো মানৱ-সন্তানৰ বাবে দিন-ৰাতি সৃষ্টি কৰিছে, যি এটাৰ পিছত আনটোৰ আগমন কৰে অৰ্থাৎ পৰিক্ৰমণ কৰে, যাৰ ফলত ইয়াৰ পৰা মা'ৰেফাতৰ বা নিগূঢ় জ্ঞানৰ অনুসন্ধানকাৰীসকলে, এই সূক্ষ্ম প্ৰজ্ঞা বা হেকমতৰ পৰা লাভৱান হ'ব পাৰে,তথা অজ্ঞতা আৰু অনীহা বা অলসতাৰ অন্তৰালৰ পৰা বাহিৰলৈ আহিব পাৰে। লগতে যি ব্যক্তি নিয়ামতৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ আগ্ৰহী তেওঁ কৃতজ্ঞতা জনাব পাৰে। 'ৰহমান'ৰ প্ৰকৃত উপাসনাকাৰী তেওঁলোকেই যি পৃথিৱীত নম্ৰ ভাৱে চলাফুৰা কৰে আৰু যেতিয়া অজ্ঞ লোকে কঠোৰ ভাষাৰে কথা-বতৰা কয় তেতিয়া তেওঁলোকে শান্তিপূৰ্ণ ভাৱে ৰহমতৰ ভাষাত তেওঁলোকৰ উত্তৰ দিয়ে। অৰ্থাৎ কঠোৰতাৰ পৰিৱৰ্তে নম্ৰতা প্ৰদৰ্শন কৰে আৰু গালিৰ পৰিৱৰ্তে দোৱা দিয়ে। আন কথাত 'ৰহমান' গুণৰ সাদৃশ্যমূলক প্ৰকাশ ঘটায়। কিয়নো, 'ৰহমান'য়ে ভাল-বেয়া নিৰ্বিশেষে সকলো মানুহক সূৰ্য,চন্দ্ৰ, পৃথিৱী আৰু আন আন অসংখ্য নিয়ামতৰ লাভ প্ৰদান কৰে। গতিকে, এই আয়াতবোৰত খোদাতালাই পৰিষ্কাৰ ভাৱে উল্লেখ কৰিছে যে 'ৰহমান' শব্দটো এই অৰ্থত খোদাৰ কাৰণে ব্যৱহাৰ হয় যে— তেওঁৰ ৰহমত সৰ্বতঃভাৱে ভাল-বেয়া নিৰ্বিশেষে সকলোৰে ওপৰত পৰিব্যক্ত। যেনে ইয়াত অধিক এই

সাধাৰণ বা সাৰ্বজনীন ৰহমত সম্পৰ্কত উল্লেখ আছে—

عَذَابِيٓ أُصِيبُ بِهِۦ مَنۡ أَشَآءُ ‘মই যাক বিচাৰো তাক শাস্তি দিও, কিন্তু মোৰ ৰহমতে সকলো কিছুক পৰিবেষ্টন কৰি আছে।(৭ঃ১৫৭) অৰ্থাৎ মই যাক মোৰ আজাবৰ (যন্ত্ৰণা)ৰ যোগ্য বুলি ভাবো তাকেই তাক প্ৰদান কৰো, কিন্তু মোৰ ৰহমতে সকলোকে পৰিবেষ্টন কৰে। পুনৰ আন এক স্থানত উল্লেখ কৰিছে ঃ

قُلۡ مَن يَكۡلَؤُكُم بِٱلَّيۡلِ وَٱلنَّهَارِ مِنَ ٱلرَّحۡمَٰنِۚ

(21:43)

তুমি কোৱা, ৰাতি আৰু দিনত ৰহমানৰ শাস্তিৰ পৰা কোনে তোমালোকক ৰক্ষা কৰিব পাৰে? (21:43) অৰ্থাৎ সেই অবিশ্বাসীসকলক আৰু অবাধ্যসকলক কোৱা যে, যদি খোদাতালাৰ মাজত ‘ৰহমানিয়ত’ৰ গুণ নাথাকিলেহেঁতেন, তেওঁৰ শাস্তিৰ পৰা ৰক্ষা পোৱাটো তোমালোকৰ বাবে সম্ভৱ নহ’লহেতেঁন। আন কথাত, তেওঁৰ ৰহমানিয়তেই সেই সমস্ত কাফেৰ আৰু বেঈমানসকলক অৱকাশ দি থাকে আৰু তেওঁলোকক কৰায়ত্ত কৰাৰ বাবে খৰখেদা নকৰে। আন আৰু এক স্থানত ৰহমানিয়তৰ সন্দৰ্ভত এনেদৰে ইংগিত প্ৰদান কৰা হৈছে যে—

أَوَلَمۡ يَرَوۡاْ إِلَى ٱلطَّيۡرِ فَوۡقَهُمۡ صَٰٓفَّٰتٖ
وَيَقۡبِضۡنَۚ مَا يُمۡسِكُهُنَّ إِلَّا
ٱلرَّحۡمَٰنُۚ (67:20)

তেওঁলোকে কি তেওঁলোকৰ উৰ্ধ্বদেশত পক্ষীবোৰক দেখা নাই যে সিহঁতে কেনেকৈ ডেউকাবোৰ বিস্তাৰ কৰি আৰু সেইবিলাকক পুনৰ সংকুচিত কৰিছে? ৰহমান ( আল্লাহ)ৰ বাহিৰে আন কোনোৱে সিহঁতক ধৰি থোৱা নাই।(67:20) অৰ্থাৎ সেই লোকসকলে জানো তেওঁলোকৰ মূৰৰ ওপৰেদি চৰাইবিলাকক উৰি থকা অৱস্থাত দেখা নাই নে, কেতিয়াবা সিঁহতে ডেউকা মেলি উৰে

আৰু কেতিয়াবা সংকুচিত কৰে? ৰহমানেই তেওঁলোকক পৰি যোৱাৰ পৰা ৰক্ষা কৰে। অৰ্থাৎ ৰহমানিয়তৰ কৃপা বা ফয়জান যাৱতীয় প্ৰাণীকুলৰ ওপৰত এনেভাবে পৰিব্যপ্ত যে এনে কি চৰাইও- যাৰ দুই-তিনিটা এক পইচাত পোৱা যায় সেইবিলাকো এই ফয়জানৰ বা কৃপা আৰু বদান্যতাৰ সুবিশাল সাগৰত (অৰ্থাৎ আকাশত)সুখী আৰু আনন্দেৰে সন্তৰণ কৰি ফুৰিছে। যিহেতু এই ফয়েজানৰ স্তৰ ৰবুবিয়তৰ পাছত, সেয়ে আল্লাতালাই চুৰা ফাতিহাৰ মাজত তেওঁৰ ৰাব্বুল আলামীন— গুণৰ বৰ্ণনা কৰাৰ পিছত তেওঁৰ ৰহমান হোৱাৰ গুণৰ বৰ্ণনা কৰিছে যাৰ দ্বাৰা স্বাভাৱিক অনুক্ৰম বা তৰতীব ঠিক থাকে।

তৃতীয় প্ৰকাৰৰ ফয়জান হৈছে 'ফয়েজানে খাছ' বা বিশেষ কৃপা আৰু বদান্যতা। ইয়াৰ মাজত তথা ফয়েজানে আম (সাধাৰণ কৃপা আৰু বদান্যতা) ৰ মাজত পাৰ্থক্য হৈছে, ফয়েজানে আম ৰ ক্ষেত্ৰত মুস্তাফিজ বা ফয়েজপ্ৰাপ্ত ( কৃপা আৰু দান প্ৰাপ্ত) ব্যক্তিৰ বাবে এয়া আৱশ্যক নহয় যে, ফয়েজ লাভ কৰাৰ বাবে তেওঁ নিজৰ অৱস্থাক নেক বা সৎৰূপে তৈয়াৰ কৰিব আৰু নিজৰ নফছ্ বা আত্মাক অন্ধকাৰৰ পৰ্দাৰ অন্তৰালৰ পৰা বাহিৰ কৰি আনিব নতুবা কোনো প্ৰকাৰৰ সাধনা বা চেষ্টা-চৰিত্ৰ প্ৰকাশ কৰিব। বৰঞ্চ এই ফয়েজৰ ক্ষেত্ৰত যিমানখিনি মই বৰ্ণনা কৰিছোঁ, খোদাতালাই নিজৰ পৰা তাক প্ৰত্যেক প্ৰাণীক প্ৰয়োজন অনুসৰি- যিবোৰৰ নিৰ্ভৰশীলতা স্বভাবগত, তাক সদায় দান কৰি থাকে। লগতে সেইবিলাক লাভ কৰে বিনা প্ৰাৰ্থনাত আৰু বিনা প্ৰচেষ্টাত পৰ্যপ্ত পৰিমাণে। কিন্তু 'ফয়েজানে খাছ'ৰ ক্ষেত্ৰত সাধনা, প্ৰচেষ্টা আৰু চিত্তৰ পৱিত্ৰতা, প্ৰাৰ্থনা, বিনয় আৰু আল্লাহ্‌ৰ প্ৰতি মনোনিৱেশ। লগতে প্ৰয়োজন অনুসৰি সকলো সাধনাৰে চৰ্ত আছে। এই ফয়েজান কেৱল সেইসকলে লাভ কৰিছে যি অনুসন্ধান কৰে। ইয়াৰ ওপৰত তেওঁলোকে কষ্ট কৰে আৰু এই ফয়েজানৰ অস্তিত্বও 'কানুনে-কুদৰত' বা প্ৰাকৃতিক নিয়মাৱলীৰ দ্বাৰা স্বপ্ৰমাণিত। কিয়নো এয়া অতি সুস্পষ্ট যে খোদাৰ পথ সঞ্চাৰকাৰী, গাফেল আৰু অলস ব্যক্তিৰ অৱস্থা একে সমান হ'ব নোৱাৰে। নিঃসন্দেহে যি ব্যক্তিয়ে আন্তৰিক সততাৰে খোদাৰ পথত প্ৰচেষ্টা চলায় আৰু প্ৰত্যেক অন্ধকাৰ, অন্যায়, বিশৃংখলাৰ পৰা আঁতৰত থাকে, এক বিশেষ ৰহমত তেওঁৰ সংগী হৈ পৰে।

এই ফয়েজানৰ ফলতে খোদাতালাৰ নাম কোৰাণ শ্বৰীফত কোৱা হৈছে ‘ৰহীম’। লগতে এই ‘ৰহিমীয়ত’ গুণ এক বিশেষ গুণ লগতে ইয়াৰ স্তৰ ‘ৰহমানীয়ত’ গুণৰ পিছতেই। উল্লেখ আছে ঃ আৰ ৰহমানিৰ ৰহীম- তথা এই ৰহিমীয়ত গুণৰ বৰ্ণনা কোৰাণ শ্বৰীফৰ আন বহু স্থানত দাঙি ধৰা হৈছে। যেনেকৈ এক স্থানত উল্লেখ আছেঃ- (33:44) وَكَانَ بِالْمُؤْمِنِيْنَ رَحِيْمًا ﴿٤٤﴾

অৰ্থাৎ খোদাৰ ৰহিমীয়ত মাথো মুমিনৰ বাবে বিশিষ্ট বা খাছ, যাৰ মাজত অবিশ্বাসীসকলৰ অৰ্থাৎ বেঈমানসকলৰ আৰু মুশৰেক বা অংশীবাদীসকলৰ কোনো ভাগ নাই।

ইয়াত লক্ষ্য কৰিব লাগিব যে, খোদাতালাই ‘ৰহিমীয়ত’ গুণক মোমীনৰ বাবে খাছ কৰি দিছে। কিন্তু ‘ৰহমানিয়ত’ক কোনোখিনিত মোমিনৰ বাবে বিশিষ্ট বা খাছ কৰি দিয়া নাই লগতে এই কথাও উল্লেখ কৰা নাই যে- ‘কানা বিল্ মু’মিনীনা ৰহমান’ ( খোদাৰ ৰহমানিয়ত মাথো মোমিনৰ বাবে) বৰঞ্চ মোমিনৰ লগত যি খাছ ৰহমত সম্পৰ্কিত তাৰ কথা উল্লেখ কৰিবলৈ গৈ প্ৰতিটো ক্ষেত্ৰতে ‘ৰহিমীয়ত গুণৰ কথা উল্লেখ কৰা হৈছে। এক স্থানত এই কথা ও উল্লেখ কৰা হৈছে ঃ

(7:57) اِنَّ رَحْمَتَ اللّٰهِ قَرِيْبٌ مِّنَ الْمُحْسِنِيْنَ ﴿٥٧﴾

নিশ্চয় আল্লাহৰ ৰহমত সৎকৰ্মশীলসকলৰ নিকটবৰ্তী’ (7:57)
অৰ্থাৎ ঐশী ৰহিমীয়ত সেই সমস্ত লোকৰ কাষত যিসকল সৎকৰ্মশীল ।আন এক স্থানত উল্লেখ কৰা হৈছেঃ—

اِنَّ الَّذِيْنَ اٰمَنُوْا وَالَّذِيْنَ هَاجَرُوْا
وَجٰهَدُوْا فِيْ سَبِيْلِ اللّٰهِ ۙ اُولٰٓئِكَ يَرْجُوْنَ
رَحْمَتَ اللّٰهِ ؕ وَاللّٰهُ غَفُوْرٌ رَّحِيْمٌ ﴿٢١٩﴾

(2:219)

'নিশ্চয় যি ঈমান আনে আৰু যি আল্লাহৰ পথত হিজৰত কৰে,জিহাদ কৰে, তেওঁলোকেই আল্লাহৰ ৰহমতৰ আশা ৰাখেঃ অৱশ্যেই আল্লাহ্ অতি ক্ষমাশীল, পৰম দয়াময়।(2:219)। অৰ্থাৎ যি সকল লোকে ঈমান আনে আৰু খোদাৰ বাবে দেশ ত্যাগ কৰি নতুবা নফছ্ বা প্ৰবৃত্তিৰ পূজা এৰি পৃথক হৈ পৰে আৰু খোদাৰ পথত প্ৰচেষ্টা চলাইছে সেইজন আল্লাহৰ ৰহমতৰ প্ৰাৰ্থী আৰু খোদা ক্ষমাশীল, পৰম দয়াময়- গফুৰুৰ ৰহিম'। অৰ্থাৎ খোদাতালাৰ ৰহিমীয়তৰ ফয়েজান বা কৃপা আৰু বদান্যতা অৱশ্যই তেওঁৰ সংগী হৈ পৰে। যাৰ তেওঁ দাৱীদাৰ। এনে কোনো নাই যে তাৰ সন্ধান কৰিছে কিন্তু পোৱা নাই।

عاشق کہ شد کہ یار بحالش نظر نہ کرد　　اے خواجہ درد نیست وگرنہ طبیب ہست

কোন সেই প্ৰেমত সুজন,যাৰ প্ৰতি নাই অনুৰাগ প্ৰেমিকাৰ?
হে খাজা মোৰ,বেদনাৰ কি বাকী আছে আৰু?
চিকিৎসক সদায় প্ৰস্তুত তেওঁৰ বাবে।

চতুৰ্থ প্ৰকাৰৰ ফয়জান হৈছে- ফয়েজানে আখাছ্ অৰ্থাৎ অতি বিশিষ্ট কৃপা আৰু বদান্যতা। এয়া হৈছে সেই ফয়েজান যি মাথো শ্ৰম আৰু সাধনাৰ দ্বাৰা অৰ্জন কৰাটো সম্ভৱ নহয়। বৰঞ্চ ইয়াৰ প্ৰকাশ( Mani festation ) তথা প্ৰতিফলন বা বুৰুজ-ৰ বাবে প্ৰথম চৰ্ত হৈছে- এই যে উপকৰণৰ জগত- যি এক সংকীৰ্ণ আৰু অন্ধকাৰৰ ঠাই- সেয়া সম্পূৰ্ণভাবে ধ্বংস আৰু নিশ্চিহ্ন হৈ পৰিব, তথা একত্বৰে প্ৰভুৰ পূৰ্ণ ক্ষমতা কোনো প্ৰকাৰৰ উপকৰণ প্ৰতিবন্ধকতা অবিহনে নগ্নৰূপে নিজৰ জেউতিৰে বিচ্ছুৰণত উদ্ভাসিত হৈ উঠিব। কিয়নো, এই আখেৰী বা সৰ্বোত্তিম ফয়েজানৰ মাজত-যিসকলে ফয়েজানৰ চূড়ান্ত ৰূপ- অৰ্থাৎ পূৰ্বৱৰ্তী ফয়েজানৰ ক্ষেত্ৰত যি কিছু বৰ্ধিত আৰু উৎকৃষ্ট অৱস্থা ধাৰণ কৰাত সম্ভৱ হৈছিল সেয়া হৈছে- এই ফয়েজান হ'ব আন সকলো ফয়েজানৰ তুলনাত অতি প্ৰকাশ্য আৰু পৰিষ্কাৰ লগতে ইয়াৰ মাজত নাথাকিব কোনো প্ৰকাৰৰ ছায়া, আৱৰণ আৰু ত্ৰুটিৰ লেশ। অৰ্থাৎ এই ফয়েজানৰ নিৰ্ধাৰিত দানৰ বিষয়ত কোনো সন্দেহ, কোনো কমি নাথাকিব। এই ফয়েজানৰ ক্ষেত্ৰত সেয়া প্ৰকৃত ফয়েজান আৰু খাটি ৰহমত

আৰু পৰিপূৰ্ণ হোৱাৰ বিষয়তো নাথাকিব কোনো সন্দেহ বৰঞ্চ যি চিৰন্তন মালিকৰ পক্ষৰ পৰা ফয়েজ বা কৃপা আৰু বদান্যতা আহিছে, তেওঁৰ কৃপাময়তা আৰু বদান্যতা আৰু পুৰস্কাৰ হ'ব দিনৰ পোহৰৰ দৰে ন্যায় সুস্পষ্ট। লগতে ফয়েজপ্ৰাপ্ত ব্যক্তিৰ কাষত অভিজ্ঞতালব্ধ নিশ্চিত জ্ঞানৰ আকাৰে বিষয়টো প্ৰকাশিত হ'ব আৰু অনুভূত হ'ব যে সঁচা-সঁচিকৈ সাম্ৰাজ্যৰ অধিপতি তেওঁৰ বাসনা আৰু মনোনিৱেশ তথা বিশেষ ক্ষমতা বুলি তেওঁক এক মহান পুৰস্কাৰ বা নিয়ামত আৰু অপাৰ আনন্দ দান কৰিছে। লগতে প্ৰকৃত প্ৰস্তাৱত, তেওঁ নিজৰ সৎ কৰ্মসমূহৰ এক পৰিপূৰ্ণ আৰু স্থায়ী পুৰস্কাৰ- যি অতি স্বচ্ছ আৰু পৰিষ্কাৰ, অতীব উচ্চ লগতে একান্ত কাংখিত তথা অতি প্ৰিয়- সেয়া লাভ কৰিছে। এয়া কোনো প্ৰকাৰৰ পৰীক্ষা নহয়, দুখ-কষ্ট বা এবতেলাও নহয়। লগতে এই শ্ৰেণীৰ ফয়েজান- যিহেতু সম্পূৰ্ণ পৰিপূৰ্ণ আৰু উত্তম, স্থায়ী আৰু উচ্চ, উজ্বল- তাৰ প্ৰাপক হ'ব বিচাৰিলে, এই যে জগত যি ত্ৰুটিপূৰ্ণ তথা অস্বচ্ছ, সংকীৰ্ণ, আৱদ্ধ, মৰণশীল আৰু সন্দেহপূৰ্ণ- তাৰ পৰা আন জগতত স্থানান্তৰিত হ'ব লাগিব। কিয়নো, এই ফয়েজান হৈছে 'তাজাল্লিয়াতে আজমা' বা মহা প্ৰকাশৰ এক অভিজ্ঞতা। যাৰ মাজত চৰ্ত এয়া যে সত্য উপকাৰীৰ সৌন্দৰ্য নগ্নৰূপে দেখা যাব আৰু হক্কুল ইয়াকীন অৰ্থাৎ নিশ্চিত অভিজ্ঞতা সম্পন্ন জ্ঞান অৰ্জিত হ'ব। লগতে উপস্থিতি, প্ৰকাশ আৰু নিশ্চয়তাৰ কোনো স্তৰ বাকী নাথাকিব। লগতে পূৰ্ণ মা'ৰেফাত বা উপলব্ধিৰ প্ৰত্যেক সূক্ষ্মতা সৰ্বতোভাবে ক্ৰিয়াশীল হ'ব। তদুপৰি ফয়েজান ইয়াত ইমান সুস্পষ্ট হ'ব লগতে এক সুস্পষ্ট ৰূপে বোধগম্য হ'ব যে, স্বয়ং খোদাই তেওঁক জনাই দিব যে, তেওঁ প্ৰত্যেক পৰীক্ষা আৰু এবতেলাৰ দুখ-কষ্টৰ পৰা সম্পূৰ্ণ পৱিত্ৰ বা মুক্ত হৈ পৰিছে। তদুপৰি, এই ফয়েজানৰ মাজত ইমান উন্নত আৰু পূৰ্ণ স্তৰত আনন্দ লাভ হ'ব যে, যাৰ পৱিত্ৰ আৰু পূৰ্ণ অৱস্থা মানুহৰ হৃদয় আৰু আত্মা, জাহিৰ আৰু বাতেন, দেহ আৰু আত্মা লগতে প্ৰত্যেক আত্মিক আৰু দৈহিক শক্তিৰ ওপৰত এনে সামগ্ৰিক আৰু স্থায়ী প্ৰভাব বিস্তাৰ কৰিব যে যি বুদ্ধি চিন্তা আৰু কল্পনাৰ উৰ্ধ্বত। পক্ষান্তৰত এই যে জগত- যি মূলত ঃত্ৰুটিপূৰ্ণ আৰু বাহ্যতঃ আচ্ছন্ন আৰু সত্তাত ধ্বংসশীল আৰু স্বীয় অৱস্থাত সন্দেহপূৰ্ণ

লগতে বিস্তাৰত সংকীৰ্ণ- এয়া সেই মহা-প্ৰকাশ আৰু প্ৰোজ্জ্বল জেউতি আৰু চিৰস্থায়ী দানসমূহক সহ্য কৰিব নোৱাৰিব তথা সেয়া সেইসকল সমুজ্বল ৰশ্মিমালা- যি চিৰন্তন-তাক ধাৰণ কৰিব নোৱাৰিব। বৰঞ্চ তাক প্ৰকাশ কৰাৰ বাবে আন এক জগতৰ প্ৰয়োজন। যি জগত হ'ব বস্তুগত উপায়-উপকৰণৰ অন্ধকাৰৰ পৰা সম্পূৰ্ণ মুক্ত আৰু পৱিত্ৰ, লগতে সেই এক আৰু সৰ্বোচ্চ বা উচ্চতৰ সত্তাৰ ক্ষমতাৰ পূৰ্ণ আৰু প্ৰকৃত প্ৰকাশ স্থল।

হয়, এই ফয়জানে আ'খাছ অৰ্থাৎ অতি বিশিষ্ট কৃপা আৰু বদান্যতাৰ পৰা মুক্ত সেইসকল সফল লোক বা পূৰ্ণ মানৱে ইহজীৱনতেই কিছু অংশ লাভ কৰি থাকে যি সত্যৰ পথত অটল পদবিক্ষেপত আগবাঢ়ি যায়। তথা নিজৰ প্ৰবৃত্তি বা নফছৰ ইচ্ছা- অভিলাস, কামনা-বাসনাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ খোদাৰ প্ৰতি নিৱদ্ধ হয়। তেওঁলোক মৃত্যুৰ পূৰ্বেই মৰি যায়। যদিও দৃশ্যতঃ তেওঁলোকে এই জগতত বিচৰণ কৰে, তথাপি প্ৰকৃত প্ৰস্তাৱত, তেওঁলোক পৰজগতত বাস কৰে। গতিকে, তেওঁলোকে যিহেতু নিজৰ হৃদয়ক এই জগতৰ উপায়-উপকৰণৰ পৰা বিচ্ছিন্ন কৰি পেলাইছে আৰু মানবীয় অভ্যাসক বৰ্জন কৰি তথা আল্লাৰ বাহিৰে সমস্ত কিছুৰ পৰা মুখ ঘূৰাই দিয়ে আৰু সেই 'খাৰিকে আদত' বা অন্যান্য সাধাৰণ পন্থা অৱলম্বন কৰে, যিহেতু খোদা তেওঁৰ লগত অনুৰূপ ব্যৱহাৰ কৰে আৰু অন্যান্য সাধাৰণ পন্থাত তেওঁলোকৰ ওপৰত সেইবিলাক বিশেষ বিশেষ জেউতি বা নুৰ প্ৰকাশ কৰে যি আনসকলৰ ওপৰত মৃত্যুৰ পিছতহে প্ৰকাশিত হয়। সংক্ষেপত, উল্লেখিত অৱস্থা সাপেক্ষে, তেওঁলোকে এই দুনিয়াত 'ফয়জানে আ'খাছ'ৰ নুৰৰ পৰা কিছু অংশ লাভ কৰে। এই ফয়েজান প্ৰত্যেক প্ৰকাৰৰ ফয়েজৰ পৰা খাছ বা বিশিষ্ট, সমস্ত ফয়েজানৰ মাজত সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ। লগতে ইয়াক যিয়ে লাভ কৰে তেওঁ মহা সৌভাগ্যৰ শিখৰত উপনীত হয়। লগতে তেওঁ চিৰস্থায়ী সন্তুষ্টি লাভ কৰে, যি সকলো সন্তোষৰ উৎস-প্ৰস্ৰবণ। লগতে সেই ব্যক্তি ইয়াৰ পৰা বঞ্চিত হৈ থাকে যি সৰ্বদা নৰকত নিপতিত হৈ থাকে। এই ফয়েজানৰ ফলত খোদাতালাই কোৰাণশ্বৰিফত নিজৰ নাম مٰلِكِ يَوۡمِ الدِّيۡنِ ۝ —

'মালিকি ইয়াও মিদ্দীন'-বিচাৰৰ দিনৰ গৰাকী। 'দ্বীন' শব্দটোৰ পূৰ্বে 'আল্' যুক্ত কৰাৰ উদ্দেশ্য হৈছে যাতে এই অৰ্থ প্ৰকাশিত হয় যে, ইয়াত যি প্ৰতিফল দানৰ কথা উল্লেখ কৰা হৈছে সেয়া হৈছে, সেই পূৰ্ণ প্ৰতিফল যাৰ বিৱৰণ দিয়া আছে কোৰাণ মজিদত। লগতে কামেল বা পূৰ্ণ প্ৰতিফলন সেই চৰম মালিকত্ব বা মালিকিয়াত-ৰ প্ৰকাশৰ বাহিৰে প্ৰকাশিত হোৱা সম্ভৱ নহয়। ইয়াৰ প্ৰতি, সেয়ে, ইংগিত কৰে আন এক স্থানত উল্লেখ কৰা হৈছেঃ

(40:17) لِمَنِ الْمُلْكُ الْيَوْمَ ۖ لِلَّهِ الْوَاحِدِ الْقَهَّارِ ﴿١٧﴾

'আজি সৰ্বাধিপত্য কাৰ বাবে? আল্লাহৰ বাবে, যি একক, প্ৰৱল-পৰাক্ৰান্ত' (40:17)

অৰ্থাৎ সেইদিন আল্লাহৰ ৰবুবিয়তৰ বস্তুগত কোনো প্ৰকাৰৰ উপায় বা উপকৰণ অবিহনে স্বয়ং প্ৰকাশিত হ'ব। লগতে এটাই গোচৰীভূত আৰু বোধগম্য হ'ব যে, আল্লাতালাৰ মহা ক্ষমতা আৰু চৰম শক্তিৰ বাহিৰে সকলোবোৰ অস্তিত্বহীন। তেতিয়া সকলো সুখ আৰু আনন্দ, সকলো পুৰস্কাৰ আৰু শাস্তি, সকলোবোৰ খোদাৰ ফালৰ পৰা স্বচ্ছ আৰু পৰিষ্কাৰ ভাবে দেখা যাব। ইয়াৰ মাজত কোনো পৰ্দা বা আৱৰণ নাথাকিব। তথা কোনো প্ৰকাৰৰ সন্দেহৰ অৱকাশ নাথাকিব। তেতিয়া, যি তাৰ বাবে নিজৰ সত্তাক বিচ্ছিন্ন কৰি পেলাইছিল ( আন সকলোৰে পৰা) তেওঁলোকে নিজৰ সত্তাক পৰিপূৰ্ণ সুখ আৰু সৌভাগ্যমণ্ডিত অৱস্থাত দেখিব, যি তেওঁলোকৰ দেহ আৰু প্ৰাণ, তেওঁলোকৰ জাহেৰ আৰু বাতেন সকলোবোৰৰ ওপৰত পৰিব্যক্ত হ'ব। লগতে তেওঁলোকৰ অস্তিত্বৰ এনে কোনো অংশ বাকী নাথাকিব যে যি সেই পৰিপূৰ্ণ সুখ আৰু সৌভাগ্যৰ পৰা বঞ্চিত থাকিব। ইয়াত 'মালিকি ইয়াও মিদ্দীন'- ( বিচাৰৰ দিনৰ গৰাকী)য়ে ইয়াৰ মাজত ইংগিত দিছে যে, সেইদিনাখন আদম সন্তানসকলে যি মুক্তি তথা শাস্তি, আনন্দ অথবা বেদনা আদি প্ৰাপ্ত হ'ব, সেয়া সকলোবোৰে প্ৰকৃত উৎস হ'ব আল্লাতালাৰ সত্তাৰ। লগতে তেওঁ হ'ব সমস্ত অৱস্থাৰ প্ৰকৃত মালিক বা একাধিপতি। অৰ্থাৎ তেওঁৰ লগত মিলন অথবা বিচ্ছেদ হ'ব সকলো চিৰন্তন-সৌভাগ্যৰ কাৰণ অথবা দুৰ্ভাগ্যৰ কাৰণ। একেদৰে, যি তেওঁৰ অস্তিত্বৰ প্ৰতি ঈমান আনিছিল আৰু তেওঁৰ একত্ব বা তৌহিদ

অৱলম্বন কৰিছিল আৰু তেওঁৰ নির্মল ভালপোৱাৰ ৰঙত নিজৰ হৃদয়বোৰক ৰঙীন কৰি তুলিছিল তেওঁলোকৰ ওপৰত সেই পূর্ণ আৰু পৱিত্র সত্তাৰ ৰহমতৰ জেউতি পৰিষ্কাৰ ভাবে আৰু প্রকাশ্য ভাবে অৱতীর্ণ হ'ব। লগতে যাৰ ঈমান নাথাকিব, আল্লাৰ প্রতি ভালপোৱা নাথাকিব, তেওঁলোক এই আনন্দ আৰু মুক্তিৰ পৰা বঞ্চিত হৈ থাকিব আৰু কঠোৰ শাস্তিৰ মাজত নিপতিত হ'ব।

এয়া হৈছে সেই চাৰি প্রকাৰৰ ফয়েজ (কৃপা আৰু বদান্যতাসমূহ) যাৰ এক বিস্তাৰিত বর্ণনা মই লেখি পেলালো।

এতিয়া দেখা যাব যে, 'ৰহমান' গুণক 'ৰহিম' গুণৰ আগতে অগ্রাধিকাৰ দান কৰাটো অতি প্রয়োজনীয় আৰু উৎকৃষ্ট ৰচনাশৈলীৰ দাবীও এয়া। কিয়নো, প্রকৃতিৰ গ্রন্থৰ পৃষ্ঠাত দৃষ্টিপাত কৰিলে দেখা যায়যে প্রথমতে খোদাতালাই সাধাৰণ প্রতিপালকত্ব বা 'আম ৰবুবিয়তৰ ওপৰত চকু পৰে। তাৰ পিছত দৃষ্টি পৰে 'ৰহমানীয়ত'ৰ ওপৰত, তাৰ পিছত 'ৰহিমীয়ত'ৰ ওপৰত। সর্বশেষত দৃষ্টিপাত হয় 'মালিকি ইয়াও মিদ্দীন' ( বিচাৰৰ দিনৰ গৰাকী) হোৱাৰ ওপৰত। লগতে উৎকৃষ্ট ৰচনাশৈলীয়ে ইয়াকে কয় যাতে প্রকৃতিৰ গ্রন্থত যি অনুক্রম বা তৰতীব আছে তাৰ অনুকৰণ কৰা হয়, লগতে তাৰে অনুকৰণ কৰা হয় ঐশীবাণী বা ইলহাম'ৰ গ্রন্থটো। কিয়নো ৰচনাৰ মাজত প্রাকৃতিক বিন্যাস বা অনুক্রমক পৰিৱর্তন কৰাৰ অর্থ হ'ব প্রাকৃতিক নিয়মক সলনি কৰা তথা প্রাকৃতিক শৃংখলাক ভাঙি পেলোৱা। অনবদ্য ৰচনাৰ বাবে এয়াই প্রয়োজনযে, বাক্যৰ বিন্যাস প্রাকৃতিক বিন্যাসৰ লগত এনে সুবহু হ'ব লাগিব যে সেয়া যেন প্রাকৃতিক বিন্যাসৰে এক প্রতিৰূপ বা ফটোগ্রাফ হয়। যি বিষয়টো প্রাকৃতিকভাবে আৰু সংঘটিত হোৱাৰ দিনৰেপৰা অগ্রাধিকাৰপ্রাপ্ত, তাক বর্ণনাৰ ক্ষেত্রটো অগ্রাধিকাৰ দিব লাগিব। গতিকে, এই আয়াতসমূহৰ মাজত সর্বোচ্চ স্তৰত বাগ্মিতা প্রদর্শিত হৈছে আৰু অতি প্রাঞ্জল আৰু হৃদয়গ্রাহী বর্ণনাৰ লগে লগে প্রাকৃতিক বিন্যাস আৰু অনুক্রমক যথাযথ ভাবে অনুসৰণ কৰা হৈছে। এই বর্ণনাৰ ক্ষেত্রত সেই নিয়মক অনুকৰণ কৰা হৈছে যি প্রত্যেক সূক্ষ্ম দৃষ্টি সম্পন্ন ব্যক্তিৰ ওচৰত বিশ্বজগতৰ বিন্যাসৰ ন্যায় সুস্পষ্টৰূপে প্রতিভাত হৈ থাকে। কি ? এয়াই সৰল পথ নহয় যে, যি তৰতীবে বা ক্রমানুসাৰে ঐশী নেয়ামতসমূহ প্রকৃতিৰ গ্রন্থত

প্ৰকাশিত বা প্ৰদত্ত হৈছে সেই একে তৰতীবকে অনুকৰণ হওঁক ঐশীবাণীৰ গ্ৰন্থটো? সেয়েহে, এনেধৰৰণৰ উৎকৃষ্ট আৰু প্ৰজ্ঞাপূৰ্ণ তৰতীব বা অনুক্ৰম আৰু বিন্যাস সম্পৰ্কত আপত্তি উত্থাপন কৰাটো, বস্তুতঃ সেই সকল অন্ধৰ কাম যি একেলগে নিজৰ দৃষ্টি আৰু অন্তদৃষ্টি দুয়োটাই হেৰুৱাইছে।

چشم بد اندیش که برکنده باد     عیب نماید هنرش در نظر

## চাৰিটা উচ্চ মৰ্যাদাৰ সত্যতা

এতিয়া পুনৰ এবাৰ এই আলোচনাত প্ৰবৃত্ত হৈ মই আন এটা কথা ক'ব বিচাৰো যে, খোদাতালাই যি সমূহ 'চুৰা ফাতিহাৰ মাজত 'ৰাব্বুল আলামীন' গুণৰ পৰালৈ 'মালিকি ইয়াও মিদ্দীন' পৰ্যন্ত বৰ্ণনা কৰিছে, সেয়া কোৰাণ শ্বৰিফৰ ব্যাখাৰ দৰে চাৰি প্ৰকাৰে মহিমামান্বিত সত্যতা-ছদাকত। যাৰ কিছু বিশদ বিৱৰণ ইয়াত সংগত কাৰণত উল্লেখ কৰা উচিত।

প্ৰথম সত্যতা বা ছদাকত হৈছে— খোদাতালা ৰব্বুল আলামীন( জগতসমূহৰ প্ৰভু আৰু প্ৰতিপালক)। অৰ্থাৎ বিশ্বজগতৰ মাজত যি কিছু প্ৰকাশিত হৈছে আৰু যিবোৰ দৃষ্টিগোচৰ হয়, অনুভূত হয় আৰু যুক্তি-বুদ্ধি দি ধাৰণ কৰা হয়, সকলোবিলাক তেওঁৰে সৃষ্টি। লগতে প্ৰকৃত অস্তিত্ব একমাত্ৰ সেই সৰ্বস্ৰষ্টা আল্লাৰ বাহিৰে আন কোনো কিছুৰ বাবে প্ৰযোজ্য নহয়। সংক্ষেপত সমগ্ৰ বিশ্বজগত আৰু তাৰ সকলোবোৰ সৃষ্ট আৰু খোদাতালাৰ পৰাই সৃষ্টি। লগতে সকলো সৃষ্টিজগতত এনে একো নাই যিবোৰ খোদাতালাৰ সৃষ্টি নহয়। খোদাতালাই তেওঁৰ পূৰ্ণ ৰবুবিয়েতৰ মাজেৰে এই সৃষ্টিৰ প্ৰতিটো অণু-পৰমাণুক নিয়ন্ত্ৰণ কৰে তথা শাসন কৰে। লগতে তেওঁৰ 'ৰবুবিয়ত' সৰ্বক্ষণ কৰ্মৰত হৈ থাকে। এনে নহয় যে, খোদাতালাই জগতক সৃষ্টি কৰাৰ পিছত তাৰ পৰা বেলেগ হৈ বহি আছে আৰু সকলোবোৰ প্ৰাকৃতিক নিয়মৰ ওপৰত এৰি দিছে আৰু কোনো কিছুতেই তেওঁ কোনো হস্তক্ষেপ নকৰে। কিংবা, এয়া নহয় যে কোনো কণিকৰে এটা মেচিন নিৰ্মাণৰ পিছত সেইটো সম্পৰ্কত কোনো খবৰে নাৰাখে। কিন্তু সত্য-স্ৰষ্টাৰ লগত কেতিয়াও সম্পৰ্কচ্যুত নহয় তেওঁৰ সৃষ্টি। বৰঞ্চ তেওঁ যে 'ৰাব্বুল আলামীন'-জগতসমূহৰ প্ৰভু আৰু প্ৰতিপালক। তেওঁ

নিজৰ পূৰ্ণ ৰবুবিয়তৰ কাৰ্যকাৰিতা নিৰবিচ্ছিন্নভাবে সৰ্বক্ষণ জাৰি ৰাখে তেওঁৰ সমগ্ৰ সৃষ্টিৰ মাজত। তেওঁৰ ৰবুবিয়তৰ বৰ্ষা অবিৰাম বৰ্ষিত হৈছে তেওঁৰ সমগ্ৰ সৃষ্টি জগতৰ ওপৰত। এনে কোনো মুহূৰ্ত নাই যে, সৃষ্টি তেওঁৰ কৃপাৰ পৰা বঞ্চিত হৈছে। বৰঞ্চ বিশ্বজগতক সৃষ্টি কৰাৰ পিছতো সেই কৃপাময় উৎস প্ৰতিক্ষণ প্ৰতিমুহূৰ্তত এই প্ৰয়োজনীয়তা বোধ কৰিছে যে এতিয়ালৈকে যেন তেওঁ একোৱে সৃষ্টি কৰা নাই। সৃষ্টি যেনেকৈ তেওঁৰ অস্তিত্ব আৰু প্ৰকাশৰ বাবে তেওঁৰে ৰবুবিয়তৰ ওপৰত নিৰ্ভৰশীল আছিল, তেনেকৈ তেওঁৰ স্থায়িত্ব আৰু প্ৰতিষ্ঠাৰ বাবেও তেওঁৰে ৰবুবিয়তৰ ওপৰত নিৰ্ভৰশীল। তেওঁ সেয়ে দুনিয়াক নিয়ন্ত্ৰণ কৰি আছে, নিৰ্ভৰতা প্ৰদান কৰে দুনিয়াৰ প্ৰতিটো পৰমাণু তেওঁৰ বাবেই সতেজ হৈ থাকে, বিকশিত হয়। লগতে তেওঁ নিজৰ ইচ্ছা আৰু প্ৰতিশ্ৰুতি অনুসৰি সকলোৰে ৰবুবিয়ত কৰিছে, প্ৰতিপালকত্ব কৰে। এনে নহয় যে কোনো এৰাদা বা উদ্দেশ্যৰ বাহিৰে তেওঁ কোনো কিছু ৰবুবিয়ত কৰি থাকে। সংক্ষেপত, কোৰাণৰ যিবোৰ আয়াতৰ ব্যাখা আমি ইয়াত কৰিছোঁ, তাৰ পৰিপ্ৰেক্ষিতত ক'ব পৰা যায় যে ছদাকত বা সত্যতাৰ অৰ্থ এয়াই যে, প্ৰতিটো বস্তু, যি এই বিশ্বৰ মাজত পোৱা যায়, তেওঁৰে সৃষ্টি বা মখলুক। তাৰ সমস্ত উৎকৰ্ষতাত, সমস্ত অৱস্থাত আৰু সকলো সময়তে খোদাতালাৰ ৰবুবিয়তৰ নিৰ্ভৰশীল। এনে কোনো আত্মিক আৰু দৈহিক উৎকৰ্ষ নাই যে কোনো সৃষ্টি সেই নিৰকুংশ নিয়ন্তাৰ ইচ্ছাৰ অবিহনে নিজেই নিজেই অৰ্জন কৰিব পাৰে। ইয়াৰ বাহিৰেও স্পষ্টতঃ ই এই পৱিত্ৰ কালামত এই সত্যতা বা ছদাকত আৰু আন আন ছদাকতৰ তাৎপৰ্য নিহিত হৈ আছে যে, 'ৰাব্বুল আলামীন' প্ৰভূতি যি গুণবোৰ খোদাতালাৰ মাজত পোৱা যায় তাৰ সকলো বিলাক তেওঁৰ 'ৱাহিদ লা শৰীক (এক আৰু অংশবিহীন) সত্তাৰ বাবেই বিশিষ্ট বা খাছ আৰু আনহাতে কোনোৱে ইয়াৰ মাজত শৰীক বা অংশীদাৰ নাই। যেনেকৈ সেয়া এই চুৰাৰ প্ৰথম কথা অৰ্থাৎ'আলহামদুলিল্লাহ'-ৰ মাজত উল্লেখ কৰা হৈছে, সকলো প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবেই।

দ্বিতীয় সত্যতা বা ছদাকত হৈছে -'ৰহমান'। যাক উল্লেখ কৰা হৈছে 'ৰাব্বুল আলামীন'ৰ পৰাই। 'ৰহমান'-ৰ অৰ্থ যেনেকৈ মই প্ৰথমতে বৰ্ণনা কৰি

আহিছো- সেয়া হৈছে, য'ত প্ৰকাৰৰ জীৱ বা প্ৰাণী আছে, তাতকৈ বুদ্ধি সম্পন্ন হওঁক আৰু বুদ্ধিহীন হওঁক, সৎ হওঁক আৰু অসৎ হওঁক, সকলোৰে অস্তিত্বৰ সংৰক্ষণ আৰু বাচি থকাৰ আৰু সিহঁতৰ প্ৰজাতিসমূহক জীয়াই থকাৰ আৰু তেওঁলোকৰ উৎকৰ্ষতা সাধন কৰাৰ বাবে খোদাতালাই তেওঁৰ সাধাৰণ ৰহমতৰ কাৰণে প্ৰত্যেক প্ৰকাৰৰ প্ৰয়োজনীয়তা উপায়-উপকৰণ সৰবৰাহ কৰি আনিছে আৰু সৰবৰাহ কৰি থাকিব। এই সকলো দান স্বতঃস্ফুৰ্ত, এইবিলাক কাৰো কোনো কৰ্মৰ ওপৰত নিৰ্ভৰশীল নহয় বা কাৰো কৰ্মৰ ফল নহয়।

তৃতীয় ছদাকত হৈছে 'ৰহীম'। যাৰ বিষয়ে উল্লেখ কৰা হৈছে 'ৰহমান'ৰ পিছতেই। যাৰ অৰ্থ হৈছে, খোদাতালাই তেওঁৰ বিশেষ ৰহমতৰ চাহিদা অনুসৰি, প্ৰত্যেক প্ৰচেষ্টাকাৰীৰ প্ৰচেষ্টাৰ উত্তম ফল দান কৰে। তৌবাকাৰী বা অনুতাপকাৰীসকলৰ পাপসমূহ ক্ষমা কৰি দিয়ে। দানকৰ্তাৰ বাঞ্ছা পূৰণ কৰে।

চতুৰ্থ ছদাকত— যি চুৰা ফাতিহাত বৰ্ণনা কৰা হৈছে-'মালিকি ইয়াও মিদ্দীন'। অৰ্থাৎ যথাৰ্থ আৰু পূৰ্ণ প্ৰতিফলন- যি প্ৰত্যেক প্ৰকাৰৰ পৰীক্ষা আৰু ইবতেলা (Test and Trial) আৰু অনীহা, গাফিলতি, অন্যমনস্কতাৰ যাবতীয় অৱস্থা আৰু উপকৰণ, অজুহাতৰ পৰা মুক্ত, প্ৰত্যেক প্ৰকাৰৰ বক্ৰতা আৰু অপৰিচ্ছন্নতা, সন্দেহ, সংশয়, ক্ষতিৰ পৰা পৱিত্ৰ, তেওঁৰ অমিত ক্ষমতাসমূহৰ প্ৰকাশ-তাৰো গৰাকী সেই সৰ্বশক্তিমান আল্লাহ। তেওঁ নিজৰ পূৰ্ণপ্ৰতিফলন -যি দিনৰ পোহৰৰ দৰে সুস্পষ্ট-তাক প্ৰকাশিত কৰাৰ ক্ষেত্ৰত কোনো ধৰণে কোনোপ্ৰকাৰৰ দুৰ্বলতা প্ৰকাশ নেদেখুৱাই। লগতে এই মহিমামান্বিত ছদাকত প্ৰকাশ কৰাৰ অন্তৰালত লা-শৰীক আল্লাহৰ উদ্দেশ্য হৈছে- নিম্নবৰ্ণিত বিষয়বোৰ যেন প্ৰত্যেকৰ ওচৰত হাক্কুল-ইয়াকীন বা অভিজ্ঞতালব্ধ নিশ্চিত জ্ঞানৰ আকাৰত পৰিষ্কাৰ হৈ পৰে।

প্ৰথমতেঃ এয়া জাজা আৰু চাজা— পুৰস্কাৰ আৰু শাস্তি-ৰ বিষয়টো এনে এক বিষয় যি সত্য আৰু সুনিশ্চিত। যি প্ৰকৃত মালিক পক্ষৰ পৰা আৰু তেওঁৰ খাছ ইচ্ছা অনুযায়ী বান্দাগণৰ ওপৰত বৰ্তাই দিয়া হয়। লগতে এই দুনিয়াত উন্মোচিত হোৱা সম্ভৱ নহয়। কিয়নো, এই পৃথিৱীত সাধাৰণ মানুহৰ ওচৰত এয়া প্ৰকাশিত নহয় যে সকলো ভাল আৰু বেয়া, আনন্দ আৰু বেদনা

বান্দাসকলে লাভ কৰি থাকে। তেন্তে কিয় তাক লাভ কৰি থাকে আৰু কাৰ আদেশত, কাৰ এখতিয়াৰত প্ৰদত্ত হৈছে। তথা কোনো ধৰণৰ কোনো শব্দ শুনিবলৈ পোৱা নাযায় যে, সেয়া তেওঁৰ নিজৰ (কৰ্মৰ) পুৰস্কাৰ লাভ কৰিছে আৰু কোনোৱে এই পুৰস্কাৰ প্ৰত্যক্ষ বা অনুভৱও কৰিব নোৱাৰে যে, তেওঁ যি (শাস্তি) ভুগিছে নিজৰ কৰ্মৰে প্ৰতিফল।

দ্বিতীয়তে ঃ এই ছূদাকতৰ মাধ্যমেৰে এই বিষয়টো স্পষ্টৰূপে দাঙি ধৰা হৈছে যে, বস্তুগত উপায়-উপকৰণ বা আচবাৰ কোনো বিষয় নহয়। তথা প্ৰকৃত কৰ্মকৰ্তা হৈছে খোদা। তেওঁ সেই একমাত্ৰ মহান সত্তা যি যাৱতীয় কৃপা আৰু বদান্যতাৰ বা ফয়েজৰ উৎস-প্ৰস্ৰবণ,তথা পুৰস্কাৰ আৰু শাস্তি-জাজা আৰু ছাজাৰ গৰাকী।

তৃতীয়তে ঃ এই ছূদাকতৰ উদ্দেশ্য হৈছে- মহা-সৌভাগ্য কি,তথা মহাদুৰ্ভাগ্য কি-তাক প্ৰকাশ কৰা। অৰ্থাৎ এই ছূদাকতৰ মাধ্যমেৰে এটাই কোৱা হৈছে যে মহা -সৌভাগ্যৰ হৈছে সেই মহান বিজয়ৰ অৱস্থা যেতিয়া পোহৰ আৰু আনন্দ, সুখ আৰু শান্তি, মানুহৰ সমস্ত জাহেৰ আৰু বাতেন, দেহ আৰু প্ৰাণ পৰিবেষ্টন কৰি পেলায় তথা তেওঁৰ কোনো অংগ-প্ৰতংগ, কোনো শক্তি-সামৰ্থ ইয়াৰ বাহিৰত নাথাকে।আনহাতে মহা-দুৰ্ভাগ্য হৈছে সেই কঠোৰ শাস্তি বা অবাধ্যতা আৰু অপৱিত্ৰতা তথা দূৰত্ব আৰু বিচ্ছিন্নতাৰ কাৰণে ( জুই হৈ) হৃদয়ত প্ৰজ্বলিত হৈ উঠে আৰু দেহক আগুৰি পেলায়। তথা তেওঁৰ সমস্ত অস্তিত্ব যেন জুইত জ্বলি থাকে, যেন জাহান্নামত পতিত হয়। এই তাজাল্লিয়াতে আজমা বা মহাপ্ৰকাশ এই জগতত সংঘটিত হোৱা সম্ভৱ নহয়। কিয়নো এই সংকীৰ্ণ আৰু সংকুচিত, অস্বচ্ছ জগত যি বস্তুগত উপায়-উপকৰণৰ আৱৰণত আচ্ছাদিত আৰু এক ত্ৰুটিপূৰ্ণ অৱস্থাত নিপতিত হৈছে, সেয়ে এই তাজাল্লিয়তৰ প্ৰকাশ ধাৰণ বা সহ্য কৰিব নোৱাৰে। এই জগতত পৰীক্ষা আৰু এবতেলাত প্ৰাধান্য বিস্তাৰ কৰি থাকে। লগতে ইয়াৰ সুখ-শান্তি আৰু দুখ-বেদনা উভয়ে অস্থায়ী আৰু ত্ৰুটিপূৰ্ণ। ইয়াৰ বাহিৰেও এই দুনিয়াত মানুহে যিবিলাক অভিজ্ঞতা অৰ্জন কৰে সেয়াও সকলো উপায়-উপকৰণৰ অন্তৰালত প্ৰকাশ ঘটে। যাৰ কঠোৰ প্ৰতিফল দানৰ অধিপতি বা

মালিকৰ মুখাবয় পৰ্দাৰ আঁৰত থাকি যায়, গুপ্ত হৈ থাকে। এই কাৰণতে ইহজগতত সঁচাকৈ উপযুক্ত ভাবে আৰু মুকলি ভাবে প্ৰতিফলৰ দিন জাজা আৰু ছাজা(প্ৰতিদান আৰু শাস্তি) সংঘটিত হ'ব নোৱাৰে। বৰঞ্চ সঁচাকৈ উপযুক্ত ভাবে আৰু মুকলি ভাবে 'ইয়াওমিদ্দীন' বা প্ৰতিফল দানৰ দিন সেই পৰজগতত হ'ব। যি এই জগত শেষ হৈ যোৱাৰ পিছত আহিব। লগতে সেয়াই হৈছে সেই মহা-প্ৰকাশ (তাজাল্লিয়াতে আজমা)ৰ গৌৰৱ আৰু সৌন্দৰ্য প্ৰদৰ্শনৰ যথোপযুক্ত স্থান। যিহেতু এই পাৰ্থিৱ জগত তেওঁৰ স্বকীয় অৱস্থাৰ কঠোৰ প্ৰতিফল দানৰ স্থান নহয়, বৰঞ্চ পৰীক্ষা বা দুখ-কষ্টৰ আৰু সুখ-সম্ভোগ, দুখ-প্ৰৱঞ্চনা তথা বেদনা বা আনন্দ মানুহে ইহজগতত লাভ কৰি আহিছে, সেয়া সকলো যে, আৱশ্যম্ভাবীৰূপে খোদাতালাৰ কৃপা বা ক্ৰোধৰ ফলস্বৰূপে হৈ থাকে এনে নহয়। দৃষ্টান্তস্বৰূপে, কোনো বিত্তশালী হোৱাটোৱে এই কথাৰ প্ৰমাণ নহয় যে, খোদাতালা তেওঁৰ ওপৰত আনন্দিত, অথবা কোনো বিত্তহীন হোৱাটো বা দুখীয়া হোৱাটো এই কথাৰ প্ৰমাণ নহয় যে তেওঁৰ প্ৰতি খোদাতালা অসন্তুষ্ট হৈছে। বৰঞ্চ এই উভয় অৱস্থাই হৈছে এব্‌তেলাৰ স্বৰূপ। যাতে বিত্তশালীক তেওঁৰ ধন-সম্পত্তি ক্ষেত্ৰত আৰু বিত্তহীনক তেওঁৰ দাৰিদ্ৰতাৰ বিষয়ত পৰীক্ষা কৰা যায়। এয়া হৈছে সেই চাৰিটা সত্যতা বা ছদাকত যাৰ প্ৰতিটো বিশদ বৰ্ণনা দিয়া আছে কোৰাণ শ্বৰিফত।' (বাৰাহীনে আহমদীয়া, চতুৰ্থ খণ্ড,ৰুহানি খাজাইন জিলদ ১ পৃঃ ৪৪৪-৪৬১ হাশিয়া নম্বৰ ১১)

'এই কথা সুস্পষ্টৰূপে প্ৰমাণিত যে এই বিশ্বজগতৰ সামগ্ৰীৰ মাজেৰে যিবোৰ দৃষ্টিগোচৰ হয়, তাৰকোনোটোৱে অস্তিত্ব আৰু তাৰ প্ৰতিষ্ঠা স্বয়ং অপৰিহাৰ্য ৰূপে প্ৰয়োজনীয় নহয়। দৃষ্টান্ত ৰূপে পৃথিৱীৰ আকাৰ গোলকৰ ন্যায় আৰু ইয়াৰ ব্যাস কাৰোবাৰ কাৰোবাৰ হিচাপত আঠ হাজাৰ মাইল। কিন্তু ইয়াৰ পিছত এনে কোনো নিশ্চিত যুক্তি প্ৰমাণ নাই যে কি কাৰণে ইয়াৰ (পৃথিৱীৰ) বাবে এই আকাৰ আৰু এই ভৰ বা আয়তনৰ প্ৰয়োজন আছিল। লগতে কিয় বা ইয়াতকৈ কম বা অধিক কৰিব নোৱাৰিব, অথবা তাৰ আকাৰ পৰিৱৰ্তন কৰি আন কোনো আকাৰ প্ৰদান কৰিব পৰা নাযাব। এই বিষয়ত যেতিয়া কোনো নিশ্চিত যুক্তি-প্ৰমাণ নাই, তেতিয়া এই যে আকাৰ আৰু আয়তন

যাৰ সমন্বয়ত গঠিত ইয়াৰ অস্তিত্ব, সেয়া ইয়াৰ বাবে অপৰিহাৰ্য হ'ব নোৱাৰে। তথা এয়া এক যুক্তিত কোৱা হৈছে যে, বিশ্বজগতত যি কিছু আছে তাৰকোনোটোৰে অস্তিত্ব আৰু অৱস্থান স্বতঃ অপৰিহাৰ্য নহয়। তথা এয়া একমাত্ৰ কথা নহয় যে প্ৰতিটো বস্তু যাৰ অস্তিত্ব দৃষ্টিগোচৰ হয় সেয়া সত্তাগত ভাবে অপৰিহাৰ্য নহয়। অথচ এনে নানাবিধ পৰিস্থিতিৰ সৃষ্টি হয়, যেতিয়া বহু বস্তু নিশ্চিহ্ন হৈ যোৱাৰ অৱস্থা বা আশংকাই দেখা দিয়ে। তথাপি সেইবিলাক বস্তু নিশ্চিহ্ন হৈ নপৰে। দৃষ্টান্তস্থলত, আদিকালৰে পৰা দেখা গৈছে যে ভীষণ দুৰ্ভিক্ষত পৰি, ভয়াবহ মহামাৰী হৈ যায়, তাৰ পিছতো সকলো সময়ত সকলোবোৰৰ বীজ ৰক্ষা পৰে, নষ্ট হৈ নাযায়। বস্তুতঃ যুক্তিত এটা কথাই ক'ব পাৰি, এটাই যুক্তি দাবী কৰে যে, হাজাৰো দুৰ্যোগ আৰু বিপৰ্যয়-যি পৃথিৱীৰ বুকুত আদিকালৰে পৰা ঘটি আহিছে-তাৰ ফলত এটাই স্বাভাৱিক আছিল যে, কোনো কোনো সময়ত, দীৰ্ঘস্থায়ী কঠিন দুৰ্ভিক্ষত শস্যাদি বা মানুহৰ খাদ্য, সেয়া একেবাৰে নিঃশেষ হৈ পৰিব। অথবা কেতিয়াবা এনে হ'ব পাৰে যে ভয়াবহ দুৰ্ভিক্ষৰ কাৰণে মানৱজাতিৰ নাম-চিহ্ন নাইকিয়া হৈ পৰিব। আন সকলো জীৱ-জন্তু বা প্ৰাণীকুল নাইকিয়া হৈ পৰিব। আননালাগে চন্দ্ৰ-সূৰ্যৰ নিয়ম-শৃংখলাও সলনি হৈ পৰিব পাৰে। আন আন অগণিত বস্তু- যি বিশ্বক সুশৃংখল ৰখাৰ বাবে জৰুৰী, তাৰ মাজৰ পৰা কোনো কোনো বস্তু বিশৃংখল হৈ পৰিব পাৰে। কিয়নো কোটি কোটি বস্তুৰ পক্ষে বিনষ্ট আৰু বিশৃংখল হৈ যোৱাৰ পৰা ৰক্ষা পোৱা আৰু সেইবিলাকৰ ওপৰত কোনো প্ৰকাৰৰ আপদ-বিপদ অৱতীৰ্ণ নোহোৱাটো যুক্তি বহিৰ্ভূত কথা।

গতিকে, যি সমস্ত বস্তুৰ অস্তিত্ব বজায় ৰখা আৰু সেইবিলাকৰ জীয়াই থকা বা উত্তৰণ লাভ কৰা অপৰিহাৰ্য বিষয় নহয়। বৰঞ্চ সেইবিলাক কেতিয়াবা কেতিয়াবা অনিষ্টহৈ পৰা সেইবিলাক ৰক্ষা পোৱাতকৈ অধিক যুক্তিসংগত। (অস্তিত্বৰ দিশৰ পৰা স্বয়ং-অপৰিহাৰ্য নোহোৱাৰ পিছতো) সেইবিলাকৰ ওপৰত কেতিয়াবা সাৰ্বিক ধ্বংস নামি নহা আৰু সেইবিলাকৰ পক্ষে সুষ্ঠৰূপে বিদ্যমান থকা, সিহঁতৰ অস্তিত্বৰ সুসমন্বিত বিন্যাস আৰু সুদৃঢ় অৱস্থান, বিশ্বজগতৰ কোটি কোটি প্ৰয়োজনীয় সামগ্ৰীৰ মাজৰ পৰা কোনো একোৰে নিঃশেষ হৈ

নপৰাটোৱেই এই কথাৰ প্ৰকৃষ্ট প্ৰমাণ যে, এই সমস্ত কিছুৰ বাবে এজন জীৱন দাতা আৰু ৰক্ষাকৰ্তা আৰু স্থায়িত্ব দাতা আছে, যি সমস্ত সফল বা উপযুক্ত গুণাৱলীৰ অধিকাৰী। অৰ্থাৎ তেওঁ হ'ব নিয়ন্ত্ৰণকৰ্তা, সৰ্বজ্ঞাতা, ৰহমান (অযাচিত আৰু অসীম দাতা), ৰহিম (পৰম দয়ালু) আৰু নিজৰ সত্তাত চিৰন্তন আৰু সকলো প্ৰকাৰৰ ত্ৰুটিৰ পৰা মুক্ত, যাৰ ওপৰত কেতিয়াও মৃত্যু বা ধ্বংস নামি নাহে, আননালাগে তেওঁ তন্দ্ৰা আৰু নিন্দ্ৰা- যাৰ লগত মৃত্যুৰ এটা সাদৃশ্য আছে। তাৰ পৰাও পৱিত্ৰ। সেয়ে সেই যে পূৰ্ণ গুণাৱলীৰ অধিকাৰী সত্তা, যি এই বিশ্বজগতক তেওঁৰ পৰিপূৰ্ণ প্ৰজ্ঞাৰ দ্বাৰা যথোপযুক্তভাবে অস্তিত্ব দান কৰিছে, তথা নাস্তিৰ ওপৰত অস্তিকক প্ৰাধান্য দিছে আৰু তেওঁ একক তেওঁৰ সফলতা বা ঔৎকৰ্ষ আৰু সাফল্য, তথা খালেকিয়াত বা স্ৰষ্টাত্ব আৰু ৰবুবিয়ত বা প্ৰতিপালকত্ব আৰু কাইয়ুমিয়াত বা চিৰস্থায়ীত্বৰ কাৰণে এবাদত বা উপাসনা পোৱাৰ একমাত্ৰ যোগ্য বা হকদাৰ। এই পৰ্যন্ত যি আয়াতৰ ব্যাখা কৰা হ'ল, সেয়া হ'ল—

اَللّٰهُ لَآ اِلٰهَ اِلَّا هُوَ ۚ اَلْحَیُّ الْقَیُّوْمُ ۚ۬ لَا تَاْخُذُهٗ سِنَةٌ وَّلَا نَوْمٌ ؕ لَهٗ مَا فِی السَّمٰوٰتِ وَمَا فِی الْاَرْضِ ؕ (2:256)

'আল্লাহ তেওঁৰ বাহিৰে কোনো মাবুদ নাই, তেওঁ চিৰঞ্জীৱ ( জীৱনদাতা) চিৰস্থায়ী ( স্থিতিদাতা), তেওঁক তন্দ্ৰাই স্পৰ্শ কৰিব নোৱাৰে, নোৱাৰে নিন্দ্ৰাই। যি কিছু আকাশত আৰু যিবোৰ পৃথিৱীত আছে সকলো তেওঁৰ।' (2:256)- এতিয়া মুক্ত দৃষ্টিত চাব লাগিব যে, এই আয়াতত (আয়াতুল কুৰছীত) কিমান প্ৰাঞ্জল ভাবে কিমান সূক্ষ্ম ভাবে কিমান গভীৰ ভাবে আৰু কিমান প্ৰজ্ঞাপূৰ্ণভাবে বিশ্ব-স্ৰষ্টাৰ অস্তিত্বৰ পক্ষে যুক্তি-প্ৰমাণ উপস্থিত কৰা হৈছে। লগতে কিদৰে কেইটামান মাথো শব্দৰ মাজেৰে কিমান বিপুল অৰ্থ আৰু তাৎপৰ্য আৰু কিমান গভীৰ আৰু সূক্ষ্ম জ্ঞানৰ কথা, প্ৰজ্ঞাৰ কথা সুস্পষ্টৰূপে ব্যক্ত কৰা হৈছে।

مَا فِي السَّمٰوٰتِ وَمَا فِي الْأَرْضِ ‘ যিবিলাক আকাশসমূহত আছে আৰু যিবোৰ পৃথিৱীত আছে’-কথাষাৰ মাজত এনে প্ৰজ্ঞাময় যুক্তিৰ দ্বাৰা এজন স্ৰষ্টাৰ অস্তিত্ব আৰু তেওঁৰ উপযুক্ত গুণাৱলীৰ প্ৰমাণিত কৰা হৈছে, যাৰ পূৰ্ণ আৰু সমগ্ৰ ব্যাপক বৰ্ণনাৰ ন্যায় বৰ্ণনা আজিলৈকে কোনো দাৰ্শনিকে দিব পৰা নাই। বৰঞ্চ দাৰ্শনিকে ত্ৰুটিপূৰ্ণ জ্ঞানে ইয়াক উপলব্ধি কৰিব পৰা নাই যে আত্মা আৰু দেহ উভয়ৰে সৃষ্টি আৰু তেওঁৰ এই সূক্ষ্ম ৰহস্যৰ পৰাও বেখবৰ যে প্ৰকৃত জীৱন, প্ৰকৃত অস্তিত্ব আৰু প্ৰকৃত স্থায়িত্ব কেৱল খোদাৰ বাবেই নিৰ্দিষ্ট। এই গভীৰ মা’ৰেফাত বা নিগূঢ় উপলব্ধি এই আয়াতৰ পৰা মানুহে লাভ কৰিব পাৰে যে, খোদাই ইয়াত কৈছে-সঁচাকৈ বা প্ৰকৃত অৰ্থত যি জীৱন আৰু জীৱনৰ স্থায়িত্ব, সেয়া একমাত্ৰ আল্লাহৰ বাবে যি সকলো পূৰ্ণ আৰু উপযুক্ত গুণাৱলীৰ আধাৰ। তেওঁৰ বাহিৰে কোনো নাই যে প্ৰকৃত অস্তিত্ব আৰু প্ৰকৃত স্থায়িত্বৰ অধিকাৰী। লগতে এই বিষয়টোৱে এই বিশ্বৰ এজন স্ৰষ্টা থকাৰ প্ৰয়োজনীয়তা পক্ষে যুক্তি হিচাপে দাঙি ধৰা হৈছে আৰু উল্লেখ কৰা হৈছে ঃ

لَهُ مَا فِي السَّمٰوٰتِ وَمَا فِي الْأَرْضِ

‘আকাশমণ্ডলীত আৰু পৃথিৱীত যিবোৰ আছে সকলো তেওঁৰ অৰ্থাৎ যেতিয়া বিশ্বজগতত নাছিল কোনো সঁচা জীৱন, নাছিল সঁচা স্থায়িত্ব, তেতিয়াই অৱশ্যে ইয়াৰ কোনো এটা আদি কাৰণ আছে, যাৰ মাধ্যমেৰে তেওঁ নিজৰ অস্তিত্ব বা স্থায়িত্ব লাভ কৰিছে। এয়া প্ৰয়োজন যে সেই যি কাৰণ সেয়া হ’ব সকলো পূৰ্ণ আৰু উপযুক্ত গুণাৱলীৰ আধাৰ। লগতে তেওঁ নিজৰ ইচ্ছানুসৰি এই বিশ্বক নিয়ন্ত্ৰণ কৰিব আৰু সেয়া হ’ব প্ৰজ্ঞাময় আৰু অদৃশ্য সম্পৰ্কত জ্ঞাত-হাকীম আৰু আলিমুল গায়েব। গতিকে সেইজন হ’ল আল্লাহ। কিয়নো **কোৰাণ শ্বৰিফৰ পৰিধিত আল্লাহ হৈছে সেই সত্তাৰ নাম, যি হৈছে সকলো পূৰ্ণতা আৰু উৎকৰ্ষতাৰ আধাৰ**। এই কাৰণতেই কোৰাণ শ্বৰিফৰ মাজত আল্লাতালাৰ নামক যাৱতীয় পূৰ্ণ আৰু উপযুক্ত গুণাৱলীৰ অধিকাৰী সাব্যস্ত কৰা হৈছে আৰু বিভিন্ন স্থানত কোৱা হৈছে যে, আল্লাহ হৈছে তেওঁ ৰাব্বুল আলামীন,

ৰহমান আৰু ৰহিম। যি তেওঁৰ উদ্দেশ্য অনুসৰি বিশ্বজগতক নিয়ন্ত্ৰণ কৰে, যি সবজ্ঞ, আলিমুল গায়েব, সৰ্বশক্তিমান। লগতে যি চিৰঞ্জীৱ আৰু চিৰন্তন আৰু চিৰস্থায়ী আৰু এটাই সুপ্ৰতিষ্ঠিত ..... ইত্যাদি ইত্যাদি। সেয়ে কোৰাণ শ্বৰীফত পৰিধিত সুপ্ৰতিষ্ঠিত যে আল্লাহ্ হৈছে সেই সত্তাৰ নাম, যিসকলো পূৰ্ণ আৰু উপযুক্ত গুণাৱলীৰ আধাৰ আৰু অধিকাৰী। ইয়াৰ ফলত এই আয়াতৰ (আয়াতুল কুৰছীৰ) আৰম্ভণীত 'আল্লাহ'ৰ নামেৰে উল্লেখ আছে আৰু কোৱা হৈছে ঃ **আল্লাহু লাইলাহা ইল্লা হুৱাল হাইয়ুল কাইয়ুম**'— আল্লাহ্ তেওঁৰ বাহিৰে কোনো উপাস্য নাই, তেওঁ চিৰঞ্জীৱ (জীৱনদাতা) চিৰস্থায়ী (স্থিতিদাতা) অৰ্থাৎ মৰণশীল বিশ্বজগতৰ স্থিতিদাতা হৈছে সেই সত্তা যি সকলো পূৰ্ণতা আৰু উৎকৰ্ষতাৰ আধাৰ। ইয়াত এই কথাৰ দিশে ইংগিত দিয়া হৈছে যে এই যে বিশ্বজগত, যি নিখুত ভাবে সুসমুঞ্জল আৰু সমলমন্বিতৰূপে বিদ্যমান আৰু প্ৰকাশিত, তেওঁৰ সম্পৰ্কত এই ধাৰণা কৰা ভুল যে ইয়াৰ মাজত কোনো কোনো বস্তু, কোনো কোনো বস্তুৰ উৎপত্তিৰ কাৰণ। বৰঞ্চ এই প্ৰজ্ঞাপূৰ্ণ কাম-যি কাম প্ৰজ্ঞাৰ ৰহস্যৰ দ্বাৰা ভৰপূৰ-তাৰ বাবে প্ৰয়োজন এনে এজন সৃষ্টিকৰ্তাৰ, যি তেওঁৰ ইচ্ছা শক্তিৰ দ্বাৰা সমস্ত কিছুক নিয়ন্ত্ৰণ কৰে আৰু যি প্ৰজ্ঞাময়, জ্ঞানময়, দয়াময় আৰু অবিনশ্বৰ আৰু সকলো উৎকৃষ্ট গুণৰাজিৰ দ্বাৰা গুণান্বিত। গতিকে, তেওঁ হৈছে আল্লাহ। তেওঁ নিজৰ সত্তাত সকলো সৰ্বোত্ত উৎকৰ্ষৰ অধিকাৰী। ইয়াৰ বাহিৰেজগতৰ সৃষ্টিকৰ্তাৰ অস্তিত্বৰ প্ৰমাণ লাভৰ পিছত সত্যান্বেষীক এই কথাও উপলদ্ধি কৰিব লাগিব যে সেই সৃষ্টিকৰ্তা, সৰ্বপ্ৰকাৰৰ অংশীদাৰিত্ব বা শিৰকৰ পৰাও সম্পূৰ্ণ মুক্ত। সেয়ে এই দিশলৈ ইংগিত কৰে বুলি উল্লেখ কৰা হৈছে ঃ **কুল হুয়াল্লাহু আহাদ আল্লাহুছ ছামাদ'** (কোৱা, তেওঁ আল্লাহ, একক-অদ্বিতীয়, আল্লাহ স্বনিৰ্ভৰ আৰু সৰ্বনিৰ্ভৰস্থল) এই যে সংক্ষিপ্ত বৰ্ণনা তাক মৰ্যাদা আৰু গুৰুত্বৰ দিশৰ পৰা একমাত্ৰ পংক্তিৰূপেই বিবেচনা কৰিলে সঠিক নহ'ব। কিয়নো, ইয়াৰ মাজত অতি সূক্ষ্মভাবে আৰু অতি অকাট্যৰূপে মহান সৃষ্টিকৰ্তাৰ সত্তাক সৰ্বপ্ৰকাৰৰ শিৰক বা অংশীদাৰিত্বৰ পৰা পৱিত্ৰ ঘোষণা কৰা হৈছে। ই বিস্তাৰিত হৈছে,যুক্তি বুদ্ধিৰ দিশৰ পৰা **শিৰক বা অংশী চাৰি প্ৰকাৰৰ**। কেতিয়াবা ইয়াৰ সংখ্যা দিশৰ পৰা, কেতিয়াবা

মৰ্তবা বা মৰ্যাদাৰ দিশৰ পৰা, কেতিয়াবা সম্পৰ্কৰ দিশৰ পৰা আৰু কেতিয়াবা সেই কাৰ্য আৰু কাৰ্যকাৰিতাৰ দিশৰ পৰাও। সেয়ে এই চুৰাটোৰ মাজত ( অৰ্থাৎ চুৰা এখলাছঃ **কুল হুৱাল্লাহু আহাদ, আল্লাহুছ ছামাদ। লাম ইয়ালিদ ওৱা লাম ইউলাদ, ওৱা লাম ইয়া কুল্লাহু কুফুৱান আহাদ**।'-কোৱা তেওঁ আল্লাহ, একক-অদ্বিতীয়, আল্লাহ স্বনিৰ্ভৰ আৰু সৰ্বনিৰ্ভৰস্থল। তেওঁ কাকো জন্ম দিয়া নাই আৰু তেওঁকো জন্ম দিয়া হোৱা নাই, তথা সমতুল্য কোনো নাই)-এই চাৰি প্ৰকাৰৰ শিৰকৰ পৰা খোদাতালাক পৱিত্ৰ বুলি ঘোষণা কৰা হৈছে। লগতে পৰিষ্কাৰ ভাবে কোৱা হৈছে যে তেওঁ সংখ্যাৰ দিশৰ পৰা একক, তেওঁ দুই বা তিনি নহয়। তেওঁ ছামাদ অৰ্থাৎ তেওঁ মৰ্যাদাৰ দিশৰ পৰা অন্যান্য আৰু স্বনিৰ্ভৰশীল দিশৰ পৰাও অন্যান্য আৰু তেওঁৰ বাহিৰে সমস্ত কিছু লয়হীন আৰু নশ্বৰ আৰু সকলো সময়ৰ বাবে তেওঁৰ প্ৰতি নিৰ্ভৰশীল। লগতে তেওঁ 'লাম ইয়ালিদ' কাকো জন্ম দিয়া নাই। অৰ্থাৎ তেওঁৰ কোনো সন্তান নাই, সেয়ে তেওঁৰ পুত্ৰ হোৱা কঠিন তাৰ কোনো অংশীদাৰিত্ব হোৱাৰ সম্ভাৱনাও নাই। অৰ্থাৎ তেওঁ 'লাম ইউলাদ' তেওঁক কোনোৱে জন্ম দিয়া নাই, তেওঁৰ কোনো পিতা নাই,কাৰ্যত পিতা হোৱাৰ কোনো তাত শৰীক হ'ব নোৱাৰে, এনে সম্ভাবনাও নাই। তেওঁ 'লাম ইয়াকুল্লাহু কুফুৱান আহাদ'-অৰ্থাৎ তেওঁৰ কাম-কাজত কোনো তেওঁৰ সমকক্ষ হ'ব নোৱাৰে, সমকক্ষ নাই। গতিকে কৰ্মকাণ্ডৰ দিশৰ পৰাও তেওঁৰ কোনো শৰীক থাকিব নোৱাৰে। গতিকে ইয়াত সুস্পষ্টভাবে উল্লেখ কৰা হৈছে যে খোদাতালা চাৰি প্ৰকাৰৰ শিৰকৰ পৰা মুক্ত আৰু পৱিত্ৰ লগতে তেওঁ ৱাহেদ লা শৰীকঃ একক আৰু অংশবিহীন।

ইয়াৰ পিছত তেওঁৰ ৱাহেদ লা-শৰীক হোৱাৰ বিষয়ত আন এটা যুক্তি প্ৰমাণ দাঙি ধৰা হৈছেঃ لَوْ كَانَ فِيهِمَآ اٰلِهَةٌ اِلَّا اللّٰهُ لَفَسَدَتَا ۚ

'যদি (আকাশ আৰু পৃথিৱী) ইমান দূৰত্বৰ মাজত আল্লাহৰ বাহিৰে আন কোনো উপাস্য থাকিলেহেঁতেন তেনেহ'লে নিশ্চয় উভয়ে বিনষ্ট হৈ পৰিলেহেঁতেন।(21:23)

পুনৰ কোৱা হৈছে ঃ وَمَا كَانَ مَعَهٗ مِنْ اِلٰهٍ ( অৰ্থাৎ তেওঁৰ লগত আৰু

কোনো উপাস্য নাই) (23:92)

অথাৎ যদি পৃথিৱী আৰু আকাশৰ মাজত সেই সৰ্বোত্তম সৰ্বগুণাধাৰ সত্তাৰ বাহিৰে আন আৰু ক'ৰবাত কোনো খোদা থাকিলেহেঁতেন তেওঁলোক উভয়ে বিনষ্ট হৈ পৰিলেহেতেঁন। কিয়নো সেই অৱশ্যই কোনো নহয় কোনো সময়ত সেই খোদা এজনে আনজনৰ বিৰুদ্ধে গ'লহেতেঁন আৰু তেওঁলোকৰ মাজত দ্বন্দ্ব-সংঘৰ্ষৰ সৃষ্টি হ'ল হয়। ফলত বিশ্বজগতত ফাছাদ অৰু বিশৃংখলা বিয়পি পৰিলহেতেঁন। ইয়াৰ বাহিৰে বেলেগ বেলেগ স্রষ্টা হ'লহেতেঁন। তেনেহ'লে প্ৰতিজনে নিজৰ নিজৰ সৃষ্টি জগতৰ কল্যাণ বিচাৰিলেহেতেঁন, নিজৰ সুখ-স্বাচ্ছন্দ্যেৰ বাবে আনসকলক ধ্বংস কৰি দিবলৈ কুণ্ঠাবোধ নকৰিলহেঁতেন। ইয়াৰ ফলতো ফাছাদ আৰু দ্বন্দ্ব-সংঘাতৰ সৃষ্টি হ'লহেতেঁন। কিন্তু সেয়া যেতিয়া নহয়, তেতিয়া ইয়াৰ পৰাও খোদাতালা একক আৰু অংশবিহীন- ৱাহেদ আৰু লাশৰীক হোৱাৰ প্ৰমাণ হয়। তদুপৰি, খোদা যে ৱাহেদ লা শৰীক সেই সম্পৰ্কত এই যুক্তি দাঙি ধৰা হৈছে ঃ

قُلِ ادْعُوا الَّذِيْنَ زَعَمْتُمْ مِّنْ دُوْنِهٖ فَلَا
يَمْلِكُوْنَ كَشْفَ الضُّرِّ عَنْكُمْ وَلَا
تَحْوِيْلًا ۝٥٧
(17:57)

তুমি কোৱা, তোমালোকে আল্লাহ ভিন্ন যিবিলাক (উপাস্যৰূপে) ধৰি লৈছা সেই বিলাকক (বিপদৰ সময়ত)আহ্বান কৰি চোৱা; তেতিয়া (জানিব পাৰিবা)তোমালোকৰ পৰা কষ্ট দূৰ কৰিবলৈ নাইবা (তোমালোকৰ ভাগ্য) পৰিৱৰ্তন কৰিবলৈ সিহঁতৰ কোনো ক্ষমতা নাই।(17:57)

অৰ্থাৎ পুতলাবোৰক আৰু খোদাতালাৰ অস্তিত্বক অস্বীকাৰকাৰীসকলক কোৱা, যদি খোদাতালাৰ কৰ্মকাণ্ডৰ পিছত কোনো অংশীদাৰ থাকে তথা যদি বৰ্তমানত বিদ্যমান উপায়-উপকৰণে যথেষ্ট হৈ থাকে, তেনেহ'লে ইছলামৰ সত্যতাৰ প্ৰমাণ আদি আৰু ইয়াৰগৌৰৱ আৰু ক্ষমতাৰ তুলনাত তোমালোক যেতিয়া

পৰাজিত হৈ পৰিলা, তেতিয়া তোমালোকে সেইসকল অংশীদাৰক মাতি নিদিয়া কিয়। কিন্তু মনত ৰাখিবা যে তেওঁলোকে তেতিয়া তোমালোকৰ দুখ-দৈন্যতাক দূৰীভূত কৰিব নোৱাৰিব আৰু তোমালোকৰ মূৰৰ ওপৰৰ পৰা তোমালোকৰ আপদ-বিপদক অপসাৰিত কৰিবও নোৱাৰিব। হে ৰছুল, তুমি সেই মুশৰেকসকলক কৈ দিয়া যে তোমালোকে তোমালোকৰ সেই সকলো অংশীদাৰক যাৰ উপাসনা তোমলোকে কৰা, তেওঁলোকক মই প্ৰত্যাহ্বান জনাইছো, লগতে মোক পৰাভূত কৰা যিমান প্ৰকাৰৰ চেষ্টা-তদবীৰ তোমালোকে কৰিব পাৰা সেই সকলোবোৰ কৰা আৰু মোক সামান্য অৱকাশও তোমালোকে নিদিবা। কিন্তু তথাপি এই কথা জানি ৰাখিবা যে আমাৰ ৰক্ষাকাৰী, সহায়কাৰী আৰু সহযোগিতাকাৰী হৈছে সেই খোদা যি খোদাই কোৰাণ অৱতীৰ্ণ কৰিছে আৰু তেওঁ নিজৰ সত্য আৰু ৰছুলগণক স্বয়ং সহায় কৰিব, সমৰ্থন কৰিব। পক্ষান্তৰত, তোমালোকে যাক-যি বস্তুবিলাকক-সাহায্যৰ বাবে আহ্বান কৰি থাকা তেওঁলোকৰ কোনো সাধ্য নাই আৰু তেওঁলোকৰ পক্ষে সম্ভৱ নহয় যে তেওঁলোকে তোমালোকক কোনো সহায় কৰিব। এনে কি তেওঁলোকে নিজকে কোনো সহায় কৰিব নোৱাৰে।

গতিকে এয়াও প্ৰমাণিত কৰা হৈছে যে, খোদাতালা প্ৰত্যেক প্ৰকাৰৰ ক্ষয়-ক্ষতি আৰু ত্ৰুটি-বিচ্যুতিৰ পৰা সম্পূৰ্ণ পৱিত্ৰ। কোৰা হৈছে

تُسَبِّحُ لَهُ السَّمٰوٰتُ السَّبْعُ وَالْاَرْضُ وَمَنْ فِيْهِنَّ (17:45

সপ্ত আকাশ আৰু পৃথিৱী আৰু সেইবিলাকৰ মাজত যি আছে সেইবিলাক সকলো তেওঁৰ তছবীহ (পৱিত্ৰ ঘোষণা)কৰে।(17:45) অৰ্থাৎ সাত আকাশ আৰু মাটি তথা সেইবিলাকৰ মাজত যি কিছু আছে সকলো খোদাতালাৰ, পৱিত্ৰ ঘোষণা কৰিছে, এনে কোনো বাকী নাই যি তেওঁৰ পৱিত্ৰতাৰ গুণ-কীৰ্তন কৰা নাই। অথচ, তোমালোকে তেওঁৰ পৱিত্ৰতাক উপলব্ধি কৰা নাই। আন কথাত ঃ জমীন আৰু আকাশৰ প্ৰতি গভীৰ দৃষ্টি নিবদ্ধ কৰিলে এই প্ৰমাণ পোৱা যায় যে খোদাতালা পূৰ্ণ আৰু উপযুক্ত আৰু পৱিত্ৰ আৰু তেওঁ পুত্ৰৰ পৰা বা কোনো অংশীদাৰৰ পৰা মুক্ত। কিন্তু এই প্ৰমাণ সেইসকলে লাভ কৰে

যি উপলব্ধিৰ প্ৰমাণ ৰাখে।

গতিকেঃ বেলেগ ভাবেও, সৃষ্টিৰ উপসনাকাৰীসকলক অপৰাধী সাব্যস্ত কৰা হৈছে আৰু তেওঁলোকৰ সেই পাপাচাৰত লিপ্ত থকাৰ কথা ব্যক্ত কৰা হৈছে। উল্লেখ কৰা হৈছে ঃ

অৰ্থাৎ বহুলোকে কয় খোদাৰ জানো পুত্ৰ আছে। অথচ পুত্ৰৰ নিৰ্ভৰশীল হোৱাটো একোটা ক্ষতি আৰু অসম্পূৰ্ণতাৰ লক্ষণ। লগতে খোদা যে প্ৰত্যেক প্ৰকাৰৰ ক্ষতি বা অসম্পূৰ্ণতাৰ পৰা মুক্ত। তেওঁ যে গণী-স্বয়ং সম্পূৰ্ণ আৰু স্বনিৰ্ভৰশীল-বেনিয়াজ, তেওঁৰ কোনো কিছুৰ আৱশ্যকতা নাই। আকাশ আৰু পৃথিৱীত যিবিলাক আছে সকলো জানো তেওঁৰে নেকি? তোমালোকে খোদাৰ প্ৰতি ইমান দোষ আৰোপ কৰিব বিচৰা, যাৰ সমৰ্থনত তোমালোকৰ ওচৰত কোনো প্ৰকাৰৰ কোনো প্ৰমাণ নাই? খোদা কিয় পুত্ৰৰ নিৰ্ভৰশীল হ'ব? তেওঁ যে সফল-পূৰ্ণ আৰু উপযুক্ত। লগতে তেওঁ যে তেওঁৰ উলুহিয়ত বা খোদায়ীৰ দায়িত্ব সম্পাদনত অকলশৰে যথেষ্ট। তেওঁৰ কোনো সহায়ত কোনো কিছুৰ প্ৰয়োজন নাই। আকৌ বহুতেই কয় যে খোদাৰ জীয়েকো আছে। অথচ তেওঁ সকলো প্ৰকাৰৰ অসম্পূৰ্ণতা বা ক্ষতিৰ পৰা পৱিত্ৰ। কি ক'ব বিচৰা তোমালোকে,তোমালোকৰ বাবে পুত্ৰ, আৰু তেওঁ লোকৰ বাবে কন্যা? এয়া যে ঠিক বিভাজন নহ'ল। হে মানুহসকল! তোমালোকে সেই ৱাহেদ লা শৰীক খোদাৰ এবাদত কৰা যি তোমালোকক আৰু তোমালোকৰ দেউতা আৰু ককাহঁতক জন্ম দিছে। উচিত যে তোমালোকে সেই এক সৰ্বশক্তিমানক ভয় কৰা, যি তোমালোকৰ বাবে মাটিক বিছনা হিচাপে আৰু আকাশক ছাত হিচাপে নিৰ্মাণ কৰিছে। লগতে আকাশৰ পৰা পানী বৰ্ষণ কৰি তোমালোকৰ বাবে নানা প্ৰকাৰৰ ফলমূল আৰু শস্যাদি উৎপন্ন কৰিছে। গতিকে তোমালোকে জানি-শুনি সেইবিলাক তোমালোকৰ খোদাৰ স্বীকৃতি নিদিবা, যিবিলাক তোমালোকৰ উপকাৰৰ বাবে সৃষ্টি হৈছে। খোদা এক তেওঁৰ কোনো অংশীদাৰ নাই। তেওঁ আকাশতো খোদা, পৃথিৱীতো খোদা। তেওঁ আদি তেওঁ অনন্ত। তেওঁ প্ৰকাশ্য তেওঁ গোপন। চকুৱে তেওঁৰ সত্তাক ধাৰণ আৰু অৱলোকন কৰিব নোৱাৰে, কিন্তু তেওঁ চকুৰ সত্তাক ধাৰণ আৰু পৰিবেষ্টন কৰি আছে।

তেওঁ সকলোৰে দ্ৰষ্টা আৰু তেওঁৰ দৰে কোনো নাই। তেওঁ স্ৰষ্টা হোৱাৰ বিষয়ত এক সুস্পষ্ট প্ৰমাণ এই যে তেওঁ প্ৰতিটো বস্তুকে সৃষ্টি কৰিছে এটা নিৰ্ধাৰিত পৰিমাণ অনুসৰি, যথোপযুক্তৰূপে আৰু সীমাৱদ্ধৰূপে, ইয়াৰ পৰাও প্ৰমাণিত হয় এজন পৰিমাণ নিৰ্ধাৰণকাৰীৰ আৱশ্যকতা। লগতে তেওঁ সকলো প্ৰশংসাৰ অধিকাৰী। ইহকাল আৰু পৰকালত তেওঁ প্ৰকৃত পুৰস্কাৰদাতা। সকলো আদেশ দানৰ অধিকাৰ তেওঁৰে হাতত ন্যস্ত। লগতে তেওঁ সমস্ত কিছুৰ আশ্ৰয় আৰু প্ৰত্যাৱৰ্তনমূলক। খোদাই যাকে বিচাৰে তাৰ পাপ ক্ষমা কৰি দিয়ে। কিন্তু শিৰক বা অংশীদাৰবাদীক কেতিয়াও ক্ষমা নকৰে। গতিকে যি ব্যক্তিয়ে খোদাতালাৰ লগত সাক্ষাৎৰ আশা কৰে, তেওঁ যেন উচিত এনে কৰ্ম-কাৰ্যত লিপ্ত হোৱা যাৰ মাজত কোনো প্ৰকাৰৰ ফাছাদ বা গ্লানি নাথাকে লগতে তেওঁ যেন খোদাতালাৰ এবাদত কোনো কিছুকে শৰীক নকৰে, কোনো তেনে কাম নকৰে। খোদাৰ লগত শৰীক কৰাটো কঠিন পাপ। খোদাৰ বাহিৰে আন কাৰোৰে ওচৰত কোনো প্ৰাৰ্থনা নকৰিবা। সকলো বিলাক ক্ষয়প্ৰাপ্ত হ'ব। আদেশদানৰ একমাত্ৰ অধিকাৰ তেওঁৰ। লগতে তেওঁ তোমালোকৰ আশ্ৰয় স্থল, প্ৰত্যাবৰ্তনস্থল।'— (বাৰাহীনে আহমদীয়া, চতুৰ্থ খণ্ড, ৰুহানি খাজাইন জিলদ ৰ পৃঃ ৫১৫-৫২১ হাশিয়া নম্বৰ ৩)

## পৰিপূৰ্ণ সৌন্দৰ্য আৰু পূৰ্ণ এহছান

খোদাতালাৰ প্ৰাকৃতিক বিধান আৰু প্ৰকৃতিৰ গ্ৰন্থ, যি আদিকালৰে পৰা আৰু মানৱ সৃষ্টিৰ সূচনাৰে পৰা বিদ্যমান হৈ আছে, গতিকে আমাক সেই শিক্ষা দিয়ে যে, খোদাৰ লগত দৃঢ় সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন হৈছে, তেওঁৰ কৃপা আৰু তেওঁৰ সৌন্দৰ্যৰ সম্পৰ্কত অভিজ্ঞতা অৰ্জন কৰা। লগতে মই লেখিছো যে 'এহছান' বা কৃপাৰ অৰ্থ হৈছে, খোদাতালাৰ চাৰিত্ৰিক গুণাৱলীৰ কাৰ্যকাৰিতা, যাৰ অভিজ্ঞতা যি কোনো মানুহে নিজেই অৰ্জন কৰিবলৈ সক্ষম। উদাহৰণ স্বৰূপে, উপায়হীন আৰু অসহায়, দুৰ্বল, অনাথ অৱস্থাত মানুহৰ অভিভাৱক হ'ল খোদাতালা। তেওঁৰ প্ৰয়োজনত, তেওঁৰ চাহিদাৰ সময়ত খোদাতালাই নিজেই প্ৰয়োজন আৰু চাহিদা পূৰণ কৰে। তথা কঠিন দুখ আৰু দুশ্চিন্তাৰ সময়ত খোদাই নিজেই তেওঁক সহায় কৰে। লগতে

খোদাৰ অন্বেষণৰ সময়ত তেওঁ কোনো মুৰ্শেদ বা পথ-প্ৰদৰ্শনৰ মাধ্যম এৰি স্বয়ং খোদাই তেওঁক পথ -প্ৰদৰ্শন কৰিব। তথা ‘হুছন’ বা সৌন্দৰ্য বুলি কওঁতেই খোদাতালাৰ সেই ‘সুন্দৰ’ গুণাৱলীক বুজাব বিচৰা হৈছে যি এহছান বা কৃপাৰ আকাৰত পৰিস্ফুট হৈ উঠে। উদাহৰণ স্বৰূপে, খোদাতালাৰ কাৰ্যক্ষম কুদৰত বা তেওঁৰ পৰিপূৰ্ণ ক্ষমতা, তেওঁৰ মমতা, তেওঁৰ দয়া আৰু তেওঁৰ ৰবুবিয়ত আৰু সেই ৰহম যি খোদাৰ মাজত পোৱা যায় লগতে তেওঁৰ সেই সাধাৰণ বা আম ৰবুবিয়ত-প্ৰতিপালকত্ব-যি সকলো সময়ত পৰিলক্ষিত হৈছে, লগতে সেই সমস্ত সাধাৰণ বা সাৰ্বজনীন নেয়ামত আৰু দান বা মানুহৰ সুখ-বিশ্ৰামৰ বাবে পৰ্যাপ্ত পৰিমাণে মজুত আছে। সেই সম্পৰ্কত  জ্ঞান মানুহে অৰ্জন কৰিছিল নৱীগণৰ মাধ্যমেৰে, যাৰ ফলত তেওঁলোকে মৃত্যু আৰু ধ্বংসৰ পৰা বাচি থাকে, তেওঁৰ সেই যে গুণ, তেওঁ বেকাৰাৰ আৰু বেচঈন বা উৎকণ্ঠিসকলৰ দোৱা কবুল কৰে আৰু তেওঁৰ সেই যি সৌন্দৰ্য, মানুহে যেতিয়া তেওঁৰ প্ৰতি শিৰণত হয় তেতিয়া তেওঁ তেওঁলোকৰ প্ৰতি অধিক শিৰণত হয়, এই সমস্ত গুণাৱলী খোদাতালাৰ সেই ‘হুছন’ বা সৌন্দৰ্যৰ অন্তৰ্ভুক্ত। লগতে সেই সকলো গুণাৱলী- যাৰ দ্বাৰা বিশেষ ভাবে কোনো মানুহক যেতিয়া বিভূষিত হৈ পৰে, তেতিয়া সকলো তেওঁৰ ওচৰত কৃপাৰূপে পৰিগণিত হয়, যদিও সেয়া আনসকলৰ ওচৰত কেৱলমাত্ৰ সৌন্দৰ্য ৰূপেই প্ৰতিভাত হয়। কোনো ব্যক্তিয়ে যদি খোদাতালাৰ সকলো গুণ, যি প্ৰকৃত প্ৰস্তাৱত তেওঁৰ ৰূপ-সৌন্দৰ্য-তাক এহচান বা কৃপাৰূপে প্ৰত্যক্ষ কৰে, তেনেহ’লে তেওঁৰ ঈমান অত্যন্ত শক্তিশালী হৈ উঠে। লগতে তেওঁৰ প্ৰতি খোদাতালা ইমান অধিক আকৰ্ষিত হয় যেনেকৈ লোহা আকৰ্ষিত হয় চুম্বকৰ প্ৰতি। খোদাৰ প্ৰতি ভালপোৱা অধিক গভীৰ হৈ পৰে। লগতে খোদাৰ প্ৰতি নিৰ্ভৰশীলতা অধিক বৃদ্ধি পায়। যিহেতু তেওঁ এই অভিজ্ঞতা লাভ কৰে যে, তেওঁৰ যাৱতীয় কল্যাণ খোদাতেই নিহিত, সেয়ে তেওঁৰ সকলো প্ৰত্যাশা পূৰণৰ বাবে খোদাৰ প্ৰতি ভৰসা অধিক সুদৃঢ় হৈ পৰে। তেওঁ স্বভাৱগত ভাবে খোদাৰ প্ৰতি শিৰণত হয়, কষ্ট কৰে। নিজৰ সত্তাত সকলো সময়তে খোদাৰ সহায়ৰ নিৰ্ভৰশীলতা দেখিবলৈ পায়। খোদাতালা সেই সকলো  পূৰ্ণ প্ৰকৃত গুণাৱলীৰ কাৰ্যকাৰিতা

সম্পৰ্কত তেওঁ ইমান সুদৃঢ় বিশ্বাস পোষণ কৰে যে, তেওঁ নিশ্চয় সাফল্য লাভ কৰিব। কিয়নো খোদাৰ কৃপা, অনুগ্ৰহ আৰু বদান্যতাৰ বহু অভিজ্ঞতা তেওঁ তেতিয়া নিজৰ জীৱনত অৰ্জন কৰিছে। সেই বাবে তেওঁৰ সকলো প্ৰাৰ্থনা শক্তি আৰু নিশ্চয়তাৰ প্ৰস্ৰবণৰ পৰা নিৰ্গত হয়। লগতে তেওঁৰ প্ৰতিজ্ঞা হৈ পৰে অধিক দৃঢ় আৰু অটল। অৱশেষত ঐশীকৃপা আৰু প্ৰাচুৰ্য দৰ্শনত নুৰে ইয়াকীন বা দৃঢ় বিশ্বাসৰ জেউতি প্ৰৱলবেগেৰে তেওঁৰ অন্তৰত প্ৰৱেশ কৰে লগতে নিজৰ (অহং বা খুদীৰ) অস্তিত্ব সম্পূৰ্ণভাবে জ্বলি নিঃশেষ হৈ যায়। লগতে খোদাতালাৰ মাহাত্ম্য আৰু ক্ষমতা সম্পৰ্কত বাৰে বাৰে গভীৰ ভাবে চিন্তা-ভাবনা কৰাৰ ফলত তেওঁৰ হৃদয় আল্লাহৰ ঘৰ হৈ পৰে। যিদৰে মানুহৰ আত্মা তেওঁৰ জীৱিত থকা অৱস্থাত কেতিয়াও তেওঁৰ দেহৰ পৰা পৃথক হৈ নাযায়, তেনেকৈ গৌৰৱ আৰু শক্তিৰ অধিপতি খোদাতালাৰ তৰফৰ পৰা যি ইয়াকীন বা দৃঢ় বিশ্বাস তেওঁৰ অন্তৰত প্ৰবিষ্ট হয়, সেয়াও কেতিয়াও তেওঁৰ মাজৰ পৰা পৃথক নহয়। সকলো সময়তে 'পৱিত্ৰ আত্মাই নিজৰ অন্তৰত প্ৰেৰণাৰ সৃষ্টি কৰি যায়। সেই 'পৱিত্ৰ আত্মা' প্ৰদত্ত শিক্ষা বা তালীম অনুসৰি সেই কথা কয় আৰু তাৰ ভিতৰৰ পৰা সভ্যতা, সূক্ষ্মজ্ঞান  নিৰ্গত হৈ থাকে। তেওঁৰ হৃদয়ৰ প্ৰান্তৰত মৰ্যাদা আৰু মহিমাৰ অধিপতি আল্লাতালাৰ তথাপি সকলো সময়তে স্থাপিত হৈ থাকে। দৃঢ় বিশ্বাস, সাধুতা আৰু ভালপোৱাৰ আনন্দ সকলো সময়তে পানীৰ দৰে তেওঁৰ অন্তৰত প্ৰবাহিত হৈ থাকে। যাৰ দ্বাৰা তেওঁৰ প্ৰতিটো অংগ-প্ৰতংগ লালিত-পালিত হয়। চকুৰ পৰা তেওঁৰ এক ভিন্ন জ্যোতি বিচ্ছুৰিত হয়। কপালত তেওঁৰ এক পৃথক জেউতি উদ্ভাসিত হয়। চেহেৰাত তেওঁৰ ঐশী ভালপোৱাৰ বৃষ্টিধাৰা বৰ্ষিত হৈছে বুলি অনুমিত হয়।তেওঁৰ জিভাও তেওঁৰ সেই জেউতিৰ সম্পাতত উদ্দীপিত হয়। এনেদৰে তওঁৰ সকলো অংগ-প্ৰতংগত এনে এক জেউতি প্ৰস্ফুটিত অৱস্থাত দৃষ্টি গোচৰ হয়, যেনে প্ৰাক-বসন্তত বৰষুণ পৰি বসন্তকালৰ গছ-গছনিক শাখা-প্ৰশাখাই পাতে-পাতে, ফলে-ফুলে নৱজীৱনৰ হিল্লোল উদ্ভাসিত হৈ উঠে। কিন্তু যি ব্যক্তিৰ অন্তৰত এই আত্ম অৱতীৰ্ণ নহয় তথা যি এই নৱ-নৱীনৰ স্পৰ্শত স্পন্দিত নহয়, তেওঁৰ সমগ্ৰ অস্তিত্বই মৃতবৎ। এই লহৰত সঞ্জীৱতা, এই

প্ৰস্ফুটিত-প্ৰফুল্লতা যাৰ বৰ্ণনা দুঃসাধ্য, সেয়া কেতিয়াও সেই মৃত হৃদয়ৰ পক্ষত লাভ কৰাটো সম্ভৱ নহয়। যি এই দৃঢ় বিশ্বাসৰ জেউতিৰ উৎসত অবগাহন নকৰে, বৰঞ্চ তেওঁৰ মাজৰ পৰা গলিত মৃতদেহৰ দুৰ্গন্ধ নিৰ্গত হয়। কিন্তু সেই যাক নুৰ বা জেউতি দান কৰা হৈছে আৰু তেওঁৰ অন্তৰত সেই উৎস উৎসাৰিত হৈছে তেওঁৰ চিহ্নসমূহৰ মাজৰ এটি চিহ্ন হৈছে এই যে তেওঁৰ প্ৰাণে সকলো সময়তে এই কামনা কৰে যে তেওঁ যেন প্ৰতিটো বিষয়তে, প্ৰতিটো কথাত আৰু প্ৰতিটো কামত খোদাতালাৰ পৰা শক্তি লাভ কৰে। ইয়াৰ মাজত তেওঁৰ আনন্দ, ইয়াৰ মাজত তেওঁৰ প্ৰশান্তি, লগতে ইয়াৰ বাহিৰে জীয়াই থাকিব নোৱাৰে (আছমত আমবিয়া (আঃ) ৰুহানি খাজাইন জিলদ ১৮ পৃঃ ৬৬৮-৬৭১)

পূৰ্ণ প্ৰশংসা হ'ব পাৰে মাথো দুই প্ৰকাৰৰ গুণৰ ক্ষেত্ৰতঃ এক,— পৰম সৌন্দৰ্যৰ ক্ষেত্ৰত,দুই- পৰম কৃপাময় (আৰু কল্যাণকৰ) ক্ষেত্ৰত। কিন্তু কাৰোবাৰ মাজত যদি উভয় গুণ থাকে, তেনেহ'লে তাৰ বাবে হৃদয় উৎসৰ্গিত হৈ পৰে, সমৰ্পিত হৈ যায়। কোৰাণ শ্বৰিফৰ সকলোতকৈ ডাঙৰ উদ্দেশ্য এটাই যে খোদাতালাৰ এই উভয় প্ৰকাৰৰ গুণক সত্যান্বেষীসকলৰ ওচৰত প্ৰকাশিত কৰা, যাতে এই অতুল আৰু অনুপম সত্তাৰ প্ৰতি মানুহ ধাবিত হয়। লগতে আত্মাৰ আগ্ৰহ আৰু প্ৰচেষ্টাৰ মাজেৰে ইবাদত কৰে। এই কাৰণতেই প্ৰথম চুৰাৰ মাজত ইমান সুন্দৰ সুস্পষ্ট চিত্ৰ ফুটাই তুলিবলৈ বিচাৰিছে, সেই যে খোদাৰ যাৰ প্ৰতি কোৰাণে আহ্বান জনাই তেওঁ কিমান, কিমান যে অনুপম সৌন্দৰ্যৰ অধিকাৰী। গতিকে এই উদ্দেশ্যৰে এই চুৰাটো আৰম্ভ কৰা হৈছে 'আলহামদুলিল্লাহ' বুলি। যাৰ অৰ্থ এয়াই যে, সকলো প্ৰশংসা সেই সত্তাৰ বাবেই উপযোগী যাৰ নাম আল্লাহ। লগতে কোৰাণ কৰীমৰ পৰিধিত 'আল্লাহ' হৈছে সেই সত্তাৰ নাম যাৰ সকলো গুণাৱলী সুন্দৰতাৰ আৰু কৃপাময়তাৰ চৰম পৰ্যায়ত উপনীত হৈছে। তেওঁৰ সত্তাৰ কানো ত্ৰুটি নাই, বিচ্যুতি নাই। কোৰাণ শ্বৰিফৰ মাজত সকলো গুণাৱলীৰ আধাৰ সাব্যস্ত কৰা হৈছে মাথো 'আল্লাহ' ৰ নামতেই। সেয়া কৰা হৈছে এই কাৰণে যে ইয়াৰ দ্বাৰা যেন এই দিশৰ ইংগিত কৰা হয় যে 'আল্লাহ' নামটো কেৱল তেতিয়া সঠিক

আৰু যথাৰ্থ প্ৰতিপন্ন হ'ব যেতিয়া সমস্ত পূৰ্ণতম গুণাৱলী তেওঁৰ মাজত পোৱা যাব। গতিকে, সকলো প্ৰকাৰৰ গুণাৱলী যেতিয়া তেওঁৰ মাজত পোৱা গ'ল, তেতিয়া তেওঁৰ সৌন্দৰ্য প্ৰকাশিত হ'ল। এই সৌন্দৰ্যৰ কাৰণেই কোৰাণ শ্বৰিফত খোদাতালাৰ নাম ৰখা হৈছে 'নুৰ' (পোহৰ)। যিদৰে বৰ্ণিত হৈছে

اَللّٰهُ نُوْرُ السَّمٰوٰتِ وَالْاَرْضِ ؕ

অৰ্থাৎ আল্লাহ তালা পৃথিৱীৰ আৰু আকাশৰ নুৰ। (24:36)প্ৰত্যেক জেউতি সেই জেউতিৰে প্ৰতিবিম্ব।

## আল্লাহ তা'লাৰ এহ্ছানৰ চাৰিটা গুণাৱলী

কৃপাময়তাৰ সৌন্দৰ্য প্ৰকাশৰ অসংখ্য নাম আছে আল্লাহ তালাৰ। এইবিলাকৰ মাজত প্ৰধান মৌলিক নাম হৈছে চাৰিটা।

স্বাভাৱিক ক্ৰমানুসৰি এইবিলাকৰ মাজত প্ৰথম সৌন্দৰ্যৰ নাম চুৰা ফাতেহাৰ মাজত যি কথাৰ দ্বাৰা প্ৰকাশ কৰা হৈছে সেয়া হৈছে -'ৰাব্বুল আলামীন' (সকলো জগতৰ প্ৰভু-প্ৰতিপালক), ইয়াত উল্লেখ কৰা হৈছে- খোদাতালাৰ 'ৰবুবিয়ত' অৰ্থাৎ সৃষ্টি কৰা আৰু সেই সৃষ্টিক সৰ্বোচ্চ স্তৰত উন্নীত কৰা, সকলো জগতৰ মাজত অব্যাহত আছে, কাৰ্যকৰ হৈছে। অৰ্থাৎ আকাশৰ জগত, মাটিৰ জগত, দেহৰ জগত, আত্মাৰ জগত, প্ৰাণী জগত, উদ্ভিদ জগত, খনিজ পদাৰ্থৰ জগত আৰু আন আন সকলো জগতত তেওঁৰ ৰবুবিয়তৰ কল্যাণৰ প্ৰতি পালিত হৈছে, লালিত হৈছে। এনে কি যে মানুহেও নিজৰ শুক্ৰকীট ৰূপ লাভৰ সূচনাৰ পৰা তথা তাৰ আগৰে পৰা যি মৃতকৰ জগতলৈকে অথবা দ্বিতীয় জীৱনলৈকে বিস্তৃত, সেই সকলোৰে ৰবুবিয়তৰ উৎসৰ পৰাই প্ৰতিপালিত হৈছে, কল্যাণ প্ৰাপ্ত হৈছে। গতিকে ঐশী ৰবুবিয়ত যিহেতু সকলো আত্মা, সকলো দেহ, সকলো প্ৰাণী, সকলো উদ্ভিদ, সকলো খনিজ পদাৰ্থ আদিত পৰিব্যক্ত হৈ আছে, যিহেতু সেই নিৰ্বিশেষ সাধাৰণ কৃপা বা ফয়েজানে আ'ম বুলি আখ্যায়িত। কিয়নো প্ৰতিটো সত্তাই তেওঁৰ পৰা কল্যাণ প্ৰাপ্ত হয়। ইয়াৰ মাজতেই সকলোৰে অস্তিত্ব লাভ কৰে। গতিকে ঐশী ৰবুবিয়ত যদিও প্ৰতিটো সত্তাৰ অস্তিত্বদানকাৰী আৰু প্ৰতিটো প্ৰকাশিত

বস্তুৰ প্ৰতিপালন আৰু সংৰক্ষণকাৰী, তথাপি কৃপা আৰু কল্যাণ প্ৰাপ্তিৰ ক্ষেত্ৰত সকলোতকৈ অধিক সুবিধা ভোগ কৰে মানুহে। কিয়নো খোদাতালাৰ সকলো সৃষ্টিৰ পৰা উপকৃত হয় মানুহ। এই কাৰণেই মানুহক মনত পেলাই দিয়া হৈছে যে, তোমালোকৰ খোদা হৈছে 'ৰাব্বুল আলামীন। যেন ইয়াৰ পৰা তেওঁলোকৰ আশা বৃদ্ধি হয় আৰু বিশ্বাস দৃঢ় হৈ পৰে যেন খোদাতালাৰ কুদৰৎ বা ক্ষমতা অসীম আৰু তেওঁলোকৰ উপকাৰৰ বাবে তেওঁ প্ৰয়োজনীয় সকলোবোৰৰ সৃষ্টি কৰিবলৈ আৰু সৰবৰাহ কৰিবলৈ পাৰে।

দ্বিতীয় সৌন্দৰ্য খোদাতালাৰ যিহেতু দ্বিতীয় স্তৰত এহছান বা কৃপাময়তা, যাক সাধাৰণ কৃপা বা 'ফয়েজানে আ'ম বুলি আখ্যায়িত কৰা হৈছে, সেয়া হৈছে- ৰহমানীয়ত। এই সৌন্দৰ্যক চুৰা ফাতেহাৰ মাজত যি কথাৰ দ্বাৰা ব্যক্ত কৰা হৈছে, সেয়া হৈছে- **'আৰ ৰহমান'**। কোৰাণ শ্বৰিফৰ পৰিধিত খোদাতালাই এই নাম 'ৰহমান' এই বাবেই উল্লেখ কৰিছে যে প্ৰতিটো শ্ৰেণীৰ প্ৰাণী, যাৰ মাজত মানুহও অন্তৰ্ভুক্ত। তাক উপযুক্ত কৰি আকৃতি-প্ৰকৃতি দান কৰা হৈছে। অৰ্থাৎ যাৰ বাবে যিধৰণৰ জীৱন নিৰ্ধাৰিত কৰা হৈছে, তাৰ সেই জীৱনৰ বাবে উপযোগী যিবিলাক শক্তি আৰু ক্ষমতাৰ দৰকাৰ অথবা যিধৰণৰ শাৰীৰিক গঠন অংগ-প্ৰতংগ ইত্যাদিৰ প্ৰয়োজন সেই সকলো বিলাক দান কৰা হৈছে। জীয়াই থকাৰ বাবে যিবোৰ সা-সামগ্ৰী প্ৰয়োজন তাকো সকলোকে সৰবৰাহ কৰা হৈছে। পক্ষীৰ বাবে পক্ষীৰ উপযোগী, পশুৰ বাবে পশুৰ উপযোগী আৰু মানুহৰ বাবে মানুহৰ উপযোগী শক্তিসমূহ দান কৰা হৈছে। মাথো এয়াই নহয়, বৰঞ্চ এইবিলাকৰ অস্তিত্ব প্ৰাপ্তিৰ হাজাৰ হাজাৰ বছৰৰ আগতেই আল্লাতালাই নিজৰ 'ৰহমানিয়ত'ৰ গুণৰ কাৰণে সকলো আচমানী আৰু পাৰ্থিৱ প্ৰয়োজনীয় সামগ্ৰী, সৰঞ্জাম আৰু আচবাবসমূহ সৃষ্টি কৰি ৰাখিছে, যাতে তেওঁ এইবিলাকৰ অস্তিত্বৰ সংৰক্ষণকাৰী হ'ব পাৰে। তথাপি ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে খোদাতালাৰ ৰহমানীয়তৰ মাজত কোনো কৰ্মৰ দখল বা প্ৰভাৱ নাই। বৰঞ্চ সেই ৰহমত স্বতঃপ্ৰণোদিত, যাৰ বুনিয়াদ স্থাপিত হৈছে এই সকলো সৃষ্টিৰ পূৰ্বেই। অৱশ্যে এয়াও ঠিক যে খোদাতালাৰ ৰহমানিয়তৰ মাজত মানুহৰ অংশ অধিক। কিয়নো প্ৰতিটো সামগ্ৰী মানুহৰ সাফল্যৰ বাবেই কোৰবাণী

হৈছে। এইবাবেই মানুহক মনত পেলাই দিয়া হৈছে- তোমালোকৰ খোদা হ'ল 'ৰহমান'।

খোদাতালাৰ তৃতীয় সৌন্দৰ্য, যিটো তেওঁৰ তৃতীয় স্তৰৰ কৃপা বা এহচান হৈছে তেওঁৰ 'ৰহিমীয়ত'। যিটো চুৰা ফাতেহাৰ মাজত 'আৰ ৰহিম' বাক্যৰ দ্বাৰা ব্যক্ত কৰা হৈছে। কোৰাণ শ্বৰিফৰ পৰিধি অনুযায়ী খোদাতালাই নিজকে 'ৰহিম' বুলি সেই অৱস্থাত কৈছে যি অৱস্থাত তেওঁ মানুহৰ প্ৰাৰ্থনা, বিজয় আৰু সৎকৰ্মক কবুল কৰি বিপদ-আপদ,ব্যৰ্থতা প্ৰচেষ্টা আদিৰ পৰা ৰক্ষা কৰে। এই কৃপাক আন এক কথাত কোৱা হয়'ফয়েজানে খাছ' বা বিশেষ কল্যাণ। এয়া মাথো মানুহৰ বাবেই নিৰ্দিষ্ট। আন কোনো কিছুক আল্লাতালাই প্ৰাৰ্থনা, বিনয় আৰু সৎকৰ্ম কৰাৰ ক্ষমতা প্ৰদান কৰা নাই, কিন্তু মানুহক দিছে। মানুহ হৈছে বাকশক্তিসম্পন্ন প্ৰাণী। যি নিজৰ বাক্শক্তিৰ মাজেৰে খোদাতালাৰ কৃপা আৰু কল্যাণ লাভ কৰিব পাৰে। আন কোনো কিছুতেই বাক্শক্তি বা কথা কোৱাৰ শক্তি দান কৰা হোৱা নাই। কাৰ্যত ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, মানুহে প্ৰাৰ্থনা কৰাটো মনুষ্যত্বৰ এটা বৈশিষ্ট্য, যিটো নিজৰ স্বভাগৰ মাজত নিহিত আছে। যিদৰে খোদাতালাই ৰবুবিয়তৰ গুণৰ পৰা কল্যাণ লাভ হয় তেনেকৈ তেওঁৰ ৰহিমীয়তৰ গুণৰ পৰাও কল্যাণ লাভ হয়। পাৰ্থক্য মাথো এটাই যে ৰবুবিয়ত আৰু ৰহমানীয়তৰ কল্যাণ প্ৰাৰ্থনাৰ অপেক্ষা নকৰে। কিয়নো এই উভয় গুণ মানুহৰ লগত বিশিষ্টৰূপে সম্পৰ্কিত নহয়, বৰঞ্চ সেয়া সকলো পশু-পক্ষী আদিক নিজৰ কল্যাণৰ দ্বাৰা কল্যাণমণ্ডিত কৰে। বৰঞ্চ ৰবুবিয়তৰ এই গুণে বস্তুজগত, প্ৰাণীজগত, উদ্ভিদ জগত, খনিজ-পদাৰ্থৰ জগত আৰু মহাকাশৰ জগত আৰু পাৰ্থিৱ জগত আদি সকলোবোৰে কল্যাণ বিতৰণ কৰিছে, কোনোৱে এই কল্যাণৰ বৰ্হিভূত নহয়। কিন্তু ইয়াৰ বিপৰীতে 'ৰহিমীয়ত' হৈছে মানুহৰ আন এক বিশেষ খিলাত বা পৰিচ্ছদ। মানুহ হৈ কোনোবাই যদি এই 'ৰহিমীয়ত'ৰ গুণৰ পৰা লাভবান হ'ব নোৱাৰে, তেন্তে ক'ব লাগিব যে মানুহ নহয় পশু, বৰঞ্চ শিলৰ টুকুৰাৰ তুল্য।

খোদাতালাই যেতিয়া কল্যাণ বিতৰণৰ বাবে নিজৰ সত্তাত চাৰিটা গুণ ধাৰণ কৰিছে তেতিয়া 'ৰহিমীয়ত'- যাৰ বাবে মানুহৰ প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন-

সেয়া কেৱল মানুহৰ বাবেই বিশেষভাবে নিৰ্দিষ্ট কৰিছে তেওঁ। গতিকে ইয়াৰ পৰা প্ৰমাণিত হয় যে, খোদাতালাৰ সত্তাত এনে এক প্ৰকাৰৰ কল্যাণ আছে যাৰ সম্পৰ্ক প্ৰাৰ্থনাৰ লগত আৰু তাক দোৱাৰ বাহিৰে আন উপায়ে লাভ কৰাটো সম্ভৱ নহয়। এয়া চুন্নতুল্লাহ বা আল্লাহৰ ৰীতি আৰু বিধান, ইয়াৰ কোনো ব্যতিক্ৰম বৈধ নহয়। এয়াই সেই কাৰণ, যাৰ বাবে নৱীগণ (আলাইহিমুছ ছালাম) নিজৰ নিজৰ উম্মতৰ বাবে সদায় দোৱা কৰিছে।তৌৰাতৰ মাজত দেখা যায় কিমান বাৰ বনী ইস্ৰাইলে খোদাতালাক অসন্তুষ্ট কৰি শাস্তিৰ ওচৰ চাপিছিল. পুনৰ কিদৰে হজৰত মুছা (আঃ)ৰ দোৱা, কাকুতি-মিনতি আৰু ছিজদাৰ দ্বাৰা সেইসকলো শাস্তি তল পৰিছিল, যদিও বাৰে বাৰে খোদাতালাই ঘোষণা দিছিল যে, তেওঁ সিহঁতক ধ্বংস কৰি দিব।

এই সকলো ঘটনাৰ পৰা প্ৰমাণিত হৈছে যে, দোৱা কোনো বেদনাৰ বিষয় নহয়। তথা সেয়া মাথো এনে এবাদত নহয় যাৰ ওপৰত কোনো প্ৰকাৰৰ কল্যাণ বৰ্ষিত নহয়। ই হৈছে সেই সকলোলোকৰ ধাৰণা যি খোদাতালাৰ সেই মৰ্যাদা বা কদৰ নকৰে, যিদৰে সঁচা অৰ্থত কদৰ কৰিব লাগে। তেওঁলোকে খোদাৰ কালাম বা বাণীক গভীৰ ভাবে অনুধাবন নকৰে, প্ৰকৃতিৰ আইন বা প্ৰকৃতিৰ নিয়মৰ প্ৰতি দৃষ্টি নিদিয়ে। সত্য এয়াই যে দোৱাৰ ওপৰত অৱশ্যেই ফয়েজ নাজিল হয়- কল্যাণ অৱতীৰ্ণ হয়। যি আমাক নাজাত বা পৰিত্ৰাণ দান কৰে। ইয়াৰ নাম- ফয়েজ ৰহিমীয়ত বা ৰহিমিয়াতৰ কল্যাণ। ইয়াৰ ফলত মানুহে উন্নতি কৰে। এই ফয়েজৰ দ্বাৰা মানুহে বেলায়েত'ৰ স্তৰত উন্নীত হয়। লগতে খোদাতালাৰ প্ৰতি এনে ইয়াকিন বা দৃঢ় বিশ্বাস আনিবলৈ সক্ষম হয় যে যেন তেওঁ চকুৰ দ্বাৰা তাক দেখিছে।

'ছাফায়ত'ৰ বিষয়টো ৰহিমীয়ত গুণৰ ওপৰত নিৰ্ভৰশীল খোদাতালাৰ ৰহিমীয়তে এই চাহিদা স্থাপন কৰে যে ভাললোকে বেয়ালোকৰ বাবে চুপাৰিছ কৰক।

খোদাতালাৰ চতুৰ্থ এহছান বা কৃপা আৰু কল্যাণময়তা-যি চতুৰ্থ প্ৰকাৰৰ সৌন্দৰ্য- যাক অতি বিশেষ কৃপাৰূপে আখ্যায়িত কৰা হৈছে-সেয়া হৈছে- মালিকীয়ত ইয়াও মিদ্দীন' যাৰ বৰ্ণনা কৰা হৈছে চুৰা ফাতেহাৰ মাজত 'মালিকি

ইয়াও মিদ্দীন বাক্যৰ দ্বাৰা। ইয়াৰ মাজত আৰু ৰহিমীয়ত গুণৰ মাজত পাৰ্থক্য এটাই যে, ৰহিমীয়তৰ ক্ষেত্ৰত দোৱা আৰু এবাদৰ মাধ্যমেৰে সাফল্যৰ অধিকাৰ সাব্যস্ত হয় আৰু মালিকীয়তৰ মাধ্যমেৰে তাৰ পুৰস্কাৰ দান কৰা হয়। ইয়াৰ উদাহৰণ হৈছে এনেধৰণৰ। ধৰক, কোনো ব্যক্তিয়ে চৰকাৰী নিয়ম অনুযায়ী পৰিশ্ৰম কৰি এটা পৰীক্ষা দিলে আৰু উত্তীৰ্ণ হ'ল। ইয়াত ৰহমতৰ কল্যাণত সাফল্যৰ অধিকাৰ লাভ কৰাটো হৈছে তেওঁ উত্তীৰ্ণ হোৱা। গতিকে যি পুৰস্কাৰ বা যি পদমৰ্যাদা লাভ কৰাৰ বাবে তেওঁ পৰীক্ষাত উত্তীৰ্ণ হৈছিল, তাক লাভ কৰাটো যি কৃপাৰ ওপৰত নিৰ্ভৰশীল সেয়া হৈছে মালেকিয়তৰ কৃপা। এই উভয় গুণ অৰ্থাৎ ৰহিমিয়ত আৰু মালেকিয়তৰ মাজত এই ইংগিত নিহিত যে ৰহিমীয়তৰ কল্যাণ খোদাতালাৰ ৰহমতৰ পৰা লাভ বা মালেকীয়ত ইয়াও মিদ্দীনৰ কল্যাণ খোদাতালৰ কৃপাৰ পৰা লাভ হয়। মালেকীয়াত ইয়াও মিদ্দীন যদিও ব্যাপক আৰু পূৰ্ণৰূপে প্ৰকাশিত হ'ব পৰজনমত, তথাপি ইহলোকতো ইহজগতৰ পৰিধি অনুসৰি এই চাৰি গুণৰ প্ৰকাশ ঘটি আহিছে। (আইৱামুচ চুলেহ ৰুহানি খাজাইন জিলদ ১০ পৃঃ ২৪৭-২৫১)

## আমাৰ খোদাত আশ্চৰ্যজনক বস্তু আছে

খোদাতালাই দুনিয়াত তিনি প্ৰকাৰৰ কাম কৰি থাকেঃ

(১) খোদায়ীৰ ৰূপত (২) বন্ধুত্বৰ ৰূপত (৩) শত্ৰুতাৰ ৰূপত। যি কাম সমগ্ৰ সৃষ্টিৰ বাবে সম্পাদিত হয়, সেয়া খোদায়ীৰ পৰাই সম্পাদিত হয়। যি কাম তেওঁৰ প্ৰিয়জনৰ বাবে সম্পাদিত হয় সেয়াও মাথো খোদায়ীৰ পৰা নহয়, বৰঞ্চ তেওঁ বন্ধুত্বৰ কাৰণেও সম্পাদিত হয় আৰু দুনিয়াই ঠিকেই বুজিব পাৰে যে, খোদা এই ব্যক্তিৰ ওপৰত বন্ধুৰূপে ৰহমত কৰিছে। লগতে যি কাম শত্ৰুতাৰ আকাৰত কৰা হয়, তাৰ মাজত কঠিন শাস্তি থাকে। ইয়াৰ পৰা এনে নিদৰ্শন প্ৰকাশ পায় যাৰ মাধ্যমেৰে সুস্পষ্ট হৈ উঠে যে, খোদাতালাই এই জাতি বা এই ব্যক্তিৰ লগত শত্ৰুতা কৰিছে। আকৌ কেতিয়াবা কেতিয়াবা খোদাই তেওঁৰ বন্ধুৰ লগত এনে সম্পৰ্ক স্থাপন কৰে যে, তাৰ ফলত সমগ্ৰ জগত তেওঁৰ শত্ৰু হৈ পৰে। কিছুদিনৰ বাবে সিহঁতৰ জিভাক আৰু সিহঁতৰ হাতক তেওঁৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ দিয়ে। এয়া অতি আত্মভিমানী

খোদা ইয়াৰ বাবে কৰা নাইযে, তেওঁ নিজৰ বন্ধুক ধ্বংস কৰি দিবলৈ বিচাৰিছে অথবা অপমানিত বা লাঞ্ছিত কৰিববলৈ বিচাৰিছে। বৰঞ্চ তেওঁ ইয়াৰ বাবেই কৰিছে যে ইয়াৰ মাজেৰে তেওঁ দুনিয়াক নিদৰ্শন দিবলৈ বিচাৰে, যাতে ঘোৰ শত্ৰুৱেও বুজিব পাৰে যে, তেওঁলোকে চূড়ান্ত শত্ৰুতা কৰিও একো কৰিব নোৱাৰিলে।' (নজুলুল মছীহ, ৰুহানি খাজাইন জিলদ ১৮ পৃঃ৫১৭-৫১৮))।

'কোৰাণ শ্বৰীফত আল্লাতালাই কোনো নাম "মাফউল' (অৰ্থাৎ কৰ্মবাচক) শব্দত নাই। যেনে কদ্দুছ (পৱিত্ৰ) বুলি উল্লেখ কৰা হৈছে, কিন্তু মা'ছুম (ৰক্ষাপ্ৰাপ্ত) বুলি হোৱা নাই। কিয়নো তেনেহলে ৰক্ষাকৰ্তা আৰু কোনোবা থাকিব লাগিব। (আল হাকাম তাৰিখ ১০ নৱেম্বৰ ১৯০২ পৃঃ ৫ কালম নম্বৰ ৩)

আমাৰ খোদা সকলোতকৈ শক্তিমান। মিছলীয়া সেই সকল লোক যি কয় যে তেওঁ আত্মা সৃষ্টি কৰা নাই, দেহৰ অণু-পৰমাণু সৃষ্টি কৰা নাই। তেওঁলোকে খোদাৰ সম্পৰ্কত একোকে নেজানে। আমি সকলোৱে তেওঁৰ নৱ নৱ সৃষ্টি দেখিবলৈ পাওঁ। তেওঁ উন্নতিৰ নতুন নতুন পথ আমাৰ বাবে মুকলি কৰি দিছে। তেওঁ যদি নাস্তিৰ পৰা আস্তি কৰিব নোৱাৰিলেহেতেঁন, তেনেহ'লে আমি জীৱিত অৱস্থাতে মৰি গ'লোহেঁতেন। বিস্ময়কৰ সেই খোদা যি আমাৰ খোদা। কোন আছে এনেকুৱা, যি তেওঁৰ দৰে? লগতে বিস্ময়কৰ তেওঁৰ কাম। কোন আছে এনে, যাৰ কাম তেওঁৰ কামৰ দৰে? তেওঁ সকলোৰে ওপৰত সৰ্বশক্তিমান।' (নাচীমে দাৱাত, ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৪৩৫)

'বস্তুত ঃ ঐশী গুণাৱলীক অস্বীকাৰ কৰা আৰু খোদাতালাক সকলোৰে ওপৰত শক্তিমান বুলি জ্ঞান নকৰাটো হৈছে দেৱতাৰ পূজা আৰু জন্মান্তৰ বা পুনৰ্জন্মৰ বিশ্বাসৰ মূল কাৰণ। কিয়নো খোদাতালাক যেতিয়া তেওঁৰ নিপুণ কাম-কাজত অপৰাগ যেন অনুভৱ কৰা হয়, তেতিয়াই দেৱতাৰ পূজাৰ প্ৰয়োজন অনুভূত হয় আৰু ধৰি লোৱা হয় যে, পূৰ্বজন্মৰ কৰ্মৰ ফলতেই ভাগ্য পৰিবৰ্তিত আৰু নিৰ্ধাৰিত হৈ থাকে। সেয়ে এই ধাৰণাৰ পৰা এই উভয় বেয়াৰ জন্ম

হৈছে অৰ্থাৎ জন্মান্তৰ বাদ আৰু দেৱতাৰ পূজা' (শ্বাহনাহ হক্ক, ৰুহানি খাজাইন জিলদ ২ পৃঃ ৪০৭-৪০৮)।

قدرت سے اپنی ذات کا دیتا ہے حق ثبوت　　اُس بے نشاں کی چہرہ نمائی یہی تو ہے
جس بات کو کہے کہ کروں گا یہ مَیں ضرور　　ٹلتی نہیں وہ بات خدائی یہی تو ہے
(درثمین متفرق اشعار صفحہ ۱۵۸ اشائع کردہ نظارت اشاعت صدر انجمن احمدیہ ربوہ)

( শক্তিৰ মাজেৰে নিজৰ সত্তাৰ তেওঁ অকাট্য প্ৰমাণ দিয়ে
সেই নিৰাকাৰৰ মুখদৰ্শন যে এয়াই
যি কথা কয় তেওঁ— এয়া মই কৰি নিশ্চয়-
সলনি নকৰে তেওঁ কথা, খোদায়ী যে এয়াই
( দুৰে ছমীন, পৃঃ১৫৮)

আমাৰ খোদাৰ মাজত অগণিত মো'জেজা বা অলৌকিক বিস্ময় বিৰাজমান। গতিকে, দেখিববৈলে কেৱল সেইজনে পায় যি সাধুতা, কৃতজ্ঞতাসহ তেওঁৰ হৈ পৰে। যি তেওঁৰ কুদৰতৰ ওপৰত দৃঢ় বিশ্বাস নাৰাখে আৰু তেওঁ প্ৰতি সত্য নহয়, কৃতজ্ঞ নহয়, তেওঁলোকৰ প্ৰতি তেওঁ নিজৰ মো'জেজা প্ৰদৰ্শন নকৰে। কিমান যে হতভগা সেই লোক যি আজিলৈকে নেজানে যে তেওঁৰ এজন খোদা আছে, যি সকলোবোৰৰ ওপৰত শক্তিমান। (কিশ্‌তী-নুহ ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ২১)

'তেওঁৰ কুদৰতসমূহ সীমাহীন। তেওঁ বিস্ময়কৰ কাৰ্যাৱলী অন্তহীন। তেওঁ নিজৰ বিশেষ বান্দাসকলৰ বাবে তেওঁৰ আইন সলনি কৰি থাকে। কিন্তু, সেই পৰিৱৰ্তন তেওঁৰ আইনৰে অন্তৰ্ভুক্ত। যেতিয়া কোনো ব্যক্তিয়ে তেওঁৰ আস্থানত এক নতুন আত্মাকলৈ হাজিৰ হয় আৰু নিজৰ মাজত এক বিশেষ পৰিৱৰ্তন তেওঁৰ সন্তুষ্টিৰ বাবে সৃষ্টি কৰি দিয়ে, তেতিয়া খোদা তেওঁৰ বাবে ইমান এক পৰিৱৰ্তন কৰে, যেন খোদা সেই বান্দাৰ ওপৰত সম্পূৰ্ণ ৰূপে

প্ৰকাশিত হৈ পৰে,সেয়া যেন আন এক খোদা হৈ পৰে। তেওঁ যেন সেই খোদা হৈ নাথাকে, যি খোদাক সাধাৰণ লোকসকলে জানে। তেওঁ সেইসকল লোকক যাৰ ঈমান দুৰ্বল, তেওঁলোকৰ ওচৰত দুৰ্বলৰ ন্যায় প্ৰকাশিত হয়। কিন্তু যি ব্যক্তি তেওঁৰ সন্মুখত অতি শক্তিশালী ঈমানেৰে উপস্থিত হয়, তেওঁৰ সহায়ৰ বাবে মই শক্তিশালী। এনেদৰে মানবীয় পৰিৱৰ্তনৰ তুলনাত তেওঁৰ গুণাৱলীও পৰিবৰ্তিতৰূপে কাৰ্যকৰ হৈ থাকে। যি ব্যক্তি তেওঁৰ ঈমানৰ ক্ষেত্ৰত শক্তিহীন হৈ পৰে, মৃতবৎ হৈ পৰে, খোদা তেওঁৰ ওপৰৰ পৰা সহায় আৰু সমৰ্থন প্ৰত্যাহাৰ কৰি এনেদৰে নিশ্চুপ হৈ পৰে যে, তেওঁ যেন (নাউজুবিল্লাহ) মৰি গৈছে। কিন্তু এই ধৰণৰ সকলো পৰিৱৰ্তন তেওঁ আইনৰ আওতাত তেওঁ পৱিত্ৰতা অনুসৰি কৰি থাকে। যিহেতু কোনো তেওঁৰ আইনত সীমাৰেখা নিৰ্ধাৰিণ কৰিব নোৱাৰে, যিহেতু খৰখেদাকৈ কোনো যুক্তি প্ৰমাণ অবিহনে কোনো উজ্বল আৰু সুস্পষ্ট প্ৰমাণ নথকাকৈ যদি এইধৰণে আপত্তি উত্থাপিত কৰা হয় যে, অমুক বিষয়টো কানুনে কুদৰত বা প্ৰকৃতিৰ নিয়ম বিৰুদ্ধ, তেন্তে সেয়া নিতান্ত আহমক। কিয়নো যি বিষয়ত কোনো সীমাৰেখা এতিয়াও নিৰ্ধাৰণ কৰা হোৱা নাই, যাৰ সংজ্ঞা এতিয়াও সুনিশ্চিত ৰূপে জানিব পৰা নাযায়, কোনে তাৰ ওপৰত অনুমানিক সিদ্ধান্ত জাপিব পাৰে? ( চশমা মা'ৰেফাত,ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ১০৪-১০৫)

'খোদাক যদি সৰ্বশক্তিমান বুলি স্বীকাৰ কৰা নহয়, তেনেহ'লে তাৰ লগত সকলো আশা-ভৰসা বাতিল হৈ যায়। কিয়নো আমাৰ দোৱাবোৰ কবুল হোৱাৰ ক্ষেত্ৰত এই বিষয়বোৰ নিভৰ্ৰশীল যে খোদাতালাই যেতিয়া ইচ্ছা কৰে, তেতিয়া তেওঁ দেহৰ অণু-পৰমাণুৰ মাজত কিম্বা আত্মাৰ মাজত সেই শক্তি সৃষ্টি কৰি দিয়ে যি তেওঁৰ মাজত নাছিল। উদাহৰণ হিচাপে আমি এনে ৰোগীৰ বাবে দোৱা কৰি থাকো দৃশ্যতঃ যাৰ মৃত্যুৰ সকলো লক্ষণেই ফুটি উঠিছে। তেতিয়া আমাৰ প্ৰাৰ্থনা হৈ পৰে-হে খোদা, তেওঁৰ শৰীৰৰ অণু-পৰমাণুত এনে এক শক্তি সৃষ্টি কৰি দিয়া যি তেওঁক মৃত্যুৰ কৱলৰ পৰা ৰক্ষা কৰিব পাৰে। তেতিয়া, আমি প্ৰায় ক্ষেত্ৰতে দেখিবলৈ পাওঁ সেই দোৱা কবুল হৈ যায়। বহু সময়ত, প্ৰথমতে আমাক জনোৱা হয় যে এই ব্যক্তিৰ মৃত্যু হ'বই

আৰু তেওঁৰ জীৱনৰ সকলো শক্তি নিঃশেষ হৈ পৰিছে। যেতিয়া দোৱা অত্যাধিক কৰা হয় আৰু চূড়ান্ত স্তৰত উপনীত হয় আৰু কঠিন দোৱা আৰু উৎকণ্ঠাৰ অৱস্থাটো মৃতকৰ ন্যায় হৈ পৰে,তেতিয়া খোদাৰ পক্ষৰ পৰা আমাৰ প্ৰতি ওহী (ঐশীবাণী অৱতীৰ্ণ হয়) যে এই ব্যক্তিৰ মাজত পুনৰ জীৱনী শক্তি সৃষ্টি কৰা হৈছে। তেতিয়া তেওঁৰ মাজত স্বাস্থ্যৰ লক্ষণ প্ৰকাশিত হৈ থাকে পুনৰ যেন মৃত জীৱিত হৈ পৰে।

মোৰ মনত আছে যে মই যেতিয়া মহামাৰীৰ সময়ত দোৱা কৰিছিলোঁ, হে সৰ্ব শক্তিমান খোদা। আমাক এই ভয়ানক বিপদৰ পৰা ৰক্ষা কৰক আৰু আমাৰ দেহৰ মাজত প্ৰতিষেধক গুণৰ জন্ম দিয়ক যাৰ ফলত আমি মহামাৰীৰ বিষক্ৰিয়াৰ পৰা বাচি থাকিব পাৰো। তেতিয়া খোদাতালাই সেই প্ৰতিষেধক গুণ মোৰ মাজত সৃষ্টি কৰি দিলে আৰু ক'লে ঃ মই তোমালোকক মহামাৰীৰ মৃত্যুৰ পৰা ৰক্ষা কৰিম। লগতে ক'লে ঃ তোমালোকৰ ঘৰৰ চাৰিওফালৰ লোক যি অহংকাৰ নকৰে, অৰ্থাৎ খোদাৰ আনুগত্যৰ পৰা বিমুখ নহয় তথা পৰহেজগাৰ, মই সেইসকলক ৰক্ষা কৰিম। ইয়াৰ বাহিৰে মই কাদিয়ানক মহামাৰীৰ মাৰাত্মক প্ৰভাব আৰু মহামাৰীৰ পৰা সুৰক্ষিত কৰিম। সেই ভীষণ ধ্বংস যি আন আন গাঁওবোৰক ধ্বংস কৰি গৈছে, সেই ধ্বংসলীলা কাদিয়ানত সংঘটিত হোৱা নাছিল। মই তাকে দেখিছিলোঁ, খোদাতালাৰ সকলো কথাৰ সত্যতা প্ৰত্যেক্ষ কৰিছিলোঁ। গতিকে আমাৰ খোদা সেই খোদা যি জগতৰ নতুন নতুন শক্তি, নতুন নতুন গুণ আৰু বৈশিষ্ট জন্ম দি থাকে। মই সেই সফল খোদাৰ পৰা খবৰ লাভ কৰি মানবীয় প্ৰচেষ্টা যি টীকা, সেই টীকা গ্ৰহণ কৰাৰ পৰা বিৰত আছিলো। টীকা গ্ৰহণ কৰিও বহুলোক এই দুনিয়া ত্যাগ কৰি গুছি গৈছিল। কিন্তু মই আজিলৈকে খোদাতালাৰ কৃপাত জীয়াই আছো। গতিকে ঠিক এইদৰে খোদাতালাই অণু-পৰমাণু সৃষ্টি কৰে, যিদৰে তেওঁ সৃষ্টি কৰিছিল প্ৰতিষেধকৰ অণু-পৰমাণু মোৰ দেহৰ ভিতৰত। এইদৰে সেই খোদাই আত্মাৰো সৃষ্টি কৰিছে, যিদৰে মোৰ মাজত এক পৱিত্ৰ আত্মাৰ স্থাপন কৰি দিছে, যাৰ ফলত মই জীৱন্ত হৈ পৰিছো। মই মাথো এই কথাত নিৰ্ভৰশীল নহয় যে, তেওঁ আত্মা সৃষ্টি কৰি মোৰ দেহক জীৱিত কৰিব। বৰঞ্চ আমাৰ আত্মাও আন

এক আত্মাৰ নিৰ্ভৰশীল যাৰ দ্বাৰা মুৰ্দা আত্মা জীৱিত হয়। এই উভয় আত্মাক খোদাই জন্ম দিছে। যি ব্যক্তিয়ে এই ৰহস্য বুজি নাপায়, তেওঁ খোদাৰ কুদৰতৰ শক্তিৰ বিষয়ে অজ্ঞাত, খোদাৰ সম্পৰ্কত গাফেল, অজ্ঞ। (নছীমে দাৱাত ৰুহানি খাজাইন জিলদ ১৯ পৃ—৩৯০-৩৯১ )

## খোদা তা'লাৰ কুদৰত সৰ্বশক্তিমান

খোদাতালাৰ যি খোদায়ী আৰু খোদায়িত্ব (উলুহিয়াত) তেওঁৰ সীমাহীন কুদৰত বা শক্তি আৰু তেওঁৰ অগণিত ৰহস্যৰ লগত সম্পৰ্কিত, তাক আইনৰ আকাৰত কোনো সীমাৰ মাজত আৱদ্ধ কৰাটো কোনো মানুহৰ পক্ষে সম্ভৱ নহয়। খোদাক জানিবলৈ এয়া অতি গুৰুত্বপূৰ্ণ বিষয় যে খোদাৰ জুল-জালালৰ কুদৰত আৰু হেকমতসমূহ অসীম আৰু অনন্ত। এই বিষয়টোৰ গভীৰ তত্ত্ব উপলব্ধি কৰিবলৈ সক্ষম হ'লে আৰু ইয়াৰ সন্দৰ্ভত গভীৰ ভাবে চিন্তা কৰিলে সকলো বিশৃংখল আৰু অস্পষ্ট ধাৰণা আঁতৰ হৈ যায় লগতে সত্য জনাৰ আৰু সত্যক উপাসনা কৰাৰ সঠিক পথৰ দৃষ্টিগোচৰ হয়। আমি ইয়াত এই কথাৰ অস্বীকাৰ নকৰো যে খোদাতালাই সকলো সময়তে তেওঁৰ আদি আৰু চিৰন্তন গুণাৱলী অনুসৰি কাম কৰি থাকে। লগতে আমি যদি সেই সকলো আদি আৰু চিৰন্তন গুণাৱলী অনুসৰি পৰিচালিত হোৱাৰ নাম, আন কথাত, কানুনে ইলাহি বা ঐশ্বৰিক বিধান দিওঁ তাত একো আহে-নাযায়। কিন্তু আমাৰ কথা বা বিতৰ্ক ইয়াক কেন্দ্ৰ কৰে যে সেই আদি আৰু চিৰন্তন গুণাৱলীৰ বিষয়ে কিবা ক'ব পাৰিম যে, সেই আদি আইন ইলাহিক (ঐশ্বৰিক বিধান) কিয় সীমিত আৰু সুনিৰ্দিষ্ট বুলি মানিব লাগিব? হয়, সন্দেহ নাই, সেই কথা মই মানিছো আৰু এয়াই মানি লোৱাটো দৰকাৰ যে সকলো গুণাৱলী আল্লাহৰ সত্তাৰ মাজত বিদ্যমান, সেই সকলো গুণাৱলীৰ অপৰিসীম কাৰ্যকাৰিতা নিজা নিজা সময়ত প্ৰকাশ হৈ থাকে আৰু ইয়াৰ কোনো ব্যতিক্ৰম নঘটে। লগতে সেই সকলো গুণাৱলী পৃথিৱী আৰু আকাশৰ প্ৰতিটো সৃষ্টিৰ মাজত কাৰ্যকৰ। লগতে সেই কাৰ্যকাৰিতাৰ নামেই হৈছে চুন্নতুল্লাহ বা আইনে কুদৰত ( আল্লাহৰ ৰীতি বা প্ৰাকৃতিক নিয়ম)। কিন্তু খোদাতালাই যিহেতু তেওঁ পূৰ্ণগুণাৱলীৰ দ্বাৰা অসীম, অনন্ত, সেয়েহে এইটো আমাৰ বাবে অজ্ঞতা হ'ব, যদি আমি

দাৱী কৰো যে তেওঁৰ গুণাৱলী কাৰ্যকাৰিতা অৰ্থাৎ সকলো প্ৰাকৃতিক নিয়ম আমাৰ অনুমান তথা বুদ্ধি-বিবেচনা, জনা-বুজাৰ মাজত সীমাৱদ্ধ, ইয়াৰ অতিৰিক্ত নহয়। আজিকালিৰ দাৰ্শনিক চৰিত্ৰৰ লোকে অতি ভুল কৰে যে প্ৰথমতে, তেওঁলোকে প্ৰাকৃতিক আইনৰ সম্পৰ্কত এনেদৰে ধাৰণা কৰি বহি আছে যে সকলোবোৰ চূড়ান্ত ৰূপত সুনিৰ্দিষ্ট আৰু সীমাৱদ্ধ হৈ গৈছে। সেয়ে নতুন কিবা বিষয়ে দেখা দিলে তাক তেওঁলোকে একোতে মানি ল'ব নিবিচাৰে। স্পষ্টতঃ এই ধৰণৰ ধ্যান-ধাৰণাৰ ভিত্তি সুদৃঢ় নহয়। এয়াই যদি সত্য হ'লহেঁতেন কোনো কিছুৰ উদ্ভাৱন বা আৱিষ্কাৰ কৰাও সম্ভৱ নহ'লহেঁতেন। কিয়নো এনে হ'লে প্ৰতিটো নতুন কামৰ প্ৰাকৃতিক নিয়মাৱলীৰ লংঘন বুলি প্ৰতীয়মান হ'ব। ফলত, তাক প্ৰত্যাখ্যান কৰিব লাগিব আৰু এই ধৰণ প্ৰত্যাখ্যানৰ অৰ্থই হ'ব নতুন কোনো সত্যতাক প্ৰত্যাখান কৰা।

যদি কোনো ইতিহাসৰ পাতত দাৰ্শনিকসকলৰ জীৱন-চৰিত্ৰৰ প্ৰতি গভীৰ ভাবে মনোনিৱেশ কৰা হয়, তেনেহ'লে দেখা পোৱা যাব যে তেওঁলোকৰ চিন্তা-ধাৰা কিমান ভিন্নপথত আগবাঢ়িছিল। কিমান লজ্জাকৰ আৰু পৰিতাপ সহকাৰে এটা সিদ্ধান্তৰ দ্বাৰা আন এটা সিদ্ধান্তক নাকচ কৰি আহিছে। তেন্তে কিদৰে তেওঁলোকে বহুদিনৰ এটা বিষয় অস্বীকাৰ কৰাৰ পিছত আৰু সেইটোকে প্ৰাকৃতিক নিয়মৰ বৰ্হিভূত বুলি অৱগত হোৱাৰ পিছত, অৱশেষত অনুতপ্ত অৱস্থাত সেইটোক স্বীকাৰ কৰি লৈছে। তেনেহ'লে এইবিলাক পৰিৱৰ্তনৰ কাৰণ কি আছিল ? কাৰণ এটাই আছিল যে তেওঁলোকে যি অলপ বুজিছে বুলি ভাবিছিল, সেইবোৰ আছিল অনুমান ভিত্তিক। অৰ্থাৎ সেইবিলাক নতুন অভিজ্ঞতাৰ পোহৰত মিছা প্ৰতিপন্ন হৈছিল। সেয়েহে, যি আকাৰত, যি নতুন নতুন অভিজ্ঞতা অৰ্জন হৈছিল, সেইবিলাকৰ পোহৰত তেওঁলোকৰ সিদ্ধান্তক পৰিৱৰ্তন কৰিব লগা হৈছিল, ওলট-পালট কৰিব লগা হৈছিল। লগতে যিটো দিশত নতুন চিন্তা-চেতনাৰ দিশ পৰিৱৰ্তন কৰে সেই দিশতেই তেওঁলোকৰ ধ্যান-ধাৰণাৰ বতাহ আৰু গতি পৰিৱৰ্তন কৰে। সংক্ষেপত দাৰ্শনিকসকলৰ চিন্তা ধাৰাৰ লেকাম সদায় নতুন উদ্ভাসিত বিষয়ৰ হাতত আৱদ্ধ হৈ থাকে। এতিয়াও বহু কিবাকিবি তেওঁলোকৰ চকুৰ আঁৰত থাকি

গৈছে, যিবোৰৰ সম্পৰ্কত আশা কৰা যায় যে ভৱিষ্যতে তেওঁলোকে বাধাপ্ৰাপ্ত হৈ থাকি লাঞ্ছনাৰ সন্মুখীন হৈ থাকি, অৱশেষত তাক স্বীকাৰ কৰি ল'ব। কিয়নো প্ৰাকৃতিক নিয়মাৱলী বুদ্ধিৰ পৰিসৰত আজিও প্ৰতিষ্ঠা লাভ কৰা নাই বা পাব নোৱাৰে, ইয়াক কেন্দ্ৰ কৰি কোনো গৱেষণাৰ প্ৰয়োজন নাই। কোনো বুদ্ধিমান ব্যক্তিয়ে জানো এই ধাৰণা কৰিব পাৰেযে মানুহ এই পৃথিৱীৰ পাঠশালাত, নিজৰ সীমাৱদ্ধ স্বল্পায়ুৰ জীৱনত আদি আৰু চিৰন্তন সকলো ৰহস্যৱলী সম্পৰ্কত পূৰ্ণ জ্ঞান আহৰণ কৰি শেষ কৰিব পাৰিছে নে? লগতে বিস্ময়কৰ সকলো ঐশ্বৰিক ৰহস্যাৱলীৰ সম্পৰ্কত নিজৰ অভিজ্ঞতা ইমান অধিক সম্প্ৰসাৰিত কৰিব পাৰিছে, যাৰ বহিৰত যদি কোনো কিছু থাকি যায়, তেন্তে সেয়া হ'ব খোদা তালাৰ শক্তি বা কুদৰতৰ বাহিৰত? মই জানো যে এনে ধৰণৰ চিন্তা-ভাৱনা কোনো নিৰ্লজ্জ আৰু নিৰ্বোধ লোকৰ বাহিৰে কোনো সুস্থ বুদ্ধিৰ মানুহে কৰিব নোৱাৰে। দাৰ্শনিকসকলৰ মাজত যি সকল প্ৰকৃত সৎ-বুদ্ধি আৰু সত্য-আধ্যাত্মিকতা সম্পন্ন মানুহ অতীত হৈ গ'ল তেওঁলোক সকলোৱে নিজেই স্বীকাৰ কৰিছে যে, তেওঁলোকৰ চিন্তা-ভাৱনা যিহেতু সীমাৱদ্ধ আৰু কুণ্ঠিত-সেয়া খোদা আৰু তেওঁৰ অনন্ত ৰহস্যাৱলী আৰু অসীম প্ৰজ্ঞাসমূহেও পৰিচয় লাভ কৰিবলৈ সমৰ্থ নহয়।

এয়া অতি প্ৰতিষ্ঠিত সত্য যে, প্ৰতিটো বস্তুৱে নিজৰ মাজত এনে এক বৈশিষ্ট্য ধাৰণ কৰে যাৰ মাজেৰে সি খোদাতালাৰ সীমাহীন শক্তিসমূহৰ পৰা প্ৰভাৱ গ্ৰহণ কৰি থাকে। সেয়ে ইয়াৰ পৰা প্ৰমাণিত হৈছে যে বস্তুৰ বৈশিষ্ট্যৱলীবোৰো শেষ নহয়, সেয়ে সকলোবোৰৰ সম্পৰ্কত আমি জানিব পাৰো বা নোৱাৰো। যদি এটা শস্য কণাৰ সকলো গুণ বা বৈশিষ্ট্য জানিবলৈ প্ৰাচীন আৰু আধুনিক সকলো দাৰ্শনিকে কেয়ামতলৈকে নিজৰ বুদ্ধি-বৃত্তি কামত লগাই, তথাপি কোনো বুদ্ধিমান ব্যক্তিয়ে কেতিয়াও বিশ্বাস কৰিবনোৱাৰে, তেওঁলোক তেওঁলোকৰ সাধনাত পূৰ্ণ সফলতা লাভ কৰিছে। গতিকে, এইযে ধাৰণা, পৃথিৱী আৰু আকাশৰ বস্তুসমূহৰ বৈশিষ্ট্য বা গুণাৱলীৰ সম্পৰ্কত জ্যোতি বিজ্ঞান বা পদাৰ্থবিজ্ঞান আদিৰ দ্বাৰা যিমানখিনি জানিবলৈ সম্ভৱ হৈছে সিমানেই সকলো,— ইয়াতকৈ নিৰ্বুদ্ধিতাৰ কথা অধিক একো

নাই।

এই সমস্ত বিৰ্তকৰ সাৰকথা হৈছে, প্ৰাকৃতিক নিয়ম অৰ্থাৎ কানুনে কুদৰত এনে কোনো সামগ্ৰী নহয়, যিকোনো প্ৰতিষ্ঠিত সত্যৰ প্ৰতিবন্ধক হ'ব পাৰে। কিয়নো কানুনে কুদৰত খোদাতালাৰে সই সকলো কামৰে ক্ষত্ৰত প্ৰযোজ্য যি প্ৰাকৃতিক নিয়মত প্ৰকাশিত হৈছে বা ভৱিষ্যতে হ'ব। কিন্তু খোদাতালাই যিহেতু নিজৰ ক্ষমতাৱলীৰ প্ৰদৰ্শনত পৰিশ্ৰান্ত হৈ নপৰে তথা এনেও নহয় যে তেওঁ নিজৰ কুদৰত বা ক্ষমতা প্ৰকাশত অপৰাগ হৈ গৈছে নতুবা শুই পৰিছে, কিম্বা এটা কোণত সোমাই পৰিছে, কোনো বহিঃশক্তিৰ দ্বাৰা পৰাভূত বা বাধ্য হৈ পৰিছে তথা সেই বাধ্যতাৰ বাবে ভৱিষ্যতে আন কোনো বিস্ময় প্ৰদৰ্শন কৰাৰ পৰা বিৰত আছে আৰু আমাৰ বাবে মাথো কেইটামান শতকৰ ( অথবা অনুভৱ কৰিব পাৰে আৰু অধিক দিন) কাম-কাজ থৈ গৈছে। সেয়ে সকলো যুক্তি-বুদ্ধি, জ্ঞান-প্ৰজ্ঞা, দৰ্শন, সাহিত্য আৰু শিক্ষা-দীক্ষাৰ মাজত নিহিত যে আমি যেন কিছু সংখ্যক প্ৰদৰ্শিত কুদৰত বা শক্তি- যিবোৰৰ পুংখানুপুংখ জানিবলৈ হ'লে এনে শতশত -পৰীক্ষা-নিৰীক্ষা কৰিব লাগিব যিবোৰৰ মাজত সকলো প্ৰাকৃতিক নিয়মাৱলীক সীমাৱদ্ধ বুলি নাভাবি আৰু ইয়াক কেন্দ্ৰ কৰি মুৰ্খলোকৰ দৰে নেভাবি, আমি যি কিছু পৰ্যবেক্ষণ কৰিছোঁ, খোদাতালৰ কাম তাৰ বহিৰত যাব নোৱাৰে।

মই চিন্তা কৰো যে সেইবিলাক বস্তু সম্পূৰ্ণ ভাবে আৰু সঠিক সত্যক পৰিমাপ কৰাৰ মাপকাঠি বা সত্যক ওজন কৰাৰ পাল্লা হ'ব পাৰে, যিবিলাকৰ নিজৰ প্ৰকৃত গুণ জনাটোৱে এতিয়াও সুদুৰ পৰাহত। এই জটিলৰপৰা জটিল সমস্যাটোৱে দাৰ্শনিকসকলক বিভ্ৰান্ত কৰি পেলাইছে যে, তাৰ মাজত কোনোবা যেনে, ছোফিণ্টাৰে সচৰাচৰ সকলো বস্তুৰ গুণাৱলীক অস্বীকাৰ কৰি কৈছে আৰু কোনোবাই কোনোবাই গুণাৱলীক স্বীকাৰ কৰি দাৱী কৰিছে যে, এইবিলাকৰ স্থায়িত্ব আমি কোনো প্ৰমাণ পোৱা নাই। পানীয়ে জুইক নিৰ্বাপিত কৰে। কিন্তু এনে হ'ব পাৰে যে পৃথিৱীৰ অথবা আকাশৰ কোনো প্ৰভাৱৰ ফলত কোনো উৎসই পানীৰ এই বৈশিষ্ট্য বিলোপ কৰিব পাৰে। জুইয়ে কাঠ পুৰি পেলায়। কিন্তু এয়া সম্ভৱ হ'ব পাৰে যে জুই কোনো বাহ্যিক অথবা

আভ্যন্তৰীণ কোনো প্ৰভাৱৰ ফল, তাৰ সেই বৈশিষ্ট্য প্ৰকান্দ্ৰ নকৰিবও পাৰে। কিয়নো এনেধৰণৰ বিষয় প্ৰায় ঘটি থাকে। দাৰ্শনিকে এই কথাও কয় যে কোনো কোনো পাৰ্থিৱ বা আছমানী বৈশিষ্ট্য বা ক্ৰিয়া হাজাৰো আৰু লাখো বছৰৰ পিছত প্ৰকাশিত হয়,সেই বিলাক অজ্ঞ আৰু অনভিজ্ঞ লোকৰ ওচৰত অতি-প্ৰাকৃতিক বা অলৌকিক বুলি প্ৰতীয়মান হয়। পুনৰ কেতিয়াবা কেতিয়াবা কোনো যুগত এনে ঘটি থাকে আৰু বহু বিস্ময়কৰ বিষয় আকাশত নতুবা ভূমিভাগত প্ৰকাশিত হয়, যি ডাঙৰ ডাঙৰ দাৰ্শনিক সকলোকো হতভম্ব কৰি দিয়ে?। তেতিয়া দাৰ্শনিকে সেইবিলাকৰ অকাট্য প্ৰমাণ দেখিবলৈ সক্ষম হয় আৰু সেই বিলাকক প্ৰত্যক্ষ কৰে,কিছু কষ্ট কৰি হ'লেও জ্যোতিবিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ কিছুমান নিয়ম আৱিষ্কাৰ কৰে, যাতে তেওঁলোকৰ প্ৰাকৃতিক নিয়মৰ মাজত কোনো পাৰ্থক্যৰ সৃষ্টি নহয়। একেদৰে তেওঁলোকে ইফাল-সিফাল কৰি আৰু নতুন নতুন কথাক ইলমী কৌশলেৰে প্ৰচলিত কৰি ৰক্ষা লাভ কৰে। যেতিয়ালৈকে কোনো পালিত মাছ দেখা নাছিল, তেতিয়ালৈকে দাৰ্শনিকে তাক বিশ্বাস কৰা নাছিল। যিমান দিন নেজকাটি পেলোৱাৰ প্ৰক্ৰিয়া চলোৱাৰ মাধ্যমেৰে নেজ কটা কুকুৰ জন্ম হোৱাটো আৰম্ভ নহয়, সিমানদিনে দাৰ্শনিকে বিষয়টোৰ সম্ভাৱনা স্বীকাৰ নকৰে। যিমানদিনলৈকে আৱিষ্কাৰ নহয় যে, ভয়াবহ ভূমিকম্পত মাটি ফাটি জুই নিৰ্গত হৈ শিললৈকে গলাই দিছিল কিন্তু কাঠকে পুৰিব পৰা নাছিল, তেতিয়ালৈকে দাৰ্শনিকে নিয়মটো প্ৰাকৃতিক নিয়মৰ বিৰোধী বুলি উল্লেখ কৰি আহিছিল। যিমান দিনলৈকে এছ্‌পিৰেটৰ আৱিষ্কৃত নহয়, সিমানদিনে দাৰ্শনিকে জানিছিল নেকি যে এজনৰ তেজ আনএজনৰ দেহলৈ সঞ্চালন কৰাটো প্ৰাকৃতিক নিয়মত সম্ভৱ? কোনোবাই এনে দাৰ্শনিকৰ নাম উল্লেখ কৰিব পাৰিব নেকি যি বিদ্যুতৰ আৱিষ্কাৰৰ আগতেই কৈছিল যে, বিদ্যুতৰ সহায়ত মেচিন চলোৱাটো সম্ভৱ?

আল্লামা শ্বাৰেহ এজন প্ৰখ্যাত চিকিৎসক আৰু এজন ডাঙৰ দাৰ্শনিক। তেওঁ নিজৰ গ্ৰন্থত লেখি গৈছে যে গ্ৰীকসকলৰ মাজত এটি কথাবহুল প্ৰচলিত আছিল যে কিছুমান মহিলাই যি সময়ত সতী-সাধ্বী আৰু ধৰ্মপৰায়ণ বুলি প্ৰসিদ্ধ আছিল তেওঁলোকে পুৰুষৰ লগত যৌন মিলন নকৰাকৈ গৰ্ভৱতী

হৈছিল আৰু সন্তান প্ৰসৱ কৰিছিল। এই সন্দৰ্ভত আল্লামা অভিমত দিছিল এই বুলি যে- এই সময় ঘটনাটোক মিছা অপবাদ দি প্ৰত্যাখান কৰাটো ঠিক নহ'ব। কিয়নো, এইবিলাক সত্য ঘটনাৰ ভিত্তি অবিহনে ব্যক্তি বা সভ্যতাশীল জাতিৰ মাজত কোনো ধৰণে প্ৰচাৰিত হ'ব নোৱাৰে।

এইবিলাক ঘটনাৰ সন্দৰ্ভত কোনো অস্বীকাৰকাৰীৰ অভিমত যি নহওঁক কিয়, এয়া মাথো বিৰল ঘটনা হোৱাৰ কৰাণে এইবিলাকক প্ৰত্যাখান কৰা হোৱা নাছিল। লগতে এইবিলাক প্ৰত্যাখান কৰাৰ বাবে কোনো দাৰ্শনিক প্ৰমাণ দাঙি ধৰা নাছিল।

আৰু আল্লামাই এই প্ৰসংগত সাৰগৰ্ভ আলোচনাও কৰিছে যে যদিও সকলো মানুহ একে প্ৰজাতিত অন্তৰ্ভুক্ত আৰু এই কাৰণেই সকলো একে ধৰণৰ, তথাপি এইসকলৰ মাজৰ পৰা কোনো কোনোৱে এককভাবে কেতিয়াবা কেতিয়াবা কোনো কোনো যুগৰ বিশেষ বিশেষ ক্ষমতাৰ অধিকাৰী হয় তথা এনে কোনো উচ্চস্তৰত শক্তিসম্পন্ন হৈ পৰে, যি সাধাৰণভাবে আমাৰ মাজত নাথাকে। এয়া এক প্ৰতিষ্ঠিত সত্য যে বৰ্তমান যুগত কোনো কোনো তিনিশ বছৰৰ অধিক সময় জীয়াই আছে, যিহেতু এয়া অতি অসাধাৰণ বিষয়। কোনোৱে আকৌ ইয়াতকৈ অধিক প্ৰবল স্মৰণ শক্তি বা ইয়াতকৈ অধিক প্ৰখৰ দৃষ্টি শক্তিৰ অধিকাৰী যে তাৰ তুলনা অতি সাধাৰণ। লগতে এইসকল ব্যক্তি অত্যন্ত বিৰল, শত শত বছৰৰ বা হাজাৰ বছৰত এনে ব্যক্তিৰ সন্ধান পোৱা যায়। কিন্তু যিহেতু সাধাৰণ মানুহৰ সৃষ্টি মাথো ব্যাপকভাবে আৰু পুনঃ পুনঃ সংঘটিত বিষয়ৰ ওপৰত নিৰন্ধ থাকে আৰু ইয়াকে তেওঁলোকে প্ৰাকৃতিক নিয়ম বুলি ভাবে, যিহেতু তেওঁলোকে সেই বিৰল ঘটনাবোৰক সন্দেহৰ চকুৰে চাই তথা মিছা বুলি বাবে। এই কাৰণে একমাত্ৰ সাধাৰণ কিয়, বৰঞ্চ বিশেষ বিশেষ ব্যক্তিসকলৰ মনটো সেইবিলাক বিৰল ঘটনাৰ সম্পৰ্কত সন্দেহ আৰু সংশয়ৰ সৃষ্টি হয়। গতিকে ইয়াত দাৰ্শনিক সেই ভুলটো কৰে আৰু ডাঙৰ বিভ্ৰান্তিটো তেওঁলোকৰ আগত খোজ বঢ়াবলৈ বাধা দিয়ে, সেয়া হৈছে তেওঁলোকে সাধাৰণ ঘটনাকলৈ যিমান চিন্তা নকৰে, তেনেদৰে বিৰল ঘটনাকলৈ গৱেষণা নকৰে। এনেধৰণৰ ঘটনাক উদ্ভট, সাধু-কাহিনী বুলি নাকচ কৰে। অথচ

# আল্লাহ্ আৰু তেওঁৰ গুণাৱলী

আদিকালৰে পৰা আল্লাহতালাৰ এটা ৰীতি হৈছে সাধাৰণ ঘটনাৱলীৰ সমানে সমানে কেতিয়াবা কেতিয়াবা বিৰল আৰু অসাধাৰণ বিস্ময়কৰ ঘটনাও সংঘটিত কৰে। ইয়াৰ এনে অসংখ্য দৃষ্টান্ত আছে, যিবিলাক লেখি শেষ কৰিব পৰা নাযায়। হাকিম বোকৰাতে ( হিপোক্ৰাটিছে) তেওঁৰ এক চিকিৎসা বিজ্ঞানৰ গ্ৰন্থত এনে কিছু ৰোগীৰ অবস্থা বৰ্ণনা কৰিছে, যাৰ ৰোগৰ ঔষধ বিজ্ঞানৰ দৰে আৰু চিকিৎসকসকলৰ কোনো অভিজ্ঞতাৰ ক্ৰম সেইসময়ত নিৰাময়যোগ্য হোৱা নাছিল। কিন্তু সেই সকলো ৰোগী আশ্চৰ্যজনকভাবে ৰোগমুক্ত হৈছিল, যিসকলৰ সম্পৰ্কত তেওঁৰ ধাৰণা হৈছিল যে এইসকল ৰোগমুক্ত হৈছে বিৰল কোনো পাৰ্থিৱ অথবা স্বৰ্গীয় প্ৰভাৱৰ ফলত। এই ক্ষেত্ৰত প্ৰসংগক্ৰমে মই উল্লেখ কৰিব বিচাৰো যে বিষয়টো কেৱল মানৱ জাতিৰ মাজতেই সীমাৱদ্ধ নহয়। যদি গভীৰভাবে লক্ষ্য কৰা যায়, তেন্তে দেখা যাব যে অন্য সকলো প্ৰজাতিৰ মাজতো সাধাৰণ ঘটনাৱলীৰ সমানে অনুৰূপ বিৰল ঘটনা সংঘটিত হয়। উদাহৰণ স্বৰূপ, উদ্ভিদৰ মাজত মনছা গছ অতি তিতা আৰু বিষাক্ত, কিন্তু কেতিয়াবা কেতিয়াবা বহু বছৰৰ পিছত এইবিলাকৰ মাজত এবিধ উদ্ভিদৰ বাবে অতি মিঠা আৰু সুস্বাদু দয়। যি ব্যক্তিয়ে এই সুস্বাদু উদ্ভিদ কেতিয়াও দেখা নাই আৰু সকলো সময়তে তিতা মনসা গছকে দেখি আহিছে, তেওঁ নিঃসন্দেহ এই উদ্ভিদক প্ৰাকৃতিক নিয়মৰ ব্যতিক্ৰম বুলি ভাবিব। একেদৰে আন আন প্ৰজাতিৰ মাজতো বহুকালৰ পিছত কোনো কোনো বিৰল ঘটনা সংঘটিত হয়। কিছুদিন পূৰ্বে মুজাফফৰাগড়ত এনে ধৰণৰ এটা ঘটনা ঘটিছিল। তাত এটা ছাগলী(পাঠা)ৰ জন্ম হৈছিল। যি মাইকী ছাগলীৰ দৰে গাখীৰ দিছিল। বিষয়টোক কেন্দ্ৰ কৰি চহৰত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱাত মুজাফফৰা গড়ৰৰ অতিৰিক্ত উপায়ুক্ত মিঃ মেকোলিফে ঘটনাটো প্ৰাকৃতিক নিয়মৰ বিপৰীতে বুলি ভাবি পাঠাটোক আনিবলৈ মানুহ প্ৰেৰণ কৰে আৰু পাঠাটোক তেওঁৰ সন্মুখতে গাখীৰ খিৰাই দিয়াত প্ৰায় ডেৰ চেৰ (লিটাৰ) মান গাখীৰ দিয়ে....।

তাৰ পিছত তিনি গৰাকী সৎ আৰু বিশ্বস্ত তথা সন্মানীয় ব্যক্তিয়ে মোক কৈছিল যে আমি নিজ চকুৰে কিছুমান পুৰুষক মহিলাসকলৰ দৰে দুগ্ধ পান

কৰোৱা দেখিছোঁ।

............বহুতে লক্ষ্য কৰিছে যে মুগাৰ স্ত্ৰী পোকে কেতিয়াবা কেতিয়াবা পুৰুষ পোকৰ মিলন অবিহনে কণী পাৰে আৰু সেইবিলাকৰ পৰা পোৱালী বা কীটৰো সৃষ্টি। বহুতে ইয়াকো দেখিছে যে শুকান বোকাৰ পৰা এন্দুৰৰ জন্ম হৈছে যাৰ আধা দেহ এন্দুৰ হৈ পৰিছে কিন্তু বাকী আধা দেহ বোকা হৈ থাকি গৈছে। হাকিম ফাজেল কাৰশী ( আল্লামা হ'ব পাৰে) এক স্থানত লেখিছে, তেওঁ এজন ৰোগীক দেখিছে, যি তেওঁৰ কাণত গভীৰ আঘাত পোৱাত কলা হৈ পৰিছে, পিছত তেওঁৰ কাণৰ তলতে এটা টিউমাৰৰ সৃষ্টি হ'ল যাৰ মাজত এটা ফুটাৰ সৃষ্টি হয়। পিছলৈ এই ফুটাটোৰ দ্বাৰাই তেওঁ শুনিবলৈ ধৰে, যেন খোদাতালাই তেওঁৰ বাবে আন এখন কাণ সৃষ্টি কৰি দিয়ে।

জালিনুছক প্ৰশ্ন কৰা হৈছিলঃ মানুহে জানো নিজৰ চকুৰ দ্বাৰা শুনিব পাৰে? উত্তৰত কৈছিল— বৰ্তমান অভিজ্ঞতাই ইয়াক সমৰ্থন নকৰে। কিন্তু এয়া সম্ভৱ যে কাণ আৰু চকুৰ মাজত অনুৰূপ কোনো গুপ্ত সম্পৰ্ক আছে, যাক কোনো শল্য চিকিৎসাৰ দ্বাৰা নতুবা কোনো স্বৰ্গীয় কাৰণত প্ৰকাশ হ'ব পাৰে আৰু এই বৈশিষ্ট্য ক্ৰিয়াশীল হ'ব পাৰে। কিয়নো দেহৰ বৈশিষ্ট্যসমূহ বা গুণাগুণসমূহ এতিয়াও সকলোবোৰ জানিবলৈ সম্পূৰ্ণৰূপে সম্ভৱ হোৱা নাই।

...........ডাঃ বৰ্নিয়াৰে তেওঁৰ কাশীৰ ভ্ৰমণ কাহিনীত পীৰ পাঞ্জাল চৰাই বিষটৈ বৰ্ণনা দিয়াৰ পিছতেই এটা আচৰিত ঘটনাৰ বিষয়ে উল্লেখ কৰিছে। যাক গ্ৰন্থখনৰ ৮০ পৃষ্ঠাত এইদৰে উল্লেখ কৰিছে ঃ শিলৰ টুকুৰাবোৰক ইফালে-সিফালে ছটিয়াই থাকোতে এটা বৃহৎ কলা বিচ্চু ওলাল। তাক এজন মোগল যুৱকে, যাৰ লগত মোৰ চিনাকি আছিল তেওঁ নিজৰ হাতৰ মুঠিৰে তাক ধৰি আনি মোৰ কৰ্মচাৰীৰ হাতত দিলে আৰু পিছত মোৰ হাততো দিলে। কিন্তু বিচ্ছুটোৱে কাকো নেকামুৰিলে। সেই যুৱকজনে কৈছিল- ইয়াৰ কাৰণ হৈছে মই ইয়াৰ ওপৰত কোৰাণ শ্বৰিফৰ এটা আয়াত পঢ়ি ফুকি দিছিলোঁ আৰু এইদৰে মই বহুতো বিচ্ছু ধৰিছোঁ। 'ফুহাত আৰু ফছুছ'ৰ গ্ৰন্থকাৰ আছিল এজন বিখ্যাত আলেম আৰু এজন ডাঙৰ দাৰ্শনিক, চুফী ব্যক্তি। তেওঁৰ নিজৰ কিতাপ

'ফতুহাত'ৰ মাজত লিখিছিল যে, এবাৰ এজন দাৰ্শনিকৰ সৈতে মোৰ ঘৰৰ কাষৰ এজন ব্যক্তিৰ তৰ্ক হৈছিল- জুই দহন ক্রিয়াৰ বৈশিষ্ট্য কেন্দ্ৰ কৰি। তেতিয়া আনজন ব্যক্তিৰ এটা আচৰিত ঘটনা সংঘটিত হয়। তেওঁ দাৰ্শনিকৰ এখন হাত টানি নি জ্বলি থকা জুইত সোমোৱাই দিলে আৰু বহু সময়ত ব্যক্তিজনৰ হাত আৰু দাৰ্শনিকজনৰ হাতখন জুইৰ মাজত বহু সময় চেপি ধৰি থাকিল। কিন্তু তেওঁলোক দুইজনৰ হাতত জুইৰ কোনো প্ৰভাব নপৰিল। মই নিজেও এজন দৰবেশক দেখিছিলোঁ, যি প্ৰচুৰ গৰমতো কোৰাণ শ্বৰিফৰ এই আয়াত وَإِذَا بَطَشْتُمْ بَطَشْتُمْ جَبَّارِينَ ( যদি তুমি কাৰোবাক ধৰা তেন্তে নিষ্ঠুৰৰ দৰে ধৰা-২৬ঃ১৩১) পাঠ কৰে আৰু কয়- তেওঁক শূলে বিন্ধিব নোৱাৰে। স্বয়ং এই লেখকৰ কোৰাণী আয়াতৰ বহু বিস্ময়কৰ প্ৰভাবৰ অভিজ্ঞতা আছেঃ যিবোৰৰ মাজত আল্লা, জাল্লা শ্বানুহুৰ বহু অসাধাৰণ বিস্ময় বা মো'জেজা প্ৰকাশিত হৈছে আৰু হৈ থাকে। গুৰুত্বপূৰ্ণ কথা বিশ্বজগতৰ এই যাদুঘৰ অসংখ্য অসংখ্য বিস্ময় দ্বাৰা ভৰপূৰ। যিসকল জ্ঞানী-গুণী আৰু মহান দাৰ্শনিক অতীত হৈ গৈছে তেওঁলোকে কেতিয়াও নিজৰ সীমিত জ্ঞানৰ অত্যাধিক কৰা নাছিল আৰু তেওঁলোকে এই বিষয়টোক অতি নিৰ্লজ্জতা আৰু অপৰাধ বুলি ভাবিছিল যে তেওঁলোকৰ সীমিত অভিজ্ঞতা হৈছে খোদাতালাৰ প্ৰাকৃতিক নিয়ম বা কানুনে কুদৰত।

...........এই ৰহস্যৰে পৰিপূৰ্ণ আকাশ- যি অসংখ্য গ্ৰহ আৰু নক্ষত্ৰৰ জ্যোতিৰে সুসজ্জিত আৰু এই যে মালীসকলৰ ঈৰ্ষাৰ বাগান এই গুলজাৰ পৃথিৱী যি নানা ৰং আৰু নানা প্ৰকাৰৰ সৃষ্টিৰ দ্বাৰা পৰিপূৰ্ণ হৈ পৰিছে, সেইবিলাক সকলো সামান্যতম প্ৰচেষ্টাৰ বাহিৰে যি মাথো নিজৰ ইচ্ছাতে সৃষ্টি কৰিছে, তেওঁৰ সেই কুদৰত বা শক্তিৰ কি কোণ, সীমা-পৰিসীমা কাৰো পক্ষে পোৱাটো সম্ভৱ নে? ( চুৰমা ছশ্মা আৰিয়া, ৰূহানি খাজাইন জিলদ ২ পৃঃ ৯০-১০১)

## স্ৰষ্টা ঐশ্বৰিক কলিমাৰ ছাঁ আৰু প্ৰভাৱ

'ৰবুবিয়ত'ৰ এটা ৰহস্য যে 'কলেমাতুল্লাহ বা আল্লাহৰ কথা)ৰ দ্বাৰা মখলুকাত জন্ম হৈ যায় অৰ্থাৎ সৃষ্টিৰ অস্তিত্ব লাভ কৰি আহিছে। বিষয়টোক

প্ৰত্যেক ব্যক্তিয়ে নিজৰ নিজৰ বোধ অনুসৰি অনুভৱ কৰিব পাৰে। কোনোবাই হয়তো ভাবিব পাৰে যে, মখলুকাত বা সৃষ্টি হৈছে আল্লাৰ কালাম, প্ৰতিবিম্ব আৰু কাৰ্যকাৰিতা। কোনোবাই এনেদৰে বুজিব পাৰে যে, এয়া হৈছে স্বয়ং কলেমাতে ইলাহী অৰ্থাৎ খোদাৰ কালাম, যিহেতু খোদাৰ কুদৰতৰে সৃষ্টি বা মখলুকাত আকাৰ প্ৰাপ্ত হয়। কালামে ইলাহীৰ কথাবোৰ ইয়াৰ উভয় তাৎপৰ্যই বহন কৰে। কোৰাণ কৰীমৰ কোনোবা কোনোবা স্থানত সৃষ্টিৰ নাম থোৱা হৈছে ‘কলেমাতুল্লাহ বা আল্লাৰ কথা, যি ৰবুবিয়তৰ তাজাল্লিয়াত বা প্ৰকাশৰ মাধ্যমেৰে ঐশ্বৰিক শক্তি বা কুদৰতে ইলাহীৰ দ্বাৰা নতুন নতুন গুণ আৰু বৈশিষ্ঠ লাভ কৰি সম্পূৰ্ণ সৃষ্টি হিচাপে ৰূপান্তৰিত হয়। প্ৰকৃত প্ৰস্তাৱত সৃষ্টিৰ ৰহস্যাৱলীৰ মাজত এনে এক ৰহস্য বা যুক্তি-বুদ্ধিৰ সহায়ত ইমান সহজে অনুধাবন কৰা সম্ভৱ নহয়। সাধাৰণ মানুহৰ বাবে বুজি উঠাৰ পথ এটাই যে খোদাতালাই যি কিছু সৃষ্টি কৰিবলৈ বিচাৰিছিল সেয়া হৈ গৈছে আৰু সকলোবোৰ তেওঁ সৃষ্টি কৰিছে আৰু সকলোবোৰ তেওঁৰে সৃষ্টি লগতে তেওঁৰ কুদৰতৰ হাততে উদ্ভাবিত হৈছে। কিন্তু, আৰেফ বা সূক্ষ্ম তত্ত্বদৰ্শীসকলৰ ওচৰত মুজাহেদত বা সাধনা আৰাধনাৰ পিছত কাশফি ভাবে বা দিব্যদৃষ্টিত এই সৃজন ৰহস্য উন্মোচিত হৈ থাকে। লগতে দিব্যদৃষ্টি অৱস্থাত এই উপলব্ধি জন্মে যে, এই যাৱতীয় আত্মা আৰু দেহ কলেমাতুল্লাহ বা আল্লাহৰ কথাৰ বাহিৰে আন একো নহয়, যি সফল ইলাহী হেকমতে বা বিশুদ্ধ আৰু পূৰ্ণ ঐশ্বৰিক-প্ৰজ্ঞাত সৃষ্টত সৃষ্ট-পদাৰ্থৰূপে স্বীকৃত। কিন্তু প্ৰকৃত যি নীতি, যাৰ অনুসৰণ কৰিব লাগিব আৰু যাৰ ওপৰত কায়েম থাকিব লাগিব আৰু যিহেতু কাশ্‌ফ আৰু যুক্তি উভয়ে এটা সাধাৰণ বৈশিষ্ট্য হা কমন ফেক্টৰ, সেয়া হৈছে- খোদাতালা সকলোৰে সৃষ্টিকৰ্তা আৰু উদ্ভাৱনকৰ্তা, যি নহওঁক লাগে সেয়া আত্মা হওঁক, দেহেই হওঁক তেওঁৰ অবিহনে প্ৰকাশিত নহয় আৰু হ'ব নোৱাৰে।

কিয়নো এইক্ষেত্ৰত, কালামে ইলাহিৰ এবাদত অৰ্থাৎ ঐশ্বৰিক কালামৰ বাবে যি চয়নিত শ্বাদাৱলী, সেইবিলাকৰ তাৎপৰ্য বাস্তৱত বহুমুখী। কোৰাণ শ্বৰিফত যি বিষয়ত অত্যন্ত নিশ্চিত ৰূপে আৰু দৃঢ়ৰূপে হেদায়ত দান কৰে সেয়া হৈছে, প্ৰতিটো বস্তুৱে খোদাতালাৰ পৰা প্ৰকাশিত হৈছে আৰু অস্তিত্ব

প্ৰাপ্ত হৈছে। তাৰ বাহিৰে একো সৃষ্টি হোৱা নাই। একোকে নিজে নিজেই হোৱা নাই। অলপ বিশ্বাস বা জ্ঞান প্ৰাথমিক অৱস্থাৰ বাবে যথেষ্ট। গতিকে মা'ৰেফত উপলব্ধিৰ প্ৰান্তসমূহত ভ্ৰমণ কৰাটো ভাগ্যত উদয় হ'ব, সেইসকলৰ বাবে, সাধ্য-সাধনাৰ পিছত সেই ৰহস্য উন্মোচিত হ'ব, যাৰ সম্পৰ্কত আল্লাতালাই কৈছে ঃ

وَالَّذِيْنَ جَاهَدُوْا فِيْنَا لَنَهْدِيَنَّهُمْ سُبُلَنَا ۗ
وَاِنَّ اللّٰهَ لَمَعَ الْمُحْسِنِيْنَ ۝٧٠

আৰু যিসকলে আমাৰ কাৰণে সাধ্যমতে প্ৰচেষ্টা কৰে, নিশ্চয় আমি তেওঁলোকক পৰিচালিত কৰিম আমাৰ সুপথসমূহেদি; আৰু আল্লাহ নিশ্চয়কৈ সৎকৰ্মী সকলৰ সঙ্গী(ছুৰমা চশ্বমা আৰিয়া ৰুহানি খাজাইন জিলদ ২ পৃঃ ১৭৩-১৭৫ হাশিয়া)

এইক্ষেত্ৰত এই বিষয়টোও বৰ্ণনা কৰা প্ৰয়োজন যে, খোদাতালাই যিবিলাক কাৰণৰ আদি কাৰণ আৰু যাৰ সত্তাৰ লগত সম্পৰ্কিত আন সকলোবোৰৰ সত্তাসমূহ- তেওঁ যেতিয়া মূৰব্বীয়ানা নতুবা কাহেৰানা প্ৰক্ৰিয়াত অৰ্থাৎ অভিভাৱকৰূপে বা পৰম কৰ্তাৰূপে উদ্দিষ্টৰূপে কিবা কিছুৰ সৃষ্টি কৰাৰ বাবে উদ্যোগ গ্ৰহণ কৰে আৰু সেই উদ্যোগ যেতিয়া উত্তমৰূপে আৰু পূৰ্ণৰূপে হয়, তেতিয়া সেয়া সমগ্ৰ সৃজন বিন্যাসত পৰিব্যক্ত হয়। কিন্তু যদি এই উদ্যোগ কোনো বিশেষ পৰিপ্ৰেক্ষিত গৃহীত হয় অৰ্থাৎ যদি আংশিক হয়, তেনেহ'লে সেয়া সম্গ্ৰ সৃষ্টিৰ কোনো কোনো উদ্দিষ্টৰ অংশৰ বাবে হয়, প্ৰকৃত হকীকত অৰ্থাৎ সত্যতা হৈছে সন্মান আৰু গৌৰৱৰ অধিপতি খোদাৰ লগত তেওঁৰ সমগ্ৰ সৃষ্টিৰ, তেওঁৰ সৃষ্ট জগতসমূহৰ যি সম্পৰ্ক, সেয়া সেই সম্পৰ্কৰ অনুৰূপ, যেনেকৈ দেহৰ লগত প্ৰাণৰ। যেনেকৈ দেহৰ সকলো অংগ-প্ৰতংগ আত্মাৰ ইচ্ছা- ইৰাদাৰ অনুগত হয় আৰু যিফালে শিৰনত হয় সেইফালে ঠিক তেনেকৈ সম্পৰ্ক লক্ষ্য কৰা যায় খোদাতালাৰ লগত সৃষ্টিৰ। যদিও 'ফুছুছ'ৰ লেখক সন্দৰ্ভত 'ৱাজেবুল ৱজুদ' (The Necessery Being) অপৰিহাৰ্য সত্তাৰ

সম্পৰ্কত মই এই কথা কোৱা নাই যে ‘খালাকাল আশ্বয়িআ ওৱা হুৱা আইনুহা’- ‘তেওঁ সৃষ্টি কৰিছে সকলোবোৰ আৰু তেওঁ সকলোবোৰ’। তথাপি মই এই কথা অৱশ্যে কম যে ‘আছাইয়াউ ওৱা হুৱা কা আইনুহা’— ‘ তেওঁ সৃষ্টি কৰিছে সকলোবোৰ আৰু সেই সকলোবোৰৰ সহায়।’ এই বিশ্বজগত পালিছ কৰা কাঁচৰ নিৰ্মিত মহল। এটা মহাশক্তি ইয়াৰ তলেদি প্ৰবাহিত আৰু যি ইচ্ছা যায় তাকে কৰে। কম দৃষ্টিসম্পন্ন লোকৰ চকুত এনে লাগে যেন ইয়াকলৈ নিজেই অস্তিত্ববান। তেওঁলোকে ভাবে যে সমগ্ৰ অস্তিত্বত তেওঁলোকৰে আয়ত্তাধীন।

সৰ্বজ্ঞ (খোদাতালা) আমাৰ ওচৰত এই গুণ ৰহস্য উন্মোচিত কৰি দিছে যে, এই সমগ্ৰ বিশ্বজগত তেওঁৰ সকলো শাখা-প্ৰশাখাসহ কাৰণসমূহৰ কাৰণ’-কৰ্ম আৰু ইচ্ছাৰ দ্বাৰা সমাধান কৰি আহিছে, ঠিক সেইদৰে সেই অংগ-প্ৰতংগৰ কাৰ্যৱলী নিজেই নিজেই সক্ৰিয় নহয়, বৰঞ্চ সেই মহান আল্লাহৰ পৰা শক্তি অৰ্জন কৰি সক্ৰিয় হয়, ঠিক যেনেকৈ শৰীৰৰ সকলো শক্তি আত্মাৰ নিৰ্দেশত ক্ৰিয়াশীল হয় আৰু এই যে বিশ্ব-জগত যি সেই মহান সত্তাৰ অংগ-প্ৰতংগৰ সহায়ত, তাৰ মাজত বহুতো বস্তু এনে আছে যে, তাৰ সকলোবিলাকেই যেন তেওঁৰ চেহেৰাৰ জেউতি, যি প্ৰকাশ্য আৰু গোপনভাবে তেওঁৰ ইচ্ছাৰ জেউতি হিচাপে কাম কৰে। লগতে এনে বহু বস্তু আছে যিবিলাক তেওঁৰ হাতত। বহু বস্তু যিবিলাক যেন তেওঁৰ ডেউকা। লগতে বহু বস্তু আছে যিবিলাক তেওঁৰ নিঃশ্বাসৰ সহায় । সংক্ষেপত, এই বিশ্বজগত সামগ্ৰিকভাবে খোদাতালাৰ বাবে এটা দেহৰ সমান। এই দেহৰ সকলো গৌৰৱ আৰু মহিমা, জীৱন আৰু জীৱ সেই ‘মহান’ আল্লাহৰে পৰা উদ্ভুত যি বিশ্বজগৰ বাবে কাইয়ুম বা স্থিতিদাতা। সেই স্থিতিদাতাৰ সত্তাত যি ঈপ্সিত ক্ৰিয়াশীলতা সৃষ্টি হয় সেই ক্ৰিয়াশীলতাই সেই দেহৰ সকলো অংগ-প্ৰতংগ তথা কোনোবাটোত সেই স্থিতিদাতাৰ চাহিদা অনুসৰি সৃষ্টি হ’ব পাৰে। উল্লেখিত বিষয়টো বহলভাবে বুজি উঠাৰ বাবে আমি এনেদৰে কল্পনা কৰিব পাৰো যে, বিশ্বজগতৰ স্থিতিদাতা এনে এক অতি মহান সত্তা যাৰ বাবে অসংখ্য হাত, অংসখ্য ভৰি আছে, লগতে অসংখ্য অংগ-প্ৰতংগ আছে যিবিলাকৰ দৈৰ্ঘ আৰু প্ৰস্থত কোনো সীমা নাই, পৰিসীমা নাই আৰু এক অক্টোপাছৰ সমান সেই বিশাল সত্তাৰ শুড় আছে যাৰ হিচাপ

নাই, সেইবিলাকৰ বাহিৰে এই জগতৰ কোণে কোণে আৰু সকলোবোৰক নিজৰ ফালে আকৰ্ষণ কৰে। এয়া হৈছে সেই সকলো অংগ-প্ৰতংগ যিবিলাক আন কথাত কোৱা হৈছে বিশ্বজগত। যেতিয়া এই বিশ্বজগতৰ স্থিতিদাতা কোনোবা কিবাৰ বাবে সক্ৰিয় হৈ পৰে, তেতিয়া সেয়া আংশিক হওঁক আৰু সাৰ্বিক, তেতিয়া তেওঁৰ ক্ৰিয়াৰ লগত তেওঁৰ অংগ-প্ৰতংগৰ মাজতো ক্ৰিয়াশীলতা আৰম্ভ হৈ পৰাটো আৱশ্যক হয় আৰু তেতিয়া তেওঁ নিজৰ সকলো ইচ্ছাক সেইবিলাক অংগ-প্ৰতংগৰ মাজেৰে পূৰ্ণতা দান কৰে, আন কোনো উপায়ৰ দ্বাৰা নহয়। এয়া হৈছে সেই আধ্যাত্মিক বিষয়ৰ এটা অতি সাধাৰণ কাল্পনিক উদাহৰণ যাৰ দ্বাৰা কোৱা হৈছে যে সৃষ্টিৰ বা মখলুকাতৰ প্ৰতিটো অংশই খোদাতালাৰ ইচ্ছা অভিপ্ৰায়ৰ অধীন আৰু সেয়ে সকলোৱে তেওঁৰ গুপ্ত উদ্দেশ্যৱলীক প্ৰকাশ কৰি আহিছে নিজৰ ৰূপত। সেয়া পৰিপূৰ্ণ বা কামেল আনুগত্যসহকাৰে নিজৰ ইচ্ছাসমূহৰ পথত আত্মবিলীন হৈ পৰে। এই আনুগত্য এনেধৰণৰ নহয় যে যি চৰকাৰৰ প্ৰতি প্ৰদৰ্শিত হয় বা বলপূৰ্বক কৰা হয়। খোদাতালাৰ প্ৰতি প্ৰত্যেকটো বস্তুৰ এক প্ৰকাৰৰ চুম্বকীয় আকৰ্ষণ আছে আৰু প্ৰতিটো অণু-পৰমাণু এনে স্বাভাৱিকভাবে তেওঁৰ প্ৰতি আকৃষ্ট হয়, যেনেকৈ কোনো কোনো দেহৰ অংগ-প্ৰতংগবোৰ আকৰ্ষিত হৈ তাকে সেই দেহৰ লগত। গতিকে প্ৰকৃততে এয়াই সত্য আৰু সম্পূৰ্ণৰূপে সত্য যে, এই সমগ্ৰ বিশ্বজগত সেই অতি বিশাল সত্তাৰ অংগ-প্ৰতংগৰ অনুৰূপ। সেই কাৰণে তেওঁ হৈছে সকলোজগতৰ স্থিতিদাতা- কাইয়ুমূল আলামীন। কিয়নো, আত্মা যেনেকৈ তেওঁৰ দেহৰ স্থিতিদাতা তেনেকৈ তেওঁ সমগ্ৰ বিশ্বজগতৰ স্থিতিদাতা। এনেদৰে যদি নহ'লহেতেঁন, তেন্তে মহাজগতৰ সকলো শৃংখলা চূৰমাৰ হৈ পৰিলহেতেঁন। সেই স্থিতিদাতাৰ প্ৰতিটো ইচ্ছা- সেয়া প্ৰকাশ্য হওঁক বা গোপন হওঁক, ধৰ্মীয় হওঁক বা পাৰ্থিৱ হওঁক- এই সৃষ্টিৰ মাধ্যমেৰে প্ৰকাশিত হয়। এনে কোনো ইচ্ছা নাই যি মাধ্যমৰ বাহিৰে পৃথিৱীত প্ৰকাশিত হয়। এয়াই হৈছে আদিম প্ৰাকৃতিক নিয়ম- কানুনে কুদৰত বা Natural Law, আদিৰেপৰা চলি আহিছে (তৌজি মৰাম, ৰুহানি খাজাইন জিলদ ৩ পৃঃ ৮৮-৯১)

‘ ইয়াৰ মাজত সন্দেহৰ কোনো অৱকাশ নাই যে নভোমণ্ডলৰ বস্তুসমূহ আৰু স্থিতি, অপ, তেজ আৰু মৰুৎ-ৰ মাজত দেহগতভাৱে আৰু সয়যোগ্যৰূপে যিবোৰ গুণাৱলী পোৱা যায়, সেয়া সকলো আধ্যাত্মিকভাৱে আৰু চিৰন্তনৰূপে বিদ্যমান হৈ আছে খোদাতালাৰ মাজত। লগতে খোদাতালাই আমাৰ মাজত ইয়াকো প্ৰকাশ কৰিছে যে, সূৰ্য আদিৰ নিজস্ব সত্তাত একো নাই । এয়া প্ৰকৃততে সেই মহাশক্তিৰ প্ৰকাশ যি পৰ্দাৰ আঁৰৰ পৰা ক্ৰিয়াশীল। এয়া হৈছে সেই যে যি চন্দ্ৰক নিজৰ সত্তাত পৰিচ্ছদ কৰি তাৰ মাজৰে পৰা আন্ধাৰ ৰাতি পোহৰ বিতৰণ কৰে, ঠিক যেনেকৈ তেওঁ অন্ধকাৰৰ হৃদয়ত প্ৰৱেশ কৰি পোহৰময় কৰি তোলে। লগতে তেওঁ নিজেই মানুহৰ অন্তৰৰ কথা কয়। এইজন সেইজনেই যি নিজৰ শক্তিৰে সূৰ্যক পৰ্দাৰ দ্বাৰা ঢাকি দিয়ে দিনক মহিমান্বিত পোহৰৰ প্ৰকাশস্থল কৰি দিয়ে আৰু বিভিন্ন পৰিৱেশত বিভিন্ন কৰ্মৰ প্ৰকাশ ঘটায়। তেওঁৰ শক্তি আকাশৰ পৰা বৰ্ধিত হয়, যাক বৰষুণ বুলি কোৱা হয়, যি শুকান মাটিক শস্যাৰে সেউজীয়া কৰিতোলে, তৃষ্ণাতুৰক পৰিতৃপ্ত কৰে। তেওঁৰ শক্তিয়ে জুইক দহনৰ ক্ষমতা দিয়ে, বতাহৰ মাজেৰে শ্বাস-প্ৰশ্বাসক সজীৱ কৰে, ফুলক প্ৰস্ফুটিত কৰে, মেঘক উৰুৱাই ৰাখে আৰু শব্দক কৰ্ণৰকুহত প্ৰৱেশ কৰায়। ইয়াতো তেওঁৰ শক্তি, যি ভূমণ্ডল আকাৰ ধাৰণ কৰে, তেওঁৰ নিজৰ পিঠিত মানুহ আৰু আন সকলো প্ৰজাতিৰ প্ৰাণীকুলক বহন কৰে। কিন্তু এই সকলো বস্তু জানো খোদা? নহয়, বৰঞ্চ সৃষ্টি। গতিকে, এইবিলাকৰ অণু-পৰমাণুত খোদাৰ শক্তি এনেধৰণে সোমাই আছে, যেনেকৈ কলমৰ লগত থাকে হাত। যদি আমি এই কথা উল্লেখ কৰি থাকো যে কলমে লেখিছে তথাপি প্ৰকৃততে কলমে লিখা নাই,লিখিছে হাতেৰে। উদাহৰণস্বৰূপে এটা লোহাৰ টুকুৰা যি জুইৰ মাজত পৰি জুইৰ ৰূপ ধাৰণ কৰে, আমি ক’ব পাৰো তাকো পুৰিব পাৰি আৰু জেউতি দিব পাৰো। কিন্তু প্ৰকৃততে এই গুণবিলাক সেই লোহাৰ টুকুৰাৰ নহয়, বৰঞ্চ জুইৰহে। এনেদৰে সূক্ষ্ম দৃষ্টিৰে চালে দেখা যাব যে এয়াও ঠিক যে, নভোমণ্ডলৰ যাৱতীয় সামগ্ৰী আৰু পৃথিৱীৰ যাৱতীয় উপাদান আৰু উৰ্ধ আৰু নিম্নজগতৰ সকলো অণু-পৰমাণু যি গোচৰীভূত

হয় নতুবা অনুভূত হয়- সকলোবোৰৰ নিজৰ অন্তনিৰ্হিত বৈশিষ্ট্য আৰু গুণাৱলীৰ কাৰণে খোদাতালাৰ এটা নাম আৰু তাৰ গুণ। এইবিলাকৰ মাজত খোদাতালাৰ যি শক্তি গোপনে থাকে, সেয়া প্ৰকাশিত হয়। এইসকলোবিলাক আদিতে আছিল তেওঁৰ কথা, যাক বিভিন্ন প্ৰকাৰে প্ৰকাশিত কৰিছে তেওঁৰ শক্তিয়ে। কোনো মুৰ্খই হয়তো প্ৰশ্ন কৰিব পাৰে, খোদাৰ কথা ই কিদৰে মূৰ্তৰূপ লাভ কৰিলে। এইবিলাক বেলেগ হৈ যোৱাটো কি খোদাৰ মাজত কম্‌তি ঘটোৱা নাই? কিন্তু তেওঁ চিন্তা কৰা উচিত যে, সূৰ্য তাপ যেতিয়া আৰ্চি দাপোনত (মেনিফাইং গ্লাছ) জ্বলি উঠে, তেতিয়া সেই জুইয়ে সূৰ্যৰ মাজত কম্‌তি নঘটায়। একেদৰে যেতিয়া চন্দ্ৰ কিৰণৰ প্ৰভাৱত ফলৰ মাজত পক্কতা আহে, তেতিয়া জানো তাৰ মাজত কিবা দুৰ্বলতাৰ সৃষ্টি হয়। এয়াই খোদাতালাৰ মা'ৰেফতৰ ৰহস্য আৰু এয়াই আধ্যাত্মিক বিষয়ৰ কেন্দ্ৰ যে খোদাৰ কথাৰ দ্বাৰাই বিশ্ব জগতৰ সৃষ্টি।— (নছীমে দাৱাত,ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৪২৩-৪২৪) 'যেতিয়া মই বৃহৎ বৃহৎ দেহবোৰক (গ্ৰহ, নক্ষত্ৰবোৰক) দেখো আৰু সেইবিলাকৰ বিশালতাক লৈ বিস্ময়তাৰে চিন্তা কৰো আৰু যেতিয়া দেখিবলৈ পাওঁ যে খোদাৰ ইচ্ছা আৰু নিৰ্দেশত সকলোবোৰ হৈ গৈছে, তেতিয়া মোৰ আত্মাই স্বতঃস্ফুৰ্তভাবে কৈ উঠে ঃ হে আমাৰ সৰ্বশক্তিমান খোদা। তুমি যে কিমান মহান শক্তিৰ অধিকাৰী। তোমাৰ কামবোৰ কিমান যে বিস্ময়কৰ। কিমান যে মানৱ বুদ্ধিৰ আহমক সেইজন যি তোমাৰ শক্তিসমূহ অস্বীকাৰ কৰে। লগতে নিৰ্বোধ সেইজন যি তেমাৰ সম্পৰ্কত এই আপত্তি উত্থাপন কৰে যে, কোন বস্তুৰ মাজেৰে তেওঁ সকলোবোৰৰ সৃষ্টি কৰিছে? - (নছীমে দাৱাত ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৪২৫ হাশিয়া)

'খোদাতালা- যি আমাৰ খোদা বুলি কয়'- তেওঁ খোদায়ীৰ প্ৰকৃত হকীকত বা প্ৰকৃত সত্যতা এয়াই যে, তেওঁ এনে এক সত্য, যি সকলো কৃপা আৰু কল্যাণৰ উৎস আৰু তেওঁৰ দ্বাৰাই সকলোবোৰে অস্তিত্ব লাভ কৰিছে, প্ৰকাশিত হৈছে। এই কাৰণে তেওঁৰ মাবুদিয়াতৰ বা উপাস্য হোৱাৰ অধিকাৰ লাভ কৰিছে। লগতে এই কাৰণে আমি আনন্দ মনেৰে স্বীকাৰ কৰো যে, আমাৰ দেহ আৰু আত্মা আৰু প্ৰাণৰ ওপৰত তেওঁৰ যি দখল বৈধ। কিয়নো

আমি একো নাছিলো। তেওঁ আমাক অস্তিত্ব দান কৰিছে। গতিকে যি আমাক নাস্তিকৰ পৰা আস্তিক কৰি তুলিলে, তেওঁ পূৰ্ণ অধিকাৰত আমাৰ গৰাকী।' (ছাহনায়ে হক, ৰুহানি খাজাইন জিলদ ২ পৃঃ ৪২৮-৪২৯)

'আচল কথা হৈছে, খোদাতালাই কুদৰতৰ বিশেষ বৈশিষ্টৰ কাৰণে তেওঁ নিজকে খোদা বুলি দাৱী কৰিছে, সেয়া হৈছে আত্মিক আৰু দৈহিক শক্তিসমূহক সৃষ্টি কৰাৰ বৈশিষ্ট্য। দৃষ্টান্তস্বৰূপে প্ৰাণীৰ দেহত যি চকু তাক দান কৰিছে, তেওঁৰ কৃতিত্ব হৈছে- তেওঁ দেহৰ অণু-পৰমাণুৰ মাজত প্ৰথমৰে পৰা এনে শক্তি গুপ্ত  কৰি ৰাখিছিল যাৰ মাজত দৃষ্টিশক্তিৰ জেউতি নিহিত আছিল। গতিকে এই সকলো শক্তি যদি নিজে নিজেই হৈ থাকে তেনেহ'লে খোদা বুলি একো নাথাকিলহেঁতেন। কোনো কোনো লোকে কয় যে 'টকাই কৰে কাম, পুৰুষৰ মাথো নাম'। এওঁলোকৰ অভিমত হ'ল-সেই সমস্ত শক্তিয়ে দৃষ্টি শক্তিক সৃষ্টি কৰে আৰু ইয়াৰ মাজত খোদাৰ কোনো দখল নাই। যদি জগতৰ অণু-পৰমাণুৰ মাজত এই শক্তি নাথাকিলেহেতেঁন তেন্তে খোদাই একো কৰিব নোৱাৰিলেহেতেঁন। অথচ সঁচা এয়াই যে, খোদায়ীৰ সমস্ত গুৰুত্ব ইয়াৰ মাজত  নিহিত হৈ  আছে, তেওঁ আত্মা আৰু জগতৰ অণু-পৰমাণুৰ যাৱতীয় শক্তিক নিজেই সৃষ্টি কৰিছে আৰু কৰি যাব। সেইবিলাক বৈশিষ্টৰ মাজত সমন্বয় সাধনৰক্ষেত্ৰত তেওঁ নিজৰ কুশলতা প্ৰদৰ্শন কৰে। এই কাৰণেই,কোনো উদ্ভাৱক খোদাৰ সমকক্ষ হ'ব নোৱাৰে, কিয়নো যি ব্যক্তিয়ে ৰেল ইঞ্জিন আৱিষ্কাৰ কৰিছে নতুবা যি ব্যক্তিয়ে নিজৰ ফটোগ্ৰাফ বা প্ৰিণ্টিং প্ৰেছ্ আদি বা আন কিছু আৱিষ্কাৰ কৰিছে, তেওঁ স্বীকাৰ কৰিব লাগিব যে তেওঁ সেই সমস্ত শক্তিৰ উদ্ভাৱক নহয়, সকলো শক্তি ব্যৱহাৰ কৰি তেওঁ কিবা এটা উদ্ভাৱন বা আৱিষ্কাৰ কৰিছে।

সকলো উদ্ভাৱক বা আৱিষ্কাৰকে আগৰে পৰা পূৰ্বে থকা বিদ্যমান শক্তিবোৰক কাৰ্যত প্ৰয়োগ কৰে। যেনে ইঞ্জিন চলোৱাৰ ক্ষেত্ৰত বাষ্পৰ শক্তিক কামত প্ৰয়োগ কৰে। অৰ্থাৎ পাৰ্থক্য এয়াই যে খোদাতালাৰ উপাদান আদিৰ মাজত শক্তি আল্লাই নিজেই সৃষ্টি কৰিছে। কিন্তু আন কোনেও এই শক্তি বা ক্ষমতা সৃষ্টি কৰিবলৈ সক্ষম নহয়। গতিকে যেতিয়ালৈকে খোদাতালাই জগতৰ আৰু

আত্মাৰ সকলো শক্তি উদ্ভাৱনকৰ্তা বুলি স্বীকাৰ কৰা নহ'ব, তেতিয়ালৈকে তেওঁৰ খোদায়ী সাব্যস্ত নহ'ব। এনে অৱস্থাত তেওঁৰ মৰ্যাদা এজন কুমাৰ, কমাৰ, মিস্ত্ৰী বা খনিকৰতকৈ অধিক নহ'ব।' (নচীমে দাৱাত, ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৩৮৩-৩৮৪)

'আমি আমাৰ সফল ঈমান আৰু পূৰ্ণ মা'ৰেফত সহকাৰে এই সাক্ষী দান কৰো যে- আৰ্যসমাজৰ এই নীতি-আদৰ্শ কোনোমতেই অভ্ৰান্ত নহয় যে, আত্মা আৰু পৰমাণু সিহঁতৰ শক্তিসমূহ চিৰন্তন আৰু অনাদি আৰু স্বয়ম্ভু। এই বিশ্বাসৰ দ্বাৰা সেইসকলো সম্বন্ধই ছিন্ন হৈ পৰে, যি খোদা আৰু তেওঁৰ বান্দাসকলৰ মাজত বিদ্যমান। এয়া এক নতুন আৰু বিকৃত ধৰ্মমত যাক পণ্ডিত দয়ানন্দই প্ৰবৰ্তন কৰিছে। আমি নাজানো যে, বেদৰ লগত ইয়াৰ সম্পৰ্ক কিমান। কিন্তু আমাৰ কথা হৈছে- এই যে মতবাদ যি আৰ্য সমাজে নিজেই প্ৰকাশ কৰিছে, সেয়া সুস্থ বুদ্ধিৰ ওচৰত পূৰ্ণজ্ঞান, গভীৰ চিন্তা আৰু ধ্যান-ধাৰণা পোহৰত কেতিয়াও গৃহীত হ'ব নোৱাৰে সনাতন ধৰ্মৰ নীতি আদৰ্শ যি তেওঁলোকৰ সন্মুখত আছে, তাক যদি বেদান্তৰ অতিৰঞ্জনৰ দ্বাৰা বিকৃত কৰা হৈছে আৰু বেদান্তীসকলৰ মাজতো যাৰ বিৰুদ্ধে নানা আপত্তি উত্থাপনৰ সুযোগ দিছে, তথাপি ইয়াৰ মাজত আন এটা সত্যৰ জিলিকনি আছে তেওঁলোকৰ এই বিশ্বাসক যদি সকলোৰে মাজৰ পৰা মুক্ত কৰা হয়,তেনেহ'লে দেখা যাব যে ইয়াৰ মূল বক্তব্য হৈছেঃ সকলোবোৰৰ সৃষ্টি কৰিছে পৰমেশ্বৰে নিজেই। গতিকে, এই অৱস্থাত সেই সকলো সংশয় সন্দেহ আঁতৰ কৰি স্বীকাৰ কৰিব লগাত পৰে যে সনাতন ধৰ্মৰ নীতি-আদৰ্শ অনুযায়ী বেদৰ ধৰ্মটো এয়াই যে সকলো আত্মা, সকলো পৰমাণু আৰু সকলো দেহ আৰু সেইবিলাকৰ যাৱতীয় শক্তি আৰু ক্ষমতা আৰু বৈশিষ্ঠ্য সকলোবোৰক খোদাই সৃষ্টি কৰিছে।' (নছীমে দাৱাত, ৰুহানি খাজাইন জিলদ ১৯, পৃঃ ৩৮৭)

'কোৰাণ শ্বৰিফে আমাক এই শিক্ষা দান কৰিছে যে, মানুহৰ আত্মা আৰু সকলো শক্তি আৰু যোগ্যতা আৰু তাৰ অস্তিত্ব সকলো অণু-পৰমাণু সেই খোদাতালাৰে সৃষ্টি, যাক খোদাই সৃষ্টি কৰিছে। অৰ্থাৎ কোৰাণ শ্বৰিফৰ

শিক্ষাৰ জেউতিত আমি হৈছো খোদাতালাৰ সম্পতি আৰু ইয়াৰ ওপৰত আমাৰ এনে কোনো অধিকাৰ নাই। যি আমি দাৱী কৰিব পাৰো তাৰ ওচৰত। লগতে সেই দাৱী পূৰণ নকৰাৰ বাবে তেওঁৰ ওপৰত কোনো দোষ থাকিব নোৱাৰে। সেই বাবে আমি আমাৰ তুলনাত খোদাতালাৰ নাম 'মুন্সেফ' বুলি কোৱাৰ মাজত এই ছাৰাৰাত বা অন্যাৰ্য বোধ নিহিত হৈ থাকে যে, আমি যেন তেওঁৰ তুলনাত বা তেওঁৰ ওচৰত সঁচাকৈ কোনো অধিকাৰ থাকে। লগতে যেন সেই অধিকাৰ আদায় নকৰাৰ কাৰণে তাক দায়ী কৰিব পাৰে।' (ছশমা মা'ৰেফাত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ৩৬)

'কিন্তু,কোৰাণ শ্বৰিফে বেদৰ নিচিনা অযৌক্তিকভাবে আৰু বলপূৰ্বক আল্লা জাল্লা শ্বানুহুক সকলো আত্মা আৰু সকলো দেহৰ সকলো অণু-পৰমাণুৰ গৰাকী সাব্যস্ত কৰা নাই। বৰঞ্চ ইয়াৰ বাবে এক যুক্তি উস্থাপন  কৰিছে। যেনেকৈ কৈছে—

لَهٗ مُلْكُ السَّمٰوٰتِ وَالْاَرْضِ (57:3)

خَلَقَ كُلَّ شَيْءٍ فَقَدَّرَهٗ تَقْدِيْرًا (25:3)

আকাশ আৰু পৃথিৱীৰ ব্যাপী সমগ্ৰ ৰাজ্যৰ অধিকাৰ সেইজনাৰেই।(57:3) আৰু তেওঁৰেই সকলো বস্তুকে সৃজন কৰিছে আৰু তাৰ লগে লগে তেওঁ প্ৰতিটোৰ সীমা আৰু পৰিমাণৰ নিয়ন্ত্ৰণ কৰিছে।(25:3) কাৰ্যত আমি দেখিবলৈ পাইছো যে, যিদৰে দেহবোৰৰ নিজা নিজা সীমাৰ মাজত আৱদ্ধ আৰু সেই নিৰ্দিষ্ট সীমাৰ বাহিৰলৈ যাব নোৱাৰে। তেনেকৈ আত্মাবোৰো নিজা নিজা সীমাৰ মাজত আৱদ্ধ আৰু তাৰ বাবে নিৰ্দিষ্ট যোগ্যতাৰ অধিক কোনো যোগ্যতা তেওঁ সৃষ্টি কৰিব নোৱাৰে।  এতিয়া মই প্ৰথমতে,দেহৰ সীমাৱদ্ধ হোৱাৰ সম্পৰ্কত কিছু উদাহৰণ দাঙি ধৰিম। যেনে ধৰক, চন্দ্ৰৰ কথা। চন্দ্ৰই নিজৰ পৰিক্ৰমা শেষ কৰি এমাহৰ ভিতৰত-**২৯** অথবা **৩০** দিনৰ ভিতৰত। কিন্তু, সূৰ্যই নিজৰ পৰিক্ৰমা শেষ কৰে, 364½ দিনত। লগতে সূৰ্যৰ এই ক্ষমতা নাই যে সূৰ্য্যই নিজৰ পৰিক্ৰমণৰ দিন কম কৰিব আৰু চন্দ্ৰৰ পৰিক্ৰমণৰ সমান কৰি পেলাব। চন্দ্ৰৰো সেই ক্ষমতা নাই যে নিজৰ পৰিক্ৰমণৰ দিন বৃদ্ধি কৰি

সূৰ্যৰ বাবে নিৰ্ধাৰিত দিনৰ সমান কৰি লয়। যদি সমগ্ৰ পৃথিৱী ইয়াৰ বাবে একমত হয় যে, এই দুটা বস্তুৰ বা দেহৰ পৰিক্ৰমণৰ মাজত কিছু কম-বেছি কৰা হওঁক তেতিয়া লোকৰ বাবে কোনো ক্ৰমতেই সম্ভৱ নহ'ব। লগতে সূৰ্য আৰু চন্দ্ৰৰো এই ক্ষমতা নাই যে নিজেই পৰিক্ৰমাৰ মাজত কিছু কম-অধিক, কিছু পৰিৱৰ্তন সাধন কৰে।

সেয়ে, সেই যি সত্তা, যি এই অগণিত নক্ষত্ৰবিলাকে নিজা নিজা সীমাৰ মাজত স্থাপিত কৰি ৰাখিছে অৰ্থাৎ যি এইবিলাকৰ প্ৰতিটোকে সীমাৱদ্ধ কৰিছে আৰু এক নিৰ্দ্দিষ্ট সীমাৰ মাজত আৱদ্ধ কৰিছে, তেওঁৱে খোদা। একেদৰে মানৱ দেহ আৰু হাতীৰ দেহৰ মাজত বিৰাট পাৰ্থক্য। যদি সকলো চিকিৎসক ইয়াৰ বাবে একত্ৰিত হৈ দাবী কৰে মানুহৰ দৈহিক শক্তি হাতীৰ সমান হওঁক তেনেহঁলে তেওঁলোকে তাক কৰিবলৈ সক্ষম নহ'ব। গতিকে এই ক্ষেত্ৰত এটা সীমা আছে অৰ্থাৎ সীমা নিৰ্ধাৰণ কৰা আছে। যেনেকৈ সূৰ্য আৰু চন্দ্ৰৰ ক্ষেত্ৰত সীমা নিৰ্দ্দিষ্টকৈ আছে আৰু সেই নিৰ্দ্দিষ্ট সীমাৰ এজন সীমা নিৰ্ধাৰণকাৰী থকাৰ প্ৰমাণ দাঙি ধৰে। অৰ্থাৎ সেই অস্তিত্বৰ অপৰিহাৰ্যতাৰ প্ৰমাণ দিয়ে, যি হাতীক দান কৰিছে বিপুল দেহ আৰু মানুহক দিছে নিজৰ উপযোগী দেহ। যদি গভীৰ ভাবে লক্ষ্য কৰা যায়, তেনেহ'লে দেখা যাব যে, সকলো বস্তু বা পদাৰ্থৰ মাজত বিস্ময়কৰভাবে খোদাতালাই নিয়ন্ত্ৰণৰ কাম কৰিছে। লগতে বিস্ময়কৰ ভাবে এক সীমাৱদ্ধতাৰ আৰম্ভ কৰে-যিবিলাক অনুবীক্ষণ যন্ত্ৰৰ বাহিৰে দেখা পোৱা নাযায়। বিশাল বিশাল মাছৰ সীমাৱদ্ধতালৈকে-যিবিলাক ডাঙৰ মাছে একোখন ডাঙৰ জাহাজক একে উশাহতে গিলি পেলাব পাৰে। প্ৰতিটোৰ মাজত দৈহিক সীমাৱদ্ধতাৰ এক বিস্ময়কৰ দৃশ্য লক্ষ্য কৰা হয়। কোনো প্ৰাণীৰে নিজৰ দেহ অনুপাতে নিজৰ সীমাৰ বাহিৰলৈ যাবনোৱাৰে।একেদৰে, যি নক্ষত্ৰবোৰক আকাশত দেখা যায়, সেইবিলাকো নিজা নিজা সীমাৰেখাৰ বাহিৰে যাব নোৱাৰে। গতিকে এই সীমাৱদ্ধতাৰ বিষয়টোৱে এই প্ৰমাণ দাঙি ধৰিছে যে, পৰ্দাৰ আঁৰত সীমা বান্ধি দিয়া কোনোবা আছে, এয়াই হৈছে তাৎপৰ্য আয়াতৰ

خَلَقَ كُلَّ شَيْءٍ فَقَدَّرَهٗ تَقْدِيْرًا ۝ ( যি প্ৰতিটো বস্তুকে সৃষ্টি কৰিছে, অন্ত্ৰত তেওঁ সঠিক পৰিমাণত নিৰ্ধাৰিত কৰিছে- (25:3))
এতিয়া অৱগত হোৱাটো দৰকাৰ যে- সীমা বান্ধি দিয়া বিষয়টো যেনেকৈ দেহৰ ক্ষেত্ৰত লক্ষ্য কৰা যায়, তেনেকৈ আত্মাৰ ক্ষেত্ৰটো সত্য প্ৰমাণিত হৈছে। তুমি বুজিব পাৰিবা যে, মানুহৰ আত্মাই যেনেকৈ নিজস্ব উৎকৰ্ষ প্ৰদৰ্শন কৰিবলৈ সক্ষম অথবা ক'ব পাৰে যে, যিদৰে উৎকৰ্ষতাৰ দিশত উন্নতি অৰ্জন কৰিছে, সেইদৰে হাতীৰ উৎকৰ্ষতা আত্মা আৰু তাৰ বিৰাট দেহটোৰ আকাৰ-আয়তনৰ পিছতো অৰ্জন কৰিবলৈ সক্ষম নহয়। প্ৰতিটো প্ৰাণীৰ আত্মা স্বকীয় শক্তি আৰু যোগ্যতাৰ ক্ষেত্ৰত নিজৰ প্ৰজাতিৰ পৰিধিৰ মাজত সীমাৱদ্ধ। সেয়ে এই উৎকৰ্ষতা অৰ্জন কৰিব পাৰে নিজৰ প্ৰজাতিৰ বাবে নিৰ্দিষ্ট আৰু নিৰ্ধাৰিত কৰি দিয়াৰ মাজতে। গতিকে দেহৰ সীমাৱদ্ধতাই এই কথাৰ প্ৰমাণ দিয়ে যে, তাৰ কোনো সীমাৱদ্ধনকাৰী সৃষ্টিকৰ্তা আছে। তেনেকৈ, আত্মাৰ শক্তিৰ সীমাবদ্ধতাই এই কথাৰ প্ৰমাণ দিছে, সিহঁতৰো কোনো স্ৰষ্টা আৰু সীমাৱদ্ধনকাৰী আছে। (চশ্মা মা'ৰেফত ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ১৭-১৯)

## খোদা ভিন্ন ভিন্ন আকৃতি কিয় সৃষ্টি কৰিছে

যদি মনৰ মাজত এই ধৰণৰ চিন্তাৰ উদয় হয় যে, খোদাতালাই বিভিন্ন প্ৰকৃতি, মেজাজ বা যোগ্যতাৰ সৃষ্টি কৰিছে কিয়? তেওঁ সকলোকে এনে শক্তি দান কৰা নাই, যাৰ সুবাদত তেওঁলোক কামেল মা'ৰেফত আৰু কামেল মহব্বতৰ স্তৰত উপনীত হ'ব পাৰিলেহেঁতেন। তেনেহলে, এই প্ৰশ্ন উত্থাপন হ'ব যে খোদাতালাৰ কামৰ মাজত এক প্ৰকাৰৰ অনাধিকাৰ চৰ্চা, যিকোনো কাৰণতেই বৈধ হ'ব নোৱাৰে। প্ৰত্যেক বুদ্ধিমান ব্যক্তিয়ে বুজিব পাৰে যে সমগ্ৰ সৃষ্টিক একে পৰ্যায়ত থোৱা আৰু সকলোকে উত্তম উৎকৰ্ষতাৰে যোগ্যতা দান কৰা খোদাৰ বাবে কোনো বাধ্যবাধকতা নহয়, এই সকলোবোৰ মাথো তেওঁৰ কৃপা। তেওঁৰ এই এখতিয়াৰ আছে যে তেওঁ যাকে বিচাৰিব কৃপা কৰিব, যাক নিবিচাৰিব তাক নকৰিব। দৃষ্টান্ত স্থলত, খোদায়ে তোমাক মানুহ

বনাইছে আৰু গাধক মানুহ বনোৱা নাই। তোমাক বুদ্ধি দিছে আৰু গাধক দিয়া নাই। অথবা তুমি জ্ঞান আহৰণ কৰিব পাৰিছা, সিহঁতে পৰা নাই। এইসকলো বিলাক গৰাকীৰ ইচ্ছাৰ কথা। এনে কোনো অধিকাৰ নাই যি তোমাৰ আছিল সিহঁতৰ নাই। সংক্ষেপত খোদাতালাৰ সৃষ্টিৰ মাজত স্তৰ বিন্যাসত যি সুস্পষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়, তাক কোনো বুদ্ধিমান মানুহে অস্বীকাৰ কৰিব নোৱাৰে। এনে অৱস্থাত সেই নিৰকুংশ গৰাকীৰ সন্মুখত, সেই দৃষ্টি, যাৰ অস্থিত্ববান হোৱাৰ কোনো অধিকাৰ নাছিল, তাৰ পক্ষত কোনো ডাঙৰ অধিকাৰ লাভৰ কথাটো দুৰস্থান- কোনো প্ৰশ্ন উত্থাপন কৰাটো জানো সম্ভৱ? বান্দাসকলক অস্তিত্বৰ পৰিচ্ছদত ভূষিত কৰা খোদাতালাৰ এনে এক দান, এক কৃপা বা এহছান। এয়া জানিব লগা কথা যে দাতা আৰু কৃপাকাৰী, তেওঁৰ দান আৰু কৃপাৰ মাজত কম-অধিক কৰা অধিকাৰ আছে। যদি কমকৈ দিয়াৰ এখতিয়াৰ নাথাকিলেহেঁতেন, তেনেহলে তেওঁৰ অধিক দিয়াৰ এখতিয়াৰ নাথাকিলেহেতেঁন। এনে হোৱা হ'লে তেওঁ নিজৰ মালিকত্বৰ অধিকাৰ প্ৰয়োগ কৰিব নোৱাৰিলেহেঁতেন, এয়া স্বতঃ স্পষ্ট যে, স্ৰষ্টাৰ ওপৰত সৃষ্টিৰ কোনো অধিকাৰ যদি এনেই আৰোপ কৰা হয়, তেনেহ'লে ইয়াৰ অধিকাৰৰ এক ধাৰাবাহিকতা জাৰি হৈ পৰিব। কিয়নো, যি স্তৰত স্ৰষ্টাই কোনো সৃষ্টিক নিৰ্মাণ কৰিব, সেই স্তৰতে সৃষ্টি বুলি ক'ব পাৰিব, আমাৰ অধিকাৰ ইয়াতকৈ বহু অধিক। তথা খোদাতালাই যদি অন্তহীন স্তৰৰ সৃষ্টি কৰে আৰু তেওঁৰ অন্তহীন শক্তিৰ কাৰণে যদি মানৱ সৃষ্টিৰ মাধ্যমেৰে তেওঁৰ সৃষ্টিৰ ফজিলত আৰু উন্নতিৰ শেষ হৈ নাযায় তেনেহ'লে, সৃষ্টিৰ এইধৰণৰ প্ৰশ্নও কেতিয়াও শেষ হৈ নাযাব। লগতে সৃষ্টিৰ প্ৰতিটো স্তৰত বিনা ব্যতিক্ৰমে সৃষ্টিৰ অধিকাৰ পূৰণত অধিকাৰ জন্মাব আৰু এই ধাৰা অব্যাহত থাকিব।

গতিকে, যদি কোনোবাই জানিব বিচাৰে যে, স্তৰৰ ক্ষেত্ৰত এইধৰণৰ তাৰতম্য কৰাৰ মাজত কি প্ৰজ্ঞা নিৰ্হিত? তেনেহ'লে, এয়া জানিবলৈ আৰু বুজিবলৈ হ'ব যে এই বিষয়ত কোৰাণ শ্বৰিফত তিনি প্ৰকাৰৰ প্ৰজ্ঞা বা হেকমতৰ বৰ্ণনা দিছে, যিহেতু স্বতঃস্পষ্ট আৰু অতি পৰিষ্কাৰ, যিকোনো বুদ্ধিমান ব্যক্তিয়ে অস্বীকাৰ কৰিব নোৱাৰিব। ইয়াৰ বিস্তাৰিত বৰ্ণনা তলত উল্লেখ কৰা হ'ল ঃ-

প্ৰথমতেঃ জগতৰ বিষয়াদি বা ঘটনাবলীক যেন সৰ্বোত্তম পন্থাত সমন্বিত কৰা হয়। যেনেকৈ কোৱা হৈছে ঃ

وَقَالُوْا لَوْلَا نُزِّلَ هٰذَا الْقُرْاٰنُ عَلٰى رَجُلٍ
مِّنَ الْقَرْيَتَيْنِ عَظِيْمٍ ۝٣١
اَهُمْ يَقْسِمُوْنَ رَحْمَتَ رَبِّكَ ۗ نَحْنُ
قَسَمْنَا بَيْنَهُمْ مَّعِيْشَتَهُمْ فِى الْحَيٰوةِ
الدُّنْيَا وَرَفَعْنَا بَعْضَهُمْ فَوْقَ بَعْضٍ
دَرَجٰتٍ لِّيَتَّخِذَ بَعْضُهُمْ بَعْضًا سُخْرِيًّا ۗ
وَرَحْمَتُ رَبِّكَ خَيْرٌ مِّمَّا يَجْمَعُوْنَ ۝٣٢

(43:32,33)

( ‘তথা, তেওঁলোকেও ক’লে যে, এই কোৰাণ দুজন নগৰীয়াৰ মাজৰ কোনো মহান ব্যক্তিৰ ওপৰত নাজিল কৰা নহ’ল কিয় ? ‘তেওঁলোক জানো তোমাৰ প্ৰভু-প্ৰতিপালকত্বৰ ৰহমত ভাগ কৰিছে? আমি তেওঁলোকৰ মাজত এই পাৰ্থিব জীৱনত তেওঁলোকৰ জীৱিকাক ভাগ কৰিছোঁ, তেওঁলোকৰ কাৰোবাৰ কাৰোবাৰ ওপৰত পদ-মৰ্যাদাৰে উন্নীত আৰু সন্মানিত কৰো যাতে তেওঁলোকৰ মাজৰ পৰা কোনোবাই কাৰোবাক অধীনস্থ কৰিব পাৰে। লগতে তেওঁলোকে যি সম্পদ জমা কৰে তাতকৈ তোমালোকৰ প্ৰভু-প্ৰতিপালকৰ ৰহমত উত্তম’- (43:32,33)

অৰ্থাৎ অবিশ্বাসীসকলে কয় যে, এই কোৰাণ কিয় মক্কা আৰু তাৱেফৰ ডাঙৰ ডাঙৰ ধনবান বিত্তশালীসকলৰ আৰু নেতৃবৃন্দৰ মাজৰ পৰা কোনো ডাঙৰ নেতা আৰু ব্যক্তিৰ ওপৰত নাজিল কৰা নহ’ল? তেনেহ’লে সম্ভৱ

সেয়াই হ'লহেতেঁন তেওঁৰ নেতৃত্বত মৰ্যাদাৰ উপযোগী আৰু তেওঁৰ প্ৰভাব-প্ৰতিপত্তি আৰু ৰাজনৈতিক যোগ্যতাক কাৰ্যত প্ৰয়োগ কৰি আৰু ধন-সম্পদ ব্যয় কৰি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ দ্ৰুততাৰে সম্পাদন কৰিব পাৰিব। এজন দুখীয়া মানুহ, যাৰ ওচৰত পাৰ্থিব সহায়- সম্পত্তি বুলিবলৈ একো নাই, তেওঁক কিয় বাচি লোৱা হ'ল এই দায়িত্ব আৰু সন্মানৰ বাবে? ইয়াৰ উত্তৰত কোৱা হৈছে- তেওঁলোকে জানো তোমাৰ প্ৰভু-প্ৰতিপালকত্বৰ ৰহমত ভাগ কৰিছে? অৰ্থাৎ চিৰন্তন ভাগ কাৰ জনৰ ৰহমতসমূহ ভাগ-বিভাজন কৰাৰ এখতিয়াৰ জানো তেওঁলোকে ৰাখে? এয়াতো সৰ্বশক্তিমান খোদা কৰীমৰ কাৰ্য যে বহুতৰে যোগ্যতা আৰু ক্ষমতা, শক্তিক তেওঁ সীমিত কৰি থৈছে। কিয়নো, তেওঁলোক দুনিয়াদাৰীৰ কাম-কাজত সম্পূৰ্ণ লিপ্ত হৈ পৰিছে আৰু গৰ্বত স্ফীত হৈ পৰিছে, এনেকৈ ভাবে যে তেওঁলোক নেতা, ধনী আৰু ডাঙৰ মানুহ। অৰ্থাৎ তেওঁলোকে জীৱনৰ প্ৰকৃত উদ্দেশ্যক পাহৰি গৈছে। আকৌ বহুতক তেওঁ দান কৰিছে আধ্যাত্মিক কল্যাণৰাজি আৰু পৱিত্ৰ উৎকৰ্ষতা। অৰ্থাৎ তেওঁলোক প্ৰকৃত প্ৰিয়তম-মাহবুবে হাকীকিৰ ভালপোৱাত বিভোৰ হৈ মগ্ন হৈ নিজৰ প্ৰিয়পাত্ৰ হৈছে, তেওঁৰ ওচৰ চাপিছে আৰু তেওঁৰ ওচৰত গ্ৰহণ যোগ্য হৈ পৰিছে। গতিকে এই হেকমত বা প্ৰজ্ঞাৰ প্ৰতিও ইংগিত কৰা হৈছে যি বিভিন্ন বৈশিষ্ট্য আৰু গুণাৱলী, যোগ্যতা আৰু দায়িত্বৰ সম্পকৰ্ত ব্যক্ত কৰা হৈছে। উল্লেখ কৰা হৈছে— 'আমি তেওঁলোকৰ এই পাৰ্থিৱ জীৱনত তেওঁলোকৰ জীৱিকা ভাগ কৰো।' অৰ্থাৎ আমি এই কাৰণে কাৰোবাক ধনী, কাৰোবাক দুখীয়া, কাৰোবাক তীক্ষ্ন মেধাৱী, কোৰোবাক অজ্ঞানী প্ৰকৃতিৰ, কাৰোবাক এক প্ৰকাৰৰ পেশাৰ দিশে, কাৰোবাক আন প্ৰকাৰৰ পেশাৰ দিশে আকৃষ্ট কৰো, যাতে তেওঁলোকৰ মাজত এই সুবিধা আৰু এই সুবাদ সৃষ্টি হয় যে, তেওঁলোকে পৰস্পৰ পৰস্পৰে কাম-কাজত সহায়ক হ'ব পাৰে, সেৱাকাৰী হ'ব আৰু দায়িত্বৱলী যথাযোগ্যভাবে ভাগ কৰিব পাৰে আৰু কেৱল ইয়াৰ বাবে বা এটা শ্ৰেণীৰ ওপৰত সকলো ধৰণৰ দায়িত্বৰ চাপ নপৰে। এনেদৰে যেন মানৱজাতিয়ে স্বস্তিত আৰু নিৰ্বিঘ্ন জীৱন-যাপন কৰিব পাৰে। ইয়াৰ পিছত পুনৰ কোৱা হৈছে— এইক্ষেত্ৰত পাৰ্থিৱ সা-সম্পত্তিতকৈ খোদাৰ কিতাপ

হৈছে বহু বহু অধিক লাভজনক বা কল্যাণকৰ। এয়া এক সূক্ষ্ম ইংগিত যি কৰা হৈছে ঐশ্বৰিক বাণীৰ প্ৰয়োজনীয়তাৰ দিশে। ইয়াৰ বিশদ ব্যাখা হৈছে— ৰুটি জীৱন যাপনৰ বাবে আৱশ্যক। ইয়াক প্ৰস্তুত কৰাৰ বাবে কিমান সহায়-সহযোগিতাৰ প্ৰয়োজন। মাটি কৰ্ষণ কৰাৰ প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰুটি বনাই খোৱালৈকে ডজন ডজন শ্ৰমিকৰ প্ৰয়োজন হয় পৰস্পৰে পৰস্পৰক সহায় কৰা , সহযোগিতা কৰাৰ ফলত। ইয়াৰ পৰা বুজা যায় যে সমাজৰ বিভিন্ন স্তৰত বা পৰ্যায়ত কাম-কাজত কিমান বিভিন্ন ধৰণৰ পাৰস্পৰিক সহায়-সহযোগিতাৰ প্ৰয়োজন। এই প্ৰয়োজন পূৰণ কৰাৰ বাবে সৰ্বজ্ঞ খোদাই মানৱজাতিক সৃষ্টি কৰিছে বিভিন্ন প্ৰকৃতি আৰু বৈশিষ্ট প্ৰদান কৰি, গুণাগুণ দি, যাৰ দ্বাৰা প্ৰতিজন ব্যক্তিয়ে নিজৰ যোগ্যতা আৰু অভিৰুচি অনুসৰি স্বাচ্ছন্দ্য কাৰ্য কৰিব পাৰে। কোনোৱে কৃষিকৰ্ম কৰে, কোনোৱে কৃষিৰ উপকৰণ তৈয়াৰ কৰিব, কোনোৱে আটা পিহিব, কোনোৱে পানী আনিব, কোনোৱে ৰুটি বনাব, কোনোৱে সূতা কটিব, কোনোৱে তাঁত ব'ব, কোনোৱে দোকান খুলিব, কোনো ব্যৱসায় কৰিব, কোনোৱে চাকৰি কৰিব আৰু এনেদৰে এজনে আনজনক সহায়-সহযোগিতা কৰিব আৰু পৰস্পৰে পৰস্পৰক সহায় কৰিব। তাৰ পিছত যেতিয়া পৰস্পৰৰ মাজত সহযোগিতা জৰুৰী হৈ পৰে, তেতিয়া এজনৰ লগত আনজনৰ আচৰণ বিধিৰো প্ৰয়োজনীয়তাই দেখা দিয়ে। ক্ষতিপূৰণ দিয়া, অৱহেলা কৰা আদিৰ বাবে সুবিচাৰৰ আইন প্ৰণয়ন প্ৰয়োজন আহি পৰে। যাৰ মাজেৰে অত্যাচাৰ, অনাধিকাৰ চৰ্চা, হিংসা-বিদ্বেষ, বিশৃংখলা আৰু খোদাৰ প্ৰতি গাফিলতি বা অৱহেলাক প্ৰতিৰোধ কৰিব পাৰি, যাতে জগতৰ শৃংখলাৰ মাজত কোনো প্ৰকাৰৰ ব্যাঘাত সৃষ্টি নহয়। কিয়নো জীৱন যাপন আৰু যাৱতীয় সামাজিক দায়িত্ব পালন সম্পূৰ্ণ নিৰ্ভৰ কৰে সুবিচাৰ আৰু খোদাক চিনি পোৱাৰ ওপৰত। সুবিচাৰৰ প্ৰয়োগ ব্যৱস্থা আৰু খোদাক জনাৰ আৰু মানি চলাৰ বাবে এক আইনৰ প্ৰয়োজন, যাৰ মাজেৰে সুবিচাৰৰ সূক্ষ্ম তত্ত্ব আৰু ঐশ্বৰিক জ্ঞানৰ সূক্ষ্ম সত্যতা সকলো বৰ্ণিত হৈ থাকিব। অৰ্থাৎ যাৰ মাজত কোনো প্ৰকাৰৰ অত্যাচাৰ বা অন্যায় নাথাকিব, নাথাকিব কোনো প্ৰকাৰৰ ভুল-ভ্ৰান্তি। লগতে এই ধৰণৰ আইন কেৱল তেওঁৰ পক্ষৰে পৰা প্ৰৱৰ্তিত হোৱা সম্ভৱ যাৰ সত্তা

সম্পূৰ্ণৰূপে বিকৃতি আৰু ত্ৰুটি-বিচ্যুতি আৰু অত্যাচাৰ অন্যায় আৰু প্ৰতিহিংসাৰ পৰা মুক্ত পৱিত্ৰ। সেইদৰে তেওঁৰ সত্তা হ'ব আনুগত্য লাভৰ অধিকাৰী আৰু সন্মান আৰু শ্ৰদ্ধা-ভক্তিলাভৰ অধিকাৰী। কিয়নো কোনো আইন উৎকৃষ্ট হ'লেও তাৰ প্ৰৱৰ্তনকাৰী যদি এনে নহয় যেন তেওঁ নিজৰ পদ মৰ্যাদাত সৰু-ডাঙৰ সকলোৰে ওপৰত অধিষ্ঠিত থাকিব আৰু সকলোৱে শাসন কৰাৰ অধিকাৰ লাভ কৰিব আৰু জনসাধাৰণৰ দৃষ্টিত যদি তেওঁ এনে হ'ব নিদিলেহেতেঁন তেওঁ সকলো প্ৰকাৰৰ অত্যাচাৰ-অবিচাৰৰ পৰা,অপৰাধ আৰু ভুল-ত্ৰুটিৰ পৰা মুক্ত আৰু পৱিত্ৰ, তেনেহ'লে এই আইন কাৰ্যকৰ হ'ব নোৱাৰে আৰু সেয়া নচলিব। যদি কেনেবাকৈ কাৰ্যকৰ হৈ উঠে তাৰ মাজত নানাধৰণৰ বিশৃংখলাই দেখা দিব। পৰিণামত মংগলৰ পৰিৱৰ্তে অমংগলৰ কাৰণ হৈ পৰিব। এই সকলো কাৰণত প্ৰয়োজন দেখা দিয়ে কিতাপে ইলাহী বা ঐশ্বৰিক গ্ৰন্থৰ। কিয়নো যাৱতীয় সদ্ গুণাৱলীৰ আৰু প্ৰত্যেক প্ৰকাৰৰ উৎকৰ্য আৰু সৌন্দৰ্য একমাত্ৰ খোদাতালাৰ কিতাপৰ মাজতহে পোৱা যায়, আন কতো নাই।

দ্বিতীয় এপ প্ৰজ্ঞা হৈছে মৰ্তবা বা স্তৰসমূহৰ পাৰ্থক্যৰ মাজত যাতে সৎ আৰু পৱিত্ৰ লোকৰ উৎকৰ্যতা প্ৰদৰ্শিত হ'ব পাৰে। কিয়নো প্ৰত্যেক উৎকৰ্যতাই প্ৰতিপন্ন কৰে পৰস্পৰৰ তুলনা বা প্ৰতিযোগিতাৰ মাধ্যমেৰে। যেনেকৈ কোৱা হৈছে,

إِنَّا جَعَلْنَا مَا عَلَى الْأَرْضِ زِينَةً لَّهَا
لِنَبْلُوَهُمْ أَيُّهُمْ أَحْسَنُ عَمَلًا ۝ (18:8)

(যি কিছু ভূপৃষ্ঠত তাক আমি নিশ্চয় ইয়াৰ সৌন্দৰ্যৰ বাবে সৃষ্টি কৰিছোঁ, যাতে আমি সেইবিলাকক পৰীক্ষা কৰিব পাৰো যে তাৰ মাজত কৰ্মৰ ক্ষেত্ৰত কোনটো উৎকৃষ্ট।(18:8)

অৰ্থাৎ আমি প্ৰতিটো সামগ্ৰীৰ বা মাটিৰ ওপৰত বিদ্যমান, তাক মাটিৰ অলংকাৰ হিচাপে তৈয়াৰ কৰিছোঁ। যাতে যিসকল সৎ বা ছালেহ ব্যক্তি তেওঁলোকৰ সাধুতা অসাধুলোকসকলৰ তুলনাত প্ৰদৰ্শিত হ'ব পাৰে। লগতে

যি স্থূল তেওঁলোকে দেখিবলৈ পাব, যি সূক্ষ্ম সেই সূক্ষ্মতা সুস্পষ্ট হৈ উঠিব। কিয়নো, তাৰতম্যক জানিব পৰা যায় তাৰতম্যক চিনাক্ত কৰাৰ মাধ্যমেৰে আৰু উত্তমৰ মূল্যায়ন কৰা যায় অধমৰ লগত তুলনাৰ জড়িয়তে)

তৃতীয় প্ৰকাৰৰ প্ৰজ্ঞা বা হেকমত, যি স্তৰসমূহৰ পাৰ্থক্যৰ মাজত নিৰ্হিত হৈ আছে, তেওঁৰ উদ্দেশ্য হৈছে, বিভিন্ন প্ৰকাৰৰ শক্তিক প্ৰদৰ্শিত কৰা আৰু আপোনাৰ (খোদাৰ) মাহাত্ম্যৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা। যেনেকৈ উল্লেখ কৰা হৈছে

مَا لَكُمْ لَا تَرْجُوْنَ لِلّٰهِ وَقَارًا ۝١٤ وَقَدْ خَلَقَكُمْ اَطْوَارًا ۝١٥

(71:14,15)

( তোমালোকৰ কি হৈছে যে তোমালোকে আল্লাহৰ ওচৰৰ পৰা মহত্ত্ব আৰু প্ৰজ্ঞাৰ আশা কৰা নাই? তেওঁ তোমালোকক (ক্ৰমবিকাশৰ ধাৰাত) বিভিন্ন আকাৰ আৰু অৱস্থাৰ মাজেৰে সৃষ্টি কৰিছে।(71:14,15)

অৰ্থাৎ বিভিন্ন প্ৰকাৰৰ বৈশিষ্ট্য বা যোগ্যতা আৰু প্ৰকৃতি প্ৰজ্ঞাময় খোদাতালাই এই উদ্দেশ্যই সৃষ্টি কৰিছে যেন তেওঁৰ মাহাত্ম্য আৰু শক্তিৰ বা কুদৰতৰ পৰিচয় পোৱা যায়। যেনেকৈ উল্লেখ কৰা হৈছে ঃ

وَاللّٰهُ خَلَقَ كُلَّ دَآبَّةٍ مِّنْ مَّآءٍ ۚ فَمِنْهُمْ مَّنْ
يَّمْشِيْ عَلٰى بَطْنِهٖ ۚ وَمِنْهُمْ مَّنْ يَّمْشِيْ
عَلٰى رِجْلَيْنِ ۚ وَمِنْهُمْ مَّنْ يَّمْشِيْ عَلٰٓى
اَرْبَعٍ ۚ يَخْلُقُ اللّٰهُ مَا يَشَآءُ ۗ اِنَّ اللّٰهَ عَلٰى
كُلِّ شَيْءٍ قَدِيْرٌ ۝٤٦

(24:46)

(আল্লাই সকলো প্ৰাণীক সৃষ্টি কৰিছে পানীৰ পৰা। ইয়াৰ মাজত কিছুমান এনে আছে যি পেটৰ ওপৰৰ ভাগত ভৰ দি চলাচল কৰে, তাৰ মাজত এনে কিছুমানো আছে যি চাৰি ভৰিৰে চলাচল কৰে। আল্লাই যি বিচাৰে সৃষ্টি কৰে। নিশ্চয়

আল্লাহ প্ৰতিটো বিষয়ৰ ওপৰত সৰ্বশক্তিমান।(24:46)

ইয়াতো এই কথাৰ দিশে ইংগিত কৰা হৈছে যে, খোদাতালাই এই বিভিন্ন শ্ৰেণীৰ প্ৰাণী এই বাবেই সৃষ্টি কৰিছে, যেন ইয়াৰ মাজেৰে তেওঁৰ বিভিন্ন শক্তি, কুদৰত প্ৰদৰ্শিত হয়। বস্তুতঃ গতি-প্ৰকৃতিৰ মাজেৰে পাৰ্থক্য, যি সৃষ্টিৰ স্বভাৱত অভিব্যক্তি,তাৰ মাজত ঐশ্বৰিক প্ৰজ্ঞাৰ এই তিনিটা বিষয় নিৰ্হিত আছে, লগতে উল্লেখ কৰা হৈছে উপযুক্ত আয়াতসমূহত।' (বাৰাহীনে আহমদীয়া, চতুৰ্থ খণ্ড, ৰুহানি খাজাইন জিলদ ১ পৃঃ২০৩-২০৭ হাশিয়া নম্বৰ ১১)

## আৰ্যসকলৰ কুধাৰণাসমূহৰ ৰদ

পণ্ডিত দয়ানন্দই তেওঁৰ 'সিদ্ধাৰ্থ প্ৰকাশ' নামৰ উৰ্দু গ্ৰন্থখনৰ **৫০১** পৃষ্ঠাত লিখিছে যে, পৰমেশ্বৰে কাৰো পাপ ক্ষমা কৰিব নোৱাৰিব, কৰিলে তেওঁ অবিচাৰৰ দোষত দায়ী হ'ব। গতিকে তেওঁ মানি লৈছিল যে পৰমেশ্বৰ হৈছে মাথো এজন বিচাৰকৰ সমান, মালিকৰ অধিকাৰ তেওঁৰ নাই। একেদৰে পণ্ডিত দয়ানন্দই তেওঁৰ কিতাপ **৫০১** পৃষ্ঠাত লিখিছে যে পৰমেশ্বৰে সীমিত কামৰ বাবে সীমাহীন পুৰস্কাৰ দিব নোৱাৰে, কাৰ্যত এতেকে সুস্পষ্ট হৈ পৰিছে যেতেওঁ (পৰমেশ্বৰ)ৰ যদি মালিকৰ অধিকাৰ থাকিলহেতেঁন তেন্তে সীমিত কামৰ বাবে সীমাহীন পুৰস্কাৰ দিলেও তেওঁৰ কোনো কুণ্ঠাবোধ নাথাকিলেহেতেঁন। কিয়নো , মালিকৰ কাম-কাজৰ লগত সুবিচাৰ-অবিচাৰৰ কোনো সম্পৰ্ক নাথাকে। আমিও যদি কোনো সা-সামগ্ৰীৰ মালিক হিচাপে প্ৰাৰ্থীসকলক কিবা দান কৰিব বিচাৰো, সেইক্ষেত্ৰত কোনো প্ৰাৰ্থীৰ এনেধৰণৰ অধিকাৰ নাথাকে যে তেওঁ আপত্তি উত্থাপন কৰি ক'ব যে, অমুক ব্যক্তিক অধিক দিয়া হৈছে, অথচ মোক কমকৈ দিয়া হৈছে। একেদৰে,খোদাতালাৰ ওচৰত কোনো বান্দাৰ অধিকাৰ নাই যে তেওঁ তেওঁৰ ওচৰত সুবিচাৰৰ দাৱী কৰিব। বান্দাৰ অৱস্থা বান্দাৰ আৰু খোদাৰ অৱস্থাত খোদা। কাৰ্যত বান্দাৰ যিমান অধিকাৰ নাই, সেই খোদাৰ বিৰুদ্ধে ন্যায় বিচাৰৰ দাৱী উত্থাপন কৰিব, তেনেকৈ খোদাতালৰ এয়া মৰ্যাদা বিৰোধী যে,তেওঁ নিজৰ সৃষ্টিৰ এই মৰ্যাদা

স্বীকাৰ কৰি ল'ব যে লোকসকলে তেওঁলোকৰ অধিকাৰ তেওঁৰ ওচৰৰ পৰা আদায় কৰি ল'ব। বস্তুতঃ খোদাই তেওঁৰ বান্দাসকলক তেওঁলোকৰ কামৰ বাবে যি কিছু পুৰস্কাৰ দিয়ে, সেয়া মাথো তেওঁৰ কৃপা, তেওঁৰ দয়াৰ দান। আমল বা কৰ্মৰ কোনো বিষয় নহয়। খোদাৰ সহায় আৰু কৃপাৰ বাহিৰে কোনো কৰ্ম কেতিয়াও সাধিত হ'ব নোৱাৰে, ইয়াৰ বাহিৰে, আমি যেতিয়া খোদাৰ কানুনে কুদৰত বা প্ৰাকৃতিক নিয়মৰ প্ৰতি দৃষ্টিপাত কৰো, তেতিয়া আমি পৰিষ্কাৰ ভাবে বুজিব পাৰো যে, খোদাতালাই তেওঁৰ বান্দাৰ বাবে যি কিবাৰ সৰবৰাহ কৰিছে বা কৰি থাকে, সেয়া দুই প্ৰকাৰৰ দান। সেয়া হৈছে প্ৰথমতে হৈছে, তেওঁৰ সেইবোৰ কৃপা আৰু দান যি মানুহ অস্তিত্বলৈ অহাৰ আগতে দি থোৱা হৈছে আৰু সেইবিলাকৰ মাজত মানুহৰ কৰ্ম বা আমলৰ সামান্যতমও কোনো দখল নাই। যেনেকৈ তেওঁ মানুহৰ সুখৰ বাবে সূৰ্য, চন্দ্ৰ, নক্ষত্ৰ, মাটি, পানী, বতাহ,অগ্নি আদি সৃষ্টি কৰি ৰাখিছে। লগতে ইয়াত কোনো সন্দেহ নাই যে, এই সকলোবোৰ সৃষ্টি হৈছে মানুহৰ সৃষ্টিৰ পূৰ্বে। লগতে মানুহে অস্তিত্ব লাভ কৰিছে সেইবিলাক বস্তুৰ অস্তিত্ব লাভৰ পিছত। এয়া হৈছে খোদাতালাৰ সেই শ্ৰেণীৰ ৰহমত যাক কোৰাণী পৰিধিত কোৱা হৈছে ‘ৰহমানিয়ত’। অৰ্থাৎ এনে সকলো দান যাৰ সম্পৰ্ক বান্দাৰ আমলৰ লগত নহয়, বৰঞ্চ সেয়া দান কৰা হৈছে মাথো কৃপাত।

দ্বিতীয় প্ৰকাৰৰ ৰহমত হৈছে,সেই ৰহমত যাক কোৰাণী পৰিধিত কোৱা হৈছে ‘ৰহিমীয়ত’ অৰ্থাৎ সেই সকলো কৃপা আৰু দান, যি মানুহৰ নামমাত্ৰ সৎকৰ্মৰ বাবে প্ৰদান কৰা হয়। গতিকে যি খোদাই তেওঁৰ কৃপাভৰা মালিকত্বৰ এই দৃষ্টান্ত দাঙি ধৰিছে যে, তেওঁ তেওঁৰ দুৰ্বল বান্দাসকলৰ বাবে মাটি আৰু আকাশ, চন্দ্ৰ আৰু সূৰ্য আদি সৃষ্টি কৰি ৰাখিছে সেই সময়ত যেতিয়া বান্দা আৰু তেওঁৰ কৰ্মৰ নাম-চিহ্ন নাছিল, তেওঁৰ সম্পৰ্কক এই ধাৰণা পোষণ কৰা যায় যে তেওঁ এক গ্ৰহীতাৰ সমান তেওঁৰ বান্দাসকল মাথো পৰাপক হওঁক, আদায় কৰি থাকক, তাতকৈ অধিক একো নহয়? বান্দাসকলৰ এনে কোনো অধিকাৰ আছিল যে, তেওঁলোকৰ বাবে তেওঁ মাটি আৰু আকাশ নিৰ্মাণ কৰিব আৰু আকাশত হাজাৰো অধিক উজ্বল সামগ্ৰী আৰু মাটিত

তেওঁলোক সুখ আৰু সম্ভোগৰ বাবে হাজাৰো সামগ্ৰী সৃষ্টি কৰি ৰাখিব? গতিকে সেই পৰম কৃপাময়, দয়াময়ক মাত্ৰ এজন বিচাৰকৰ সমান বিচাৰক জ্ঞান কৰা আৰু তেওঁৰ মালিকত্বৰ মৰ্যাদা আৰু মহিমাক অস্বীকাৰ কৰাটো চৰম অকৃতজ্ঞতাৰ বাহিৰে আন কি হ'ব? (ছশমা মা'ৰেফাত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ২৬-২৮)

স্মৰণ ৰখা যে, মালিক শব্দটো এনে এক শব্দ যাক তুলনাৰ কোনো অধিকাৰেই নাথাকে। তথা চৰম বা সামগ্ৰিক আৰু পৰিপূৰ্ণ অৰ্থত এই শব্দটো প্ৰযোজ্য হ'ব পাৰে কেৱল খোদাৰ বাবে। কিয়নো চৰম মালিক একমাত্ৰ তেওঁ। কোনো ব্যক্তিয়ে যদি আন ব্যক্তিক তেওঁৰ জীৱন আৰু সামগ্ৰী আদিৰ মালিক সাব্যস্ত কৰে, তেনেহ'লে তেওঁ স্বীকাৰ কৰে যে তেওঁৰ জীৱন আৰু সম্পত্তিৰ ওপৰত তেওঁৰ কোনো অধিকাৰ নাই। তেওঁৰ নিজৰ বুলিবলৈ একো নাই, সকলো মালিকৰ। এনে অৱস্থাত নিজৰ মালিকক এই কথা কোৱাটো তেওঁৰ ফালৰ পৰা অবৈধ হ'ব যে, অমুক সামগ্ৰী বা জীৱন সম্পৰ্কত অমুক বিষয়ত তুমি মোক সুবিচাৰ কৰা। কিয়নো, সুবিচাৰ থাকে অধিকাৰৰ ক্ষেত্ৰত, অথচ তেওঁ নিজৰ অধিকাৰ বিসৰ্জন দি থৈছে।

একেদৰে, যি মানুহে তেওঁৰ প্ৰকৃত মালিকৰ সন্মুখত নিজকে বান্দা বুলি স্বীকাৰ কৰে আৰু ' ইন্না লিল্লাহে ওৱা ইন্না ইলায়হি ৰাজিউন' অস্বীকাৰ কৰিছে, অৰ্থাৎ নিজৰ জীৱন, সম্পত্তি, শৰীৰ, সন্তান সকলোবোৰ মালিক খোদাতালাৰ বুলি অস্বীকাৰ কৰিছে, গতিকে সেই মানুহৰ এনে কোনো অধিকাৰ নাই, যি তেওঁ দাৱী কৰিব পাৰে খোদাতালাৰ ওচৰত। এই কাৰণে সেই সকলো মানুহ, যি সঁচাকৈ আৰেফ বা সূক্ষ্মদৰ্শী তেওঁ শত প্ৰকাৰৰ সংগ্ৰাম বা মুজাহিদাত আৰু এবাদত তথা দান-খয়ৰাত কৰাৰ পিছতো নিজকে খোদাতালাৰ কৃপাৰ ওচৰত এৰি দিয়ে আৰু নিজৰ কৰ্ম বা আমলসমূহক কোনো গুৰুত্ব নিদিয়ে। তথা কোনো দাৱীও নকৰে যে এই হক বা অধিকাৰ আছে অথবা মোৰ অধিকাৰ জন্মিছে। কিয়নো, সঁচা অৰ্থত সৎ সেইজনেই যাৰ কামৰ পৰা সামৰ্থ লাভ কৰি মানুহে সৎ কাম কৰিব পাৰে আৰু সেয়া একমাত্ৰ খোদা। গতিকে মানুহে নিজৰ যোগ্যতা আৰু কৃতিত্বৰ কাৰণে খোদাতালাৰ ওচৰত কেতিয়াও সুবিচাৰ

বা ইনচাফ দাৰী কৰিব নোৱাৰে। কোৰাণ শ্বৰিফৰ দৃষ্টিত খোদা সকলো কামৰ মালিকত্বৰ অন্তৰ্ভুক্ত। যিদৰে তেওঁ কেতিয়াবা পাপৰ শাস্তি দিয়ে, সেইদৰে তেওঁ কেতিয়াবা পাপ ক্ষমা কৰি দিয়ে। অৰ্থাৎ উভয় ক্ষেত্ৰত তেওঁৰ শক্তি বা কুদৰত কাৰ্যকৰ। তথা সেয়া কাৰ্যকৰ হৈ পৰে তেওঁৰ **মালিকিয়তৰ** চাহিদা অনুসৰি। লগতে তেওঁ যদি সকলো সময়তে পাপৰ শাস্তি দি থাকে, তেনেহ'লে মানুহৰ কোনো পাত্তা নাথাকিব। বৰঞ্চ অধিকাংশ গোনাহ তেওঁ ক্ষমা কৰি দিয়ে,গতিকে সৰ্তক কৰাৰ বাবে কেতিয়াবা কেতিয়াবা কোনো কোনো পাপীক শাস্তি দিয়ে যাতে গাফেল লোক সৰ্তক হৈ তেওঁৰ প্ৰতি মনোযোগী হয়। যেনেকৈ কোৰাণ শ্বৰিফত উল্লেখ আছে,

وَمَآ اَصَابَكُمْ مِّنْ مُّصِيْبَةٍ فَبِمَا كَسَبَتْ اَيْدِيْكُمْ وَيَعْفُوْا عَنْ كَثِيْرٍ ۝٣١

(42:31)

তোমালোকৰ ওপৰত যিবিলাক বিপদ-আপদত নিপতিত হয়, তেতিয়া তোমালোকৰ (অসৎ) কৃতকৰ্মৰ কাৰণে আৰু তোমালোকৰ বহু অপৰাধৰ তেওঁ ক্ষমা কৰি দিয়ে।(42:31)পুনৰ এই চুৰাতে আন এক আয়াতত উল্লেখ কৰিছে ঃ

وَهُوَ الَّذِىْ يَقْبَلُ التَّوْبَةَ عَنْ عِبَادِهٖ وَيَعْفُوْا عَنِ السَّيِّاٰتِ

(42:26)

তেওঁ নিজ বান্দাসকলৰ তৌবা কবুল কৰে আৰু পাপসমূহক ক্ষমা কৰে...(42:26)। অৰ্থাৎ তোমালোকৰ খোদা যে সেই খোদা যি তেওঁৰ বান্দাসকলৰ তৌবা কবুল কৰে আৰু পাপসমূহক ক্ষমা কৰি দিয়ে। কোনোৱে যেন এই সন্তাপত নপৰে যে কোৰাণ শ্বৰিফত এই কথাও কোৱা হৈছে ঃ

(99:9) وَمَنْ يَّعْمَلْ مِثْقَالَ ذَرَّةٍ شَرًّا يَّرَهٗ ۝٨

কোনো ব্যক্তিয়ে এক অণু-পৰমাণু অশুভ বা বেয়া কৰ্ম কৰে তেনেহ'লে তেওঁ

তাক দেখিবলৈ পাব।'(99:9) অৰ্থাৎ কোনো ব্যক্তিয়ে এক চিকটা পৰিমাণৰ অশুভ কাম কৰিলেও তেওঁ তাৰ শাস্তি পাব। এই ক্ষেত্ৰত মনত ৰাখিব লাগিব যে উক্ত আয়াতত আৰু দ্বিতীয় আয়াতৰ মাজত কোনো স্ববিৰোধীতা নাই। কিয়নো এই (পৰৱৰ্তী আয়াতত উল্লেখিত) পাপৰ দ্বাৰা সেই পাপক বুজোৱা হৈছে, যাৰ ওপৰত মানুহ লাগি থাকে আৰু যি সম্পাদন কৰাৰ পৰা বিৰত নাথাকে আৰু তৌবাও নকৰে। তথা এই কাৰণেই এই ক্ষেত্ৰত শাৰ্ৰ (অশুভ) শব্দ ব্যৱহাৰ কৰা হৈছে, 'জুনুব' (পাপ) শব্দৰ ব্যৱহাৰ কৰা হোৱা নাই। যাতে বুজিব পৰা যায়, ইয়াত উদ্দেশ্য হৈছে এনে কোনো অশুভ কাম, যাৰ পৰা দুষ্কৃতকাৰী বিৰত হ'বলৈ নিবিচাৰে। বস্তুতঃ সমগ্ৰ কোৰাণ শ্বৰিফত এই কথাই পৰিপূৰ্ণ যে আত্মশুদ্ধি, অনুতাপ,বেয়াকাম পৰিহাৰ আৰু ইস্তেগফাৰ আৰু ক্ষমা-প্ৰাৰ্থনাৰ দ্বাৰা পাপ মোচন হৈ পৰে। বৰঞ্চ খোদাতালাই অনুতাপকাৰীসকলক ভালপায়। যেনেকৈ আল্লাতালাই কোৰাণ শ্বৰিফত উল্লেখ কৰিছে-

. (2:223) إِنَّ اللَّهَ يُحِبُّ التَّوَّابِينَ وَيُحِبُّ الْمُتَطَهِّرِينَ ۝٢٢٣

(নিশ্চয় আল্লাই তৌবাকাৰীসকলক ভালপায় আৰু পৰিত্ৰতা ৰক্ষাকাৰী সকলক ভালপায়.।(2:223)

অৰ্থাৎ আল্লাতালাই অনুতাপকাৰীসকলক ভালপায় আৰু ইয়াৰ বাহিৰে সেই সকলো লোককো ভালপায় যি এই বিষয়ত গুৰুত্ব দিয়ে, যাতে সিহঁত পাপৰ পৰা আঁতৰত থাকে। সংক্ষেপত প্ৰত্যেক পাপ আৰু বেয়া কামৰ বাবে শাস্তি দিয়া,সেয়া খোদাতালাৰ ক্ষমাশীলতা আৰু সহিষ্ণুতাৰ যি গুণ, তাৰ বিপৰীত। কিয়নো তেওঁ যে মালিক, মাথো এজন মেজিষ্ট্ৰেটৰ নিচিনায় নহয়, যেনেকুৱা সেইজনা কোৰাণ শ্বৰিফৰ প্ৰথম চুৰাতেই কৈছে— তেওঁৰ নাম **মালিক**। তথা উল্লেখ কৰিছে **মালিকি ইয়াও মিদ্দীন**। অৰ্থাৎ খোদাতালা পুৰস্কাৰ আৰু শাস্তি দান কৰাৰ মালিক। এয়া প্ৰকাশ্য যে, কোনো মালিকক মালিক ক'ব পৰা নাযায় যেতিয়ালৈকে তেওঁ উভয়ক্ষেত্ৰতে পূৰ্ণ এখতিয়াৰ নাথাকে। অৰ্থাৎ বিচাৰিলে তেওঁ ধৰিব পাৰে, বিচাৰিলে তেওঁ এৰিব

পাৰে।(ছশমা মা'ৰেফত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ২৩,২৪)

পুনৰ মই প্ৰকৃত দিশলৈ দৃষ্টি নিক্ষেপ কৰি লেখিব বিচাৰো যে, আৰ্যসকলৰ অনুসৰি তেওঁলোকৰ পৰমেশ্বৰক 'মালিক' বুলি কোৱা নহ'ব। কিয়নো তেওঁৰ ওচৰত যি আছে তাত তেওঁ এই শক্তি বা কুদৰত থোৱা নাই যে, অধিকাৰ নজন্মালেও কাৰোবাক তেওঁ কোনো কিবা কৃপা কৰি পুৰস্কাৰ দান কৰিব পাৰে। কিন্তু আমি দেখিছোঁ যে কোনো ব্যক্তি যদি সম্পদৰ মালিক হৈ পৰে, তেন্তে তেওঁ এই অধিকাৰ ৰাখে যে তেওঁ যাকে বিচাৰে যিমান দিব মন যায় দিব পাৰে। কিন্তু পৰমেশ্বৰৰ সম্পৰ্কত আৰ্যসকলৰ বিশ্বাস হ'ল- তেওঁ পাপ ক্ষমা কৰিব নোৱাৰে,তেওঁ কাৰোবাক কিবা কিবি উপহাৰস্বৰূপে বা দানস্বৰূপে দিব নোৱাৰে। পুনৰ যদি তেওঁ কেতিয়াবা এনেদৰে কৰে তেওঁৰ প্ৰতি অবিচাৰৰ অভিযোগ উত্থাপন হ'ব। গতিকে **তানাছুখৰ** (এক আত্মা বেলেগৰ আত্মাক গৈ ৰূপ ধাৰণ কৰা) **বিশ্বাসীয়ে কেতিয়াও কোনো কাৰণতে ক'ব নোৱাৰে যে, পৰমেশ্বৰ সৃষ্টিৰ মালিক**। এই কথা মই বহুবাৰ লেখিছো যে মালিকৰ ওপৰত সুবিচাৰৰ বাধ্যবাধকতা আৰোপ কৰাটো অযুক্তিকৰ। গতিকে, সঁচা, আমি মালিকৰ উত্তম গুণাৱলীৰ প্ৰেক্ষিতত এই কথা ক'ব পাৰো যে, তেওঁ 'ৰহিম', তেওঁ দাতা, তেওঁ মহানুভৱ আৰু পাপ ক্ষমাকাৰী। কিন্তু এই কথা ক'ব নোৱাৰো যে, তেওঁ কিনি থোৱা গোলাম, ঘোঁৰা, গৰু আৰু ম'হৰ প্ৰতি সুবিচাৰ বা ইনচাফকাৰী। কিয়নো সুবিচাৰ বিষয়টো কেৱল সেই ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে, যিক্ষেত্ৰত উভয়পক্ষই একপ্ৰকাৰৰ স্বাধীনতা ভোগ কৰে। দৃষ্টান্তস্বৰূপে, আমি পাৰ্থিৱ সম্ৰাটসকলৰ বিষয়ে ক'ব পাৰো যে তেওঁলোক মুন্সেফ বা সুবিচাৰকাৰী আৰু তেওঁলোকে নিজৰ প্ৰজাসকলৰ লগত সুবিচাৰ লগতে সৎ আচৰণ কৰে। তেতিয়ালৈকে প্ৰজাসকল আনুগত্য হৈ থাকিব যেতিয়ালৈকে সুবিচাৰৰ আইনে তেওঁৰ প্ৰতি এই বাধ্যবাধকতা আৰোপ কৰে যে তেওঁ প্ৰজাকুলৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰিব আৰু তেওঁলোকৰ খাজানা আৰু কৰ দান সাপেক্ষে তেওঁলোকৰ জ্ঞান আৰু সামগ্ৰীৰ পূৰ্ণ নিৰাপত্তাৰ বিধান কৰিব লগতে প্ৰয়োজনৰ সময়ত নিজৰ সম্পদৰ পৰা তেওঁলোকক সহায় কৰিব। গতিকে এফালৰ পৰা সম্ৰাটে তেওঁৰ প্ৰজাসকলৰ

ওপৰত শাসন চলাই, আনফালে প্ৰজাসকলেও সম্ৰাটৰ ওপৰত তেওঁলোকৰ আদেশ প্ৰদান কৰে। তথা যেতিয়ালৈকে এই উভয় অৱস্থা সুস্থ আৰু সমন্বয়ৰে কাৰ্যকৰ হৈ থাকিব তেতিয়ালৈকে সেই দেশত শান্তি থাকিব। যেতিয়া কোনো পক্ষৰ পৰা-সেয়া সম্ৰাটৰ পক্ষৰ পৰাই হওঁক আৰু প্ৰজাৰ পক্ষৰ পৰাই হওঁক- উক্ত সমন্বয় সাধনত ব্যৰ্থতা প্ৰদৰ্শন কৰা হ'ব, তেতিয়াই দেশৰ পৰা শান্তি বিতাড়িত হৈ পৰিব। ইয়াত স্পষ্ট হৈ পৰে যে আমি ৰজা- বাদশ্বাহক প্ৰকৃততে মালিক বুলি ক'ব নোৱাৰো। কিয়নো তেওঁলোকৰ এনে প্ৰজাসকলৰ প্ৰতি বাধ্যবাধকতা আছে তেওঁলোকৰ প্ৰতি সুবিচাৰৰ। কিন্তু আমি খোদাক তেওঁৰ 'মালিকিয়ত' বা মালিকিত্বৰ কাৰণে 'ৰহিম' বুলি ক'ব পাৰো, কিন্তু মন্সেফ বা বিচাৰকক ক'ব নোৱৰো। **কোনো বিক্ৰীত ব্যক্তিয়ে তেওঁৰ মালিকৰ পৰা সুবিচাৰ দাৱী কৰিব নোৱাৰে।** তথাপি তেওঁ বিনয় কৰি, কাকুতি-মিনতি কৰি তেওঁৰ মালিকৰ পৰা দয়া ভিক্ষা কৰিব পাৰে। সেই কাৰণে খোদাতালাই সমগ্ৰ কোৰাণ শ্বৰিফৰ মাজত ক'তো নিজকে মুন্সেফ বুলি উল্লেখ কৰা নাই। কিয়নো ইনচাফৰ চাহিদা হৈছে উভয়পক্ষৰ ক্ষেত্ৰত সমতা। অৱশ্যে খোদাতালাক এইদৰে মুন্সেফ বুলি ক'ব পৰা যায় আৰু সেয়া হৈছে তেওঁ বান্দাসকলৰ পৰস্পৰৰ মাজত তেওঁলোকৰ অধিকাৰৰ বিষয়ত সুবিচাৰ কৰি আহিছে। কিন্তু তেওঁ এই অৰ্থত মুন্সেফ নহয় যে কোনো বান্দাই নিজৰ অংশৰ বাবে তেওঁৰ অধিকাৰ দাৱী কৰিব তেওঁৰ ওচৰত। কিয়নো বান্দা যে খোদাৰ মালিকত্বৰ অধীন। লগতে তেওঁৰ অধিকাৰ হৈছে যে তেওঁ যেনেকৈ বিচাৰে তেনে আচৰণ কৰিব তেওঁ মালিকত্বধীন বান্দাৰ লগত। যাক ভাল লাগে সম্ৰাট বনাব, যাক ভাল লাগে ফকীৰ বনাব। লগতে যাক মন যায় কম বয়সতে মৃত্যু দিব, যাক মন যায় দীৰ্ঘায়ু দান কৰিব। আমিও যদি বহু সম্পদৰ যেতিয়া মালিকহৈ পৰো, তেতিয়া সেই সম্পদ ব্যৱহাৰ কৰাত সম্পূৰ্ণ স্বাধীন হৈ পৰো। হয়, খোদা 'ৰহিম' আৰু তেওঁ 'আৰহামুৰ ৰাহিমিন। তেওঁ কোনো ইনচাফ কৰাৰ বাধ্যবাধকতাৰ বাবে নহয়, বৰঞ্চ নিজৰ ৰহমৰ চাহিদাতে তেওঁৰ সৃষ্টিক প্ৰতিপালন কৰে। কিয়নো মই বাৰে বাৰে উল্লেখ কৰিছোঁ যে, মালিকৰ বৈশিষ্ট্য আৰু মুন্সেফৰ বা বিচাৰকৰ বৈশিষ্ট্য পৰস্পৰ সামঞ্জস্যপূৰ্ণ নহয়।

আমি যেতিয়া তেওঁৰ দ্বাৰাই সৃষ্ট, তেতিয়া আমাৰ কি অধিকাৰ আছে যে আমি তেওঁৰ ওচৰত সুবিচাৰৰ দাৱী কৰিম ? হয়, অতি বিনয় সহকাৰে তেওঁৰ ৰহমৰ বাবে অৱশ্যেই প্ৰাৰ্থনা কৰিব পাৰো। এয়া বান্দাৰ পক্ষে অতিশয় দুষ্টামি হ'ব, যদি তেওঁ সেই খোদাৰ পৰা তেওঁৰ বান্দাৰ সম্পাদিত কমাৰ সম্পৰ্কত সুবিচাৰৰ দাৱী কৰে। মানৱ-প্ৰকৃতিয়ে সকলোবোৰত যেতিয়া খোদাতালাৰ ফালৰ পৰাই আৰু তেওঁৰ সকলো শক্তি-সেয়া আত্মিক হওঁক আৰু দৈহিক হওঁক-সকলো তেওঁৰে দান আৰু তেওঁৰে দিয়াৰ সামৰ্থ আৰু সাহায্যৰ দ্বাৰা প্ৰতিটো সৎকৰ্ম সম্পাদিত হয়, তেতিয়া নিজৰ আমলৰ বা কৰ্মৰ ওপৰত ভৰসা কৰি তেওঁৰ ওচৰত সুবিচাৰৰ দাৱী কৰাটো কঠিন বেঈমানী আৰু মুৰ্খতাৰ বাহিৰে আন একো নহয়। একেদৰে এনেধৰণৰ শিক্ষাক আমি প্ৰকৃত জ্ঞানভিত্তিক শিক্ষা বুলি ক'ব নোৱাৰো। বৰঞ্চ এইধৰণৰ শিক্ষাৰ পৰা প্ৰকৃত জ্ঞান সম্পূৰ্ণৰূপে বঞ্চিত। সেয়া মাথো নিবুৰ্দ্ধিতাৰ দ্বাৰা পৰিপূৰ্ণ। সেয়ে খোদাতালাই তেওঁৰ পৱিত্ৰ গ্ৰন্থ কোৰাণ শ্বৰিফত আমাক এই শিক্ষা দিছে যে বান্দাৰ তুলনাত খোদাৰ নাম মুন্সেফ বা সুবিচাৰক ৰখাটো মাথো পাপেই নহয়, বৰঞ্চ সেয়া পৰিষ্কাৰ কুফৰী (ছশমা মা'ৰেফত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ৩২-৩৪)

## খ্ৰীষ্টানসকলৰ কুধাৰণাসমূহৰ ৰদ

এই যে কুধাৰণা বা ৰাছৰাছা, আদল আৰু ৰহম-বিচাৰ আৰু দয়া- এই উভয় গুণ খোদাতালাৰ সত্তাৰ মাজত একেলগে অৱস্থান কৰিব নোৱাৰে। কাৰণ বিচাৰৰ দাৱী হৈছে শাস্তিদান, পক্ষান্তৰত দয়াৰ দাৱী হৈছে সহিষ্ণুতা আৰু কোমলতা। এয়া এক বিভ্ৰান্তি যাৰ মাজত যথাৰ্থ উপলব্ধিৰ অভাৱত অদূৰদৰ্শী খ্ৰীষ্টানসকল সকলো নিপতিত। তেওঁলোকে এয়া চিন্তা কৰা নাই যে, খোদাতালাৰ বিচাৰো এক দয়া। কিয়নো, ইয়াৰ সকলোখিনি মানৱ-কল্যাণৰ বাবে। দৃষ্টান্ত স্বৰূপে, খোদাতালাই যদি এজন হত্যাকাৰীক ক্ষোভৰ বাবে মাৰি পেলোৱাৰ আদেশ দিয়ে, ইয়াত তেওঁৰ উলুহিয়াতৰ বা খোদায়ীত্বৰ কোনো লাভ নহ'ব বৰঞ্চ তেওঁ ইয়াকে বিচাৰিব যে মানৱজাতিয়ে যেন এজনে আনজনক মাৰি মাৰি শেষ হৈ নপৰক। এয়া মানৱজাতিৰ বাবে এক প্ৰকাৰৰ

ৰহম। লগতে বান্দাসকলৰ এই সকলো অধিকাৰ খোদাতালাৰ এইকাৰণে কাৰ্যকৰ কৰিছে যে ইয়াৰ দ্বাৰা যেন শান্তি প্ৰতিষ্ঠিত হয় আৰু এটা দলে আনটো দলৰ ওপৰত অত্যাচাৰ কৰি পৃথিৱীত বিশৃংখলা সৃষ্টি নকৰক। গতিকে, সকলো অধিকাৰ আৰু শাস্তি যি জীৱন আৰু সম্পদ, মান-সন্মান আদি সম্পৰ্কত নিৰ্ধাৰিত কৰা হৈছে সেই সকলোবোৰ মানৱজাতিৰ প্ৰতি এক'ৰহম'ত, গতিকে, আদল আৰু ৰহমতৰ মাজত কোনো সংঘৰ্ষ নাই। এয়া যেন দুখন নৈ, দুটা পৃথক ধাৰাত সমান্তৰাল ভাবে প্ৰবাহিত, আৰু এখনে আনখনৰ পাৰত কোনো প্ৰতিবন্ধকতা সৃষ্টি নকৰে। পৃথিৱীৰ ৰাষ্ট্ৰসমূহতো ইয়াকে দেখা যায়। যি ব্যক্তি অপৰাধী তেওঁ শাস্তিপ্ৰাপ্ত হয়, পক্ষান্তৰত যি ব্যক্তিয়ে উত্তম কামৰ দ্বাৰা চৰকাৰক আনন্দিত কৰে তেওঁ সন্মান আৰু পুৰস্কাৰ লাভ কৰে। এই কথাও মনত ৰাখিব লাগিব যে, খোদাতালাৰ প্ৰকৃত গুণ হৈছে—'ৰহম'। আদল বা বিচাৰৰ এই অৱস্থাৰ সৃষ্টি হয় যুক্তি আৰু আইন প্ৰতিষ্ঠাৰ পিছত। প্ৰকৃত প্ৰস্তাৱত, এয়াও এক প্ৰকাৰৰ ৰহম যি প্ৰকাশ ঘটে বিভিন্ন আকাৰত। যেতিয়া কোনো মানুহক আকল বা যুক্তি-বুদ্ধি দান কৰা হয় আৰু সেই যুক্তি-বুদ্ধিৰ দ্বাৰা তেওঁ খোদাৰ পৰা নিৰ্ধাৰিত সীমাসমূহত বা 'হদুদ' আৰু আইনসমূহৰ সম্পৰ্কত অৱগত হয়, তেতিয়া এই অৱস্থাও তেওঁ আদল বা সুবিচাৰৰ কাৰ্যকৰিতাৰ অধীন হৈ পৰে। কিন্তু ৰহমৰ বাবে আকল বা আইনৰ কোনো চৰ্ত নাই। লগতে যিহেতু খোদাতালাই ৰহম বা দয়া কৰি মানুহক সকলোতকৈ অধিক ফজিলত বা শ্ৰেষ্ঠত্ব আৰু উৎকৰ্ষ দিব বিচাৰিছে, যিহেতু মানুহৰ বাবে বিচাৰৰ ন্যায় আৰু হদুদ বা আইনৰ সীমা নিৰ্দ্ধাৰিণ কৰা হৈছে। গতিকে আদল আৰু ৰহম- বিচাৰ আৰু দয়া- দুয়োটা এটাৰ আনটো বিৰোধী বুলি ভবাটো নিতান্তই মুৰ্খতা ।(কিতাবুল বাৰিয়াহ, ৰুহানি খাজাইন জিলদ ১৩ পৃঃ ৭৩,৭৪)

## এক অতি সূক্ষ্ম সততা

এয়া এক অতি সূক্ষ্ম সত্যতা বা ছদাকত সম্পৰ্কিত প্ৰশ্ন যে, খোদাতালাৰ জ্ঞান-যিহেতু পৰিপূৰ্ণতাৰ কাৰণে সকলো প্ৰকাশ্য আৰু গোপন অণু-পৰমাণু সম্পৰ্কত অৱগত আৰু সতৰ্ক থাকে- সেয়া কেনেকৈ আৰু কিদৰে সম্ভৱ? যদিও তেওঁৰ প্ৰকৃত কৈফিয়ৎ বা প্ৰকৃত অৱস্থা সামগ্ৰিকভাবে যুক্তি-বুদ্ধিৰ

দ্বাৰা অনুধাবন কৰাটো সম্ভৱ নহয়, তথাপি এই কথা উল্লেখ কৰিলে সম্পূৰ্ণ সঁচা কোৱা হ'ব যে সেই জ্ঞান সকলো প্ৰকাৰৰ উপলব্ধ জ্ঞানৰ মাজত সকলোতকৈ শক্তিশালী, উত্তম আৰু পূৰ্ণ। যেতিয়া আমি আমাৰ জ্ঞান আহৰণৰ পদ্ধতিবিলাকৰ ওপৰত দৃষ্টিপাত কৰো আৰু সেইবিলাকৰ প্ৰকাৰ ভেদৰ প্ৰতি দৃষ্টি নিৱন্ধ কৰো, তেতিয়া আমাৰ ওচৰত আমাৰ যাৱতীয় সাধাৰণ জ্ঞানৰ মাজত সেই জ্ঞানকে সকলোতকৈ উন্নত, নিশ্চিত আৰু নিৰংকুশ বুলি ধাৰণা হয়, যি আমাৰ অস্তিত্ব সম্পৰ্কিত। কিয়নো আমি কোনো এজন মানুহে কোনো অৱস্থাতেই নিজস্ব অস্তিত্বক পাহৰি যাব নোৱাৰো, নাই ইয়াৰ প্ৰতি কোনো সংশয় বা সন্দেহ পোষণ কৰিব পাৰো। গতিকে আমাৰ আকল বা যুক্তি-বুদ্ধিৰ বিস্তাৰ যিমান, সিমানেই আমি দেখিবলৈ পাম যে এই প্ৰকাৰৰ জ্ঞানেই হৈছে অধিকতম উন্নত, নিশ্চিত, নিৰংকুশ বা পৰিপূৰ্ণ। লগতে এয়া খোদাতালাৰ পূৰ্ণ আৰু উপযুক্ত সত্তাৰ লগত সম্পূৰ্ণ অসংগতিপূৰ্ণ যে, এইক্ষেত্ৰত তেওঁৰ জ্ঞান তেওঁৰ বান্দাসকলৰ জ্ঞানতকৈ কম হ'ব। কিয়নো এই কথা কেতিয়াও গ্ৰহণ যোগ্য হ'ব নোৱাৰে যে সৰ্বোত্ম জ্ঞান মানৱচিত্তত উপলব্ধ হলেও খোদাতালাৰ মাজত পোৱা নাযায়। ইয়াৰ বাহিৰে এই আপত্তি উঠিব পাৰে যে কি এয়া এনে সেই কাৰণটো যাৰ বাবে খোদাতালাৰ জ্ঞান সৰ্বোন্নত স্তৰৰ জ্ঞানতকৈ কম হ'ব? এয়া কিতেওঁৰ স্বেচ্ছাপ্ৰণোদিত, নে তেওঁৰ কোনো বাধ্যবাধকতাৰ কাৰণ? যদি কোৱা যে এয়া তেওঁৰ স্বেচ্ছাপ্ৰণোদিত তেনেহ'লে গ্ৰাহ্য কৰিব পৰা নাযাব। কিয়নো কোনোৱে স্বেচ্ছাকৃতভাবে নিজৰ ক্ষতিসাধন নকৰে। তেন্তে সেইক্ষেত্ৰত, খোদাতালা-যি স্বয়ং পূৰ্ণ আৰু উপযুক্ত সত্তাৰ অধিকাৰী, তেওঁ কেনেকৈ এই ধৰণৰ ক্ষতি বা অপূৰ্ণতা নিজৰ প্ৰতি আৰোপ কৰিব পাৰিব? আকৌ যদি কোৱা হয় কোনো বাধ্যবাধকতাৰ কাৰণে এই ক্ষতি সম্ভৱ হৈছে। তেন্তে এয়াও সম্ভৱ হ'ব পাৰে যে, এই শ্ৰেণীৰ বাধ্যবাধকতাই খোদাতালাৰ শক্তি আৰু ক্ষমতাৰ ওপৰত বিজয় লাভ কৰিব আৰু খোদায়ে তেওঁৰ ইচ্ছা -ইৰাদাৰ ক্ষেত্ৰতো প্ৰতিহত কৰিব। কিন্তু এই অভ্যাসত অসম্ভৱ। কিয়নো খোদাতালাৰ ওপৰত এনে আন কোনো বাধ্যবাধকতা আৰোপকাৰী ( কোনো উচ্চতৰ সত্তা) কোনো নাই যাৰ বাধ্য দানৰ কঠিনতাৰ বাবে তেওঁ

বাধ্য বা অপৰাগ হৈ পৰিব। গতিকে প্ৰমাণিত সত্য এটাই যে, খোদাতালাৰ জ্ঞান অৱশ্যেই পৰিপূৰ্ণ, নিৰকুংশ আৰু সফল।

যিহেতু আমি প্ৰথমতে প্ৰমাণ কৰি আহিছো যে জ্ঞানৰ যাৱতীয় প্ৰকাৰ বেদৰ মাজত নিৰংকুশ আৰু পূৰ্ণ সফল হৈছে সেই জ্ঞান, যি এনে হ'ব পাৰে যে মানুহৰ নিজৰ অস্তিত্বৰ সম্পৰ্কিত জ্ঞানৰ সমান। গতিকে মানিব লাগিব যে, খোদাতালাৰ জ্ঞান তেওঁৰ সৃষ্টিৰ ক্ষেত্ৰত এনে এক জ্ঞানৰ অনুৰূপ, যাৰ আচল পৰিচয় বা বৈশিষ্ট্য যদিও আমি সামগ্ৰিকভাবে অনুধাবন কৰিবলৈ সক্ষম নহয়, তথাপি আমি আমাৰ বুদ্ধি আৰু মগজুৰ দ্বাৰা, অনুধাবনৰ সমস্যা সত্ত্বেও, অলপ বুজিব পাৰো যে সেয়াই হৈছে সৰ্বোত্তমৰূপে বিশুদ্ধ আৰু নিশ্চিত জ্ঞান, যিক্ষেত্ৰত জ্ঞানী আৰু জ্ঞাতব্যৰ মাজত কোনো প্ৰকাৰৰ বাধা বা পৰ্দা নেথাকিব। গতিকে এয়াই হৈছে সেই প্ৰকাৰৰ জ্ঞান। যিদৰে এজন মানুহে নিজৰ অস্তিত্বৰ সম্পৰ্কত অৱগত হোৱাৰ বাবে আন কোনো মাধ্যমৰ প্ৰয়োজন নহয়, বৰঞ্চ প্ৰাণধাৰী হওঁক আৰু নিজৰ সত্তাক প্ৰাণধাৰী বুলি অৱগত, এই উভয় বিষয়ত পৰস্পৰ ইমান ওতঃপ্ৰোতভাবে একস্থিত যে, ইয়াৰ মাজত এডাল চুলিৰ পৰিমাণৰ পাৰ্থক্য নাই। গতিকে এনে হোৱা উচিত সম্‌গ্ৰ সৃষ্টিৰ সম্পৰ্কত খোদাতালাৰ জ্ঞান। অৰ্থাৎ এইক্ষেত্ৰত জ্ঞানী আৰু জ্ঞাতব্যৰ মাজত এক অণু পৰিমাণ পাৰ্থক্য আৰু দূৰত্ব থাকিব নোৱাৰিব। এয়া উচ্চ স্তৰৰ জ্ঞান, যিটো খোদাতালাৰ খোদায়ী প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰয়োজন, সেয়া কেৱল সেই অৱস্থাতেই তেওঁৰ বাবে প্ৰযোজ্য হ'ব পাৰে, যেতিয়া প্ৰথমতে তেওঁৰ সম্পৰ্কত ইয়াক স্বীকাৰ কৰি লোৱা হ'ব যে, তেওঁৰ মাজত আৰু তেওঁৰ জ্ঞাতব্যৰ মাজত এনেধৰণৰ ওচৰৰ আৰু নিবিড় সম্পৰ্ক বিদ্যমান যে, তাতকৈ অধিক আৰু কল্পনা কৰাটো অসম্ভৱ। লগতে জ্ঞাতবোৰৰ লগত এই অবিচ্ছেদ্য নিবিড় সম্পৰ্ক তেওঁ নিজৰ কেৱল সেই অৱস্থাত হ'ব পাৰে যেতিয়া জ্ঞানীৰ সকলো সামগ্ৰী যি তেওঁৰ জ্ঞাতব্যৰ পৰিধিভুক্ত-সেয়া সকলো তেওঁৰ কুদৰতৰ হাতৰ পৰাই নিৰ্গত হৈছে আৰু সেই সকলোবোৰ তেওঁৰে সৃষ্ট আৰু তেওঁৰে সৃষ্টি। লগতে তেওঁৰ অস্তিত্বৰ পৰাই সেই সকলোবোৰৰ অস্তিত্ব। অৰ্থাৎ অৱস্থা যেতিয়া এইটো হৈ পৰে যে, প্ৰকৃত বাহাকিকী অস্তিত্ব একমাত্ৰ তেওঁ আৰু

আনহাতে সকলোবোৰতেওঁৰে পৰা সৃষ্টি হৈছে, তেওঁৰ লগতে কায়ম বা স্থিতিশীল হৈছে, অৰ্থাৎ সৃষ্টি হোৱাৰ পিছতো নিজৰ সত্তাত তেওঁৰ পৰা স্বাধীন নহয় আৰু তেওঁৰ পৰা বেলেগ নহয়। বৰঞ্চ প্ৰকৃতপক্ষে সকলোবোৰ সৃষ্টি হোৱাৰ পিছতো প্ৰকৃত জীৱন্ত তেওঁৰে। ইয়াৰ বাহিৰে সকলো জীৱনে তেওঁৰে পৰা জন্ম লাভ কৰিছে। লগতে সকলোকে বৰ্ত্তাই ৰাখিছে। প্ৰকৃত মুক্ত বা স্বাধীন একমাত্ৰ তেওঁ আৰু আন আন সকলোবোৰ-সেয়া আত্মাই হওঁক আৰু দেহেই হওঁক- তেওঁৰ নিৰ্ধাৰিত আৰু নিৰ্দিষ্ট বন্দিত্বৰ মাজত বন্দি, তেওঁৰ হাতৰ বন্ধনৰ দ্বাৰা বন্দা আৰু তেওঁৰে নিৰ্ধাৰিত সীমাৰ মাজত সীমাৱদ্ধ আৰু তেওঁ সকলোবোৰকে আগুৰি আছে,ইয়াৰ পিছতো সকলোবোৰ তেওঁৰ 'ৰবুবিয়ত' ৰ আয়ত্তৰ মাজত অৱস্থিত। এনে একো নাথাকিব, যি তেওঁৰ হাতৰ পৰা নিৰ্গত নহ'ব আৰু ৰব্বুবিয়তৰ আয়ত্তাধীন নহ'ব, কিম্বা তেওঁৰ সহায়ৰ দ্বাৰা প্ৰতিফলিত নহ'ব। সংক্ষেপত, অৱস্থা এনেধৰণৰ হলেই খোদাতালাই অবিচ্ছেদ্য সম্পৰ্ক, যিটো পূৰ্ণ জ্ঞানৰ বাবে চৰ্ত, সেয়া সৃষ্টি হ'ব পাৰিব জ্ঞাতবোৰৰ লগত। এই অবিচ্ছেদ্য সম্পৰ্কৰ প্ৰতি ইংগিত কৰি আল্লাতালাই কোৰাণ শ্বৰিফৰ এক স্থানত তেওঁৰ নিৰ্দেশ দান কৰিছে। যেনেকৈ তেওঁ উল্লেখ কৰিছে ঃ وَنَحْنُ اَقْرَبُ اِلَيْهِ مِنْ حَبْلِ الْوَرِيْدِ﴿١٧﴾ (50:17)

অৰ্থাৎ মই মানুহৰ জীৱন হিৰাতকৈ অধিক নিকটবৰ্তী-(50:17) এইদৰে তেওঁ কোৰাণ শ্বৰিফৰ আনস্থানত উল্লেখ কৰিছে ঃ هُوَ اَلْحَيُّ الْقَيُّوْمُ

অৰ্থাৎ প্ৰকৃত প্ৰমায়ু বা হায়াত একমাত্ৰ তেওঁৰে, লগতে অন্যান্য সকলোবোৰ তেওঁৰ পৰাই জন্ম হৈছে আৰু তেওঁৰ লগত জীৱিত আছে। আন কথাত, প্ৰকৃত প্ৰস্তাৱত সকলো প্ৰাণৰো প্ৰাণ আৰু সকলো সক্ষমতাৰো ক্ষমতা তেওঁ.... যদি আত্মাৰ সৃষ্টি হোৱাক স্বীকাৰ কৰা নহয়, কিম্বা তাক সৃষ্ট বুলি স্বীকাৰ কৰা নহয়, তেনেহ'লে এইকথা স্বীকাৰ কৰাৰো কোনো কাৰণ নাই যে এক সম্পৰ্কহীন সত্তা বুলি ভুৱা আখ্যাৰে আখ্যায়িত, সেই আত্মাৰ হাকীকত অৰ্থাৎ সত্যতাৰ সম্পৰ্কত কোনো জ্ঞান নাথাকে আৰু তেওঁৰ জ্ঞান আত্মাৰ চূড়ান্ত স্তৰলৈকে উন্নীত। কিয়নো যি ব্যক্তিয়ে কোনো বস্তুৰ সম্পৰ্কত সম্পূৰ্ণ জ্ঞান

ৰাখে তেওঁ সেই বস্তু নির্মাণো কৰিব পাৰে। যদি তেওঁ নির্মাণ কৰিব নোৱাৰে, তেনেহ'লে বুজিব লাগিব যে তেওঁৰ জ্ঞানৰ মাজত নিশ্চয় ক'ৰবাত কিবা কমকৈ থাকি গৈছে। যদি পূর্ণ জ্ঞান নাথাকে তেনেহ'লে একেধৰণৰ বা সাদৃশ্যৰ বস্তুৰ মাজত পার্থক্য নির্ণয় কৰাতো সম্ভৱ নহ'ব, প্রকৃত বস্তু নির্মাণ কৰাটো দূৰৰ কথা। গতিকে, খোদাতালাই যদি সকলোবোৰৰ স্রষ্টা নহয়-, তেনেহ'লে তেওঁৰ মাজত মাথো সেই অপূর্ণতা দেখা নাযাব, তেওঁৰ জ্ঞান অপূর্ণ, বৰঞ্চ ইয়াৰপৰাও এয়াই প্রমাণিত হ'ব যে, তেওঁ কোটি কোটি আত্মাৰ মাজত পার্থক্য নির্ণয় কৰিবলৈকো নোৱাৰিব আৰু কাৰ আত্মা কোনটো তাক চিনাক্ত কৰিবলৈ অহৰহ বিপাঙত পৰিব, কেতিয়াবা কেতিয়াবা জায়েদসকলৰ আত্মাক বকৰসকলৰ আত্মা বুলি চিহ্নিত কৰি পেলাব। কিয়নো অপূর্ণ জ্ঞানৰ পক্ষে এনেধৰণৰ বিপাঙত পৰাতো স্বাভাৱিক। আকৌ যদি উল্লেখ কৰা যে বিপাঙত নপৰে,তেনেহ'লে এই সম্পর্কত প্রমাণ দাখিল কৰা (ছুৰমা ছশমা আৰিয়া, ৰুহানি খাজাইন জিলদ ২ পৃঃ ২২১-২২৬ হাশিয়া)

সম্ভৱত, ইয়াত কাৰোবাৰ মনত এই কুধাৰণা বা ৰাছৱাছা সৃষ্টি হ'ব পাৰে যে, কোনো সামগ্রীৰ সম্পর্কিত জ্ঞান সম্পূর্ণৰূপে আয়ত্তলৈ আহি গ'লে সেই সমাগ্রী সৃষ্ট সামগ্রী হৈ পৰে। অর্থাৎ হক ছোবহানুহুতায়ালা সম্পর্কিত জ্ঞান, যি তেওঁৰ নিজস্ব সত্তা সম্পর্কিত আৰু পৰিপূর্ণও হয়, সেয়া গভীৰভাবে খোদাতালাই কি নিজেই নিজৰ সত্তাৰ স্রষ্টা ? অথবা তেওঁ জানো তেওঁৰ সদৃশ কোনো সত্তা সৃষ্টি কৰিবলৈ সক্ষম ? এই আপত্তিৰ প্রথামাংশৰ উত্তৰ এই যে, যদি খোদাতালা স্বয়ং নিজৰ অস্তিত্বৰ স্রষ্টা হয়, তেনেহ'লে ধৰি ল'ব লাগিব যে তেওঁ নিজৰ অস্তিত্বৰ মাজত আগৰে পৰা অস্তিত্ববান আছিল। অথচ, এইটো জনা কথা যে কোনোৱে নিজৰ অস্তিত্বত আগৰেপৰা অস্তিত্বৱান হৈ থাকিব নোৱাৰে। অন্যথা বস্তু হ'ব নিজৰ আত্মাৰ পূর্ববর্তী (Matter shall preceed its soul)। **কিন্তু, খোদাতালা যি নিজৰ সত্তাৰ পূর্ণজ্ঞান ধাৰণ কৰে ,তেওঁৰ ক্ষেত্রত জ্ঞানী আৰু জ্ঞান তথা জ্ঞাত একেই বস্তু, যাৰ মাজত পার্থক্য বা ভিন্নতাৰ দ্বিত্বৰ কোনো অৱকাশ নাই**। তেনেহ'লে, ইয়াত সেই ভিন্ন সামগ্রী কোনটো হ'ব যাক চিহ্নিত কৰা হ'ব সৃষ্ট বুলি? সেয়েহে

খোদাতালাৰ নিজৰ জ্ঞান, যি তেওঁ সত্তাৰ লগত সম্পৃত্ত, তাৰ লগত আনৰ একো তুলনা হ'বনোৱাৰে। গুৰুত্বপূৰ্ণ কথা, **আল্লাতালাৰ নিজস্ব জ্ঞান, যি তেওঁৰ সত্তাৰ লগত সম্পৰ্কিত, সেই জ্ঞান আৰু জ্ঞানী তথা জ্ঞাত এনে কোনো ভিন্ন ভিন্ন সামগ্ৰী নহয়, যাৰ একোটাক স্ৰষ্টা তথা আনটোক সৃষ্ট বুলিব পৰা যাব।** অৰ্থাৎ হয়, তেওঁ অস্তিত্ব সৃষ্ট বা মখলুক কোৱাৰ পৰিৱৰ্তে এই বুলি ক'ব লাগিব যে সেই অস্তিত্ব আন কাৰোৰে পৰা সৃষ্ট নহয়, বৰঞ্চ চিৰস্থায়ী আৰু চিৰন্তনৰূপে নিজৰ পক্ষৰ পৰা প্ৰকাশিত হৈছে।। লগতে খোদা হোৱাৰ অৰ্থ এয়াই যে, নিজেই আহিছে। (স্বয়ম্ভু হোৱাৰ অৰ্থই হৈছে স্বয়ং উদ্ভূত)।

আপত্তিৰ দ্বিতীয় অংশ হৈছে, উল্লেখিত আলোচনাৰ পৰা এয়াই প্ৰমাণিত হ'ব যে, খোদাতালাই তেওঁৰ নিজৰ মেছাল বা সদৃশ সৃষ্টি কৰিবলৈ সক্ষম। ইয়াৰ উত্তৰ হৈছে— কুদৰতে ইলাহী বা ঐশ্বৰিকশক্তি কেৱল সেইবোৰ সমাগ্ৰীৰ ফালে মনোনিৱেশ কৰে, যিবোৰ তেওঁৰ চিৰস্থায়ী গুণাৱলীৰ পৰিপন্থী বা বিৰোধী নহয়। নিঃসন্দেহে এই কথা সঠিক আৰু সকলো দিশৰ পৰা সমপ্ৰমাণিত আৰু যথাৰ্থ যে, যি সামগ্ৰীৰ জ্ঞান খোদাতালাৰ পূৰ্ণ বা কামেল, সেই সাম্গ্ৰীক তেওঁ বিচাৰিলে সৃষ্টিও কৰিব পাৰে। কিন্তু এই কথা কোনো মতেই সঠিক নহয় আৰু আৱশ্যকও নহয় যে, তেওঁ যিবোৰ কৰিবলৈ সক্ষম, তাৰ সকলোবোৰকে, তেওঁ বিনাবিবেচনাত নিজৰ পূৰ্ণগুণাৱলীৰ কাৰণে কৰি দেখুৱাব। বৰঞ্চ তেওঁ নিজৰ প্ৰতিটো শক্তিক কাৰ্যকৰ কৰাৰ ক্ষেত্ৰত নিজা কামেল গুণাৱলীৰ অৱশ্যেই মৰ্যাদা ৰক্ষা কৰিব, যাতে তেওঁ যি কৰিব বিচাৰে তাত যেন তেওঁৰ কামেল গুণাৱলীৰ কোনো অন্যথা নহয় আৰু কোনো অসংগতি নাথাকে। যেনে ধৰক, তেওঁ বিচাৰিলে এজন অতি পৰেহজগাৰ সৎ বা ছালেহ ব্যক্তিক দোযৰ জুইত জ্বলাই দিব পাৰে। কিন্তু তেওঁৰ ৰহম, তেওঁৰ সুবিচাৰ আৰু তেওঁৰ পুৰস্কাৰ প্ৰদানকাৰী গুণে তেওঁৰ সেই কাৰ্যত বাধা দান কৰিব। গতিকে তেওঁ এনে কাম কেতিয়াও নকৰে। তেনেকৈ, তেওঁৰ শক্তি এইফালে কেতিয়াও মনোনিৱেশ নকৰে যে, তেওঁ নিজকে নিজেই যেন ধ্বংস কৰি পেলাব। কিয়নো এই কাম তেওঁৰ জীৱনৰ চিৰন্তনতাৰ পৰিপন্থী।

একেদৰেও এইটো বুজি উঠাৰ দৰকাৰ যে তেওঁ তেওঁৰ দৰে কোনো খোদা বনোৱা নাই। কিয়নো, তেওঁৰ একত্ব বা এককত্বৰ গুণ, তেওঁ অনুপম হোৱাৰ গুণ, যি তেওঁৰ মাজত বিদ্যমান চিৰন্তন আৰু চিৰস্থায়ীৰূপে, গতিকে এইফালে মনোনিৱেশ কৰাত তেওঁক বাধা দিয়ে। গতিকে ইমানখিনি চকু উন্মীলন কৰি বুজি উঠা উচিত যে কোনো কাম কৰিবলৈ সক্ষম নোহোৱাটো এটা কথা আৰু সক্ষম হোৱা সত্ত্বেও পৰিপূৰ্ণগুণৰ মৰ্যাদাৰ কাৰণে, সেই গুণৰ পৰিপন্থী কোনো কিছুৰ প্ৰতি মনোনিৱেশ নকৰাটো ভিন্ন কথা।' ( ছুৰমা ছশমা আৰিয়া ৰুহানি খাজাইন জিলদ ২ পৃঃ২৩০-২৩৩)

'নিজস্ব ব্যক্তিগত ক্ষমতা আৰু নিজস্ব ব্যক্তিগত অৱস্থাৰ সন্দৰ্ভত '**আলিমুল গায়িব**' বা গোপন বিষয়ে অৱগত হোৱাটো খোদাতালাৰ এক ব্যক্তিগত বৈশিষ্ট্য। আদিকালৰে পৰা 'আহ্লে হক' বা সত্যৰ ওপৰত প্ৰতিষ্ঠিত ব্যক্তিসকলে এই বিশ্বাস পোষণ কৰি আহিছে যে, সেই '**ৱাজেবুল ৱজুদ**' বা অপৰিহাৰ্য সত্তা (The Necessary Being) ৰ বাবেই এয়াই যথোপযুক্ত যে, তেওঁ নিজস্ব সত্তাত 'আলিমুল গায়িব হ'ব। এই ক্ষেত্ৰত তেওঁৰ কোনো অংশীদাৰ থকাটো যেনেকৈ সম্ভাৱনা নাই, তেনেকৈ তেওঁৰ সকলো মহিমামণ্ডিত নামৰ ক্ষেত্ৰতো কোনো অংশীদাৰ নাই। অৰ্থাৎ বিশ্বাস এটাই যে খোদাতালাৰ বাবে নিজৰ সত্তাত আলিমুল গায়িব হোৱাটো আৱশ্যক। লগতে তেওঁৰ সত্য সত্তাৰ একোটা ব্যক্তিগত বৈশিষ্ট্য হ'ল যে তেওঁ আলিমুল গায়িব। কিন্তু সেইসকলো সম্ভাৱনা যি ধ্বংসশীল আৰু যাৰ সত্যতা বা হকীকত বাতিলযোগ্য, তাৰকোনোটো অংশীদাৰিত্ব মহিমামণ্ডিত গুণাৱলীৰ অধিপতি (খোদাতালাৰ) সত্তাত বৈধ নহয়, নে এই গুণাৱলীৰ ক্ষেত্ৰত বা আন গুণাৱলীৰ ক্ষেত্ৰত। যেনেকৈ ব্যক্তি সত্তাৰ ক্ষেত্ৰত খোদাৰ কোনো শৰীৰ থকাটো নিষিদ্ধ, তেনেকৈ তেওঁৰ গুণাৱলীৰ ক্ষেত্ৰটো নিষিদ্ধ। গতিকে এয়া কাৰো পক্ষে সম্ভৱ নহয় যে, তেওঁ আলিমুল গায়িবৰ ব্যক্তিগত জ্ঞান সম্পৰ্কত অৱগত হ'ব, সেই ব্যক্তি নবী হওঁক, মুহাদ্দেছ হওঁক আৰু অলী হওঁক। গতিকে হয়, ইল্হামে ইলাহী বা ঐশ্বৰিক বাণীৰ মাজেৰে গোপন বা গায়েব ৰহস্য অৱগত হোৱাটো সম্ভৱ লগতে বিশেষ বিশেষ আৰু মনোনীত বান্দাসকলে সেই জ্ঞান লাভ

কৰি তাকে আৰু সেয়া এতিয়াও লাভ কৰাটো সম্ভৱ। গতিকে চৰ্ত এটাই যে, তেওঁলোক আঁ-হজৰত (ছাঃ)ৰ অনুসৰি হ'ব।'
( এক ইছাই কে তিন ছোৱাল আয়ুৰ উন কে জোৱাবাত, ৰুহানি খাজাইন জিলদ ৪ পৃঃ ৪৫৩,৪৫৪)

## খোদা আমাৰ সৈতে মানুহৰ নিচিনা কথা পাতে

আমাৰ জীৱিত হাইয়ুন ওৱা কাইয়ুম খোদা- চিৰঞ্জীৱ আৰু চিৰন্তন খোদাই আমাৰ লগত মানুহৰ দৰে কথা পাতে। আমি যেতিয়া কিবা কথাৰ সুধিব বিচাৰো আৰু প্ৰাৰ্থনা কৰো, তেতিয়া তেওঁ কুদৰতে ভৰা শব্দাৱলীৰ দ্বাৰা উত্তৰ দান কৰে। এই অৱস্থা যদিও হাজাৰ বছৰ ধৰি চলি আহিছে, তথাপি উত্তৰ প্ৰদানত মুখ ঘূৰাই দিয়া নাই। তেওঁ নিজৰ কথাত বিস্ময়ৰ পৰা বিস্ময়কৰ সকলো বিষয় প্ৰকাশ কৰি আহিছে। অসামান্য অলৌকিক সকলো নিদৰ্শন প্ৰদৰ্শন কৰি আহিছে। আননালাগে তেওঁ এই দৃঢ় বিশ্বাস জন্মাই যে, তেওঁ সেইজন যাক খোদা বুলি কোৱাটো উচিত। তেওঁ প্ৰাৰ্থনাসমূহ কবুল কৰে আৰু কবুল কৰাৰ খবৰো দিয়ে। তেওঁ ডাঙৰ ডাঙৰ সমস্যা সমাধান কৰি দিয়ে। মৃতপ্ৰায় ৰোগীলৈকে তাৰ অধিক অধিক দোৱাৰ ফলত জীৱন্ত কৰি দিয়ে আৰু তেওঁৰ এই সকলো অভিপ্ৰায়ৰ বিষয়ে সময়ৰ আগতে নিজৰ কালামৰ জড়িয়তে জানিবলৈ দিয়ে। খোদা হৈছে সেই খোদা যিজন আমাৰ খোদা। তেওঁ নিজৰ কথাৰ মাজেৰে, যি ভৱিষ্যতৰ ঘটনাৱলীৰ প্ৰকাশক, তেওঁৰ দ্বাৰা প্ৰমাণ কৰে যে, তেওঁ পৃথিৱী আৰু আকাশসমূহৰ খোদা। তেওঁ সেইজন যি আমাক সম্বোধন কৰি কৈছে 'মই তোমালোকক প্লেগৰ মৃত্যুৰ পৰা ৰক্ষা কৰিম লগতে ইয়াৰ বাহিৰে সেই সকলোকে যাৰ দ্বাৰা তোমাৰ ঘৰৰ মাজত পূণ্য আৰু পৰেহেজগাৰীৰ সৈতে জীৱন অতিবাহিত কৰে। এই যুগত এনে আন কোন আছে যে মোৰ বাহিৰে এইদৰে ইলহাম বা ঐশ্বৰিক বাণী প্ৰকাশ কৰিছে? তথা তেওঁ নিজৰ, নিজৰ পত্নী আৰু সন্তানসকলৰ আৰু অন্যান্য সৎ মানুহৰ-যি এই ঘৰৰ চাৰিবেৰৰ ভিতৰত বসবাস কৰে- তেওঁলোকৰ বাবে খোদাতালাই দায়বদ্ধতা ঘোষণা কৰিছে?'- (নাছীমে দাৱাত,ৰুহানি খাজাইন জিলদ ১৯ পৃঃ৪৪৮,৪৪৯)

# আল্লাহ্ আৰু তেওঁৰ গুণাৱলী

মানুহৰ স্বভাৱগত অৱস্থাসমূহ- যিহেতু নিজৰ প্ৰকৃতিৰ বাবে অপৰিহাৰ্য- তাৰ মাজৰ এটা অৱস্থা হৈছে, এক উচ্চতৰ অস্তিত্বৰ অনুসন্ধান কৰা, যাৰ বাবে মানুহৰ হৃদয়ৰ অন্তঃস্থলত এক প্ৰকাৰৰ আকৰ্ষণ বিদ্যমান। লগতে এই অনুসন্ধানৰ ক্ৰিয়াশীলতা সেই সময়ৰ পৰাই অনুভূত হৈ থাকে, যেতিয়া কেঁচুৱা মাকৰ পেটৰ পৰা বহিৰলৈ আহে। কিয়নো কেঁচুৱা জন্ম হোৱাৰ লগে লগে প্ৰথম তেওঁৰ ৰূহানী বৈশিষ্ট্য তাক প্ৰদৰ্শন কৰে সেয়া হৈছে - নিজৰ মাকৰ প্ৰতি আকৃষ্ট হোৱা, লগতে স্বভাৱগতভাবে সি মাকৰ প্ৰতি ভালপোৱা পোষণ কৰে। পিছত যিমানেই তাৰ বৃত্তিসমূহ বিকশিত হৈ থাকে আৰু যিমানেই তাৰ প্ৰকৃতি প্ৰস্ফুটিত হৈ থাকে, সিমানেই সেই ভালপোৱাৰ আকৰ্ষণ- যি তাৰ অন্তৰত সুপ্ত হৈ আছিল- নিজস্ব ৰঙে-ৰূপে উদ্ভাসিত হৈ থাকে, প্ৰকাশিত হৈ থাকে। অৱস্থা এনে হৈ পৰে যে সি মাকৰ কোলাৰ বাহিৰে আন ক'তো কোনো সুখ বিচাৰি নাপায়। লগতে সকলো মৰম মাকৰ স্নেহৰ আচলৰ মাজতে বিচাৰি পায়। তাক যদি মাকৰ কাষৰ পৰা আঁতৰ কৰা হয় আৰু আঁতৰ ক'ৰবালৈ নিয়া হয়, তেনেহ'লে তাৰ স্বস্তি নষ্ট হৈ পৰে। তেতিয়া যদি তাৰ সন্মুখত নানা প্ৰকাৰৰ নেয়ামত জমা কৰি দিয়া হয়, তেতিয়াও সি প্ৰকৃত আনন্দ বিচাৰি পাব পাৰে মাকৰ কোলাতহে। মাকৰ বাহিৰে আন একোতেই সি সুখ বিচাৰি নেপায়। এয়া যে ভালপোৱাৰ আকৰ্ষণ, যি তাৰ মাকৰ প্ৰতি সৃষ্টি হয়, সেয়া প্ৰকৃততে কি? প্ৰকৃততে সেয়া হৈছে এনে আকৰ্ষণ যি মাবুদে হাকীকি অৰ্থাৎ প্ৰকৃত উপাস্যৰ বাবে কেঁচুৱাৰ স্বভাৱৰ মাজত সুপ্তকৈ থোৱা হয়। বৰঞ্চ প্ৰতিটো স্থানত মানুহে যে ভালপোৱাৰ সম্পৰ্ক সৃষ্টি কৰে, বস্তুত ঃ সেই আকৰ্ষণে তাত ক্ৰিয়া কৰে আৰু প্ৰত্যেক স্থানত সি নিজৰ আশেকানা জোছ বা প্ৰেমিকসুলভ আবেগ প্ৰকাশ কৰে, সেয়াও প্ৰকৃত প্ৰস্তাৱত সেই ভালপোৱাৰে এক প্ৰতিবিম্ব। সেয়াই যেন আন পালৰ সকলো বস্তুক ওলট-পালট কৰি হেৰোৱাৰ বস্তুৰ সন্ধান কৰে, যাৰ নাম এতিয়া তেওঁ পাহৰি গৈছে। গতিকে মানুহে নিজৰ সা-সামগ্ৰী, তেওঁৰ সন্তান অথবা তেওঁৰ পত্নীৰ প্ৰতি যি ভালপোৱা প্ৰদৰ্শন কৰে তথা সুমধুৰ সংগীতৰ প্ৰতি যি আকৰ্ষণ লক্ষ্য কৰা হয়, সেয়া সকলো বস্তুতঃ এই হেৰোৱা বস্তুৰ অন্বেষণ। মানুহ যিহেতু সেই অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত,

সূক্ষ্মাতিৰ সূক্ষ্ম অস্তিত্বক- যি বস্তুৰ মাজত নিৰ্হিত জুইৰ দৰে গুপ্ত আৰু গুপ্ত সকলোৰে ওচৰত, যি দৈহিক চকুৰ দ্বাৰা দেখাটো সম্ভৱ নহয়। যি অসম্পূৰ্ণ বুদ্ধিৰ দ্বাৰা অনুধাবন কৰা নহয়, তাক জানিবলৈ বিচাৰি মানুহে ডাঙৰ ডাঙৰ ভুলৰ চিকাৰত পৰিণত হৈছে আৰু ভুল কৰি নিজৰ অধিকাৰ আনক দি দিছে।

খোদা তালাই কোৰাণ শ্বৰিফত এটা চমৎকাৰ উপমা দিছে, উল্লেখ কৰিছে যে, এই পৃথিৱী এটা কাঁচৰ ঘৰৰ দৰে, যাৰ মাজৰ অংশ অতি স্বচ্ছ আৰু সুনিৰ্মল কাঁচৰ দ্বাৰা নিৰ্মিত আৰু সেই কাঁচৰ তলদেশৰ মাজেদি প্ৰবাহিত হৈছে পানী আৰু সেয়া প্ৰবাহিত হৈছে প্ৰৱল বেগত। দৃষ্টি যেতিয়া সেই কাঁচৰ ওপৰত পৰে, তেতিয়া সেই কাঁচক পানী বুলি ভ্ৰম হয। মানুহে তেতিয়া সেই কাঁচৰ ওপৰেদি যাবলৈ তেনেকুৱাই ভয় কৰে যেনেকুৱা পানীৰ ওপৰেদি। অথচ, সেয়া প্ৰকৃততে পানী নহয়, কাঁচ। অতিশয় পৰিষ্কাৰ আৰু স্বচ্ছ কাঁচ। গতিকে সেই যে ডাঙৰ ডাঙৰ বস্তুপিণ্ড, যি আমাৰ দৃষ্টিগোচৰ হয়, যেনেকৈ সূৰ্য আৰু চন্দ্ৰ আদি, সেয়া সকলো স্বচ্ছ কাঁচ, যাক উপাসনা কৰা হৈছে ভুল কৰিছে। অথচ সেইবিলাকৰ অন্তৰালত এক মহানশক্তিয়ে নিৰন্তৰ কাম কৰি আহিছে , যি সেই কাঁচবিলাকৰ তলদেশত প্ৰৱাহমান পানীৰ দৰেই প্ৰৱল বেগত প্ৰবাহিত হৈ আছে। লগতে সৃষ্টিৰ পূজাৰীসকলৰ দৃষ্টিত এই ভুল কৰিছে যে, তেওঁলোকে সেই কাৰ্যক অনুভৱ কৰিছে সেই কাঁচবিলাকৰ কাৰ্যৰ দৰে। অথচ, সেই কাৰ্য সম্পাদিত হৈছে সেই কাঁচৰ অন্তৰালবৰ্তী সেই মহাশক্তিৰ দ্বাৰা। এয়াই হৈছে ভাষ্য বা তফচীৰ সংশ্লিষ্ট এই আয়াত কৰীমত ঃ

اِنَّهٗ صَرۡحٌ مُّمَرَّدٌ مِّنۡ قَوَارِيۡرَ ۬ (27:45)

(নিশ্চয় উহ্য-পালিচ কৰা কাঁচ নিৰ্মিত মহল। (27:45)

## আল্লাহক চিনাক্ত কৰাৰ মাধ্যমে পৰিপূৰ্ণ ঐশ্বৰিক ইলহাম হয়

আল্লাতালাৰ অস্তিত্ব যিহেতু অতি উজ্বল হোৱা সত্বেও অতি গোপন, যিহেতু তাক চিনাক্ত কৰাৰ বাবে মাথো এই বিশাল বস্তুজগত, যি আমাৰ

দৃষ্টিৰ সন্মুখত বিদ্যমান, সেয়াই যথেষ্ট নাছিল। সেয়ে এই (মহাবিশ্বৰ বিপুল) সৃজন-বিন্যাসৰ ওপৰত নিৰ্ভৰশীল মানুহে ইয়াৰ সুসমন্বিত শৃংখলা আৰু সুনিপুন নিয়ন্ত্ৰণ যি শত শত বিস্ময়ে ভৰা, তেওঁৰ প্ৰতি গভীৰ দৃষ্টিপাত কৰি পৰ্যাবেক্ষণ কৰিলে দেখা যায়- তেওঁ জ্যোতিৰ্বিজ্ঞান পদাৰ্থবিজ্ঞান আৰু দৰ্শনশাস্ত্ৰত গভীৰ পাণ্ডিত্য অৰ্জন কৰিছে। তেওঁলোক যেন পৃথিৱী আৰু আকাশত সকলো গহীন গহীন প্ৰদেশত প্ৰৱেশ কৰিছে। কিন্তু, তথাপি তেওঁলোকে সন্দেহ আৰু সংশয়ৰ অন্ধকাৰৰ পৰা পৰিত্ৰাণ পোৱা নাই। তেওঁলোকৰ অধিকাংশই নানা ধৰণৰ ভ্ৰান্তিৰ মাজত নিপতিত। অৰ্থহীন কল্পনাৰ বশৱৰ্তী হৈ ক'ৰ পৰা ক'ত যাত্ৰা কৰিছে। যদিও সেই সৃষ্টিকৰ্তাৰ অস্তিত্বৰ সম্পৰ্কত তেওঁলোকৰ কোনো প্ৰকাৰৰ ধাৰণাও সৃষ্টি হৈ থাকে, গতিকে সেয়া মাথো তেতিয়ালৈকে যে এই অতি উন্নত, উত্তম আৰু সুশৃংখল সৃষ্টিসমূহক অৱলোকন কৰি তেওঁলোকৰ মনত এই চিন্তাৰ উদ্ৰেক ঘটাইছে যে, এই যে মহিমামণ্ডিত আজিমুশ্বশ্বান সৃষ্টি জগত যি সৃজন আৰু সু-শৃংখল গভীৰ প্ৰজ্ঞায়ে ভৰপূৰ- তাৰ কোনো সৃষ্টিকৰ্তা থকাটো প্ৰয়োজন। কিন্তু ইমান স্বতঃস্পষ্ট যে এই ধাৰণা অপূৰ্ণ আৰু এই উপলব্ধি অগভীৰ। কিয়নো, এই কথা উল্লেখ কৰা হৈছে যে এই সৃষ্টি জগতৰ বাবে এজন স্ৰষ্টা সঁচাকৈ আছে। সংক্ষেপত এয়া আছিল তেওঁলোকৰ অনুমান নিৰ্ভৰ জ্ঞান। যি হৃদয়ত প্ৰশান্তি আনিব নোৱাৰে, স্বস্তি দিব নোৱাৰে। হৃদয়ৰ পৰা সন্দেহ আৰু সংশয়ক আঁতৰ কৰিব নোৱাৰে। এনে কোনো পিয়লা নহয়, তাৰ পূৰ্ণ জ্ঞান বা মা'ৰেফতৰ সেই তৃষ্ণা নিবাৰণ কৰিব পাৰিব, যি তৃষ্ণাতুৰ মানুহৰ স্বভাৱত নিৰ্হিত হৈ থাকে। এনেধৰণৰ অসম্পূৰ্ণ জ্ঞান বা উপলব্ধি অতি বিপদজনক হৈ পৰে। কিয়নো ইয়াত বহু তৰ্ক-বিতৰ্ক পিছতো শেষত একো মিলি নাযায় আৰু যোগফল শূন্যই হৈ থাকে।

বস্তুতঃ আল্লাতালাই যিমান সময়লৈকে নিজৰ অস্তিত্বৰ কথা প্ৰকাশ নকৰে,স্বয়ং নিজৰ কথাত প্ৰকাশ কৰে, যেনেকৈ তেওঁ প্ৰকাশ কৰিছে নিজৰ কথাত বা কালামত। তেতিয়ালৈকে মাথো তাৰ কাম দেখি সন্তুষ্টি লাভ কৰাটো সম্ভৱ নহয়। উদাহৰণ স্বৰূপে, যদি আমি এনে এটা কোঠা দেখো , যিটো ভিতৰৰ পৰা অতি নিপুণভাবে শিকলি লগাই বান্ধি থোৱা আছে। তেনেহ'লে

এই কাৰ্য দেখি প্ৰথমতে আমি ধাৰণা কৰিম যে ভিতৰত কোনো মানুহ আছে যি ভিতৰৰ পৰা শিকলিডাল লগাই দিছে। কিয়নো বাহিৰৰ পৰা ভিতৰত শিকলি লগোৱাটো সম্ভৱ নহয়। কিন্তু যদি কিছুদিনলৈকে, বা বছৰৰ পাছত বছৰ ধৰি মাত-বোল কৰাৰ পিছতো সেই মানুহৰ ফালৰ পৰা কোনো সঁহাৰি পোৱা নাযায়, তেনেহ'লে ভিতৰত কোনোবা আছে বুলি আমাৰ ধাৰণাটো সলনি হৈ পৰিব। আমি তেতিয়া এই ধাৰণা কৰিম যে ভিতৰত কোনো মানুহ নাই। বৰঞ্চ বিশেষ কিবা কৌশলেৰে ভিতৰত শিকলিডাল লগাই দিছে। এই অৱস্থা হৈছে সেইসকল দাৰ্শনিকৰ যি মাথো কাম দেখি নিজৰ জ্ঞান সমাপ্ত কৰিছে। এয়া অতি ডাঙৰ ভ্ৰান্তিৰ কথা যে খোদাত এজন মৃতকৰ সমান বুলি ভবা হয়, যাক কবৰৰ পৰা উলিয়াই অনাটো মাথো মানুহৰ কাম । খোদা যদি এনেধৰণৰ হৈ পৰে, তেওঁ মানুহৰ চেষ্টাতেই আৱিষ্কৃত হৈছে, তেনেহ'লে সেই খোদাকলৈ আমাৰ যে ইমান আশা ভৰসা সেই সকলো শেষ হৈ যাব। বৰঞ্চ খোদা সেইজন যি সদায় আৰু আদিকালৰে পৰা স্বয়ং '**আনাল মওজুদ**' 'মই আছো' বুলি ঘোষণা কৰি মানুহক তেওঁৰ ফালে আহ্বান কৰি আহিছে। এয়া এটা নিকৃষ্ট অপৰাধ হ'ব, যদি আমি এই ধাৰণা পোষণ কৰো যে, তেওঁক জানিবলৈ বিচৰা বিষয়টো মানুহৰ কৃপাৰ ওপৰত নিৰ্ভৰশীল আৰু যদি দাৰ্শনিকসকল নেথাকিলেহেঁতেন, তেনেহঁলে তেওঁ চিৰনিখোজ বা সন্ধানহীন হৈ পৰিলেহেঁতেন। লগতে এই কথাও কোৱা হৈছে যে খোদাই কেনেকৈ কথা ক'ব পাৰে? তেওঁৰ কি মুখ আছে? এয়াও নিকৃষ্ট ধৃষ্টতা। কিয়? জড়তাক বাদদি আকাশৰ গ্ৰহ-নক্ষত্ৰৰাজি আৰু পৃথিৱীক সৃষ্টি কৰিছে তেওঁ? কিয়? তেওঁ এক জড় চকুৰ বাহিৰে সমগ্ৰ জগতখনক দেখা নাপায়? তেওঁ জড় কাণৰ বাহিৰে আমাৰ শব্দ শুনিব পাৰে নে? তেনেহ'লে এয়াও প্ৰয়োজন নাছিল যে তেওঁ এইদৰে কথা কোৱাটো? এই কথা কোনো কাৰণতে ঠিক নহয় যে, খোদাই আৰু ভৱিষ্যতে কোনো কথা নক'ব, যি ক'বলৈ আছিল অতীততেই ক'লে। আমি তেওঁৰ কথা কোৱা আৰু তেওঁৰ সম্বোধন-সম্ভাষণ কৰাৰ বিষয়ে কোনো যুগ বা কালৰ সীমা বান্ধি দিব নোৱাৰো। ইয়াত কোনো সন্দেহ নাই যে তেওঁ এতিয়াও অন্বেষণকাৰীসকলক ইলহাম বা ঐশ্বৰিক বাণীৰ

ঝৰ্ণাৰ ধাৰাই অভিসিক্ত কৰিবলৈ তেনেকৈ প্ৰস্তুত আছে, যেনেকৈ তেওঁ অতীতত আছিল। এতিয়াও তেওঁৰ কৃপা আৰু কল্যাণৰাজিৰ দুৱাৰ তেনেকৈ উন্মুক্ত হৈ আছে, যেনেকৈ আগতে আছিল। গতিকে, হয় প্ৰয়োজন শেষ হোৱাৰ কাৰণে, চৰিয়ত আৰু হদুদ (Law and Limitations) প্ৰৱৰ্তনৰ বিষয়টো এতিয়া শেষ হৈ গৈছে। সমস্ত ৰেছালাত আৰু নবুয়ত নিজা নিজা সেই শীৰ্ষবিন্দু - যি আছিল আমাৰ নেতা আৰু আকা ছাল্লাল্লাহু আলাইহিছ ছাল্লামৰ সত্তা-তাৰ মাজত উপনীত হৈ চৰম উৎকৰ্ষত উত্তীৰ্ণ হৈছে।' (ইছলামী উছূল কি ফিলাছফী, ৰূহানি খাজাইন জিলদ ১০ পৃঃ ৩৬৩-৩৬৭)

খোদা সম্পৰ্কিত প্ৰকৃত জ্ঞান যাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল সেয়া হৈছে, সেই জীৱন্ত খোদালৈকে প্ৰেৰণ কৰা, যি তেওঁৰ সান্নিধ্যপ্ৰাপ্ত বান্দাসকলৰ লগত অত্যন্ত পৰিষ্কাৰ ভাবে কথাবাৰ্তা কয়। লগতে তেওঁৰ মহিমামণ্ডিত আৰু সুমধুৰ বাণীৰ দ্বাৰা তেওঁলোকক প্ৰশান্তি আৰু পৰিতৃপ্তি দান কৰে। যিদৰে এজন মানুহে আনএজন মানুহৰ লগত কথা কয়— সেইদৰে, নিশ্চিতৰূপে- যিহেতু সকলো প্ৰকাৰৰ সন্দেহ আৰু সংশয়ৰ পৰা মুক্ত- তেওঁ তেওঁলোকৰ লগত কথা পাতে। তেওঁলোকৰ কথা শুনে আৰু তেওঁলোকৰ কথাৰ উত্তৰ দিয়ে। তেওঁলোকৰ প্ৰাৰ্থনা শুনে, সেই প্ৰাৰ্থনা কবুল কৰাৰ কথা তেওঁলোকক জনাই দিয়ে। এফালে মহিমামণ্ডিত আৰু সুমধুৰ কথাৰ দ্বাৰা আৰু আনফালে অলৌকিক কৰ্মৰ দ্বাৰা তথা শক্তিশালী আৰু ক্ষমতা সম্পন্ন নিদৰ্শনৰ দ্বাৰা প্ৰমাণিক কৰি ঘোষণা কৰে—'মই খোদা'। তেওঁ প্ৰথমতে ভৱিষ্যবাণীৰ আকাৰত তেওঁলোকক নিজৰ সহায়, সমৰ্থন আৰু বিশেষভাবে পথ-প্ৰদৰ্শকৰ প্ৰতিশ্ৰুতি দান কৰে, আনহাতে নিজৰ প্ৰতিশ্ৰুতিবোৰৰ মাহাত্ম্য বৃদ্ধি কৰাৰ বাবে এখন জগতক তেওঁৰ বিৰুদ্ধবাদীৰূপে দাঙি ধৰে। সেইসকললোকে তেওঁলোকৰ সমস্ত শক্তিৰ, সমস্ত মক্কৰ আৰু ফেৰাববাজি বা প্ৰতাৰণা আৰু প্ৰত্যেক প্ৰকাৰৰ চক্ৰান্ত আৰু কাৰচাজিয়ে প্ৰচেষ্টা কৰি থাকে, যেন তেওঁলোকে খোদাতালাৰ সেইবোৰ প্ৰতিশ্ৰুতি নস্যাৎ কৰি দিব পাৰে, যি তেওঁ নিজৰ প্ৰিয় মকবুল বান্দাসকলৰ লগত কৰিছিল তেওঁলোকক সহায় আৰু সমৰ্থন দানৰ কাৰণে, তেওঁলোকৰ বিজয়ৰ বাবে। কিন্তু খোদা তেওঁলোকৰ

(বিৰুদ্ধবাদীসকলৰ )

সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি দিয়ে, অনিষ্ট কৰি দিয়ে। তেওঁলোকে দুষ্কৃতিৰ বীজৰোপন কৰি থাকে। খোদাই সেই বিলাকক সমাপ্ত কৰি দিয়ে। আৰু তাৰ শিপা উঠাই বাহিৰত দলিয়াই দিয়ে। সিহঁতে জুই লগাই দিয়ে । খোদাই তাক নিৰ্বাপিত কৰি থাকে। তেওঁলোকে তেওঁলোকৰ সকলো প্ৰচেষ্টাক চৰম পৰ্যায়ত উপনীত কৰে আৰু খোদা সকলোবোৰ বুমেৰাং কৰি সিহঁতৰ ফালেই উভতাই দিয়ে। খোদাতালাই গৃহীত বা মকবুল আৰু ধৰ্মপৰায়ণ বান্দাক সহজ-সৰল প্ৰকৃতিৰ হৈ থকা আৰু তেওঁলোকে খোদাতালাৰ ওচৰত সেইবিলাক শিশুৰ নিচিনা হৈ থাকে যি মাকৰ কোলাত থাকে। দুনিয়া তেওঁলোকৰ লগত শত্ৰুতা কৰে, কিয়নো তেওঁলোক দুনিয়াৰ লোক নহয়। সেয়ে, নানা প্ৰকাৰৰ চক্ৰান্ত আৰু ফেৰেব আৰু প্ৰতাৰণা কৰা হয় সিহঁতক একেবাৰে উঘালি পেলোৱাৰ বাবে। জাতিসমূহ সিহঁতক দুখ-কষ্ট দিয়াৰ বাবে ঐক্যৱদ্ধ হৈ পৰে। লগতে সকলো লোক একত্ৰিত হৈ একেখন ধনুৰ পৰা তেওঁলোকৰ প্ৰতি কাঁড় এৰি থাকে আৰু নানা প্ৰকাৰৰ অপবাদ, কলংক জাপি থাকে। যেন যিকোনো উপায়ে হওঁক তেওঁলোকক ধ্বংস কৰিব পৰা যায় আৰু তেওঁলোকৰ কোনো নাম-চিহ্ন নাথাকে। কিন্তু অৱশেষত খোদাতালাই নিজৰ অংগীকাৰসমূহ পূৰণ কৰি দেখাই দিয়ে। এইদৰে তেওঁলোকৰ জীৱন ব্যাপি এইবিলাক ঘটনা অব্যাহতৰূপত জাৰি হৈ পৰে। এফালে তেওঁলোকে খোদাতালাৰ সত্যবাণী, যিহেতু সুস্পষ্ট আৰু সুনিশ্চিত, তাৰ দ্বাৰা সন্মানিত হৈ থাকে আৰু সেই গোপন বিষয়াদিৰ সম্পৰ্কিত জ্ঞান, যি মানুহৰ ক্ষমতা বৰ্হিভূত-তাক খোদায়ে কাদেৰ আৰু কৰীম নিজৰ সুস্পষ্ট কালামৰ মাজেৰে প্ৰকাশ কৰে। আনফালে মোজেজানা বা অলৌকিক কৰ্মকাণ্ড-যিবিলাক প্ৰতিশ্ৰুতিক পূৰ্ণ কৰি দেখায়-তাৰ দ্বাৰা তেওঁলোকৰ বিশ্বাস বা ইয়াকীনক 'নুৰুন আলা নুৰ'- পোহৰতকৈ পোহৰলৈ ৰূপান্তৰিত কৰি দিয়ে। যি মানুহৰ প্ৰকৃতিত এই চাহিদা থাকে যে-খোদাক দৃঢ় বিশ্বাসৰ সৈতে চিনাক্ত কৰা হওঁক, সিমানেই মা'ৰেফত- সেয়ে সেই মা'ৰেফতৰ কথাই হওঁক, কৰ্মই হওঁক তাক তাজাল্লী বা জ্যোতিবিকাশৰ দ্বাৰা পূৰ্ণ কৰা হয়। এনে যে এক বিন্দু পৰিমাণৰ আন্ধাৰ তাৰ মাজত নাথাকে।

এয়া হৈছে সেই খোদা যাৰ সম্পৰ্কত এই সকলো কথাৰ আৰু কামৰ তাজাল্লিয়াতে বা জ্যোতিবিকাশৰ পিছত- যাৰ মাজত পুৰস্কাৰ আৰু নেয়ামত বিদ্যমান হৈ থাকে আৰু যি হৃদয়ৰ ওপৰত অতি শক্তিশালী প্ৰভাব বিস্তাৰ কৰে,- তাৰে মাধ্যমত মানুহৰ সৌভাগ্য হৈ পৰে জীৱন্ত ঈমান লাভৰ। খোদাৰ লগত এক প্ৰকৃত আৰু পৱিত্ৰ সম্পৰ্ক সৃষ্টি হোৱাৰ কল্যাণত তেওঁলোকৰ প্ৰবৃত্তিৰ যাৱতীয় কলুষিত সেয়াও আঁতৰ হৈ পৰে।তেতিয়া সকলো দুৰ্বলতা নাইকিয়া হৈ পৰে স্বৰ্গীয় জ্যোতিৰ লেলিহান শিখা দৰ্শনত অভ্যন্তৰীণ অন্ধকাৰে বিদায় গ্ৰহণ কৰে। এক বিস্ময়কৰ পৰিৱৰ্তন প্ৰকাশিত হয়। গতিকে, যি ধৰ্মই এই খোদাক- সেই সকলো গুণাৱলীৰে গুণান্বিত বুলি সাব্যস্ত কৰি উত্থাপন কৰিবনোৱাৰে আৰু ঈমানক অতীতৰ সাধু-কাহিনী আৰু এনেসকলো কথা-বাৰ্তাক অলীক ক্ৰিয়াকাণ্ডৰ মাজত সীমাৱদ্ধ কৰে, যাক কেতিয়াও শুনিব পৰা নাযায়, সেয়া কেতিয়াও খাটি বা সত্যধৰ্ম হ'ব নোৱাৰে। যেনেকৈ এই ধৰণৰ ভুৱা খোদাৰ আনুগত্য মানি লোৱাটো ভাল যেনে- এক মৃত সম্পৰ্কত এই বিশ্বাস আৰু আশা পোষণ কৰি আহিছে যি জীৱিতসকলৰ দৰে কাম কৰিব। সেই খোদা থকা নথকা একেই কথা, যি সদায় জীৱিতৰূপত নিজৰ অস্তিত্বক নিজেই প্ৰমাণ কৰিবলৈ সক্ষম নহয়,সেয়া মাথো এটা মূৰ্তি, যি কথা নকয়, নোশুনে আৰু কোনো প্ৰশ্নৰ উত্তৰো দিব নোৱাৰে। যি নিজৰ শক্তিক এনেদৰে প্ৰকাশ কৰিব নোৱাৰে, যাক দেখি এজন কট্টৰ নাস্তিকেও কোনো সন্দেহ কৰিব নোৱাৰে।(বাৰাহীনে আহমদীয়া, পঞ্চম খণ্ড, ৰুহানি খাজাইন জিলদ ২১ পৃঃ ৩১,৩২)

**ওৱাছওছা** সপ্তম ঃ মানুহে খোদাৰ লগত বাৰ্তালাপ কৰা ধাৰণা বা অভিমতটো আদব বা শিষ্টাচাৰৰ বহিৰ্ভূত। নশ্বৰ যি তাৰ লগত অবিনশ্বৰ আৰু চিৰন্তন সত্তাৰ কি সম্পৰ্ক? লগতে শাশ্বত আৰু নিত্য জেউতিৰ লগত এক সৃষ্টিৰ ধূলিকণাৰ কি সাদৃশ্য?

**উত্তৰ** ঃ এইধৰণৰ ধাৰণা একেবাৰে অমূলক আৰু অযুক্তিকৰ। ইয়াক চূৰ্ণ-বিচূৰ্ণ কৰাৰ বাবে মানুহৰ পক্ষত ইয়াকে বুজি উঠাটো যথেষ্ট যে, কৰীম আৰু ৰহমান খোদা বনী আদমৰ সফল ব্যক্তিসকলৰ হৃদয়ত নিজৰ মা'ৰেফত

বা পূৰ্ণ উপলব্ধিৰ বাবে এনে সীমাহীন প্ৰেৰণা সৃষ্টি কৰি দিছে আৰু নিজৰ প্ৰেম আৰু নিজৰ আসক্তিৰ প্ৰতি এনে আকৰ্ষণ সৃষ্টি কৰি দিছে যে তেওঁলোক নিজৰ অস্তিত্বতে বিলীন হৈ পৰিছে। এনে অৱস্থাত, এই ধাৰণা পোষণ কৰে যে খোদাতালাই তেওঁলোকৰ লগত কথাবাৰ্তা কৰিব নিবিচৰাটো এই কথাৰ সমতুল্য তেওঁলোকৰ সকলো প্ৰেম আৰু ভালপোৱা ব্যৰ্থ হৈ পৰিছে আৰু তেওঁলোকৰ সকলো প্ৰেৰণা মাথো এক পক্ষীয় কল্পনামাত্ৰ। কিন্তু চিন্তা কৰা উচিত যে এনে ধাৰণা কিমান অলীক আৰু কিমান অযুক্তিকৰ? যি মানুহক তেওঁ সান্নিধ্য লাভৰ বাবে যোগ্যতা দান কৰে আৰু নিজৰ প্ৰেম আৰু ভালপোৱাৰ বাবে প্ৰেৰণা দি ব্যাকুল আৰু আবেগিত কৰি তুলিছে, তেওঁৰ বাণীৰ কল্যাণময়তাৰ পৰা জানো তেওঁৰ অন্বেষণকাৰীসকল বঞ্চিত হৈ থাকিব? কিয়, এইটো সত্য নহয় যে, খোদাৰ প্ৰেম আৰু খোদাৰ ভালপোৱা, লগতে খোদাৰ বাবে আত্মহাৰা আৰু আত্মবিলীন হোৱা- সকলো সম্ভৱ আৰু বৈধ, ইয়াত খোদাৰ মহিমাৰ মাজত কোনো তাৰতম্য হয় নেকি? তেনেহ'লে প্ৰকৃত প্ৰেমিকৰ হৃদয়ত খোদাৰ কালাম বা বাণী অৱতীৰ্ণ হোৱাটো অসম্ভৱ আৰু অবৈধ হ'ব কিয়? ইয়াত খোদাৰ মহিমাৰ তাৰতম্য ঘটিব কিয়? মানুহৰ পক্ষত খোদাৰ প্ৰেমৰ অসীম অটল সাগৰত ডুব দিয়াটো আৰু কোনো এক লক্ষ্যত থমকি নেযোৱা- এই কথাৰ অকাট্য প্ৰমাণ যে তেওঁৰ আশ্চৰ্য আত্মাক খোদাৰ মা'ৰেফত বা সত্যোপলব্ধিৰ বাবে সৃষ্টি কৰা হৈছে। গতিকে যি বস্তুক খোদাৰ মা'ৰেফতৰ বাবেই সৃষ্টি কৰা হৈছে তাক যদি সেই পূৰ্ণ মা'ৰেফত লাভৰ যি মাধ্যম সেই ইলহাম বা ঐশ্বৰিকবাণী দান কৰা নহয়, তেনেহ'লে এই কথা ক'ব লাগিব যে, খোদাই তেওঁক তেওঁৰ মা'ৰেফতৰ বাবে সৃষ্টি কৰা নাই। অথচ এই কথা ব্ৰাহ্মণ সমাজেও অস্বীকাৰ নকৰে যে - পুণ্য প্ৰকৃতিৰ মানুহৰ আত্মা খোদাৰ মা'ৰেফাতৰ বাবে ক্ষুধাৰ্ত আৰু পিপাচাৰ্ত। গতিকে এতিয়া তেওঁলোকে নিজেই বুজিব লাগিব যে **বিশুদ্ধ প্ৰকৃতিৰ মানুহ নিজেই প্ৰকৃতিগত কাৰণতে খোদাৰ মা'ৰেফতৰ অনুসন্ধানী, তথা ইয়াকো প্ৰতিপন্ন কৰা হৈছে যে মা'ৰেফতে ইলাহীৰ সৰ্বোত্তম মাধ্যম ঐশ্বৰিক বাণী বা ইলহামে-ইলাহীৰ বাহিৰে আন একো নহয়।** সেয়ে যদি কোৱা হয় যে, পূৰ্ণজ্ঞান বা কামেল

মা'ৰেফত লাভ কৰা সেই মাধ্যম লাভ কৰাটো সম্ভৱ নহয়, তথা তাক অন্বেষণ কৰাটো শিষ্টচাৰ বৰ্হিভূত, তেনেহ'লে তাত খোদাতালাৰ প্ৰজ্ঞা বা হেকমতৰ ওপৰত এনে কঠিন অপবাদ জাপি দিয়া হ'ব যে, তেওঁ মানুহক নিজৰ মা'ৰেফতৰ বাবে প্ৰেৰণা দিলেও সেই মা'ৰফত লাভৰ বাবে কোনো মাধ্যম দিয়া নাই। যেন ভোক যি পৰিমাণৰ আছিল সেই পৰিমাণৰ ৰুটি দিব বিচৰা নাই। তথা যিমান তৃষ্ণা সৃষ্টি কৰিছিল সিমান পৰিমাণ পানী সৰবৰাহ কৰাটো অনুমোদন জনোৱা নাই। কিন্তু বিবেক-বুদ্ধি সম্পন্ন লোকে এই কথা অতি ভালকৈ বুজিব পাৰে যে এনেধৰণৰ ধাৰণা সম্পূৰ্ণৰূপে খোদাতালাৰ আজিমুশ্বশ্বান-অতি মহান ৰহমতবোৰক চিনি নোপোৱাৰ দৰে। পৰম প্ৰজ্ঞাময় খোদাই মানুহৰ সকলো সৌভাগ্য ইয়াৰ মাজতে ৰাখিছে যি এই দুনিয়াৰ উলুহিয়াত বা খোদায়িত্বৰ উজ্বল ৰশ্মিমালাক সুস্পষ্টভাবে দেখিবলৈ পায়, যাতে তেওঁক সেই অতি সক্তিশালী আকৰ্ষণৰ দ্বাৰা খোদাৰ দিশে টানি নিব পৰা যায়। তেনেহ'লে এনেৰূপ কৰীম আৰু ৰহীমৰ সম্পৰ্কত এই ধাৰণা পোষণ কৰা হ'ব যে, তেওঁ মানুহক কাংখিত সৌভাগ্য আৰু নিজৰ প্ৰকৃতি বাঞ্চিত মৰ্যাদাত বা স্তৰত উন্নীত কৰিবলৈ নিবিচাৰে, সেয়া ব্ৰাহ্মসমাজীসকলৰ এটা উদ্ভট ধাৰণা।' (বাৰাহীনে আহমদীয়া,খণ্ড চাৰি,ৰুহানি খাজাইন জিলদ ১ পৃঃ ২৩০-২৩২ হাশিয়া)

খোদাতালাই মানুহক যি উদ্দেশ্যেৰে সৃষ্টি কৰিছিল, সেই উদ্দেশ্য সাধনৰ কাৰণে তেওঁ প্ৰথমৰে পৰা তাৰ মাজত প্ৰয়োজনীয় সকলো শক্তি বা বৃত্তি সৃষ্টি কৰি থৈছিল। উদাহৰণস্বৰূপে, মানুহৰ আত্মাৰ মাজত এক প্ৰেমৰ শক্তি বিদ্যমান আছে। তথা কোনো মানুহে যদি ভুলকৈ আন কাৰোবাৰ লগত প্ৰেম কৰে, তেওঁৰ প্ৰেমৰ পাত্ৰ যদি আন কাৰোবাক নিৰ্ধাৰণ কৰে, তথাপি সুস্থ বুদ্ধিৰে অতি সহজতেই বুজিব পাৰিব যে, এই প্ৰেমৰ শক্তি আৰু আত্মাৰ মাজত এই বাবেই থোৱা হৈছিল যেন তেওঁ নিজৰ প্ৰকৃত প্ৰেমাস্পদ যি নিজৰ খোদা, তেওঁৰ লগত হৃদয়ৰে সকলো শক্তিৰে সকলো আগ্ৰহ আৰু আকৰ্ষণসহ প্ৰেম কৰিব পাৰে।

গতিকে আমি কি এই কথা ক'ব পাৰো যে- এয়া যি প্ৰেমৰ শক্তি, যি

মানবাত্মাৰ মাজত বিদ্যমান হৈ আছে,যাৰ তৰংগমালা সীমাহীন, যাৰ চৰম উত্তাল অৱস্থাত মানুহে নিজৰ প্ৰাণলৈকে বিসৰ্জন দিবলৈ প্ৰস্তুত হৈ পৰে। সেয়া যদি আদিৰে পৰা আত্মাৰ ভিতৰত নিজে নিজেই সঞ্চাৰিত হৈ পৰিছে? নাই, কেতিয়াও নহয়। খোদাই যদি মানুহ আৰু নিজৰ সত্তাৰ মাজত প্ৰেমৰ সম্পৰ্ক স্থাপনৰ বাবে আত্মাৰ মাজত প্ৰেমৰ শক্তি সৃষ্টি কৰাৰ মাধ্যমেৰে এই সম্পৰ্ক নিজেই সৃষ্টি কৰা নাছিল তেনেহ'লে ক'ব লাগিব যে বিষয়টো মাথো আকস্মিক। তথা তেওঁলোকৰ পৰমেশ্বৰৰ এক পৰম সৌভাগ্য যে আত্মাবোৰৰ মাজত প্ৰেমৰ শক্তি থাকি গৈছে। নহ'লে বিষয়টো অতি আকস্মিকভাবে অন্য ধৰণে কিবা ঘটি গৈছে, অৰ্থাৎ আত্মাবোৰৰ মাজত যদি প্ৰেম কৰাৰ শক্তি নাথাকিলেহেঁতেন, তেনেহ'লে পৰমেশ্বৰৰ প্ৰতি মানুহে কোনো প্ৰকাৰে খেয়াল কেতিয়াও নাৰাখিলেহেঁতেন। তথা সেই পৰমেশ্বৰৰ প্ৰতি কোনো পৰিকল্পনা বা প্ৰচেষ্টা চলাব নোৱাৰিলে হয়। কিয়নো ইয়াৰ দ্বাৰা নাস্তিৰ পৰা আস্তি হোৱাটো সম্ভৱ নহয়। কিন্তু লগে লগে এই বিষয়টোও ভাবি চাব লাগিব যে, পৰমেশ্বৰৰ প্ৰতি ভক্তি আৰু উপাসনা আৰু সৎ কৰ্মৰ বাবে দাৱী কৰাটো এই কথাৰ প্ৰমাণ কৰিছে যে তেওঁ নিজেই প্ৰেম আৰু আৰাধনাৰ শক্তি মানুহৰ আত্মাৰ মাজত সংস্থাপিত কৰিছে। কাৰ্যত, তেওঁ প্ৰত্যাখা কৰে যে, মানুহৰ মাজত তেওঁ নিজেই যিবোৰ শক্তি দি থৈছে, তাৰ বাবে মানুহে তেওঁৰ প্ৰেম আৰু আৰাধনাৰ মাজত নিমগ্ন হোৱা উচিত। অন্যথা পৰমেশ্বৰৰ মনত এই অনুৰাগ কি সৃষ্টি হ'ব যে মানুহৰ লগত প্ৰেম কৰিব। তথা আনুগত্য প্ৰকাশ কৰিব। তথা নিজৰ ইচ্ছা অনুসৰি কাম-কাজ সম্পাদন কৰিব। ( নাচীমে দাৱাত,ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৩৮৫-৩৮৬)

## পৱিত্ৰ হয় যেতিয়া তেওঁক পায়

(91:10) قَدْ اَفْلَحَ مَنْ زَكّٰىهَا ۝

( যিজনে ইয়াক (আত্মাক) পৱিত্ৰ কৰিছে, তেওঁ নিশ্চয় সফল হৈছে'- (91:10)

'কোনোবাই যদি বিচাৰে হৃদয় সেই পৱিত্ৰ ক্ষণত
নিজকে পৱিত্ৰ কৰিলে তাক পাব সংগোপণত।'

‘প্ৰতিটো জাতিয়ে এই দাৱী কৰে যে- তেওঁলোকৰ মাজত সকলো ভাল মানুহ, যি খোদাতালাক ভালপায়। কিন্তু এই দাৱীটো প্ৰমাণিত কৰাৰ বাবে যি প্ৰয়োজন, সেয়া হৈছে খোদাতালাও তেওঁলোকক ভাল পাইছে নে তাক লক্ষ্য কৰাটো। তথা খোদাতালাৰ ভালপোৱা লাভ কৰাৰ বাবে প্ৰথমতে তেওঁলোকে নিজৰ হৃদয়ৰ মাজৰ পৰা সেই পৰ্দা আঁতৰ কৰিব লাগিব, যাৰ বাবে মানুহে খোদাতালাৰ অস্তিত্বৰ প্ৰতি দৃঢ়ভাবে ঈমান আনিব নোৱাৰে। তথা এনেধৰণৰ অন্ধকাৰাচ্ছন্ন উপলব্ধিক লৈ তেওঁৰ অস্তিত্বৰ প্ৰতি বিশ্বাস পোষণ কৰে। বৰঞ্চ কেতিয়াবা কেতিয়াবা পৰীক্ষাৰ সময়ত তেওঁৰ অস্তিত্ব অস্বীকাৰ কৰি থাকে। তথা এই পৰ্দা অপসাৰিত কৰাত ঐশ্বৰিকবাণী বা ‘মকালামাতে ইলাহীয়া’ৰ বাহিৰে আন কোনো উপায় সম্ভৱ নহয়। গতিকে, মানুহে প্ৰকৃত মা’ৰেফতৰ উৎসৰ পৰা কেৱল সেইদিনাই প্ৰাণ ভৰি পান কৰিব পাৰে, যিদিনাখন খোদাতালাই তেওঁক সম্বোধন কৰিছিল ‘**আনাল মওজুদ**’-(মই আছো)ৰ শুভসংবাদ নিজেই তেওঁলোকক দান কৰিছিল। তেতিয়া মানুহৰ উপলব্ধি বা মা’ৰেফত কেৱল যুক্তি-তৰ্ক অথবা সংশয়যুক্ত চিন্তা-চেতনাৰ মাজত সীমাৱদ্ধ নাথাকিব, বৰঞ্চ খোদাতালাৰ লগত তেওঁৰ এনে সান্নিধ্য লাভ হ’ব যে, তেওঁ যেন তাক দেখিবলৈ পায়। তথা এয়াই সঠিক আৰু সম্পূৰ্ণ সঠিক যে খোদাতালাৰ প্ৰতি পূৰ্ণ ঈমান সেইদিনা মানুহৰ ভাগ্য ঘটিব, যিদিনা আল্লাহ জাল্লাশ্বানুহুয়ে নিজৰ অস্তিত্বৰ সংবাদ নিজেই দান কৰিব।

খোদাতালাৰ ভালপোৱাৰ দ্বিতীয় নিদৰ্শন হৈছে- তেওঁ নিজৰ প্ৰিয় বান্দাসকলক মাথো তেওঁৰ অস্তিত্বৰ সংবাদ প্ৰদান কৰি ক্ষান্ত নহয়, বৰঞ্চ নিজৰ ৰহমত আৰু কৃপাৰ কাৰ্যকাৰিতাও বিশেষভাবে তেওঁলোকৰ ওপৰত বিশেষভাবে প্ৰকাশ কৰে। তথা তেওঁ এইদৰে তেওঁলোকৰ প্ৰাৰ্থনাসমূহ- যি বাহ্যিকভাবে পূৰ্ণ হোৱাটো এক দুৰাশা মাত্ৰ,তাক কবুল কৰে নিজৰ বাণী আৰু ইলহামৰ দ্বাৰা তেওঁলোকক সেয়া জনাই দিয়ে। তেতিয়া তেওঁলোকৰ হৃদয়ত এই প্ৰশান্তি জন্মে যে এয়া হৈছে আমাৰ সৰ্বশক্তিমান খোদা, যি আমাৰ দোৱাবোৰ শুনে আৰু আমাক জনাই দিয়ে আৰু আমাক দুখ-দুৰ্দশাৰ পৰা পৰিত্ৰাণ দান কৰে। সেইদিনাৰে পৰা পৰিত্ৰাণ বা নাজাতৰ বিষয়টোৰ উপলব্ধি

জাগে। তথা খোদাতালাৰ অস্তিত্বৰ সম্পৰ্কত সঠিক জ্ঞান জন্মে। যদিও জাগ্ৰত কৰাৰ বাবে আৰু সৰ্তক কৰাৰ বাবে কেতিয়াবা কেতিয়াবা আনসকলেও সঁচা সপোন দেখে, তথাপি এই পদ্ধতিৰ স্তৰ আৰু মৰ্যাদা তথা প্ৰকাৰ ভিন্ন ভিন্ন। খোদাতালাই যি কথা-বতৰা মাথো বিশেষ সান্নিধ্যপ্ৰাপ্ত ব্যক্তিয়ে লাভ কৰে আৰু যেতিয়া কোনো সান্নিধ্যপ্ৰাপ্ত ব্যক্তিয়ে প্ৰাৰ্থনা কৰে তেতিয়া খোদাতালাই নিজৰ শক্তিৰ প্ৰখৰ প্ৰতাপৰ জড়িয়তে প্ৰকাশিত হয় আৰু নিজৰ আত্মাক সেইবিলাকৰ ওপৰত অৱতীৰ্ণ কৰে আৰু নিজৰ ভালপোৱাৰে ভৰা শব্দাৱলীৰ দ্বাৰা তেওঁলোকৰ দোৱা কবুল কৰাৰ সু-সংবাদ দান কৰিছে। তথা যি ব্যক্তিৰ লগত এইধৰণৰ কথাবাৰ্তা প্ৰচুৰ পৰিমাণে হয়, তাকেই নৱী বা মুহাদ্দিছ বুলি কোৱা হয়।' (হুজ্জাতুল ইছলাম,ৰুহানি খাজাইন জিলদ ৬ পৃঃ ৪২,৪৩)

মনত ৰাখিব লাগিব যে বান্দাই উত্তম আচৰণ দেখি নিজৰ ভালপোৱা প্ৰকাশ কৰে, কিন্তু খোদাতালাই তাৰ বিনিময়ত বিস্ময়কৰ ৰূপে গুৰুত্ব দি থাকে। বান্দাৰ দ্ৰুত অগ্ৰসৰ হোৱাৰ তুলনাত তেওঁ নিজৰ ফালে বিজুলীৰ গতিত আকৰ্ষণ কৰে। তথা পৃথিৱী আৰু আকাশৰ পৰা তেওঁৰ বাবে নিদৰ্শন প্ৰকাশ হয়। তথা বন্ধুসকলৰ বন্ধু আৰু শত্ৰুসকলৰ শত্ৰু হৈ পৰে। পুনৰ যদি পঞ্চাশ কোটি মানুহো তেওঁৰ বিপক্ষে থিয় দিয়ে, তেন্তে সিহঁতক এনেদৰে লাঞ্ছিত, পংগু আৰু অসহায় কৰি তুলিব যেন তেওঁলোক মৃত একোটা পোক। তথা এজন মানুহৰ বাবেই এখন জগত ধ্বংস কৰি দিব। তথা নিজৰ মাটি আৰু আকাশক তেওঁৰ খাদেম বনাই দিয়ে। তথা তেওঁৰ কথাৰ মাজত কল্যাণ দান কৰে। লগতে সম্‌গ্ৰ ঘৰ-দুৱাৰত পোহৰৰ বৃষ্টিধাৰ বৰ্ষণ কৰে। তেওঁৰ পোছাকত আৰু তেওঁ খাদ্য-পানীত আৰু সেই মাটিত যাৰ ওপৰত তেওঁৰ পদক্ষেপ পৰেতাতো কল্যাণ দান কৰে। তেওঁ তেখেতৰ চকু হৈ পৰে, যাৰ দ্বাৰা তেওঁ দেখে তথা তেওঁৰ কাণ হৈ যায়, যাৰ দ্বাৰা তেওঁ শুনিবলৈ পায় , লগতে তেওঁ জিভা হৈ পৰে যাৰ দ্বাৰা তেওঁ কথা কয়, ভৰি হৈ পৰে যাৰ দ্বাৰা চলা-ফুৰা কৰে, হাত হৈ পৰে যাৰ দ্বাৰা সেই দৃশ্যমনৰ ওপৰত আক্ৰমণ কৰে। তেওঁ নিজৰ শত্ৰুৰ বিৰুদ্ধে নিজেই ওলাই আহে আৰু দুষ্কৃতিকাৰীয়ে-

যি তেওঁক দুখ দিয়ে, কষ্ট দিয়ে- তেওঁলোকৰ বিৰুদ্ধে নিজৰ তৰোৱাল চলায়। লগতে প্ৰতিখন ক্ষেত্ৰত বিজয়ী কৰে। নিজৰ আদৰ অৰ্থাৎ নিয়তিৰ ৰহস্যই তেওঁক জনাই দিয়ে। সংক্ষেপত, তেওঁৰ আধ্যাত্মিক ৰূপ আৰু সৌন্দৰ্য যি সৃষ্টি হয় উত্তম আচৰণ আৰু ব্যক্তিগত ভালপোৱাত, তাৰ প্ৰথম ক্ৰয়কৰ্তা হ'ল স্বয়ং খোদা। গতিকে, কিমান যে হতভাগ্য সেইসকল লোক যি এনেধৰণৰ যুগ লাভ কৰে আৰু এনে সূৰ্য তেওঁলোকৰ ওপৰত উদিত হয়, অথচ তেওঁলোক অন্ধকাৰত বহি থাকে।' (জামিনা বাৰাহীনে আহমদীয়া, পঞ্চম খণ্ড, ৰূহানি খাজাইন জিলদ ২১ পৃঃ২২৫)

আধ্যাত্মিকতাৰে পূৰ্ণ হৈ গ'লে পিছত ব্যক্তিগত ঐশ্বৰিক ভালপোৱাৰ শিখা মানুহৰ হৃদয়ৰ ওপৰত এটা ৰূহ বা আত্মাৰ দৰে পতিত হয় আৰু তাক (খোদাৰ সন্মুখত) সাৰ্বক্ষণিক আৰু স্থায়ী উপস্থিতিৰ অৱস্থা দান কৰে। পূৰ্ণত্ব প্ৰদান কৰে।তেতিয়া তেওঁৰ ৰূহানী সৌন্দৰ্য পূৰ্ণৰূপে প্ৰকাশিত হয়। কিন্তু এই যে সৌন্দৰ্য যি ৰূহানী সৌন্দৰ্য, যাক উত্তম আচৰণ বুলি আখ্যায়িত কৰা হয়, সেয়া হৈছে সেই সৌন্দৰ্য যাৰ আকৰ্ষণৰ শক্তিৰ গুণত চেহেৰাৰ সৌন্দৰ্যক অতিক্ৰম কৰে। কিয়নো, চেহেৰাৰ সৌন্দৰ্য মাত্ৰ দুই-এক ব্যক্তিৰ পাৰ্থিৱ-প্ৰেমৰ কাৰণ হ'ব পাৰে, যি অচিৰেই ম্লান হ'ব পাৰে আৰু হয়। ইয়াৰ আকৰ্ষণ অত্যন্ত অগভীৰ হয়। কিন্তু সেই ৰূহানী সৌন্দৰ্য, যাক উত্তম আচৰণ বুলি আখ্যায়িত কৰা হৈছে, সেইবোৰৰ নিজস্ব আকৰ্ষণ ইমান দৃঢ় আৰু প্ৰৱল যে, যি এখন জগতক নিজৰ দিশে টানি নিয়ে। তথা পৃথিৱী আৰু নভোমণ্ডলৰ প্ৰতিটো অণু- পৰমাণু তাৰ প্ৰতি আকৃষ্ট হৈ পৰে। লগতে প্ৰাৰ্থনা মঞ্জুৰ বা কবুলিয়তৰ দোৱাৰ প্ৰস্তাৱত দৰ্শন এটাই যে, এই ৰূপ সৌন্দৰ্যৰ অধিকাৰী মানুহ-যাৰ ভিতৰত ঐশ্বৰিক প্ৰেমৰ ৰূহ বা আত্মা প্ৰবিষ্ট হৈ পৰে-যেতিয়া কোনো অসম্ভৱ আৰু অত্যন্ত কঠিন বিষয়ৰ বাবে দোৱা কৰে আৰু সেই দোৱাৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব দিয়ে, ভৰসা ৰাখে, তেতিয়া যিহেতু তেওঁ নিজৰ সত্তাত ৰূহানী সৌন্দৰ্যই পূৰ্ণ হয়, যিহেতু খোদাতালাৰ আদেশত আৰু অনুমতিত এই জগতৰ প্ৰতিটো অণু-পৰমাণু তেওঁৰ প্ৰতি আকৃষ্ট হৈ পৰে। তেতিয়া এনে বিলাক সামগ্ৰী-সাৰঞ্জম জমা হৈ পৰে, যি তেওঁৰ সফলতাৰ বাবে যথেষ্ট

হৈ পৰে। অভিজ্ঞতা আৰু খোদাতালাৰ পৱিত্ৰ কিতাপৰ পৰা প্ৰমাণিত হৈছে যে, পৃথিৱীৰ প্ৰতিটো অণু-পৰমাণু লগত স্বভাবগত ঃ এনেদৰে ব্যক্তিৰ লগত ভালপোৱাৰ সৃষ্টি হয়। লগতে তেওঁ প্ৰাৰ্থনাসমূহ সকলো অণু-পৰমাণুক ঠিক সেইদৰে নিজৰ দিশলৈ আকৃষ্ট কৰে যিদৰে চুম্বকে আকৰ্ষণ কৰে লোহাক। সেয়ে, অতি সাধাৰণ ঘটনাৱলী, যিবোৰৰ উল্লেখ বিজ্ঞান আৰু দৰ্শন ক'তো নাই, সেই সকলো এই আকৰ্ষণৰ কাৰণে প্ৰকাশিত হয়। যেতিয়াৰে পৰা মহান সৃষ্টিকৰ্তাই বিশ্বৰ বস্তুপুঞ্জক পৰমাণুৰ পৰা আৰম্ভ কৰি গঠিত আৰু ৰূপায়িত কৰি তুলিছে তেতিয়াৰে পৰা তেওঁ প্ৰতিটো পৰমাণুৰ মাজত সেই আকৰ্ষণো থৈ দিছে আৰু প্ৰতিটো পৰমাণু আধ্যাত্মিক বা ৰুহানী সৌন্দৰ্যৰ প্ৰকৃত প্ৰেমিক। প্ৰতিটো সাধুৰ আত্মাও সেয়াই। কিয়নো সেই সৌন্দৰ্য হৈছে সত্যৰ প্ৰকাশস্থল। এয়াই আছিল সেই সৌন্দৰ্য যাৰ বাবে কোৱা হৈছিল ঃ

(2:35) اسْجُدُوا لِآدَمَ فَسَجَدُوا إِلَّا إِبْلِيسَ

' তোমালোকে আদমক (আনুগত্য) চিজদা কৰা, তেতিয়া তেওঁলোক (আনুগত্য) চিজদা কৰিলে, কেৱল ইবলীছৰ বাহিৰে'। (2:35) তথা এতিয়াও বহু ইবলীছ আছে যি সেই সৌন্দৰ্য চিনিব পৰা নাই, কিন্তু সৌন্দৰ্যই নিজৰ ডাঙৰ ডাঙৰ কাম সম্পাদন কৰি আহিছে।

নুহ(আঃ)ৰ মাজত সেই সৌন্দৰ্য আছিল, যি গৰাকীৰ খ্যাতিৰ মৰ্যাদা আৰু গৌৰৱৰ মহান অধিপতি অবিশ্বাসীকাৰীসকলক প্লাৱনৰ শাস্তিৰ দ্বাৰা ধ্বংস কৰি দিছিল। গতিকে মুছা (আঃ) আহিছিল সেই ৰুহানী সৌন্দৰ্যলৈ, তেওঁ কিমান দুখ-কষ্ট ভোগ কৰাৰ পিছত ফিৰাউনৰ ধ্বংসৰ কাৰণ হৈছিল।

গতিকে সকলোৰে শেষত আহিল আমাৰ আকা আৰু নেতা হজৰত মুহাম্মদ মুস্তাফা ছাল্লাল্লাহু আলায়হে ওৱা ছাল্লাম অতি মহামহিমান্বিত, আজিমুশ্বশ্বান ৰুহানী সৌন্দৰ্যকলৈ, যাৰ প্ৰশংসাৰ বাবে এই এটা আয়াত কৰীমৰ উদ্ধৃতি দিয়াটোৱে যথেষ্ট ঃ ثُمَّ دَنَا فَتَدَلَّىٰ ۝ فَكَانَ قَابَ قَوْسَيْنِ أَوْ أَدْنَىٰ ۝

তেওঁ ওচৰ চাপিল (আল্লাহৰ) তেতিয়া তেওঁ (মুহাম্মদ(ছাঃ)ৰ প্ৰতি) তললৈ

নামি আহিল। গতিকে তেওঁ উভয় ধুনকৰ একতন্ত্ৰী হৈ পৰিল অথবা তাতকৈও ঘনিষ্ঠতৰ হৈ গ'ল।(53:9,10)
অৰ্থাৎ সেই নৱী (ছাঃ) জনাবে ইলাহীৰ (আল্লাতালাৰ) অতি ওচৰলৈ গ'ল আৰু পুনৰ মখলুকৰ দিশে নামি পৰিল আৰু এনেদৰে উভয় প্ৰকাৰৰ হকুকুল্লাহ আৰু হকুকুল ইবাদ (আল্লাৰ অধিকাৰ আৰু সৃষ্টিৰ অধিকাৰঃ পূৰ্ণ (আদায়) কৰি দিলে আৰু উভয় প্ৰকাৰৰ আধ্যাত্মিক সৌন্দৰ্য প্ৰকাশিত কৰিলে।' (জামীমা বাৰাহীনে আহমদীয়া,পঞ্চম খণ্ড, ৰুহানি খাজাইন জিলদ ২১ পৃঃ ২১৯-২২১)

## খোদা তা'লাৰ ৰহমত তাৰ ক্ৰোধতকৈ অধিক

জলছাত যিটো প্ৰৱন্ধ পাঠ কৰা হৈছিল সেই প্ৰৱন্ধত বক্তাই বৰ্ণনা কৰিছিল যে, পৰমেশ্বৰৰ ক্ৰোধ, ঘৃণা, বিদ্বেষ আৰু হিংসাৰ পৰা মুক্ত। হ'ব পাৰে সেই বক্তাৰ উদ্দেশ্য এটাই আছিল যে কোৰাণ শ্বৰিফত যিহেতু খোদাতালাৰ সম্পৰ্কত গজব বা ক্ৰোধ শব্দ ব্যৱহাৰ হৈছে,যিহেতু তেওঁ সম্ভৱতঃ তেওঁৰ উক্ত প্ৰৱন্ধত কোৰাণ শ্বৰিফৰ তুলনা প্ৰকাশ কৰিব বিচাৰিছিল যে, বেদৰ শিক্ষা এইধৰণৰ ধাৰণাৰ পৰা মুক্ত আৰু খোদাই খং কৰি থাকে। কিন্তু এয়া তেওঁৰ সম্পূৰ্ণ ভুল (ধাৰণা)। মনত ৰাখিব লাগিব যে কোৰাণ শ্বৰিফত কোনো অযথা আৰু অত্যাচাৰমূলক ক্ৰোধৰ কথা খোদাতালাৰ প্ৰতি আৰোপ কৰা হোৱা নাই। বৰঞ্চ ইয়াৰ উদ্দেশ্য মাথো ইমানেই যে অতি পাক-পৱিত্ৰ হোৱাৰ কাৰণে খোদাতালাৰ মাজত এক প্ৰকাৰৰ ক্ৰোধ সদৃশ গুণ আছে আৰু সেই গুণৰ চাহিদা হৈছে, যি ব্যক্তি না ফৰমান বা অমান্যকাৰী আৰু তেওঁৰ অবাধ্যতাৰ বিদ্ৰোহৰ পৰা উভতি নাহে, তেওঁক শাস্তি দিয়া হওঁক। লগতে দ্বিতীয় গুণ তেওঁৰ ভালপোৱাৰ দৰে আৰু এই গুণৰ মূলতে ফৰমাবৰদাৰ বা আনুগত্যকাৰীসকলক পুৰস্কৃত কৰা লোক। সেয়ে বুজাবলৈ প্ৰথম গুণৰ নাম ৰখা গজব বা ক্ৰোধ আৰু দ্বিতীয় গুণৰ নাম মহব্বত বা ভালপোৱা। কিন্তু সেই ক্ৰোধ মানবীয় ক্ৰোধৰ দৰে নহয়, নহয় সেই ভালপোৱা মানবীয় ভালপোৱাৰ দৰে। যেনেকৈ খোদাতালাই নিজেই কোৰাণ শ্বৰিফত উল্লেখ কৰিছে ঃ

(42:12) لَيْسَ كَمِثْلِهٖ شَيْءٌ

‘কোনোৱে তেওঁৰ সমান নহয়’- (42:12)

অৰ্থাৎ খোদাৰ সত্তা আৰু গুণাৱলীৰ সদৃশ একো নাই। ভাল কথা, আমি জানিব বিচাৰো যে, আৰ্যসকলৰ বেদৰ শিক্ষানুসৰি, তেওলোকৰ পৰমেশ্বৰে পাপীক শীস্তি দিয়ে কিয়? এনে নেকি তেওঁ মানুহক মানুহৰ স্তৰৰ পৰা তললৈ নিক্ষেপ কৰি কুকুৰ, গাহৰি, মেকুৰী, আদিৰ প্ৰকৃতিৰ বনাই দিয়ে। কাৰ্যত তেওঁৰ মাজত এটা গুণ আছে বুলি স্বীকাৰ কৰিব লগাত পৰে, যিটো তেওঁৰ সেই কামৰ বাবে অপৰিহাৰ্য। এই গুণটোৰ নামক কোৰাণশ্বৰিফত কোৱা হৈছে ‘গজব’।........... যদি তেওঁৰ মাজত এই প্ৰকাৰৰ গুণ নাথাকে,যাৰ দ্বাৰা পৰমেশ্বৰে পাপীক শাস্তি দিব, তেনেহ’লে পৰমেশ্বৰৰ প্ৰকৃতি শাস্তি দিয়াৰ বাবে মনোযোগী হৈ পৰে কিয়? প্ৰকৃততে তেওঁৰ মাজত সেই গুণ আছে, যি সলনি কৰাৰ বাবে উদ্বুদ্ধ কৰে। গতিকে এই গুণৰ নামেই হৈছে ‘গজব’ বা ক্ৰোধ। কিন্তু এই ক্ৰোধ মানবীয় ক্ৰোধৰ দৰে নহয়, বৰঞ্চ সেয়া খোদাৰ মহিমাৰ দৰে। লগতে এই ক্ৰোধৰ কথাকে কোৰাণ শ্বৰিফত কোৱা হৈছে। ......যেতিয়া তেওঁ কোনোৱে সৎ কৰ্ম বা নেক আমলকাৰীক নিজৰ পুৰস্কাৰে বিভূষিত কৰে, তেতিয়া কোৱা হয় যে, তেওঁ তেওঁক ভাল পাইছে। যেতিয়া তেওঁ কোনো অসৎ কাম বা বদ আমলকাৰীক শাস্তি দিয়ে, তেতিয়া কোৱা হয় যে তেওঁ তাৰ প্ৰতি ক্ৰোধান্বিত হৈছে। বেদবিলাকৰ মাজত যিমান ক্ৰোধ বা গজৱৰ কথা বৰ্ণনা হৈছে, তেনেকৈ কোৰাণ শ্বৰিফৰ মাজতো আছে। পাৰ্থক্য মাথো এয়াই যে, বেদবিলাকত খোদাৰ ‘গজব’ক ইমান দূৰলৈ নিছে আৰু মান্যতাও দান কৰিছে যে তেওঁ ভীষণ ক্ৰোধৰ দ্বাৰা মানুহক তেওঁলোকৰ পাপৰ কাৰণে পোক-পৰুৱা আদিলৈ ৰূপান্তৰ কৰিব। কিন্তু কোৰাণ শ্বৰিফে খোদাতালাৰ ‘গজব’ক সেই সীমালৈকে নিয়া নাই। বৰঞ্চ কোৰাণ শ্বৰিফত লিখিত আছে যে খোদাই শাস্তি দিয়াৰ পিছতো মানুহক মানুহ হিচাপে ৰাখে, আন কোনো যোনিত নিক্ষেপ নকৰে। গতিকে প্ৰমাণিত হয় যে, কোৰাণ শ্বৰিফৰ দৃষ্টিত খোদাতালাৰ ভালপোৱা আৰু ৰহমত তেওঁৰ গজবতকৈ বহুগুণে অধিক,বহু ডাঙৰ। আনহাতে বেদৰ দৃষ্টিত পাপীসকলৰ শাস্তিৰ কোনো পৰীসীমা নাই আৰু পৰমেশ্বৰৰ মাজত গজব মাথো গজব। তেওঁৰ মাজত

ৰহমতৰ কোনো নাম-চিহ্ন নাই। কিন্তু কোৰাণ শ্বৰিফৰ পৰা পৰিষ্কাৰকৈ জানিব পৰা যায় যে, অৱশেষত দোষীসকলৰ ওপৰত এনে এদিন আহিব যেতিয়া খোদাই সকলোৰে ওপৰত ৰহমত দান কৰিব।'— (ছশমা মা'ৰেফত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ৪৬-৫০)

## আকাশ আৰু পৃথিৱীৰ বাদশ্বাহত খোদা তা'লাৰ

ইঞ্জিলত আছে যে তোমালোকে এইদৰে দোৱা কৰা ঃ হে আমাৰ পিতা-যি আকাশত আছা- তোমাৰ নামৰ পৱিত্ৰতা ঘোষিত হওঁক, তোমাৰ ৰাজত্ব প্ৰতিষ্ঠিত হওঁক, তোমাৰ ইচ্ছা যিদৰে স্বৰ্গত পূৰ্ণ হৈছে, সেইদৰে পৃথিৱীত পূৰ্ণ হওঁক। আমাৰ দৈনন্দিন খাদ্য আজি আমাক দান কৰা। যিদৰে আমি আমাৰ ঋণীসকলক ক্ষমা কৰো, সেইদৰে তুমি আমাৰ ঋণ মওকুফ কৰি দিয়া। লগতে আমাক পৰীক্ষাৰ মাজত নেপেলাবা। বৰঞ্চ বেয়াৰ পৰা ৰক্ষা কৰা কিয়নো ৰাজত্ব আৰু ক্ষমতা তথা প্ৰতাপ কেৱল তোমাৰ। আনহাতে কোৰাণ শ্বৰিফত কোৱা হৈছে, এয়া নহয় যে পৃথিৱী পৱিত্ৰতাৰ পৰা খালি, বৰঞ্চ পৃথিৱীত খোদাৰ পৱিত্ৰতা ঘোষিত হৈছে মাথো আকাশত নহয়। যেনেকৈ ইয়াত উল্লেখ কৰা হৈছে -

(17:45) وَاِنْ مِّنْ شَيْءٍ اِلَّا يُسَبِّحُ بِحَمْدِهٖ

এনে একো নাই যি তেওঁৰ প্ৰশংসাসহ তছবী নকৰে' - (17:45)

(62:2) يُسَبِّحُ لِلّٰهِ مَا فِي السَّمٰوٰتِ وَمَا فِي الْاَرْضِ

'আকাশবোৰত যিবোৰ আছে তথা পৃথিৱীত যিবোৰ আছে সকলো আল্লাহৰ তছবী (পৱিত্ৰতা আৰু মহিমা ঘোষণা) কৰিছে'— (62:2)

অৰ্থাৎ পৃথিৱী আৰু আকাশৰ প্ৰতিটো অণু-পৰমাণু খোদাতালাৰ প্ৰশংসা আৰু মহিমাক ঘোষণা কৰি আহিছে আৰু যিবিলাক তাৰ মাজত আছে সেই সকলোবোৰ তেওঁৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তনত মচগুল বা মগ্ন আছে। পাহাৰ তেওঁৰ স্মৰণত, সাগৰ তেওঁৰ কীৰ্তনত মগ্ন, বৃক্ষ তেওঁৰ কীৰ্তনত মগ্ন। তথা অসংখ্য সাধু ব্যক্তি তেওঁৰ কীৰ্তনত আৰু ধ্যানত মগ্ন হৈ আছে। তথা যি ব্যক্তিৰ হৃদয় আৰু বুদ্ধিবৃত্তিয়ে তেওঁৰ স্মৰণত মগ্ন নহয়, তথা খোদাৰ

সন্মুখত অনুনয়-বিনয় নকৰে, তেওঁক স্তৰে স্তৰে নানা ধৰণৰ দুখ যাতনা আৰু শাস্তি দি খোদাতালাই 'কার্য আৰু কদৰ বা নিয়তিয়ে তেওঁক বিনীত হোৱাত বাধ্য কৰিছে। তথা যিবোৰ ফিৰিস্তাসকলৰ সম্পৰ্কত খোদাৰ কিতাপত লিখিত আছে, যেনেকৈ তেওঁ চূড়ান্ত স্তৰত আনুগত্য হৈ পৰিছে, তেনেকৈ একে অৱস্থা, এই পৃথিৱীৰ প্ৰতিটো স্তৰ আৰু প্ৰতিটো অণু-পৰমাণুৰ সম্পৰ্কত কোৱাণ শ্বৰিফত বৰ্ণিত হৈছে। উল্লেখ কৰা হৈছে, প্ৰতিটো সমাগ্ৰীয়ে তেওঁৰ আনুগত্য প্ৰকাশ কৰে। এখিলা পাতও বিনা হুকুমত সৰি নপৰে। তেওঁৰ আদেশ অবিহনে কোনো দৰৱে ৰোগ নিৰাময় কৰিব নোৱাৰে, কোনো খাদ্য খোৱাৰ উপযোগী হ'ব নোৱাৰে। তথা প্ৰতিটো সামগ্ৰী চৰম বিনয় আৰু ইবাদত মগ্নতা বা উবুদিয়তসহ খোদাতালাৰ আস্তানাত পৰি আছে। তথা তেওঁৰ আজ্ঞানুবৰ্তিতাত নিমগ্ন আছে। পৰ্বতবোৰ আৰু ভূমণ্ডলৰ অণু-পৰমাণু, নদ-নদী আৰু সাগৰ-মহাসাগৰৰ টোপাল টোপাল পানী আৰু গছ-গছনি আৰু লতা-গুল্মৰ প্ৰতিখিলা পাত, প্ৰতিটো অংশ তথা মানুহ আৰু প্ৰাণীকূলৰ প্ৰতিটো পৰমাণুৰ সকলোৱে খোদাতালাক চিনি পায় আৰু তেওঁৰ আনুগত্য প্ৰকাশ কৰে, লগতে তেওঁৰ স্তুতি আৰু প্ৰশংসা কীৰ্তনত ব্যাকুল হৈ পৰে। এই কাৰণে আল্লাতালাই কৈছে—

يُسَبِّحُ لِلّٰهِ مَا فِي السَّمٰوٰتِ وَمَا فِي الْاَرْضِ 'আকাশবোৰত যিবোৰ আছে আৰু ভূমণ্ডলত যিবোৰ আছে সকলো আল্লাহৰ তছবীহ (পৱিত্ৰতা আৰু মহিমা ঘোষণা) কৰিছে।'

অৰ্থাৎ আকাশৰ ওপৰত যেনেকৈ প্ৰতিটো বস্তুৱে খোদাৰ মহিমা আৰু পৱিত্ৰতা ঘোষণা কৰিছে, তেনেকৈ ভূমণ্ডলৰ প্ৰতিটো বস্তুৱে তেওঁৰ পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰিছে। তেন্তে, এইটো কেনেকৈ ক'ব পৰা যায় যে পৃথিৱীত খোদাতালাৰ মহিমা আৰু পৱিত্ৰতা ঘোষিত হোৱা নাই? এনেধৰণৰ কথা কোনো প্ৰকৃত তত্ত্বজ্ঞানী বা কামেল-আৰেফৰ মুখৰ পৰা নিৰ্গত হ'ব নোৱাৰে। বৰঞ্চ পৃথিৱীৰ বস্তুসমূহৰ মাজত কোন কোনবোৰ বস্তুৱে চৰিয়তৰ হুকুম-আহকাম পালন কৰি আহিছে আৰু কোনবিলাক বস্তুৱে কাজা আৰু কুদৰতৰ বা নিয়তিৰ বিধান মানি চলিছে আৰু কোন কোনবিলাক বস্তুৱে নিয়মৰ

পূৰ্ণ আনুগত্য মানি আহিছে। কি মেঘ, কি বতাহ, কি জুই, কি মৃত্তিকা সকলোৱে খোদাৰ আনুগত্যতা আৰু প্ৰশংসা কৰি আহিছে। যদি কোনো মানুহে ঐশ্বৰিক চৰিয়ত বা বিধানৰ আদেশ অমান্য কৰে, তেনেহ'লে তে ওঁ ঐশ্বৰিক কাজা আৰু কদৰৰ তলত থাকিব। কোনো এই উভয় শাসন ব্যৱস্থাৰ বাহিৰত নহয়। কোনোবা নহয় কোনোবা স্বৰ্গীয় শাসন বা আদেশৰ ছত্ৰছায়াত থাকে। এয়া সত্য যে মানৱ হৃদয়ৰ পৱিত্ৰতা আৰু পংকিলতাৰ অনুপাতত খোদাৰ জিকৰ আৰু গাফিলতি পৃথিৱীত পৰ্যায়ক্ৰমে প্ৰভাব বিস্তাৰ কৰি আহিছে। কিন্তু এই জোৱাৰ-ভাটা খোদাৰ হেকমত আৰু মুছলেহাত (প্ৰজ্ঞা আৰু আৱশ্যকতা) অবিহনে কেতিয়াও সংঘটিত নহয়। খোদায়ে বিচাৰিছে যে, পৃথিৱীত এনে হওঁক, সেয়াই সংঘটিত হৈছে। গতিকে, হেদায়ত আৰু জাহালত- পথ প্ৰদৰ্শন আৰু পথ-ভ্ৰষ্টতাৰ আবৰ্তন দিন- ৰাতিৰ আবৰ্তনৰ সমানে খোদাৰ বিধি আৰু অনুমতি অনুসৰি ঘটি আহিছে, নিজে নিজেই হোৱা নাই। ইয়াৰ পিছতো প্ৰতিটো বস্তুৱে তেওঁৰ শব্দ শুনে। তথা তাৰ পৱিত্ৰতা বৰ্ণনা কৰে। কিন্তু ইঞ্জিলে কয় যে পৃথিৱী খোদাৰ পৱিত্ৰতাৰ ঘোষণাৰ পৰা শূন্য হৈ আছে। ইয়াৰ কাৰণ উপযুক্ত ইঞ্জিলী দোৱাৰ পৰবৰ্তী বাক্যত ইংগিত আকাৰে বৰ্ণনা কৰা হৈছে। তথা সেয়া হৈছে যে এতিয়াও ইয়াত (পৃথিৱীত) খোদাৰ ৰাজত্ব প্ৰতিষ্ঠিত হোৱা নাই। সেইবাবে, শাসন বা হুকুম থকাটো কঠিন, আন কোনোভাবে, খোদাৰ ইচ্ছা-ইৰাদা ঠিক সেইদৰে পৃথিৱীৰ বুকুত প্ৰৱৰ্তিত হ'ব পৰা নাই, যিদৰে প্ৰৱৰ্তিত হৈছে আকাশৰ বুকুত। কিন্তু এয়া কোৰাণৰ শিক্ষাৰ সম্পূৰ্ণ বিপৰীত। স্পষ্ট ভাষাত কোৱা হৈছে, চোৰ, হত্যাকাৰী, কাফেৰ, ফাছেক, অবাধ্য আৰু দুস্কৃতিকাৰী আদি কোনোৱে কোনো ধৰণৰ অপকৰ্ম পৃথিৱীত কৰিব নোৱাৰে, যেতিয়ালৈকে আকাশৰ পৰা তেওঁক এখতিয়াৰ বা স্বধিকাৰ প্ৰদান কৰা নহয়। তেন্তে কি বুলি ক'ব লাগিব যে আছমানী বা স্বৰ্গীয় ৰাজত্ব পৃথিৱীত প্ৰতিষ্ঠিত নাই। কিয়,কোন বিৰোধীৰ আধিপত্যই পৃথিৱীত খোদাৰ হুকুম জাৰিহোৱাত বাধা দিব পাৰে? ছুবহানাল্লাহ, এয়া কেতিয়াও হ'ব নোৱাৰে। বৰঞ্চ খোদাই স্বয়ং আকাশত ফিৰিস্তাসকলৰ বাবে পৃথক আইন প্ৰৱৰ্তন কৰিছে আৰু পৃথিৱীত মানুহৰ বাবে পৃথক আইন। তথা খোদাই আছমানী ৰাজত্বত

ফিৰিস্তাসকলক কোনো অধিকাৰ দিয়া নাই। বৰঞ্চ তেওঁলোকৰ স্বভাৱৰ মাজত আনুগত্যৰ উপাদান ৰাখি থৈছে। তেওঁলোকে বিৰোধীতা কৰিব নোৱাৰে। ভ্ৰান্তি-বিচ্যুতিয়ে তেওঁলোকৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিবনোৱাৰে। কিন্তু, মানৱ স্বভাৱৰ মাজত মান্যতাৰ আৰু অমান্যতাৰ এখতিয়াৰ দিয়া হৈছে। যিহেতু, এই এখতিয়াৰ ওপৰৰ পৰা দিয়া হৈছে, যিহেতু এনেকৈ ক'ব পৰা নাযাব যে, অমান্যকাৰী বা ফাছেক লোকসকলৰ বিদ্যমানতাত খোদাৰ ৰাজত্ব পৃথিৱীৰ বুকুৰ পৰা উঠি গৈছে। বৰঞ্চ এই কথা ক'ব লাগিব যে সৰ্ববিস্থাত খোদাতালাৰ ৰাজত্ব বলবৎ আছে। তথাপি সত্য যে আইন হৈছে দুই প্ৰকাৰৰ। এক— আছমান ফিৰিস্তাসকলৰ বাবে নিয়তি বা কাজা আৰু কদৰ, আইন আৰু সেয়া হৈছে ফিৰিস্তাই একো বেয়া কৰিব নোৱাৰে। আনহাতে কানুন, যি পৃথিৱীৰ বুকুত মানুহৰ বাবে খোদাতালাৰ কাজা আৰু কদৰ অনুসৰি নিৰ্ধাৰিত, সেয়া হৈছে আছমানৰ পৰা তেওঁলোকক বেয়া কৰাৰ এখতিয়াৰ দিয়া হৈছে। কিন্তুযেতিয়া তেওঁলোকে খোদাৰ পৰা শক্তিৰ প্ৰাৰ্থনা কৰে, অৰ্থাৎ ইস্তেগফাৰ কৰে, তেতিয়া ৰুহুল কদ্দুছ বা পৱিত্ৰ আত্মাৰ সহায়ত তেওঁলোকৰ দুৰ্বলতা আঁতৰ হৈ যাব পাৰে আৰু পাপৰ তাড়নাৰ পৰা বাচি যাব পাৰে,খোদাৰ নৱী আৰু ৰছুলসকলৰ দৰে। লগতে এনে লোক থাকে যে তেওঁ পাপী হৈ পৰিছে, তেন্তে 'ইস্তেগফাৰ'-এ তেওঁক এই লাভ প্ৰদান কৰিব যে পাপৰ প্ৰতিফলৰ পৰা অৰ্থাৎ শাস্তিৰ পৰা বাচি থাকিব। কিয়নো পোহৰ আহি গ'লে আন্ধাৰ থাকিবনোৱাৰে। তথা এনে দুষ্কৃতিকাৰী, যি 'ইস্তেগফাৰ' নকৰে অৰ্থাৎ খোদাৰ পৰা শক্তি ভিক্ষা নকৰে, তেওঁ অপৰাধৰ শাস্তি লাভ কৰি থাকে। যদিও প্লেগ শাস্তি আকাৰত পৃথিৱীত অৱতীৰ্ণ হৈছিল তথা খোদাৰ অবাধ্য লোকসকল ইয়াৰ ধ্বংস হৈ গৈছিল। গতিকে কেনেকৈ ক'ব পৰা যায় যে খোদাৰ ৰাজত্ব পৃথিৱীত নাই? এই ধাৰণা কেতিয়াও পোষণ কৰা নহ'ব যে পৃথিৱীত যদি খোদাৰ ৰাজত্ব থাকে, তেন্তে পুনৰ লোকসকল পাপত লিপ্ত হয় কেনেকৈ? কিয়নো পাপও খোদাৰ কাজা আৰু কদৰ বা নিয়তিৰ অধীন। গতিকে, যদিও সেই লোকসকল চৰিয়তৰ আইনৰ বাহিৰলৈ যায়, তথাপি নিয়তিৰ বিধানৰ বা কাজা আৰু কদৰৰ বাহিৰলৈ যাব নোৱাৰে। সেয়ে

কেনেকৈ ক'ব পৰা যায় যে পাপী ব্যক্তিক ইলাহী ছালাতানাত বা ঐশ্বৰিক ৰাজত্ব আশা নিজৰ স্কন্ধত নাৰাখে?... এই মুহূৰ্তত যদিখোদাতালাৰ আইন কঠোৰ হৈ পৰে আৰু প্ৰতিজন ব্যভিচাৰীৰ ওপৰত বজ্ৰপাত হয় আৰু প্ৰতিটো চোৰ যদি ব্যাধিত আক্ৰান্ত হৈ পৰে, পচি-গেলি যায় আৰু প্ৰতিজন বিদ্ৰোহী যি খোদাক অস্বীকাৰ কৰে, খোদাৰ ধৰ্মক অস্বীকাৰ কৰে, তেওঁৰ যদি প্লেগৰ কৱলত পৰি মৃত্যু হয়, তেন্তে এসপ্তাহ নালাগিব সমগ্ৰ পৃথিৱীয়ে ধৰ্মপৰায়ণতা আৰু পুণ্য আচৰণৰ সাজ পৰিধান কৰিবলৈ। কাৰ্যত খোদাৰ ৰাজত্ব পৃথিৱীৰ বুকুত আছেই, কিন্তু আছমানী কানুনৰ অনুকম্পাই এই স্বাধীনতাও দি থৈছে যে পাপীক লগে লগে কৰায়ত্ত কৰা নহ'ব। তেতিয়াও শাস্তি হৈ থাকিব। ভূমিকম্প হয়, বজ্ৰপাত হয়, আগ্নেয়গিৰিৰ অগ্নুপাত ফটকাৰ দৰে বিয়পি পৰে আৰু হাজাৰ হাজাৰ প্ৰাণৰ ক্ষতিসাধন কৰে। জাহাজ ডুবি যায়, ৰেল-দুৰ্ঘটনা ঘটি শ শ প্ৰাণ বিনষ্ট হৈ পৰে। ধুমুহা আহে, ঘৰবাৰী ধ্বংস হয়। সাপে দংশন কৰে। হিংস্ৰ জন্তুৱে ফালি পেলায়। মহামাৰীয়ে দেখা দিয়ে। ধ্বংস কৰাৰ বাবে এইবিলাক নহয় বৰঞ্চ এইবিলাকে হাজাৰ হাজাৰ দুৱাৰ মুকলি কৰি দিয়ে যিবোৰ পাপীৰ শাস্তিৰ বাবে নিৰ্ধাৰিত আছে খোদাতালাৰ প্ৰাকৃতিক বিধানত বা কানুনে কুদৰত। তথাপি কেনেকৈ ক'ব পৰা যায় খোদাৰ ৰাজত্ব পৃথিৱীৰ বুকুত নাই? সত্য এয়াই যে ৰাজত্ব আছে। প্ৰত্যেক অপৰাধীৰ হাতত হাতকি পিন্ধোৱা আছে, ভৰিত শিকলি লগোৱা আছে। কিন্তু সেই ঐশ্বৰিক প্ৰজ্ঞা অৰ্থাৎ ইলাহী হেকমত, আইনত অলপ কোমাল বা শিথিল কৰি দিছে যে, এই বিলাক হাতকৰি, শিকলি লগে লগে কাৰ্যকৰ নহয়। অৱশেষত, মানুহে যদি পাপৰ পৰা বিৰত নহয়, উভতি নাহে, তেনেহ'লে তাক সেই দীৰ্ঘস্থায়ী জাহান্নামলৈ পঠাই দিয়া হ'ব আৰু তেওঁক সেই আজাবত নিক্ষেপ কৰে, যাৰ মাজত পাপী নাথাকে নেবাচে।

সংক্ষেপত আইন দুই প্ৰকাৰৰ। এক হৈছে সেই আইন, যি ফিৰিস্তাৰ বাবে।তেওঁলোকক সৃষ্টি কৰা হৈছে মাথো আনুগত্য বা এতায়াত কৰা বাবে। তথা এতায়ত হৈছে তেওঁলোকৰ উজ্বল স্বভাৱৰ এক বৈশিষ্ট্য। তেওঁলোকে পাপ কৰিবনোৱাৰে, কিন্তু পুণ্যৰ ক্ষেত্ৰতো উন্নতি কৰিব নোৱাৰে। দ্বিতীয়

প্ৰকাৰৰ আইন হৈছে সেই আইন, মানুহৰ বাবে প্ৰযোজ্য। মানুহৰ স্বভাৱত নিহিত হৈছে যে তেওঁলোক পাপ কৰিব পাৰে কিন্তু পুণ্যৰ ক্ষেত্ৰত উন্নতি কৰিবলৈকো সক্ষম। এই উভয় ফিৎৰতী বা স্বাভাৱিক আইন অপৰিৱৰ্তনীয়। ফিৰিস্তা যেনেকৈ মানুহলৈ ৰূপান্তৰিত হ'ব নোৱাৰে, তেনেকৈ মানুহো ফিৰিস্তা হ'বনোৱাৰে। এই উভয় আইন পৰিৱৰ্তিত হ'বনোৱাৰে। এইবিলাক অটল আৰু চিৰন্তন। এই কাৰণে, স্বৰ্গীয় সেই আইন মাটিৰ ওপৰত আহিব নোৱাৰে। তথা মাটিৰ আইন ফিৰিস্তাসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বনোৱাৰে। মানবীয় পাপ আৰু অপৰাধ যদি তৌবা বা অনুতাপৰ মাজেৰে শেষ হৈ যায়, তেন্তে সেইবিলাকে মানুহক ফিৰিস্তাতকৈ উত্তম কৰিব পাৰে। কিয়নো ফিৰিস্তাসকলৰ মাজত উন্নতিৰ উপাদান নাই। মানুহৰ পাপ তৌবাৰ দ্বাৰা মাফ হৈ যায়। তথা ইলাহী হেকমত-ঐশ্বৰিক প্ৰজ্ঞা কোনো কোনো ব্যক্তিৰ মাজত ত্ৰুটি- বিচ্যুতি কৰাৰ ধাৰা অৱশিষ্ট হৈ থাকে, যাতে পাপ কৰাৰ পিছত নিজৰ দুৰ্বলতাবোৰ উপলব্ধি কৰিব পাৰে আৰু তৌবা কৰি ক্ষমাপ্ৰাপ্ত হয়। এয়াই সেই আইন যি মানুহৰ বাবে নিৰ্ধাৰিত কৰা হৈছে। তথা মানুহৰ প্ৰকৃতিয়ে ইয়াকে বিচাৰে, ভুল-ত্ৰুটি কৰা আৰু পাহৰি যোৱা মানুহৰ প্ৰকৃতিগত বৈশিষ্ট্য। ফিৰিস্তাৰ নহয়। কাৰ্যত, যি আইন ফিৰিস্তাৰ বাবে নিৰ্ধাৰিত সেয়া মানুহৰ বাবে কেনেকৈ কাৰ্যকৰ হ'ব? এয়া ভুল বা অন্যায়ৰ কথা যে, খোদাতালাৰ প্ৰতিও কোনো প্ৰকাৰৰ দুৰ্বলতা আৰোপ কৰা হয়। পৃথিৱীত যিবিলাক ঘটিছে সেয়া প্ৰাকৃতিক নিয়ম বা আইনৰ ফলত ঘটিছে। নাউজুবিল্লাহ। খোদা জানো ইমান দুৰ্বল যে তেওঁৰ ৰাজত্ব, শক্তি আৰু প্ৰতাপ মাথো আকাশতে সীমাৱদ্ধ? কিম্বা পৃথিৱীত আন কোনোবা খোদা আছে যি পৃথিৱীত বিৰুদ্ধ আধিপত্য বজাই ৰাখিছে?

খ্ৰীষ্টানসকলে এই কথাৰ ওপৰত গুৰুত্ব দিয়াটো ঠিক নহয় যে একমাত্ৰ আকাশৰ ওপৰতে খোদাই ৰাজত্ব বজাই ৰাখিছে, পৃথিৱীত সেয়া এতিয়াও কাৰ্যকৰ হোৱা নাই। কিয়নো, তেওঁলোকে ইয়াক বিশ্বাস কৰে যে, আকাশ কোনো পদাৰ্ত নহয়। গতিকে আকাশ যিহেতু কোনো পদাৰ্থই নহয়, সেয়ে তাত খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হ'ব নোৱাৰে। আকৌ পৃথিৱীক খোদাৰ ৰাজত্ব এতিয়াও প্ৰতিষ্ঠা হোৱা নাই। অথচ পৃথিৱীত খোদাৰ ৰাজত্ব আমি নিজ চকুৰে

দেখিবলৈ পাওঁ। তেওঁৰ প্ৰাকৃতিক বিধান অনুসৰি আমাৰ আয়ুস শেষ হৈ পৰে। আমাৰ অৱস্থাৰ পৰিৱৰ্তন হয়। তথা শত শত প্ৰকাৰৰ সুখ আৰু দুখ আমি ভোগ কৰো। হাজাৰ হাজাৰ মানুহ খোদাৰ হুকুমত মৃত্যু হৈছে আৰু হাজাৰ হাজাৰ মানুহ খোদাৰ আদেশত জন্ম হৈছে। প্ৰাৰ্থনা গৃহীত হৈছে। নিদেৰ্শন প্ৰকাশিত হৈছে। মাটিত হাজাৰো ধৰণৰ উদ্ভিদ আৰু ফুল-ফল তেওঁৰ আদেশত উৎপন্ন হৈছে। এইসকলো বিলাক তেন্তে খোদাৰ ৰাজত্বৰ অবিহনে হৈছে। আছমানী বস্তুবোৰো একেই অৱস্থা নিয়মত চলি আহিছে। এইবিলকৰ মাজতো এনে কোনো আবৰ্তন আৰু পৰিৱৰ্তন অনুভূত নহয়, গতিকে বুজিব পৰা যায় কোনো আবৰ্তন পৰিৱৰ্তন আছে। কিন্তু পৃথিৱীত হাজাৰো ধৰণৰ আবৰ্তন, বিবৰ্তন আৰু পৰিৱৰ্তন সংঘটিতহৈ আহিছে। প্ৰতিদিনে কোটি কোটি লোক পৃথিৱীৰ পৰা গৈছে, কোটি কোটিয়ে জন্ম গ্ৰহণ কৰিছে। প্ৰতিটো ক্ষেত্ৰতে আৰু প্ৰতিটো পন্থাত এজন শক্তিশালী স্ৰষ্টাৰ নিয়ন্ত্ৰণ অনুভূত হয়। ইয়াৰ পিছতো জানো ক'ব লাগিব পৃথিৱীত খোদাৰ ৰাজত্ব নাই? তথা ইঞ্জিলে জানো এই বিষয়ত প্ৰমাণ-দলিল দাখিল কৰিব পৰা নাই যে আজিলৈকে পৃথিৱীৰ বুকুত খোদাতালাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই বুলি। এয়া ঠিক যে মছীহ (যীশু) এ নিজৰ জীৱন বচাবলৈ বাগিচাৰ মাজত গোটেই নিশা যি দোৱা কৰিছিল, সেই দোৱা কবুল হোৱাৰ পিছতো ( যেনেকৈ লিখিত আছে হিব্ৰু ঃ অধ্যায় **৫**, শ্লোক **৭)** ত খোদাৰ পক্ষে তেওঁক মুক্ত কৰিব নোৱাৰাটো খ্ৰীষ্টানসকলৰ মতে এয়া এটা প্ৰমাণ হ'ব পাৰে যে, সেই যুগত পৃথিৱীত খোদাৰ ৰাজত্ব নাছিল। কিন্তু আমি ইয়াতকৈ কঠিন পৰীক্ষাত পৰিছো আৰু তাৰ পৰা পৰিত্ৰাণ লাভ কৰিছোঁ। আমি কেনেকৈ খোদাৰ ৰাজত্বক অস্বীকাৰ কৰিম? কিয়? সেই যে হত্যাৰ মোকৰ্দমা, যি মোক হত্যা কৰাৰ উদ্দেশ্যে মাৰ্টিন ক্লাৰ্কৰ পক্ষৰ পৰা কেপ্টেইন ডগলাছৰ আদালত দোষী সাৱস্ত্য কৰা হৈছিল, তেন্তে জানো সেই মোকৰ্দমা কোনো অংশত কম বিপজ্জনক আছিল, যি কেৱল ধৰ্মীয় মতভেদৰ কাৰণে ইহুদীৰ পক্ষৰ আদালত পিলাতুছত দাখিল কৰিছিল। কিন্তু খোদাতালা যিহেতু পৃথিৱীৰ বাদশ্বাহ যেনেকৈ তেওঁ আকাশতো বাদশ্বাহ, যিহেতু তেওঁ মোকৰ্দমাৰ আগতে খবৰ দি থৈছিল যে মই তোমাক

উদ্ধাৰ কৰিম। তথা সেই খবৰ শত শত মানুহক ঘটনাৰ আগতে জনাই দিয়া হৈছিল, অৱশেষত মোক উদ্ধাৰো কৰা হৈছিল। গতিকে এয়া আছিল সেই খোদাৰ ৰাজত্ব। তেওঁ মোক উদ্ধাৰ কৰিছিল সেই মোকৰ্দমাৰ পৰা যিখন মুছলমান আৰু হিন্দু লগতে খ্ৰীষ্টানৰ ফালৰ পৰা সমবেতভাবে। এনেকুৱা মাথো এবাৰেই নহয় বৰঞ্চ মই বহুবাৰ খোদাৰ আধিপত্য বা বাদশ্বাহত পৃথিৱীৰ বুকুত প্ৰত্যেক্ষ কৰিছোঁ আৰুবাধ্য হৈছো খোদাতালাৰ এই আয়াতৰ ওপৰত ঈমান আনিবলৈ ঃ

(57:3) لَهٗ مُلۡكُ السَّمٰوٰتِ وَ الۡاَرۡضِ ۚ ‘আকাশসমূৰ আৰু পৃথিৱীৰ স্বত্বাধিকাৰ তেওঁ (53:3) অৰ্থাৎ মাটিৰ ওপৰত আৰু আকাশত আল্লাহৰ বাদশ্বাহ। পুনৰ এই আয়াতৰ প্ৰতিও ঈমান আনিবলৈ বাধ্য হৈ পৰিছো-

اِنَّمَاۤ اَمۡرُہٗۤ اِذَاۤ اَرَادَ شَیۡـًٔا اَنۡ یَّقُوۡلَ لَہٗ کُنۡ فَیَکُوۡنُ ﴿۸۳﴾

(36:83)

‘তেওঁৰ কৰ্মপদ্ধতি এই ধৰণৰ যে, যেতিয়া তেওঁ কিবা ইচ্ছা কৰে, তেতিয়া মাথো কলেই হ'ল - ‘হওঁক’, তাকে হয় (36:83)। অৰ্থাৎ সমগ্ৰ পৃথিৱী আৰু আকাশে তেওঁৰ আনুগত্য স্বীকাৰ কৰি আহিছে। যেতিয়া কিবা কাম বিচাৰে আৰু কয়, হৈ যাওঁক আৰু তেতিয়াই সেই কাম হৈ যায়। পুনৰ কৈছে —

وَاللّٰہُ غَالِبٌ عَلٰۤی اَمۡرِہٖ وَلٰکِنَّ اَکۡثَرَ النَّاسِ لَا یَعۡلَمُوۡنَ ﴿۲۱﴾

(12:22)

‘আল্লাই তেওঁৰ কাৰ্য সম্পাদনৰ ওপৰত পূৰ্ণ ক্ষমতাৱান’ কিন্তু অধিকাংশ লোকে তাক নাজানে। (12:22) অৰ্থাৎ আল্লাই তেওঁৰ ইচ্ছা-অভিপ্ৰায়ৰ ওপৰত বিজয়ী, কিন্তু অধিকাংশ লোকে খোদাতালাৰ ‘কহৰ আৰু জহৰ’ বা ক্ষমতা আৰু প্ৰাধান্য সম্পৰ্কত অজ্ঞ।

বস্তুত এয়া হৈছে ইঞ্জিলৰ সেই দোৱা যি মানুহক খোদাৰ ৰহমতৰ পৰা নিৰাশ কৰি পেলায়। তথা তেওঁৰ ৰবুবিয়তৰ বা প্ৰতিপালকত্ব আৰু কৃপা-

অনুগ্ৰহ আৰু পুৰস্কাৰ, শাস্তিৰ পৰা খ্ৰীষ্টানসকলক উদাসীন কৰি তোলে। তথা তেওঁ তেওঁলোকক পৃথিৱীৰ বুকুত সহায় কৰাত অক্ষম বুলি জ্ঞান কৰে। কিয়নো এতিয়াও পৃথিৱীত তেওঁৰ ৰাজত্ব প্ৰতিষ্ঠা হ'ব পৰা নাই। কিন্তু ইয়াৰ তুলনাত যি দোৱা খোদতালাই মুছলমানসকলক কোৰাণ কৰীমত শিকাইছে সি এই কথাকে ব্যক্ত কৰে যে, 'পৃথিৱীৰ ওপৰত খোদাৰ ৰাজ সাহায্য লোকসকলৰ দৰে অসহায় নহয়। বৰঞ্চ তেওঁৰ ৰবুবিয়ত, ৰহমানিয়ত, ৰহিমীয়ত আৰু মালিকিয়ত বা মু'জাজাত-ৰ ধাৰা পৃথিৱীত জাৰি কৰিছে আৰু নিজৰ বান্দাসকলক সহায় কৰিববলৈ সক্ষম তথা অপৰাধীসকলক তেওঁৰ 'গজব'ৰ দ্বাৰা ধ্বংস কৰিববলৈ সক্ষম। সেই দোৱা হৈছে —

اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۝٢ الرَّحْمٰنِ الرَّحِيْمِ ۝٣
مٰلِكِ يَوْمِ الدِّيْنِ ۝٤ اِيَّاكَ نَعْبُدُ وَ اِيَّاكَ نَسْتَعِيْنُ ۝٥
اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۝٦ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ
غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۝٧ (1:2-7)

'সকলো প্ৰশংসা আল্লাহৰ, যি জগতসমূহৰ প্ৰভু, প্ৰতিপালক, অযাচিত অসীম দাতা, পৰম কৃপা আৰু কৰুণাময়, বিচাৰৰ দিনৰ গৰাকী। আমি তোমাৰেই উপাসনা কৰো তথা তোমাৰ ওচৰতে প্ৰাৰ্থনা নিবেদন কৰো। তুমি আমাক সৰল-সুদৃঢ় পথত পৰিচালিত কৰা-তেওঁলোকৰ পথত যাক তুমি পুৰস্কৃত কৰিছা, কোপগ্ৰস্তসকলৰ পথত নহয় আৰু পথ ভ্ৰষ্টসকলৰো পথত নহয়।' (আমীন)

অৰ্থাৎ তেওঁ সেই খোদা যি যাৱতীয় প্ৰশংসাৰ একমাত্ৰ অধিকাৰী। আনকথাত, তেওঁৰ বাদশ্বাহৰ মাজত কোনো প্ৰকাৰৰৰ ত্ৰুটি নাই বিচ্যুতি নাই। তথা তেওঁৰ সৌন্দৰ্যৱলীয়ে এনে কিছুৰ অপেক্ষা নকৰে যিবিলাক আজি নহয় কালিলৈ পোৱা যাব। তেওঁৰ ৰাজত্বত কোনোধৰণৰ ব্যৰ্থতা নাই। তেওঁ সকলো জগতক লালন-পালন কৰিছে। তেওঁ কৰ্মফলৰ বাদ দি ৰহমত দিছে। তথা

কৰ্মফলৰ কাৰণেও ৰহমত প্ৰদান কৰিছে। পুৰস্কাৰ আৰু শাস্তি যথা সময়ত প্ৰদান কৰি আহিছে। তেওঁক উপাসনা কৰো আমি আৰু তেওঁৰ ওচৰতে সহায়ৰ প্ৰাৰ্থনা কৰো লগতে এই দোৱা আমি কৰো যে আমাক সকলো প্ৰকাৰৰ নেয়ামতৰ পথ প্ৰদৰ্শন কৰক তথা ক্ৰোধ আৰু গজৱৰ পথৰ পৰা; ভ্ৰষ্টতাৰ পথৰ পৰা আমাক ৰক্ষা কৰক। আমীন।

এই দোৱাত যি শিকোৱা হৈছে 'চুৰা ফাতেহা'ৰ মাজত, সেয়া 'ইঞ্জিল'ৰ দোৱাৰ সম্পূৰ্ণ বিপৰীত । কিয়নো ইঞ্জিলত পৃথিৱীৰ বুকুত খোদাৰ ৰাজত্ব কাৰ্যকৰ হৈ থকাটো অস্বীকাৰ কৰা হৈছে। অৰ্থাৎ ইঞ্জিলৰ দৃষ্টিত পৃথিৱীৰ ওপৰত খোদাৰ নে ৰবুবিয়ত কাৰ্যকৰ হৈছে, ৰহমানিয়ত কাৰ্যকৰ, নে ৰহিমীয়ত কাৰ্যকৰ হৈছে,নে পুৰস্কাৰ আৰু শাস্তি দানৰ ক্ষমতাবোৰ। কিয়নো এতিয়ালৈকে পৃথিৱীত খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই। কিন্তু 'চুৰা ফাতেহা'ৰ পৰা জানিব পৰা গৈছে যে, পৃথিৱীৰ ওপৰত খোদাৰ বাদশ্বাহৰ ৰাজত্ব প্ৰতিষ্ঠিত হৈছে। যাৰ বাবে 'চুৰা ফাতেহা'ত খোদাৰ ৰাজত্বৰ যাৱতীয় সাৰঞ্জমৰ কথা বৰ্ণনা কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখ যোগ্য যে, ৰাজত্বৰ মাজত এই গুণ থকাটো অপৰিহাৰ্য যে তেওঁৰ মানুহৰ প্ৰতিপালকৰ ক্ষমতা থাকিব লাগিব। সেয়েহে, চুৰা ফাতেহাৰ 'ৰাব্বুল আলামীন' উল্লেখ কৰাৰ মাজেৰে সেই গুণক সাব্যস্ত কৰা হৈছে। পুনৰ দ্বিতীয় গুণ ৰাজত্বৰ মাজত এইটো থকাটো জৰুৰী যে প্ৰজাসকলৰ বসবাসৰ বাবে বা জীৱন-যাপনৰ বাবে অতি প্ৰয়োজনীয় যিবিলাক সামগ্ৰীৰ  দৰকাৰ, সেইবিলাক সকলো তেওঁ তেওঁলোকৰ কোনো কৰ্মফলৰ বিনিময়ত নহয়, বৰঞ্চ ৰাজকীয় কৃপা জ্ঞাপন কৰি তেওঁলোকক দান কৰিব লাগে আৰু সেই গুণক তেওঁ প্ৰকাশ কৰিছে 'ৰহমান'ৰ মাজেৰে। তৃতীয় গুণ ৰাজত্বৰ বাবে এয়াই যে প্ৰজাসকলৰ যি কাম তেওঁৰ প্ৰচেষ্টাত পূৰ্ণতা লাভ কৰে, তাক সফল কৰাত প্ৰয়োজনীয় সহায় কৰা। সেয়ে ' আৰ ৰহিম' শব্দৰ দ্বাৰা সেই গুণক প্ৰতিপন্ন কৰা হৈছে। চতুৰ্থ গুণ ৰাজত্বৰ মাজত থকাটো প্ৰয়োজন সেয়া হ'ল- তেওঁ পুৰস্কাৰ আৰু শাস্তিদানৰ ক্ষমতাৰ গৰাকী। যাৰ দ্বাৰা ৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত কোনো ধৰণৰ ব্যাঘাত সৃষ্টি নহয়। তাক প্ৰদান কৰা হৈছে 'মালিকি ইয়াও মিদ্দীন' উল্লেখৰ মাজেৰে। সাৰমৰ্ম এয়া যে ওপৰত

উল্লেখিত চুৰাটোৰ মাজত ৰাজত্বৰ বাবে সেই অপৰিহাৰ্য গুণৰ কথা বৰ্ণনা কৰা হৈছে। যাৰ প্ৰমাণিত হৈছে যে পৃথিৱীৰ ওপৰত খোদাৰ বাদশ্বাহ আৰু ৰাজত্বৰ কাৰ্যক্ৰম প্ৰতিষ্ঠিত আৰু অব্যাহত আছে...।

শুনিবলৈ, বুজিবলৈ চেষ্টা কৰো যে সকলোতকৈ ডাঙৰ মা'ৰেফাত হৈছে, পৃথিৱীৰ প্ৰতিটো অণু-পৰমাণু যেনেকৈ খোদাৰ নিয়ন্ত্ৰণত থাকে, তেনেকৈ তেওঁৰ নিয়ন্ত্ৰণত থাকে আকাশৰ প্ৰতিটো অণু- পৰমাণু। তথা যেনেকৈ আকাশৰ ওপৰত এক আজিমুশ্বশ্বান তাজাল্লী বা মহান জ্যোতিৰ প্ৰকাশ বিদ্যমান, তেনেকৈ পৃথিৱীৰ ওপৰতো সেই জ্যোতি প্ৰকাশিত। বৰঞ্চ আকাশৰ জ্যোতি বিকাশ হৈছে এক ঈমানৰ বিষয়। সাধাৰণ মানুহ আকাশলৈ গৈছে নে তাক দেখিছে। কিন্তু পৃথিৱীৰ ওপৰত খোদাৰ ৰাজত্বৰ জ্যোতি প্ৰকাশক প্ৰতিজন ব্যক্তিয়ে নিজৰ চকুৰে পৰিষ্কাৰকৈ দেখিবলৈ পাইছে। প্ৰতিজন ব্যক্তি যিমানেই বিত্তশালী নহওঁক কিয় নিজৰ ইচ্ছাৰ বিৰুদ্ধে মৃত্যুৰ পিয়লা পান কৰে। গতিকে, চোৱা।। সেই প্ৰকৃত সম্ৰাটৰ আদেশত পৃথিৱীৰ বুকুত কিদৰে জ্যোতিৰ প্ৰকাশ ঘটিছে, যেতিয়া আদেশ প্ৰদান কৰা হয়-তেতিয়া নিজৰ মৃত্যুক কোনেও ছেকেণ্ডৰ বাবে বাধা দিব নোৱাৰে। যেতিয়া কোনো মাৰাত্মক আৰু দুৰাৰোগ্য ব্যাধিয়ে আক্ৰমণ কৰে তেতিয়া কোনো চিকিৎসকে তাক নিৰাময় কৰিব নোৱাৰে। গতিকে চিন্তা কৰক। পৃথিৱীৰ বুকুত খোদাৰ ৰাজত্ব বা জ্যোতিৰ প্ৰকাশ কিমান প্ৰখৰ যে তেওঁৰ আদেশ অবিহনে একো নহয়। তেন্তে কেনেকৈ ক'ব যে পৃথিৱীৰ ওপৰত খোদাৰ ৰাজত্ব এতিয়াও নাই, ভৱিষ্যতে কোনো এক যুগত প্ৰতিষ্ঠিত হ'ব? চাওঁক। এই যুগতেই খোদাতালাই আছমানী আদেশ প্লেগৰ দ্বাৰা পৃথিৱীক কঁপাই দিছে, যেন তেওঁৰ প্ৰতিশ্ৰুত মছীহৰ বাবে এক নিদৰ্শন হৈ পৰক। কোন আছে এনে যি ইয়াক তেওঁৰ ইচ্ছাৰ অবিহনে আঁতৰ কৰিব পাৰিব?

তেন্তে কি বুলি উল্লেখ কৰিব যে পৃথিৱীৰ ওপৰত এতিয়াও খোদাৰ ৰাজত্ব নাই? তেন্তে দুষ্কৃতিকাৰী কয়েদীসকলৰ দৰে এই পৃথিৱীত জীৱন অতিবাহিত কৰি তথা আশা কৰো যে, তেওঁ যেন কেতিয়াও আমাক নামাৰে। কিন্তু, খোদাৰ সত্যৰ ৰাজত্বই তেওঁলোকক ধ্বংস কৰি দিয়ে তথা অৱশেষত

যমদূতৰ হাতত বা মালেকুল মউতৰ হাতত কৰায়ত্ত হ'ব লগা হয়। তেনেহ'লে কেনেকৈ উল্লেখ কৰাটো সম্ভৱ যে, এতিয়ালৈকে পৃথিৱীৰ বুকুত খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই? চাওঁক। পৃথিৱীৰ বুকুক খোদাৰ আদেশত এক মুহূৰ্তৰ ভিতৰতে কোটি কোটি মানুহৰ মৃত্যু হৈছে আৰু কোটি কোটিয়ে তেওঁৰ ইচ্ছাত জন্ম গ্ৰহণ কৰিছে। তথা কোটি কোটি লোক তেওঁৰ ইচ্ছাত ফকীৰৰ পৰা ধনী হৈছে আৰু ধনীৰ পৰা ফকীৰ হৈ পৰিছে। তাৰ পিছতো কেনেকৈ ক'ব পৰা যায় যে, পৃথিৱীত আজিলৈকে খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই? আকাশৰ ওপৰতো ফিৰিস্তা থাকে। কিন্তু মাটিৰ ওপৰত মানুহ আছে, ফিৰিস্তাও আছে আল্লাহৰ কৰ্মচাৰী হিচাপে আৰু তেওঁলোকে তেওঁৰ ৰাজ্য বা ছালাতানাতৰ সেৱক- যিসকলক মানুহৰ ভিন্নকৰ্মৰ ৰক্ষণাবেক্ষণৰ বাবে নিয়োজিত কৰা হৈছে। তথা তেওঁলোকে সকলো সময়ত খোদাৰ আনুগত্যতা প্ৰকাশ কৰে আৰু নিজৰ কামৰ প্ৰতিবেদন প্ৰেৰণ কৰে। তাৰ পিছতো জানো ক'ব পৰা যায় যে পৃথিৱীত খোদাৰ ৰাজত্ব নাই? বৰঞ্চ পৃথিৱীত খোদা তেওঁৰ ৰাজত্বৰ মাজেৰে সকলোতকৈ অধিক পৰিচিত হৈছে। কিয়নো প্ৰতিজন ব্যক্তিয়ে অনুভৱ কৰে যে আকাশৰ ৰহস্য গোপন আৰু তাক প্ৰত্যেক্ষ কৰাটো অসম্ভৱ। বৰঞ্চ আধুনিক কালৰ প্ৰায় সকল খ্ৰীষ্টান আৰু তেওঁলোকৰ দাৰ্শনিকসকলে আকাশসমূহৰ অস্তিত্বকে বিশ্বাস নকৰে। অথচ সেই এই আছমানৰ ওপৰতেই, ইঞ্জিলৰ মতে, খোদাৰ ৰাজত্ব সকলো ভেটি স্থাপিত। পক্ষান্তৰত, পৃথিৱী হৈছে আমাৰ ভৰিৰ তলৰ এটা গোলক। তথা নিয়তিৰ হাজাৰ হাজাৰ ঘটনা অহৰহ সংঘটিত হৈ আছে, যাৰ পৰা প্ৰমাণিত হৈছে যে এই সকলো বিবৰ্তন আৰু পৰিৱৰ্তন, জন্ম আৰু মৃত্যু কোনো এক বিশেষ গৰাকীৰ আদেশত সংঘটিত হৈছে। নহ'লে, কেনেকৈ উল্লেখ কৰাটো সম্ভৱ যে পৃথিৱীত এতিয়াও খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই?আমাৰ মহিমামান্বিত আৰু মহা প্ৰতাপান্বিত খোদা চুৰা ফাতেহাত নে আকাশৰ নাম উল্লেখ কৰিছে নে পৃথিৱীৰ, তথা এই কথা উল্লেখ কৰিছে আমাক প্ৰকৃত তত্ত্ব বা হাকীকত অৱগত কৰিছে যে তেওঁ হৈছে 'ৰাব্বুল আলামীন'। অৰ্থাৎ, যিমানলৈকে জনবসতি আছে তথা যিমানলৈকে কোনো প্ৰকাৰৰ কিবা অস্তিত্ব বিদ্যমান,

সেয়া দেহেই হওঁক বা আত্মাই হওঁক, সকলোৰে সৃষ্টিকৰ্তা আৰু প্ৰতিপালক হৈছে খোদা, যি সকলো সময়তে সকলোকে প্ৰতিপালন কৰিছে আৰু সকলোৰে অৱস্থানুসৰি ব্যৱস্থা গ্ৰহণ কৰিছে। তথা সকলো জগতৰ ওপৰত সদায় সকলো সময়তে তেওঁৰ ‘ৰবুবিয়তৰ’ আৰু ৰহমানীয়তৰ তথা পুৰস্কাৰ-শাস্তিদান বা মালেকিয়াতৰ দাৰা অব্যাহত আছে। তথা মনত ৰাখিব লাগিব যে চুৰা ফাতেহাত বৰ্ণিত ‘মালিকি ইয়াও মিদ্দীন’ৰ উদ্দেশ্য মাথো ইমানেই নহয়, কেৱল কেয়ামত বা পুনৰুত্থান দিৱসত পুৰস্কাৰ আৰু শাস্তি দান কৰা হ’ব। বৰঞ্চ কোৰাণ শ্বৰিফত বাৰে বাৰে অতি পৰিষ্কাৰকৈ উল্লেখ কৰা হৈছে যে, কেয়ামত হৈছে ‘মু’জাযাতে কোৰবা’ অৰ্থাৎ প্ৰতিফল দানৰ মহান বা চূড়ান্ত সময়। কিন্তু এক প্ৰকাৰৰ ‘মুজাযাত’ বা প্ৰতিফলন দান ইহজগতত আৰম্ভ হৈ পৰে। তথা ইয়াৰ ইংগিত প্ৰদান কৰা হৈছে এই আয়াতত يَجْعَلْ لَّكُمْ فُرْقَانًا ... ) তেওঁ তোমালোকৰ বাবে এক ফুৰকান (প্ৰভেদকাৰী উপকৰণ) সৃষ্টি কৰি দিব.(8:30) কিশতী-এ-নুহ ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৩২-৪২)

## বেয়াৰ পৰা পৱিত্ৰ আৰু পাক স্থানৰ নাম আৰশ্ব

এয়া স্পষ্ট যে, কোৰাণ শ্বৰিফৰ শিক্ষামতে খোদাতালা যেনেকৈ আকাশত আছে, তেনেকৈ পৃথিৱীতো আছে। যেনে দৰে তেওঁ কৈছে—

وَهُوَ الَّذِي فِي السَّمَاءِ إِلَٰهٌ وَفِي الْأَرْضِ إِلَٰهٌ (43:85)

তেওঁ আকাশতো উপাস্য আৰু পৃথিৱীতো উপাস্য-(43:85) অৰ্থাৎ পৃথিৱীতো তেওঁ খোদা, আকাশতো তেওঁ খোদা। লগতে উল্লেখ কৰিছে এনে কোনো তিনিগৰাকী ব্যক্তিৰ গোপন পৰামৰ্শ নহয় যে য’ত চতুৰ্থজন খোদা নাথাকিব, লগতে উল্লেখ কৰিছে যে, তেওঁ সীমাহীন। যেনেকৈ এই আয়াতত উল্লেখ কৰা হৈছে—

لَا تُدْرِكُهُ الْأَبْصَارُ وَهُوَ يُدْرِكُ الْأَبْصَارَ

দৃষ্টিয়ে তেওঁ ঢুকি নাপায় কিন্তু তেওঁ দৃষ্টিক ঢুকি পায় (6:104) অৰ্থাৎ চকুৰে তেওঁৰ সীমালৈকে ঢুকি নাপায়, কিন্তু তেওঁ চকুৰ শেষসীমালৈকে ঢুকি পায়।

এইদৰে খোদাতালাই কোৰাণ শ্বৰিফত পুনৰ কৈছে ঃ

(50:17) وَنَحْنُ اَقْرَبُ اِلَيْهِ مِنْ حَبْلِ الْوَرِيْدِ ﴿١٧﴾

'তথা আমি (তেওঁ) জীৱন- শিৰা অপেক্ষাতো তেওঁৰ অধিকতম ওপৰত আছো (50:17)

অৰ্থাৎ আল্লাহ মানুহৰ শিৰাতকৈ অধিক ওচৰৰ। তথা আন এক স্থানত এইদৰে উল্লেখ কৰিছে খোদাই প্ৰতিটো সামগ্ৰীক পৰিবেষ্টন কৰি আছে। তথা এই কথাও কৈছে ঃ اَنَّ اللّٰهَ يَحُوْلُ بَيْنَ الْمَرْءِ وَقَلْبِهٖ

(নিশ্চ য় আল্লাই মানুহ আৰু তেওঁলোকৰ হৃদয়ৰ মাজত আহি উপস্থিত হয়- (8:25) অৰ্থাৎ খোদা সেইজনেই যি মানুহ আৰু তেওঁৰ হৃদয়ৰ মাজত হয়। লগতে এই কথাও কৈছে ঃ اَللّٰهُ نُوْرُ السَّمٰوٰتِ وَالْاَرْضِ

( আল্লাহৰ আকাশ মণ্ডলী আৰু পৃথিৱীত আছে-নুৰ-(24:36) অৰ্থাৎ তেওঁ সেইজন যাৰ চেহেৰাৰ জিলিঙনি মাটি আৰু আকাশত উদ্ভাসিত। পুনৰ উল্লেখ কৰিছেঃ

كُلُّ مَنْ عَلَيْهَا فَانٍ ﴿٢٧﴾ وَّيَبْقٰى وَجْهُ رَبِّكَ ذُو الْجَلٰلِ وَالْاِكْرَامِ ﴿٢٨﴾

পৃথিৱীৰ বুকুত থকা সকলো বস্তু ক্ষণস্থায়ী;কেৱল তোমালোকৰ প্ৰভু,সকলো গৌৰৱ আৰু সন্মানৰ অধিকাৰী জনাৰ কৃপাৰ বাহিৰে। 55:27,28) অৰ্থাৎ প্ৰতিটো সামগ্ৰী ধ্বংসশীল আৰু পৰিৱৰ্তনশীল, যি অবিনশ্বৰ হৈ থাকিব তেওঁ হৈছে খোদা। আন কথাত, প্ৰতিটো সামগ্ৰী ক্ষয়প্ৰাপ্ত হয় আৰু পৰিৱৰ্তিত হৈ যায়। কিন্তু মানৱ প্ৰকৃতিয়ে এই কথা মানিবলৈ বাধ্য যে, এই সকলো পাৰ্থিৱ আৰু আছমানী জগতসমূহৰ মাজত এজন এনে এক সত্তা আছে যিগৰাকী সকলোবোৰ ক্ষয়প্ৰাপ্ত হলেও তেওঁৰ ওপৰত এই ক্ষয়প্ৰাপ্ততাৰ বা পৰিৱৰ্তনৰ কোনো প্ৰভাৱ নপৰে। তেওঁ নিজৰ অৱস্থাত অবিকল আৰু অপৰিৱৰ্তিত। সেইজনেই হৈছে খোদা। যিহেতু পৃথিৱীৰ বুকুত পাপ আৰু অপৱিত্ৰ কাৰ্যসমূহ

সংঘটিত হৈ থাকে, তেওঁলোকে খোদাক পৃথিৱীৰ মাজতে সীমাৱদ্ধ কৰি ৰাখে যিসকলে তেওঁৰ সলনি মূর্তি পূজাৰী আৰু সৃষ্টিৰ পূজাৰী হৈ পৰে। যিদৰে হিন্দুসকল হৈ পৰিছে। এই কাৰণে কোৰাণ শ্বৰিফত একাধিক বর্ণনা আছে যে, খোদাৰ লগত তেওঁৰ সৃষ্টিৰ নিবিড় সম্পর্ক আছে তথা তেওঁ প্ৰতিটো প্ৰাণৰ প্ৰাণ আৰু প্ৰতিটো অস্তিত্বই তেওঁৰ মাজতে আশ্ৰয় গ্ৰহণ কৰিছে, তেনেকৈ আনহাতে- এই ভুলৰ পৰা ৰক্ষা কৰাৰ বাবে তেওঁৰ সম্পর্ক যে মানুহৰ লগত আছে, তাৰ পৰা যেন কোনো ব্যক্তিয়ে ধাৰণা কৰিব নোৱাৰে যে মানুহ নিজেই খোদা, যিটো বেদান্ত অনুসৰি ধাৰণা কৰা হৈছে- এই কথা ও উল্লেখ কৰা হৈছে যে খোদা সকলোবোৰৰ উৰ্ধত আৰু তেওঁ সমগ্র সৃষ্টিৰ অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত অৱস্থানত- ‘ৰৱাউল ৰবা’ - অধিষ্ঠিত, যাক চৰিয়তৰ পৰিধিত ‘আৰশ্ব’ বুলি কোৱা হয়। তথা ‘আৰশ্ব’ কোনো সৃষ্ট সামগ্রী নহয়। এয়া মাথো অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত মর্যাদাৰ নাম। এয়া কোনো এনে সিংহাসন নহয়, যাৰ ওপৰত খোদাতালা মানুহৰ দৰে বহি আছে বুলি ভাবিব পৰা যায়। বৰঞ্চ যি সৃষ্টিৰ পৰা অতিক্ৰান্ত তথা সম্পূর্ণ অতিক্ৰান্ত আৰু পৱিত্ৰ মোকাম বা ঐশ্বৰিক অৱস্থান। যেনেকৈ কোৰাণ শ্বৰিফত লিখিত আছে যে, খোদাতালা স্ৰষ্টা আৰু সৃষ্টিৰ মাজত যি সম্পর্ক তাক স্থাপন কৰাৰ পিছত ‘আৰশ্ব’ৰ ওপৰত অধিষ্ঠিত হৈ আছে। অর্থাৎ সম্পর্কৰ পিছতো পৃথকৰ পৰা পৃথক হৈ গৈছে তথা সৃষ্টিৰ লগত মিলি যোৱা নাই।

সংক্ষেপত, খোদা মানুহৰ লগত সম্পর্কিত হোৱা আৰু সকলোবোৰক পৰিবেষ্টন কৰা বা সকলোবোৰৰ অনুচ্যুত হোৱাটো হৈছে খোদাৰ সাদৃশ্য সূচক গুণ- তাছবিহী ছিফাত (Immanent Attribute)। খোদাতালাই কোৰাণ শ্বৰিফত তেওঁৰ গুণৰ কথা এই কাৰণে উল্লেখ কৰিছে যে, ইয়াৰ মাজেৰে তেওঁ যেনেকৈ মানুহৰ লগত তেওঁৰ আন্তৰিক সম্পর্কক সাব্যস্ত কৰিব পাৰে। তথা সমস্ত সৃষ্টিৰ পৰা খোদাৰ ৰৱাউল ৰবা— অতিক্ৰান্ত পৰা অতিক্ৰান্ত— Beyond of Beyond — হোৱা, তথা সকলোৰে ওপৰত উর্ধত হোৱা, উন্নত হোৱা আৰু অতিদূৰ হোৱা, তথা সেই চৰম অতিক্ৰান্ত আৰু পৱিত্ৰ মোকাম যি সৃষ্টিৰ পৰা আঁতৰত , যি আৰশ্ব বুলি আখ্যায়িত হয় -তাৰে পিছত অধিষ্ঠিত

হোৱাতো তেওঁৰ তানজিহী ছিফাত বা অতিক্ৰান্তসূচক গুণ (Transcendental attribute), তথা খোদাতালাই কোৰাণ শ্বৰিফত এই গুণৰ বৰ্ণনা এই কাৰণে কৰিছে যে ইয়াৰ মাজেৰে যেন তেওঁ নিজৰ তৌহিদ বা একত্ব, যি অলপো অংশবিহীন অৰ্থাৎ ৱাহেদ লা- শ্বৰীক হোৱা তথা সৃষ্টিৰ গুণৰ পৰা নিজকে অতিক্ৰান্ত হোৱা আৰু মুক্ত হোৱাটো সাব্যস্ত কৰিব পাৰে। নহ'লে জাতিবিলাকে খোদাতালাৰ সম্পৰ্কত তানজিহী অৰ্থাৎ অতিক্ৰান্ত সূচক (Transcendental) গুণক স্বীকাৰ কৰি লওঁক- যি তেওঁক কৈছে ' নিগুণ' কিন্তু তাকে পুন 'চিৰগুণ' বুলি তেওঁৰ প্ৰতি তাছবিহী বা সাদৃশ্যসূচক বা অনুচ্যুত (Immanent) গুণক এনে দৰে ঘোষণা কৰা হৈছে যে, সেয়া নিজেই সৃষ্টি হৈ পৰিছে। ফলত তেওঁলোকে উভয়গুণৰ সম্পৰ্কক একস্থ কৰাত ব্যৰ্থ হৈছে। কিন্তু খোদাতালাই কোৰাণ শ্বৰিফত এই উভয় গুণৰ দাপোনত নিজৰ চেহেৰা প্ৰদৰ্শন কৰিছে। তথা এয়াই হৈছে পূৰ্ণ আৰু উপযুক্ত একত্ব—কামাল তৌহিদ।' — (ছশমা মা'ৰেফত, ৰুহানি খাজাইন জিলদ ২৩ পৃঃ ৯৭-৯৯)

মুছলমানসকলৰ আকিদা বা বিশ্বাস এইটো নহয় যে 'আৰশ্ব' কোনো বস্তুগত ( আসন) তথা সৃষ্টিৰ কোনো পদাৰ্থ বা সৃষ্টিৰ কোনো স্থান যাৰ ওপৰত খোদা বহি আছে। সমগ্ৰ কোৰাণ শ্বৰিফত প্ৰথমৰ পৰা শেষলৈকে পঢ়ি চোৱা, ইয়াৰ মাজত ক'তো এই কথা পোৱা নাযায় যে আৰশ্ব কোনো সীমাৱদ্ধৰ বস্তু তথা সৃষ্ট। খোদায়ে বাৰে বাৰে কোৰাণ শ্বৰিফত কৈছে যে

কোনো বস্তুৰ যাৰ কিবা অস্তিত্ব আছে, তাৰ স্ৰষ্টা মই। মই মাটি আৰু আকাশ, তথা সমস্ত আত্মা আৰু সেইবিলাকৰ সৃষ্টিকৰ্তা। মই নিজৰ সত্তাত নিজেই প্ৰতিষ্ঠিত। লগতে প্ৰতিটো সামগ্ৰী মোৰ কাৰণেই সৃষ্টি হৈছে। কিন্তু এই কথাও ক'তো উল্লেখ কৰা নাই যে, আৰশ্ব কোনো দৈহিক বস্তু যাৰ সৃষ্টিকৰ্তা মই।...... কোৰাণ শ্বৰিফৰ যি যি স্থানত আৰশ্ব শব্দটো ব্যৱহাৰ হৈছে, তাত ইয়াৰ উদ্দেশ্য হৈছে খোদাতালাৰ মাহাত্ম্য তথা তেওঁৰ অসীম ক্ষমতা আৰু তেওঁৰ মহিমা তথা সৰ্বশ্ৰেষ্ঠতা প্ৰতিপন্ন কৰা, প্ৰকাশ কৰা। এই কাৰণেই আৰশ্যক সৃষ্ট বস্তুৰ মাজত অন্তৰ্ভুক্ত কৰা হোৱা নাই। তথা খোদাতালাৰ মহিমা-মাহাত্ম্য তথা অসীম ক্ষমতা তথা শ্ৰেষ্ঠত্ব অৰ্থাৎ আজমত আৰু জৰুৰতৰ প্ৰকাশ চাৰি প্ৰকাৰৰ।

এইবিলাকক বেদত চাৰি দেৱতা বুলি আখ্যা দিয়া হৈছে। কিন্তু কোৰাণৰ পৰিধিত এইবিলাকক ফিৰিস্তা বুলি কোৱা হৈছে। (নছীম দাৱাত, ৰুহানি খাজাইন জিলদ ১৯ পৃঃ ৪৫৩-৪৫৬)

**আৰশ্ব** বুলি কোৰাণ শ্বৰিফত সেই মোকাম বা অৱস্থানক বুজাব বিচৰা হৈছে যি তাছবিহী বা সাদৃশ্যসূচক। অনুচ্যুত অৱস্থাৰ পৰা উৰ্ধত আৰু প্ৰতিখন জগতৰ পৰা শ্ৰেষ্ঠতৰ তথা দুৰত্বতমৰ পৰা দূৰত্ব আৰু পৱিত্ৰ পাৰ অতিক্ৰান্ত। এয়া এনে কোনো স্থান নহয়, যি শিল বা ইটা, আন কোনো পদাৰ্থৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে যাৰ ওপৰত বহি আছে খোদা। এই কাৰণেই উল্লেখ কৰাটো আৱশ্যক যে, সেয়া অসৃষ্ট। তথা খোদাতালাই কৈছে যে, তেওঁ যেতিয়াই যেতিয়াই মোমিনৰ হৃদয়ত তেওঁৰ জ্যোতি প্ৰতিফলন ঘটায়, তেনেকৈ তেওঁ উল্লেখ কৰিছে যে - **আৰশ্ব** ৰ ওপৰত তেওঁৰ জ্যোতি প্ৰকাশিত হয়। তেওঁ পৰিষ্কাৰ ভাবে উল্লেখ কৰিছে যে প্ৰতিটো বস্তুক মই ওপৰত বা তলত ৰাখিছো। এই কথা ক'তো উল্লেখ কৰা নাই -'কোনো বস্তুৱে মোক তলত ৰাখিছে। 'আৰশ্ব' যি প্ৰতিখন জগতৰে ওপৰত থকা এক অৱস্থান সেয়া হৈছে তানজিহী ছিফাত বা অতিক্ৰান্ত গুণৰ প্ৰকাশক। তথা মই বাৰে বাৰে লেখিছো যে আদিৰে পৰা খোদাৰ মাজত দুই প্ৰকাৰৰ গুণ বিদ্যমান। এক সাদৃশ্যসূচক বা তাছবিহী গুণ, দুই - অতিক্ৰান্ত বা তানজিহী গুণ। যিহেতু খোদাৰ কালামৰ মাজত উভয় গুণৰ বৰ্ণনা দিয়াটো আৱশ্যক আছিল, অৰ্থাৎ তাছবিহী আৰু তানজিহী গুণৰ বৰ্ণনা-যিহেতু, খোদা তাছবিহী গুণৰ প্ৰকাশৰ বাবে হাত, চকু, ভালপোৱা, ক্ৰোধ আদি গুণৰ বৰ্ণনা কৰিছে। 'আৰশ্ব'ৰ দৰে সৃষ্টিৰ সংশয়কক দূৰীভূত কৰাৰ বাবে কৈছেঃ

لَيْسَ كَمِثْلِهٖ شَيْءٌ

' তাৰ নিচিনা একো নাই'— (42:12) । পুনৰ আন স্থানত উল্লেখ কৰিছেঃ

ثُمَّ اسْتَوٰى عَلَى الْعَرْشِ

(তেওঁ আৰশ্বৰ ওপৰত অধিষ্ঠিত হৈছে-(13:3)

চুৰা ৰা'আদ-ৰ এক আয়াতত উল্লেখ আছে ঃ

اَللّٰهُ الَّذِىۡ رَفَعَ السَّمٰوٰتِ بِغَيۡرِ عَمَدٍ ثُمَّ اسۡتَوٰى عَلَى الۡعَرۡشِ
(13:3)

যিজনে তোমালোকৰ দৃষ্টিত পৰা স্তম্ভ নোহোৱাকৈ আকাশমণ্ডলীক ঊৰ্দ্ধলোকত তুলি ৰাখিছে আল্লাহ;পিছত তেওঁ প্ৰতিষ্ঠিত হ'ল মহা সিংহাসনৰ ওপৰত। এই আয়াতৰ বাহ্যিক অৰ্থ আলোকত ইয়াত সন্দেহ সৃষ্টি হৈছে যে, কিয় খোদা ইয়াৰ আগতে আৰশ্বত অধিষ্ঠিত নাছিল? ইয়াৰ উত্তৰ হৈছে- **আৰশ্ব কোনো বস্তুগত স্থান নহয়। বৰঞ্চ অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত**(Beyond of Beyond) **হোৱাৰ এক অৱস্থা মাত্ৰ, যি তেওঁৰ আন এক গুণৰ প্ৰকাশ**। গতিকে, খোদাই যেতিয়া মাটি আৰু আকাশৰ, তথা প্ৰতিটো বস্তুক সৃষ্টি কৰিছে আৰু প্ৰতিচ্ছৱি হিচাপে নিজৰ নুৰ বা জেউতিৰ পৰা সূৰ্য, চন্দ্ৰ আৰু নক্ষত্ৰবোৰক জেউতি দান কৰিছে। লগতে মানুহকো ৰূপক ভাৱে নিজৰ চুৰতে বা আকৃতিত সৃষ্টি কৰিছে তথা নিজৰ মহান চৰিত্ৰ তাৰ মাজত দাঙি ধৰিছে, তেতিয়া এই পদ্ধতি খোদায়ে নিজৰ এক সাদৃশ্য প্ৰকাশ কৰিছে। কিন্তু যিহেতু তেওঁ প্ৰতিটো প্ৰকাশৰ সাদৃশ্যৰ পৰা মুক্ত আৰু পৱিত্ৰ, যিহেতু আৰশ্বৰ ওপৰত অধিষ্ঠিত হোৱাৰ মাজেৰে নিজৰ অতিক্ৰান্ত (Transcendental)অৱস্থাৰ উল্লেখ কৰিছে। উল্লেখনীয় বিষয়, তেওঁ সকলোবিলাকৰ সৃষ্টি কৰাৰ পিছতো সৃষ্টি নহয়। বৰঞ্চ সকলোবোৰৰ পৰা পৃথক এক অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত মোকামত অধিষ্ঠিত ( চশ্বমায়ে মা'ৰৈফাত ৰুহানি খাজাইন জিলদ ২৩, পৃঃ২৭৬,২৭৭)

বিৰোধীসকলে পুনৰ এটা আপত্তি কৰি আহিছে। তথা সেয়া হ'ল কোৰাণ শ্বৰিফত বিভিন্ন স্থানৰ পৰা অনুভৱ হৈছে যে, কেয়ামতৰ দিনা আৰশ্ব কোনে উঠাব বা বহন কৰিব, আঠগৰাকী ফিৰিস্তা, যাৰ পৰা নিশ্চিত ৰূপত বুজিব পৰা যায়যে পৃথিৱীত আৰশ্ব কোনে বহন কৰে চাৰিজন ফিৰিস্তাই। কাৰ্যত ইয়াত আপত্তি উঠিছে যে, খোদাতালা ইয়াৰ পৰা পৱিত্ৰ আৰু উৰ্ধত যে কোনোবাই তেওঁৰ আৰশ্বক দাঙি ধৰিব। ইয়াৰ উত্তৰ হৈছে— এতিয়া

তোমালোকে শুনিছা যে, আৰশ্ব কোনো বস্তুগত স্থান নহয়, যাক উত্তোলন কৰিব পাৰি বা উত্তোলন কৰাটো সম্ভৱ। বৰঞ্চ মাথো (সৃষ্টিৰ পৰা) অতিক্ৰান্ত আৰু পৱিত্ৰ মোকামৰ নাম 'আৰশ্ব'। এই কাৰণে আৱশ্যক বুলি কোৱা হয় যে সেয়া সৃষ্ট নহয় অসৃষ্ট। নহ'লে এটা মূৰ্তিমান বা দেহধাৰী বস্তু কেনেকৈ খোদাৰ সৃষ্টি বহিৰ্ভূত হ'ব পাৰে। তথা আৰশ্ব সম্পৰ্কত যি কিছু বৰ্ণনা কৰা হৈছে সেইসকলো বিলাক ৰূপক। গতিকে, ইয়াৰ পৰা কোনো বুদ্ধিমান ব্যক্তিয়ে বুজিবলৈ সক্ষম যে, এই ধৰণৰ আপত্তি মাথো নিৰ্বুদ্ধিতাপ্ৰসূত।

## চাৰিটা গুণ যিয়ে এই আৰশ্বক উঠাই ৰাখিছে

এতিয়া আমি ফিৰিস্তাই উঠোৱাৰ আচল তত্ব দাঙি ধৰাৰ প্ৰকৃত ৰহস্য পাঠকৰ আগত উন্মোচন কৰিম। তথা সেয়া হৈছে, খোদাতালাৰ নিজৰ অতিক্ৰান্ত (Transcendental) মোকাম অৰ্থাৎ সেই মোকাম য'ত তেওঁৰ অতিক্ৰান্ত গুণ তেওঁৰ সকলো গুণৰ দ্বাৰা আবৃত্ত কৰিছে। যেতিয়া এই গুণক অতিক্ৰান্তৰ পৰা অতিক্ৰান্ত কৰি তোলে, গোপনৰ পৰা অতি গোপন কৰি তোলে, সেই মোকামক কোৰাণ শ্বৰিফৰ পৰিধিত 'আৰশ্ব' বুলি উল্লেখ কৰা হৈছে। ইয়াত খোদাতালাই মানবীয় বুদ্ধি-কল্পনাৰ উৰ্ধত অৱস্থান কৰে আৰু বুদ্ধি-কল্পনাৰ কোনো শক্তি নেথাকে ইয়াৰ বিষয়ে অৱগত হোৱাৰ। তেতিয়া চাৰিটা সেই গুণ যাক চাৰি ফিৰিস্তা বুলি আখ্যা দিয়া হৈছে, যি এই জগতত প্ৰকাশিত হয়, সেইবিলাকে নিজা গোপন অস্তিত্ব প্ৰকাশ কৰে, সেই কেইটা হ'ল—

**১)** প্ৰথম গুণ হৈছে — ৰবুবিয়ত বা প্ৰতিপালকত্ব,ইয়াৰ মাজেৰে তেওঁ মানুহক আত্মিকভাবে আৰু দৈহিকভাবে পৰিপূৰ্ণতা দান কৰে। বস্তুতঃ আত্মা আৰু দেহৰ বিকাশ ৰবুবিয়তৰ চাহিদাৰ পৰাই সম্পন্ন হয়। তথা এইদৰে, খোদাৰ কালাম (বাণী) অৱতীৰ্ণ হোৱা আৰু ইয়াৰ অতি অসাধাৰণ নিৰ্দেশনাৱলী প্ৰকাশিত হোৱাটো 'ৰবুবিয়ত'ৰ চাহিদা।

**২)** দ্বিতীয় গুণ খোদাতালাৰ 'ৰহমানিয়ত'- যি প্ৰকাশিত হৈছে। অৰ্থাৎ যিবোৰ তেওঁ মানুহক কৰ্মৰ আগতে দি থৈছে। যেনেকৈ মানুহৰ বাবে তেওঁ গণিত নেয়ামতৰ সৰবৰাহ কৰিছে (মানুহৰ জন্মৰ আগৰে পৰা)। এই গুণে তেওঁৰ

গোপন অস্তিত্বক প্ৰকাশ কৰে।

**৩)** খোদাতালাৰ তৃতীয় গুণ 'ৰহিমীয়ত'। অৰ্থাৎ নেক আমলকাৰীসকলে বা সৎকৰ্মশীলসকলে প্ৰথমতে 'ৰহমিয়তৰ চাহিদা অনুসৰি সৎকৰ্ম কৰাৰ শক্তি আৰু সামৰ্থ লাভ কৰে আৰু পিছত 'ৰহিমীয়ত'ৰ চাহিদা অনুসৰি তেওঁলোকৰ সৎকৰ্ম সম্পাদন কৰে আৰু এইদৰে গুণবোৰে তেওঁৰ গোপন অস্তিত্ব প্ৰকাশ কৰে।

**৪)** খোদাতালাৰ চতুৰ্থ গুণ হৈছে - 'মালিকি ইয়াও মিদ্দীন'। এই গুণেও তেওঁৰ গোপন অস্তিত্বক প্ৰকাশ কৰে। কিয়নো তেওঁ সৎ লোকসকলক পুৰস্কাৰ আৰু বেয়া লোকসকলক শাস্তি দান কৰে।

এয়া হৈছে সেই চাৰিটা গুণ-যিবোৰে তেওঁৰ 'আৰশ্ব'ক দাঙি ধৰে। অৰ্থাৎ তেওঁৰ গোপন অস্তিত্ব জগতত এই চাৰিটা গুণৰ মাজেৰে জানিব পৰা যায়। তথা এই উপলব্ধি বা মা'ৰেফত পৰকালৰ জগতত দুগুণ হৈ পৰে, যেন চাৰিৰ স্থানত আঠ ফিৰিস্তা হৈ পৰিব। (ছশমা মা'ৰেফত,ৰুহানি খাজাইন জিলদ ২৩ পৃঃ২৭৮-২৭৯)

তৌহিদ এক নুৰ-পোহৰ, যি বাহ্যিক আৰু আভ্যন্ত্ৰীণ সকলো উপাস্যকে নাস্তি কৰি দিয়াৰ পাছত হৃদয়ত সৃষ্টি হয় তথা তেওঁৰ অস্তিত্বক সকলোবোৰ অণু- পৰমাণুৰে পৰিব্যপ্ত হৈ পৰে। গতিকে, কেনেকৈ তাক খোদা আৰু তেওঁৰ ৰছুলৰ সহায়ৰ অবিহনে নিজৰ শক্তিত লাভ কৰিব পৰা যায়? মানুহৰ কাম মাথো ইমানেই যে, নিজৰ অহংকাৰৰ বাবে মৃত্যুক আনয়ন কৰিব আৰু এই চয়তানী অহমিকা বৰ্জন কৰিব যে 'মই জ্ঞানী হৈছো'। তথা তেওঁ নিজকে এজন মুৰ্খ বা অজ্ঞ বুলি ভাবিব আৰু প্ৰাৰ্থনাত নিমগ্ন হ'ব। তেতিয়া তৌহিদৰ নুৰ খোদাৰ পক্ষৰ পৰা তেওঁৰ ওপৰত অৱতীৰ্ণ হ'ব আৰু তেওঁক তেতিয়া এক নতুন জীৱন দান কৰা হ'ব।' (হকীকাতুল ওহী ৰুহানি খাজাইন জিলদ ২২ পৃঃ১৪৮)

তদুপৰি, যিহেতু, আদিকালৰে পৰা তথা যেতিয়াৰ পৰা পৃথিৱীৰ জন্ম হৈছে তেতিয়াৰ পৰা খোদাক চিনাক্ত কৰা নৱীৰ চিনাক্ত কৰাৰ লগত সম্পৰ্কযুক্ত, যিহেতু, এয়া অসম্ভৱ তথা অবাস্তৱ যে, নবীৰ মাধ্যমৰ বাহিৰে

নিজে-নিজেই 'তৌহিদ' বা খোদাৰ একত্বৰ বিষয়ে জ্ঞান লাভ কৰিব পৰা যায়। নৱী হৈছে খোদাৰ চেহেৰা দৰ্শন কৰা এখন দাপোন। এই দাপোনৰ মাজেৰে খোদাৰ চেহেৰাৰ দৰ্শন হয়। খোদাতালাই যেতিয়া নিজৰ অস্তিত্বক দুনিয়াৰ সন্মুখত প্ৰকাশ কৰিব বিচাৰে, তেতিয়া তেওঁ দুনিয়ালৈ নৱী প্ৰেৰণ কৰে, এই নৱী হৈছে তেওঁৰ শক্তিসমূহৰ প্ৰকাশস্থল, প্ৰকাশক। এই নৱীৰ ওপৰতেই তেওঁ নিজৰ ওহী বা ঐশ্বৰিক বাণী অৱতীৰ্ণ কৰিছে। তেওঁলোকৰ (নৱীৰ) মাধ্যমেৰে নিজৰ 'ৰবুবিয়ত'ৰ বা প্ৰতিপালকত্বৰ শক্তিসমূহ প্ৰকাশ কৰে। তেতিয়া পৃথিৱীয়ে বুজিব পাৰে যে খোদা আছে। গতিকে যিসকল মানুহৰ অস্তিত্বক, খোদাৰ - আদি আৰু চিৰন্তন আইনৰ পৰিধিত, খোদাক জানিবলৈ মাধ্যম নিৰ্দিষ্ট কৰা হৈছে, তেওঁলোকৰ ওপৰত ঈমান অনা তৌহিদৰ এটা অংশ। তথা এনে ঈমানৰ বাহিৰে প্ৰকৃত বা কামেল তৌহিদ অৱগত হোৱাটো অসম্ভৱ। কিয়নো, সম্ভৱ নহয় যে, স্বৰ্গীয় বা আছমানী নিদৰ্শন তথা শক্তিশালী বিস্ময়কৰ ঘটনাৱলী, যি প্ৰদৰ্শিত কৰি থাকে নৱী আৰু তেওঁৰ মাজৰ জ্ঞান বা মা'ৰেফত দান কৰে আনসকলক,- তাৰ দ্বাৰাই সেই প্ৰকৃত তৌহিদ (সম্পৰ্কত জ্ঞান) জন্ম হয়, যি দৃঢ় বিশ্বাস বা ইয়াকীনৰ উৎস। এইসকল (নৱীগণ) সেই গোষ্ঠী যি খোদা-প্ৰদৰ্শনকাৰী, যাৰ মাজেৰে সেই যে খোদা, যাৰ অস্তিত্ব সূক্ষ্মৰ পৰা সূক্ষ্ম আৰু গোপনৰ পৰা গোপন আৰু যি অদৃশ্যৰো অদৃশ্য, সেয়া প্ৰকাশিত হয়। তথা সদায় সেই গুপ্তধনৰখনি, যাৰ নাম খোদা, যি মাথো নৱীসকলৰ মাজেৰে চিনাক্ত হৈছে। নহ'লে, সেই যে তৌহিদ, যি খোদাৰ ওচৰত তৌহিদ বুলি সাব্যস্ত, তাৰ সম্পৰ্কত নৱীৰ বাহিৰে প্ৰকৃত কাৰ্যকৰ জ্ঞান লাভ কৰাটো যিমান যুক্তি- বুদ্ধিৰ পৰিপন্থী, সিমান সত্যান্বেষীগণৰ অভিজ্ঞতাৰো পৰিপন্থী (হাকীকাতুল ওহী, ৰুহামি খাজাইন জিলদ ২২ পৃঃ ১১৫,১১৬)

## তৌহিদে ইলাহি সম্পৰ্কে খ্ৰীষ্টানসকলৰ আকিদাৰ ৰদ

মনত ৰাখিব লাগিব যে, প্ৰকৃত একত্ব বা হাকীকি তৌহিদ, যাৰ অংগীকাৰ খোদাই আমাৰ পৰা বিচাৰে, তথা যি অংগীকাৰৰ সৈতে নাজাত বা পৰিত্ৰাণ জড়িত, সেয়া হৈছে- খোদাতালাক নিজৰ সত্তাত প্ৰত্যেক প্ৰকাৰৰ অংশবাদীতা

বা শিৰকৰ পৰা- সেয়া লাগে মূৰ্তি হওঁক, মানুহ হওঁক, সূৰ্য অথবা চন্দ্ৰ হওঁক নতুবা নিজৰ নফছ বা প্ৰবৃত্তি হওঁক নতুবা নিজৰ চেষ্টা-কপাল বা পৰিকল্পনা-কাৰ্যসূচী আৰু চক্ৰান্ত-ষড়যন্ত্ৰ হওঁক, সকলোৰে পৰা পূৰ্ণ পৱিত্ৰ বুলি অৱগত। তথা তেওঁৰ তুলনাত কাকো শক্তিমান বুলি নাভাবি কাকো ৰাজজাক বুলি নাভাবি, কাকো মৰ্যাদা বা অমৰ্যাদাৰ দাতা বুলি নাভাবি, কাকো সহায় আৰু সহায়কাৰীৰূপে নিৰ্দিষ্ট নকৰিব। তথা আনহাতে তেওঁৰ বাবে মাথো নিজৰ ভালপোৱাক খাছ বা বিশিষ্ট কৰা, তেওঁৰ বাবে মাথো নিজৰ ইবাদতক বিশেষ কৰা, তেওঁৰ বাবে মাথো নিজৰ বিনয় আৰু আনুগত্যক বিশেষ কৰা, তেওঁৰ বাবে মাথো নিজৰ আশা-ভৰসাক বিশিষ্ট কৰা, মাথো তেওঁৰ বাবে নিজৰ ভয়-ভীতিক বিশিষ্ট কৰা। গতিকে, এই তিনি প্ৰকাৰৰ বিশিষ্টতাৰ বাহিৰে কোনো তৌহিদ কামেল বা উপযুক্ত হ'ব নোৱাৰে। অৰ্থাৎ প্ৰথম,- সত্তা সম্পৰ্কিত তৌহিদ। অৰ্থাৎ তেওঁৰ অস্তিত্বৰ সম্পৰ্কিত তৌহিদ। অৰ্থাৎ তেওঁৰ অস্তিত্বৰ সন্মুখত বা তুলনাত সকলো সৃষ্টিক অস্তিত্বহীন বুলি ভাবিলোৱা হয়। তথা সকলোবোৰক নশ্বৰ আৰু বাতিল জ্ঞান কৰা হয়।

দ্বিতীয়— গুণাৱলী সম্পৰ্কিত তৌহিদ। অৰ্থাৎ ৰবুবিয়ত (প্ৰতিপালকত্ব)ৰ আৰু উলুহিয়ত ( খোদায়ী বা ঈশ্বৰত্ব)ৰ স্ৰষ্টাৰ সত্তাৰ বাহিৰে আন কাৰোৰে প্ৰতি জ্ঞাপন নকৰা। তথা দৃশ্যতঃ যাক পালনকাৰী আৰু কল্যাণকাৰী বুলি প্ৰতীয়মান হয়, তাক তেওঁৰ হাতত প্ৰবৰ্তিত এক পদ্ধতিৰ অংশ বিশেষ বুলি জ্ঞান কৰা।

তৃতীয় — ভালপোৱা, আন্তৰিকতা আৰু একাগ্ৰতা বা নিষ্ঠা সম্পৰ্কিত তৌহিদঃ অৰ্থাৎ ভালপোৱা ইত্যাদি এবাদতৰ পন্থাপদ্ধতিত আন কাকো খোদাতালাৰ অংশ নকৰা আৰু তেওঁৰ মাজত বিলীন হৈ যোৱা। (চিৰাজুদ্দীন ঈছায়ী কে চাৰ ছৱালো কা জাবাব, ৰুহানি খাজাইন জিলদ ১২,পৃঃ ৩৪৯,৩৫০ )

আজিকালি তৌহিদ আৰু আল্লাতালাৰ অস্তিত্বৰ বিৰুদ্ধে অতি শক্তিশালী আক্ৰমণ চলোৱা হৈছে। খ্ৰীষ্টানসকলেও শক্তিশালী আক্ৰমণ চলাইছে আৰু লেখিব ধৰিছে। কিন্তু যিবিলাক তেওঁলোকে কৈছে আৰু লিখিছে সেইসকলো বিলাক ইছলামৰ খোদাৰ সম্পৰ্কত লেখিছে, তেওঁলোকৰ লেখনি

এক মৃত, ক্রুশবিদ্ধ আৰু অসহায় খোদাৰ সম্পৰ্কত। আমি পূৰ্ণ দাৱী আৰু আস্থাৰে ক'ব পাৰো যে, যি ব্যক্তিয়ে আল্লাতালাৰ অস্তিত্ব আৰু তেওঁৰ সত্তাৰ বিৰুদ্ধে কলম দাঙি লৈছে, তেওঁ অৱশেষত সেই খোদাৰ ওচৰলৈকে আহিব লাগিব যাক উত্থাপন কৰিছে ইছলামে। কিয়নো প্ৰকৃতি গ্ৰন্থৰ পৃষ্ঠাই পৃষ্ঠাই তেওঁৰ পৰিচয় পোৱা যায়। তথা সেই খোদাৰ ছবি অংকিত মানৱৰ স্বভাৱতো। (মলফুজাত **১** ম খণ্ড, পৃঃ ৫২ এডিশ্বন ২০০৩)

খ্ৰীষ্টানসকলে ভালদৰে মনত ৰখা উচিত যে (তেওঁলোকৰ) মছীহ্ (আঃ)ৰ পক্ষত কিয়ামতৰ নমুনা হোৱাটো কোনো ধৰণে প্ৰমাণিত নহয়। তথা খ্ৰীষ্টানসকলো পুনৰুত্থিত নহয়। বৰঞ্চ তেওঁলোক মৃত আৰু আন আন সকলৰ মৃতদেহতকৈ মৃত আৰু সংকীৰ্ণ আৰু অন্ধকাৰ কবৰবিলাকৰ মাজত পৰি থাকিব। তেওঁলোক শিৰক আৰু অংশীবাদিতাৰ গহ্বৰত নিপতিত হ'ব। তেওঁলোকৰ মাজত নে ঈমানী ৰুহ (আত্মা) নে ঈমানী ৰুহ্‌ৰ বৰকত থাকিব। তেওঁলোক নিম্নৰ পৰা নিম্ন স্তৰত তৌহিদ, যি মাথো সৃষ্টিৰ পূজা পৰিহাৰ কৰিলে অৰ্জন কৰিব পৰা যায়, সেয়াও তেওঁলোকৰ ভাগ্যত নাথাকিব। তথা নিজৰ দৰে এক দুৰ্বল আৰু অসহায় বান্দাক স্ৰষ্টা জ্ঞান কৰি তেওঁলোকে উপাসনা কৰিছে।

মনত ৰখা প্ৰয়োজন যে 'তৌহিদ'ৰ স্তৰ তিনিটা। সকলোতকৈ নিম্ন স্তৰটো হৈছে- নিজৰ দৰে কোনো সৃষ্টিৰ উপাসনা নকৰিবা।

পাথৰ, অগ্নি, মানুহ, কোনো নক্ষত্ৰ আদিৰ পূজা নকৰা।

দ্বিতীয় স্তৰ হৈছে— বস্তুগত উপায়-উপকৰণ বা সৰঞ্জামৰ ওপৰত ইমান অধিক নিৰ্ভৰশীল নোহোৱা, যাতে সেইবিলাক ৰবুবিয়তৰ বা প্ৰতিপালকত্বৰ কাৰ্যক্ৰমত একপ্ৰকাৰৰ অংশীদাৰ বুলি মানি লোৱা হয়। বৰঞ্চ সকলো সময়ত উপায়-উপকৰণদাতাৰ প্ৰতি চকু ৰাখিব লাগিব, উপায়-উপকৰণৰ প্ৰতি নহয়। তৌহিদৰ তৃতীয় স্তৰটো হৈছে — তাজাল্লিয়াতে ইলাহীয়া বা ঐশ্বৰিক প্ৰকাশকৰ পূৰ্ণৰূপ প্ৰত্যেক্ষ কৰি এটাৰ পিছত আনটো প্ৰতিটো অস্তিত্বক অনস্তিত্ব বুলি জ্ঞান কৰা আৰু একেদৰে নিজৰ অস্তিত্বকো। সংক্ষেপত, প্ৰতিটো বস্তু দৃষ্টিপটত নশ্বৰৰূপে প্ৰতিভাত হ'ব একমাত্ৰ আল্লাৰ অস্তিত্বৰ বাহিৰে, যিসকলো উপযুক্ত

আৰু পূৰ্ণ গুণাৱলীৰ অধিকাৰী। এয়া হৈছে আধ্যাত্মিক জীৱন বা ৰুহানী জিন্দেগী, যি অৰ্জিত হয় এই তিনিটা স্তৰৰ তৌহিদৰ মাজেৰে। এতিয়া গভীৰভাবে চিন্তা কৰিলে বুজিব পাৰি যে, ৰুহানী জীৱনৰ সকলো চিৰন্তন উৎস পৃথিৱীলৈ আহিছে মাথো মোহাম্মদ (ছাঃ)ৰ মাজেৰে। এয়া সেই উম্মত, যদিওবা নৱী নহয়, কিন্তু নৱীসকলৰ দৰে খোদাতালাৰ লগত কথাত কথা পাতিব পাৰে। যদিওবা ৰছুল নহয়, কিন্তু ৰছুলৰ দৰে তেওঁলোকৰ হাতত প্ৰদৰ্শিত হয় খোদাতালাৰ উজ্বল নিদৰ্শন। তথা আধ্যাত্মিক জীৱনৰ সাগৰ তেওঁলোকৰ মাজেৰে প্ৰৱাহিত হয়। তথা এনে কোনো নাই যি তেওঁলোকৰ তুলনা হয়। কোনোবা আছে নে কল্যাণ আৰু নিদৰ্শন চোৱাৰ বাবে প্ৰদ্বিন্দ্বিতাত থিয় হ'ব? যদি থাকিলহেঁতেন মোৰ প্ৰত্যাহ্বানৰ উত্তৰ দিয়া। ( আয়নায়ে কামালাতে ইছলাম, ৰুহানি খাজাইন জিলদ ৫ পৃঃ ২২৩,২২৪)

## আল্লাহৰ বাহিৰে আনফালে জুকি যোৱা খোদাৰ পৰা দূৰত্ব

অনুতাপ যে, মই এনে শব্দাৱলী পোৱা নাই, যাৰ দ্বাৰা মই প্ৰকাশ কৰিব পাৰো যে 'গায়ৰুল্লা' অৰ্থাৎ 'খোদাৰ বাহিৰে আন কোনো'ৰ প্ৰতি প্ৰণিপাত কৰাৰ মাজেৰে, কিমান অধিক অমংগল নিহিত। মানুহৰ ওচৰলৈ গৈ মিনতি কৰি, তোষামোদ কৰি। এয়া এনে এটা বিষয় যিটো খোদাতালাৰ গায়ৰত বা আত্মভিমানক জগাই তোলে। কিয়নো এয়াই হৈছে সেইসকল লোকৰ নামাজ। কাৰ্যত তেওঁলোকে এই নামাজৰ পৰা নিজকে বিৰত ৰাখে,তথা নামাজৰ পৰা আঁতৰত থাকে। মই মুকলিভাবে বিষয়টোক বৰ্ণনা কৰো। যদিও বিষয়টো প্ৰকৃত প্ৰস্তাৱত এনে নহয়। তথাপি, বুজিবলৈ সহজ হ'ব। যেনেকৈ কোনো আত্মা মৰ্যাদাবোধ সম্পন্ন ব্যক্তিৰ গায়বত বা আত্মাভিমানত এইটো বিচাৰিব নোৱাৰে যে, তেওঁৰ পত্নীয়ে আন কোনো পৰপুৰুষৰ লগত সম্পৰ্ক স্থাপন কৰক। এনে ঘটিলে সেই দুঃচৰিত্ৰা পত্নীক হত্যাযোগ্য বুলি বিবেচনা কৰিব। এনেধৰণৰ ঘটনা বাস্তৱত প্ৰায় সংঘটিত হোৱা দেখা যায়। ইলাহী জোছ বাগায়ৰত এনেকুৱাই। দাসত্ব আৰু প্ৰাৰ্থনা একমাত্ৰ তেওঁৰ সত্তাৰ বাবে সংৰক্ষিত। তেওঁ ইয়াক পছন্দ কৰিব নোৱাৰে যে আন কাৰোবাক উপাস্য কৰা

হওঁক, নতুবা আন কাৰোবাৰ ওচৰত প্ৰাৰ্থনা কৰা হওঁক। অথচ মনত ৰাখা তথা ভালদৰে মনত ৰাখিব লাগিব যে গায়ৰুল্লাৰ দিশে হাউলি পৰাৰ অৰ্থই হ'ল খোদাৰ পৰা সংযোগহীন হোৱা,সেইক্ষেত্ৰত নামাজ আৰু তৌহিদৰ কথা যিহঁকে নকওঁক কোনো লাভ নহ'ব। **কিয়নো তৌহিদৰ আমলী বা বাস্তৱ আৰু কাৰ্যকৰ ঘোষণাৰ নামে হ'ল নামাজ**। তথা সেয়া তেতিয়াই শূন্য আৰু নিৰৰ্থক হয়, যেতিয়া তাৰ মাজত নাস্তি আৰু নম্ৰতাৰ ৰুহ নাথাকে।' (মলফুজাত, প্ৰথম খণ্ড, পৃঃ১০৬,১০৭, এডিশ্বন ২০০৩)

শিৰক বা অংশীবাদিতা বহু প্ৰকাৰৰ। এক হ'ল যে সেই শকত আৰু সুস্পষ্ট শিৰক, যাৰ মাজত হিন্দু, খ্ৰীষ্টান, ইহুদী আৰু আন মূৰ্তি পূজা কৰা নিপতিত। যাৰ মাজত কোনো লোক বা শিলক বা প্ৰাণহীন কোনো বস্তুক বা কোনো শক্তিক বা কল্পিত কোনো দেৱতাক আৰু দেৱীক খোদা বনাই লোৱা হৈছে। যদিও এতিয়ালৈকে এই শিৰক এই পৃথিৱীত প্ৰচলিত হৈ আছে, তথাপি এই যুগ পোহৰৰ তথা শিক্ষা-দীক্ষাৰ এনে এক যুগত যেতিয়া যুক্তি-বুদ্ধিয়ে এই প্ৰকাৰৰ শিৰকক ঘৃণাৰ দৃষ্টিয়ে চাবলৈ আৰম্ভ কৰিছে। এইটো এটা বেলেগ বিষয় যে, জাতীয় ধৰ্মৰ প্ৰেক্ষিতত বাহ্যিক, এইবিলাক অৰ্থহীন বিষয়ক বহুলোকে মানি লৈছে, কিন্তু সুস্থ বুদ্ধিৰ লোকসকলে এইবিলাকক ঘৃণা কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু আৰু এক প্ৰকাৰৰ শিৰক আছে, যিটো গোপনকৈ বিষৰ নিচিনা প্ৰভাৱ পেলায়। এনেধৰণৰ ক্ৰিয়া কৰি আহিছে তথা এই যুগত অতি বৃদ্ধি ঘটিছে তথা সেয়া হৈছে, খোদাতালাৰ ওপৰত আস্থা আৰু ভৰসা আৰু নিৰ্ভৰশীলতা সম্পূৰ্ণ লোপ হৈ আহিছে।

আমি এই কথা কেতিয়াও কোৱা নাই তথা এইটো আমাৰ ধৰ্মবিশ্বাসও নহয় যে উপায়-উপকৰণক সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব লাগিব। কিয়নো খোদাতালাই আচবাব বা উপায়-উপকৰণক ব্যৱহাৰ কৰিবকৈছে। তথাপি, সেয়া হ'ব লাগিব সিমানেই যিমানখিনি প্ৰয়োজন। উপায় উপকৰণ ব্যৱহাৰ যদি কৰা নহয়,তেনেহ'লে মানবীয় বৃত্তিসমূহক অৱমাননা কৰা হ'ব তথা খোদাতালাৰ মহান কৰ্মকাণ্ডক হেয় কৰা হ'ব। কিয়নো, যেতিয়া উপায়-উপকৰণৰ কোনো ব্যৱহাৰেই কৰা নহ'ব,তেতিয়া সেই অৱস্থাত খোদাপ্ৰদত্ত

মানুহৰ সকলো বুদ্ধি-শক্তিক সম্পূৰ্ণৰূপে অকামিলা কৰি ৰাখিব লাগিব। সেইবিলাকক ক'তো কোনো কাৰ্যত ব্যৱহাৰ কৰিব পৰা নাযাব। সেইবিলাকক কামত প্ৰয়োগ নকৰা আৰু সেইবিলাকক মিছাকৈ থোৱাটো হ'ব খোদাতালাৰ কৰ্মকাণ্ডক বৃথা আৰু অহৈতুক কৰা, যিটো এটা কঠিন পাপ। গতিকে ধৰ্ম বিশ্বাস এয়া নহয় যে, উপায়-উপকৰণ ব্যৱহাৰক সম্পূৰ্ণৰূপে এৰি দিয়া হওঁক। সেয়ে উপায়-উপকৰণৰ ব্যৱহাৰৰ এটা সীমা থাকিব লাগিব। অৰ্থাৎ যিমানখিনি প্ৰয়োজন সিমানখিনি। পৰকাল বা আখেৰাতৰ বাবেও আয়-উপকৰণৰ আৱশ্যক। খোদাতালাৰ হুকুম- আহকাম পালন কৰা, পাপৰ পৰা বাচি থকা তথা আন সৎকাম কৰা, পুণ্য কাম কৰা, এই সকলোবিলাক এই কাৰণেই যে, যাৰ দ্বাৰা এই জগতত আৰু পৰজগতত সুখ লাভ কৰা যায়। কাৰ্যত, এই পুণ্যবোৰো এক প্ৰকাৰৰ উপায়-উপকৰণ। একেদৰে, খোদাতালাই এই নিষেধ কৰা নাই যে পাৰ্থিৱ প্ৰয়োজনত উপায়-উপকৰণ ব্যৱহাৰ নকৰিব। চাকৰি কৰাসকলে চাকৰি কৰিব। খেতিয়কে খেতি কৰিব। শ্ৰমিকে শ্ৰম কৰিব। যাৰ দ্বাৰা নিজৰ পত্নী-পৰিয়াল আৰু আন আত্মীয়-স্বজনক আৰু নিজৰ প্ৰাণৰ প্ৰতি হক আদায় কৰিব পাৰে। গতিকে, এক বৈধ সীমালৈকে এইবিলাক ঠিকেই আছে। তথা ইয়াকো নিষেধ কৰিব নোৱাৰি। কিন্তু যেতিয়া মানুহে সীমা চেৰাই উপায়-উপকৰণৰ ওপৰত পূৰ্ণ ভৰসা কৰিব তথা উপকৰণকে সকলোবোৰৰ নিয়ামত বুলি ভাবি ল'ব, তেতিয়া এইটো শিৰক হৈ পৰে আৰু মানুহ নিজৰ প্ৰকৃত উদ্দেশ্যৰ পৰা দূৰলৈ নিক্ষেপিত হয়। দৃষ্টান্ত হিচাপে, যদি কোনো ব্যক্তিয়ে এই কথা কয় যে, এই উপায় যদি নাথাকিলহেঁতেন, তেনেহ'লে মোৰ বাৰটা বাজিল হয়। অমুক বন্ধু যদি নাথাকিলেহেঁতেন তেন্তে মোৰ অৱস্থা শোচনীয় হৈ পৰিলহেঁতেন। এই বিষয়টো এনে যে, খোদাতালাই কেতিয়াও পছন্দ নকৰে যে, সম্পতি অথবা উপায়-সুবিধা অথবা বন্ধু-বান্ধৱ অথবা আন একোৰে ওপৰত এনে ভৰসা কৰা হওঁক যাতে খোদাতালাৰ পৰা আঁতৰ হৈ পৰিব লগা হয়। এয়া এক ভয়ানক শিৰক, যাক কোৰাণ শ্বৰিফৰ শিক্ষাৰ সম্পূৰ্ণ বিৰোধী। যেনেকৈ আল্লাতালাই কৈছেঃ

(51:23) وَفِي السَّمَآءِ رِزْقُكُمْ وَمَا تُوعَدُونَ ۝٢٢

পুনৰ কৈছেঃ (65:4) وَمَنْ يَّتَوَكَّلْ عَلَى اللّٰهِ فَهُوَ حَسْبُهٗ ۚ

আৰু কৈছেঃ

وَمَنْ يَّتَّقِ اللّٰهَ يَجْعَلْ لَّهٗ مَخْرَجًا ۝٢ وَّيَرْزُقْهُ مِنْ حَيْثُ لَا يَحْتَسِبُ ۚ

(65:3,4)

তথা পুনৰ কৈছেঃ

(7:197) وَهُوَ يَتَوَلَّى الصّٰلِحِيْنَ ۝١٩٦

অনুবাদ ঃ **১.** আৰু আকাশত আছে তোমালোকৰ সংস্থান আৰু আছে সেইটো যাৰ অঙ্গীকাৰ তোমালোকক দিয়া হৈছে।(51:23)

**২.** তথা যি আল্লাৰ ওপৰত নিৰ্ভৰ কৰে, তাৰ বাবে সেয়াই যথেষ্ট (65:4)

**৩.** অৰ্থাৎ যি আল্লাহৰ ওপৰত ভৰসা কৰে তাৰ বাবে তেওঁ কিয় কোনোবা নহয় কোনোবা উদ্ধাৰৰ পথ গ্ৰহণ কৰিব, তথা তেওঁ তাক এনে দিশৰ পৰা ৰিজক প্ৰদান কৰিব তেওঁ তাক ভাবিব নোৱাৰিব। (65:3,4)

**৪.** তেওঁ সৎকৰ্মশীলক ৰক্ষা কৰে'- (7:197)

কোৰাণ **শ্ব**ৰিফত এনেধৰণৰ আয়াতে ভৰপূৰ যে, তেওঁ মুত্তাকীসকলৰ অভিভাৱক আৰু নিশ্চয়তাদানকাৰী বা জিম্মাদাৰ। কাৰ্যত মানুহে যেতিয়া উপায় উপকৰণৰ ওপৰত নিৰ্ভৰ কৰে তেতিয়া সেইবিলাকক খোদাতালাৰ গুণাৱলীৰ অংশীদাৰ কৰিপেলায় তথা সেই উপায়-উপকৰণক নিজৰ বাবে আনএজন খোদাই কৰি পেলায়। যিহেতু তেওঁলোক মাথো এটা দিশত হালি পৰে,তেওঁলোকে শিৰকৰ দিশে আগবাঢ়ি যায়। যি প্ৰশাসনৰ দিশে আনুগত্য প্ৰকাশ কৰে তথা পুৰস্কাৰ-খিতাপ লাভ কৰে,তেওঁলোকৰ হৃদয়ত সেই প্ৰশাসনিক মাহাত্ম্য খোদাৰ মাহাত্ম্যৰ দৰে প্ৰৱেশ কৰে। তেওঁলোক সেইবিলাকৰ পূজাৰী হৈ পৰে। তথা এয়াও এটা বিষয় যিতৌহিদ অপসাৰণ কৰে তথা মানুহক নিজৰ প্ৰকৃতকেন্দ্ৰ পৰা আঁতৰ কৰি নি দূৰলৈ নিক্ষেপ কৰে।

কাৰ্যত,আম্বিয়া আলায়হিমুছ্ছালামে এই শিক্ষাই দান কৰিছে যে উপায়-উপকৰণ আৰু তৌহিদৰ মাজত কোনো প্ৰকাৰৰ দ্বন্দ্ব থকা উচিত নহয়। বৰঞ্চ প্ৰত্যেকেই নিজৰ নিজৰ স্থানত থাকিব। কিন্তু শেষ হ'বগৈ তৌহিদত। তেওঁ মানুহক ইয়াকে শিকাব বিচাৰিছেযে সকলো মান-সন্মান সকলো সুখ-সন্তোষ খোদাই দি থাকে তথা খোদাই পূৰণ কৰে সকলো প্ৰয়োজন। গতিকে এই খোদাৰ বিপক্ষে যদি আন কাৰোবাক থিয় কৰি দিয়া হয়,তেনেহ'লে এইটো পৰিষ্কাৰ যে এই উভয় দ্বন্দ্বকাৰীৰ এজন ধ্বংস হ'বই। তথা বিজয়ী হ'ব খোদাতালাৰ তৌহিদ। উপায়-উপকৰণ ব্যৱহাৰ কৰিব। উপায়-উপকৰণক খোদা বনাই নল'ব। এই তৌহিদৰ পৰাই খোদাতালাৰ প্ৰতি একপ্ৰকাৰৰ ভালপোৱাৰ সৃষ্টি হয়। মানুহে যেতিয়া এইটো বুজিব পাৰে যে লাভ-লোকচান তেওঁৰে হাতত,প্ৰকৃত কৃপাকাৰীতেওঁ,প্ৰতিটো অণু-পৰমাণুৰ পৰা মাজৰখিনিতএকো নাই। তথা যেতিয়া মানুহেএই পৱিত্ৰ অৱস্থা লাভ কৰে,তেতিয়া তেওঁ নিজকে একত্ববাদী বা তৌহিদ বুলি ক'ব পাৰে।

সংক্ষেপত,তৌহিদৰ এটা অৱস্থা এয়া যে, মানুহে শিল অথবা মানুহ অথবা আন কিছুক খোদা বনাব নালাগে। বৰঞ্চ সেইবিলাক খোদা বনোৱাৰ বিষয়ত অসন্তোষ আৰু ঘৃণা প্ৰকাশ কৰিব। তথা দ্বিতীয় অৱস্থা, মাথো উপায়-উপকণৰ ওপৰতে ব্যস্ত নাথাকিব। তৃতীয় অৱস্থা নিজৰ প্ৰবৃত্তি তথা অস্তিত্বৰ যাৱতীয় প্ৰয়োজন বা উদ্দেশ্যক মাজৰ পৰা অপসাৰিত কৰি সেইবিলাক নিঃশেষ কৰি দিয়া। কেতিয়াবা কেতিয়াবা, মানুহে নিজৰ গুণাৱলী ক্ষমতাৰ কথাও ভাবে,তথা ভাবে যে, অমুক ভাল কামটো মই নিজৰ যোগ্যতাৰ বলতে কৰিছোঁ, মানুহে বহু সময়ত নিজৰ ক্ষমতাৰ ওপৰত ভৰসা কৰি থাকে যে তেওঁৰ প্ৰতিটো কাম তেওঁ কৰে নিজৰ যোগ্যতাৰ বলত। কিন্তু মানুহ তেতিয়া কেৱল একত্ববাদী বাতৌহিদবাদী হ'ব পাৰে যেতিয়া তেওঁ নিজৰ সাফল্য শক্তি আৰু ক্ষমতা আদিক নাস্তি কৰি দিয়ে।' (মলফুজাত,দ্বিতীয় খণ্ড,পৃঃ ৫৬-৫৮ এডিশ্বন ২০০৩)

খ্ৰীষ্টানসকলৰ বিশ্বাস হৈছে, যি ব্যক্তি ত্ৰিত্ববাদৰ আকিদা (ধৰ্মৰ বিশ্বাস) তথা যীশুৰ কাফাৰা নামানে, তেওঁ চিৰকালৰ বাবে জাহান্নামত নিক্ষেপ হ'ব..... অসীম খোদাক তেওঁলোকে চাৰিটা অংশীদাৰৰ মাজত সীমাৱদ্ধ কৰা তথা

প্ৰত্যেক অংশীদাৰক পূৰ্ণ-উপযুক্ত ধাৰণা কৰা, পুনৰ একত্ৰিত হোৱাৰ প্ৰয়োজনবোধ কৰা লগতে এই ধাৰণা কৰা যে, খোদা আদিতে আছিল কলেমা বা শব্দ, পুনৰ সেই শব্দ যি খোদা আছিল, সেয়া মৰিয়মৰ পেটত নিপতিত হয় আৰু তাৰ পৰা তেজ-দেহপ্ৰাপ্ত হয় তথা স্বাভাৱিক পন্থাত জন্ম লাভ কৰা, শৈশৱৰ সকলো কষ্ট যিবোৰ সকলো মানুহৰ হৈ থাকে, সেই সকলোবোৰ সহ্য কৰা, অৱশেষত ডাঙৰ হোৱাৰ পিছত কৰায়ত্তা হোৱা আৰু ক্ৰুশবিদ্ধ হোৱা—এই সকলোবিলাক জঘন্য শিৰক বা অংশীবাদিতা। ইয়াৰ মাজেৰে মানুহক খোদা বনোৱা হৈছে। খোদা ইয়াৰ পৰা সম্পূৰ্ণ পৱিত্ৰ যে, তেওঁ মানবীয় পেটৰ মাজত নিক্ষিপ্ত হ'ব,দেহপ্ৰাপ্ত হ'ব আৰু শত্ৰুৰ হাতত কৰায়ত্ত হ'ব। মানৱ-স্বভাৱে ইয়াৰ স্বীকাৰ কৰিব নোৱাৰে যে খোদাৰ ওপৰত সেইবিলাক দুখ প্ৰকাশ হওঁক, বিপদত পৰক আৰু যিসকলোবোৰ মাহাত্ম্যৰ অধিপতি তথা সকলো মান-মৰ্যাদাৰ উৎস, তেওঁৰ নিজৰে প্ৰতি এইবিলাক অৱমাননাক মানি লৈছে। খ্ৰীষ্টানসকলে ইয়াক স্বীকাৰ কৰে যে, খোদাৰ ওপৰত এনেধৰণৰ সকলো কষ্ট আৰু অসন্মান এয়াই প্ৰথম। ইয়াৰ আগতে খোদায়ে এনেধৰণৰ কোনো অমৰ্যাদাৰ সন্মুখীন হোৱা নাই। কেতিয়াওঁ এনে ঘটনা ঘটা নাই যে, খোদায়ে মানুহৰ দৰে মহিলাৰ গৰ্ভাশয়ত বীৰ্যৰ ভিতৰত নিহিতৰ পৰা পূৰ্ণতা লাভ কৰিছে। যেতিয়াৰে পৰা মানুহে খোদাৰ নাম শুনিছে,কেতিয়াও এনে ঘটনা ঘটা নাই যে তেওঁ মানুহৰ দৰে কোনো মহিলাৰ গৰ্ভত জন্মলাভ কৰিছে। এই সকলোবিলাক কথাক খ্ৰীষ্টানসকলে নিজেই স্বীকাৰ কৰে, বিশ্বাস কৰে। তথা এই কথাও স্বীকাৰ কৰে যে প্ৰথমতে এই তিনিটা অংশ বেলেগ বেলেগ দেহধাৰী নাছিল,কিন্তু এক বিশেষ যুগত, যিটো **১৮৯৬** বছৰ বৰ্তমান অতিবাহিত হৈছে, এই তিনিটা অংশীদাৰক তিনিটা দেহলৈ নিৰূপিত কৰা হৈছে। পিতা আকৃতিটো হৈছে আদমৰ। কিয়নো আদমক তেওঁ নিজই আকৃতি প্ৰদান কৰি সৃষ্টি কৰিছে-(তৌৰাত পেইদাইশ্ব বাব ১ আয়াত ২৭) তথা পুত্ৰ আকৃতি লাভ কৰে যীশুৱে (ইউহন্না বাব ১ আয়াত ১)। তথা 'পৱিত্ৰ আত্মা' পাৰ চৰাইৰ আকৃতি লাভ কৰে-( মথি বাব ৩ আয়াত ১৬)

এই তিনি গৰাকী দেহধাৰী খোদা, খ্ৰীষ্টানৰ ধাৰণা মতে, সদায় অভিন্ন

দেহধাৰী তথা ভিন্ন ভিন্ন দেহধাৰী হৈ থাকে। পুনৰ এই তিনিটা একেলগে হৈ পৰে খোদা। কিন্তু কোনোবাই ক'ব পাৰে যদিমোক কওঁক যে, স্থায়ীভাবে একস্থিত তথা ভি্ন্ন ভিন্ন হোৱা সত্বেও এই তিনিজন কেনেকৈ এক হয়? ঠিক তেন্তে, আমাক কোনোবাই ডঃ মাৰ্টিন ক্লাৰ্ক আৰু পাদ্ৰী এমাদ উদ্দীন তথা পাদ্ৰী ঠাকুৰ দাছক, তেওঁলোক ভিন্ন ভিন্ন দেহধাৰী হোৱাৰ পিছতো, তেওঁলোকক এক দেহধাৰী কৰি দেখুৱাক? মই দাবী কৰি ক'ব পাৰো যে, তিনিজন কাটি-কুটি এজনৰ হাড়-মাংস আন এজনৰ হাড়-মাংসৰ লগত মিলাই দিয়া হয়, তথাপি যাক খোদায়ে তিনি কৰি বনাইছিল, তেওঁলোক কোনো ক্ষেত্ৰতে এক হৈ পৰিব নোৱাৰে। গতিকে নশ্বৰ দেহধাৰী প্ৰাণীকো, সিহঁতৰ বেলেগ বেলেগ দেহক একেলগে মিহলি কৰি দিয়াৰ পিছতো সেইবিলাক এক হৈ নপৰে। যেতিয়া যাৰ মাজত মিশ্ৰণ ভিন্নতা বৈধ নহয়, তাক খ্ৰীষ্টানসকলৰ বিশ্বাস অনুসৰি কেনেকৈ এক কৰিব পৰা যায়?

এই কথা কোৱাটো অসংগত নহ'ব যে, খ্ৰীষ্টানসকলৰ এই তিনি খোদা এখন তিনিজনীয়া সমিতিৰ সদস্যৰ দৰে। তথা তেওঁলোকৰ ধাৰণা মতে, প্ৰতিটো আদেশ এই তিনিগৰাকীৰ সন্মতি অনুসৰি প্ৰদান কৰা হয়। তথা সংখ্যাগৰিষ্ঠতাৰ ভোটত ঘোষণা কৰা হয়, যেন খোদায়ী এক গণতান্ত্ৰিক চৰকাৰ। তথা গড চাহেবৰো যোগ্যতা নাই যে তেওঁ অকলশৰে ৰাষ্ট্ৰ পৰিচালনা কৰিব। তথা তেওঁ কাউনছীলৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল। সংক্ষেপত, এয়া হৈছে খ্ৰীষ্টানসকলৰ সেই মিশ্ৰিত খোদা যাক চাবলৈ বিচাৰিলেও চাব নোৱাৰে। (আঞ্জামে আথম, ৰুহানি খাজাইন জিলদ ১১ পৃঃ ৩৪-৩৬)

খ্ৰীষ্টধৰ্ম তৌহিদৰ পৰা ৰিক্তহস্ত তথা বঞ্চিত। তথা সেইসকল লোকে প্ৰকৃত সত্য খোদাৰ প্ৰতি মুখ ঘূৰাই নিজৰ বাবে এজন নতুন খোদা তৈয়াৰ কৰি লৈছে,যিজন এগৰাকী ইজৰাইলী মহিলাৰ পুত্ৰ। কিন্তু তেওঁলোকৰ এই নতুন খোদা কি দৰে শক্তিমান, যেনেকৈ শক্তিমান প্ৰকৃত খোদা? এই প্ৰশ্নৰ বিচাৰৰ বাবে সাক্ষী তেওঁ(যীশু)য়ে নিজেই দিছে। কিয়নো যদি শক্তিমান হ'লহেঁতেন, ইহুদীৰ হাতত মাৰ নেখালেহেঁতেন। ৰোমান ৰাজত্বত বা চৰকাৰৰ ওচৰত তেওঁক হাজিৰ কৰা নহ'লহেঁতেন। তথা ক্ৰুশত তেওঁক বিদ্ধ কৰা

নহ'ল হয়। তথা যেতিয়া ইহুদীয়ে কৈছিল যে, ক্রুশৰ পৰা নিজে নামি আহিলে তেওঁলোকে তৎক্ষণাত ঈমান আনিব, তেতিয়া তেওঁ নামি আহিল জানো। কিন্তু তেওঁ কোনো অৱস্থাতেই নিজৰ শক্তি প্রদর্শন কৰা নাছিল তেওঁৰ মো'জেজা বা অলৌকিক ক্রিয়া দূৰৰ কথা। গতিকে প্ৰমাণিত হৈছে যে তেওঁ মোজেজা আন নৱীসকলৰ তুলনাত অতি কম আছিল। উদাহৰণস্বৰূপে, যদি কোনো খ্রীষ্টান ইলিয়াছ নৱীৰ মোজেজা- যাৰ বিস্তাৰিত বর্ণনা কৰা হৈছে বাইবেলত তথা যাৰ মাজত মৃতকক জীৱিত কৰাৰ কথাও আছে-তেওঁৰ লগত মছীহ ইবনে মৰিয়মৰ মো'জেজাৰ তুলনা কৰে, তেনেহ'লে তেওঁ অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে, ইলিয়াছ নৱীৰ মো'জেজাবোৰৰ মর্যাদাত আৰু শক্তিত, সংখ্যাত মছীহ ইবনে মৰিয়মৰ মো'জেজাবোৰ তাতকৈ বহু অধিক উন্নত আছিল।

সঁচাকৈ, ইঞ্জিল বা সু-সংবাদবোৰত বাৰে বাৰে এই মো'জেজাবোৰ উল্লেখ কৰা হৈছে যে, যীশুৱে মৃগীৰোগীৰ পৰা অশুভ আত্মা বাহিৰ কৰি দিছে। তথা ইয়াক এটা ডাঙৰ অলৌকিক কার্য বুলি গণ্য কৰা হয়। যিটো গৱেষকসকলৰ বাবে হাস্যকৰ বিষয় মাথো। সাম্প্রতিক কালৰ গৱেষণাৰ পৰা প্ৰমাণিত হৈছে যে,মৃগী মগজুৰ কোনো দুর্বলতাৰ কাৰণে হয়, পুনৰ কেতিয়াবা কেতিয়াবা মস্তিষ্কৰ কোনো ক্ষতিৰ কাৰণে হয়, নতুবা আন কোনো ৰোগৰ পৰাও এই ৰোগে দেখা দিয়ে। কিন্তু কোনো গৱেষকে এই কথা কোৱা নাই যে, অশুভ আত্মা বা প্রেতাত্মাৰ প্রভাৱত এই ৰোগ হয়,,, মছীহৰ কোনো অলৌকিকতা তথা তেওঁৰ জন্মৰ বিষয়টোত এনে কোনো অলৌকিকতা নাই যে যাৰ দ্বাৰা কোনো খোদায়ী প্রকাশিত হয়। এই বিষয়টোৰ প্রতি ইংগিত কৰাৰ উদ্দেশ্য হৈছে খোদাতালা মছীহৰ জন্মৰ কথা উল্লেখ কৰাৰ লগে লগে ইয়াহইয়া জন্মৰ কথাও উল্লেখ কৰিছে, যৰ পৰা সাব্যস্ত হয় যে ইয়াহইয়াৰ অস্বাভাৱিক জন্ম গ্ৰহণ কৰাটো তাক মানুহৰ বাহিৰে আনে কৰা নাই। তেনেকৈ মছীহ ইবনে মৰিয়মৰ জন্মও তেওঁক খোদা বনাব নোৱাৰে।

মছীহৰ কোনো অপ্রাকৃতিক শক্তি নাছিল। তেওঁ এজন দুর্বল মানুহ আছিল। মানবীয় দুর্বলতা আৰু অজ্ঞতা আছিল তেওঁৰ মাজত। ইঞ্জিলৰ পৰাই

## মনজুম কালামৰ প্ৰশংসাত

### কিমান পৰিমাণে প্ৰকাশিত সেই আৰম্ভণীৰ জেউতিৰ পোহৰ

کس قدر ظاہر ہے نور اس مبدء الانوار کا    بن رہا ہے سارا عالم آئینہ ابصار کا
چاند کو کل دیکھ کر میں سخت بے کل ہو گیا    کیونکہ کچھ کچھ تھا نشاں اس میں جمال یار کا
اُس بہارِ حُسن کا دل میں ہمارے جوش ہے    مت کرو کچھ ذکر ہم سے ترک یا تاتار کا
ہے عجب جلوہ تری قدرت کا پیارے ہر طرف    جس طرف دیکھیں وہی راہ ہے ترے دیدار کا
چشمۂ خورشید میں موجیں تری مشہود ہیں    ہر ستارے میں تماشہ ہے تری چمکار کا
تو نے خود روحوں پہ اپنے ہاتھ سے چھڑکا نمک    اُس سے ہے شورِ محبت عاشقانِ زار کا
کیا عجب تو نے ہر اک ذرّہ میں رکھے ہیں خواص    کون پڑھ سکتا ہے سارا دفتر ان اسرار کا
تیری قدرت کا کوئی بھی انتہا پاتا نہیں    کس سے کھل سکتا ہے پیچ اس عقدۂ دشوار کا
خوب رویوں میں ملاحت ہے ترے اس حسن کی    ہر گل و گلشن میں ہے رنگ اس تری گلزار کا
چشمِ مستِ ہر حسیں ہر دم دکھاتی ہے تجھے    ہاتھ ہے تیری طرف ہر گیسوئے خمدار کا
آنکھ کے اندھوں کو حائل ہو گئے سو سو حجاب    ورنہ تھا قبلہ ترا رُخ کافر و دیندار کا
ہیں تری پیاری نگاہیں دلبرا اِک تیغ تیز    جن سے کٹ جاتا ہے سب جھگڑا غمِ اغیار کا
تیرے ملنے کے لئے ہم مل گئے ہیں خاک میں    تا مگر درماں ہو کچھ اس ہجر کے آزار کا
ایک دم بھی کل نہیں پڑتی مجھے تیرے سوا    جان گھٹی جاتی ہے جیسے دل گھٹے بیمار کا

شور کیسا ہے تیرے کوچہ میں لے جلدی خبر
خوں نہ ہو جائے کسی دیوانہ مجنوں وار کا

(سرمہ چشم آریہ۔ روحانی خزائن جلد ۲ صفحہ ۵۲)

কিমান পৰিমাণে প্ৰকাশিত সেই আৰম্ভণীৰ জেউতিৰ পোহৰ
গোটেই পৃথিৱী হৈ আছে দৃষ্টিৰ দাপোন।

# আল্লাহ আৰু তেওঁৰ গুণাৱলী

চন্দ্ৰক কালি দেখি মই অস্থিৰতা হৈ গৈছো
কাৰণ কিছু কিছু নিদৰ্শন আছিল সেই উজ্জ্বলতাত।
সেই সোন্দৰ্যময় হৃদয়ত আমাৰ উৎসা আছে
নকৰিবা মোলৈ কিছু উল্লেখ এৰাৰ বা তাতাৰৰ।
এয়া অদ্ভুত দৃশ্য তোমাৰ কুদৰতৰ প্ৰেম চাৰিওফালে
যিফালে দেখো সেই ফালেই তোমাৰ উজ্জ্বলময় দৃশ্য।
সূৰ্যত তোমাৰ ঢেউ মজুদ আছে
প্ৰত্যেক নক্ষত্ৰত তোমাৰ উজ্জ্বলতা আছে।
তুমি স্বকীয় আত্মাত নিজৰ হাতেৰে ছটিয়াইছা নিমখ
তাৰ দ্বাৰা মহব্বত, উৎসা প্ৰেমিকাৰ স্থান।
কি যে অদ্ভুত তুমি সকলো ক্ষুদ্ৰত ৰাখিছা বিশেষ
কোনে পঢ়িব পাৰে গোটেই গুপ্ত ৰেজিষ্টাৰ।
তোমাৰ কুদৰতৰ কোনো সমাপ্ত নাই
কাৰ দ্বাৰা মুকলি হ'ব পাৰে এই কঠিন বান্ধনৰ গাঁঠি।
তোমাৰ এই চেহেৰাত অতি সৌন্দৰ্যতাৰ ৰূপ আছে
প্ৰত্যেক বাগিছাত আছে তোমাৰ ৰূপৰ ৰং।
দিদাৰ চকু সৰ্বদা দেখুৱাই তোমাক সৌন্দৰ্য
নতুবা আছিল কিবলাৰ ফালে তোমাৰ দৃষ্টি কাফিৰ আৰু  দ্বীনদাৰৰ।
আছে তোমাৰ  প্ৰিয় দৃষ্টি দাৰ তৰোৱাল হৃদয়ত
যাৰ দ্বাৰা কাটি যায় সকলোবোৰ বিবাদ আৰু শত্ৰুতা।
তোমাৰ লগত  মিলাৰ বাবে আমি মিলি গৈছো মাটিৰ সৈতে
যাতে চিকিৎসা হয় এই অকলশৰীয়া কষ্টৰ।
তোমাৰ অবিহনে মোৰ সন্তুষ্টি লাভ নহয়
প্ৰাণ শেষ হোৱা অৱস্থা যেনে ৰোগৰ সময়ত হৃদয় দুৰ্বল হৈ  পৰে।
শব্দ কেনেকুৱা তোমাৰ গলিত সোনকালে লোৱা খবৰ
হত্যা যেন হৈ নাযায় কোনো প্ৰেমৰ উন্মাদত।
(চুৰ্মা চশ্বমা আৰিয়া,ৰুহানি খাজাইন জিলদ ২ পৃঃ৫২)

## আজি আমি প্ৰেমিকৰ আৰু প্ৰেমিক আমাৰ হৈ গৈছে

جو ہمارا تھا وہ اب دلبر کا سارا ہو گیا     آج ہم دلبر کے اور دلبر ہمارا ہو گیا
شکر للہ مِل گیا ہم کو وہ لعلِ بے بدل     کیا ہوا گر قوم کا دل سنگِ خارا ہو گیا

(ازالہ اوہام۔ روحانی خزائن جلد ۳ صفحہ ۴۵۹)

## এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ

حمد و ثنا اُسی کو جو ذات جاودانی     ہم سر نہیں ہے اس کا کوئی نہ کوئی ثانی
باقی وہی ہمیشہ غیر اُس کے سب ہیں فانی     غیروں سے دل لگانا جھوٹی ہے سب کہانی
سب غیر ہیں وہی ہے اِک دل کا یار جانی
دل میں میرے یہی ہے سُبۡحَانَ مَنۡ یَّرَانِیۡ

ہے پاک پاک قدرت عظمت ہے اس کی عظمت     لرزاں ہیں اہل قربت کرّوبیوں پہ ہیبت
ہے عام اس کی رحمت کیونکر ہو شکرِ نعمت     ہم سب ہیں اُس کی صنعت اُس سے کرو محبت
غیروں سے کرنا اُلفت کب چاہے اُس کی غیرت
یہ روز کر مبارک سُبۡحَانَ مَنۡ یَّرَانِیۡ

جو کچھ ہمیں ہے راحت سب اُس کی جود و منّت     اُس سے ہے دل کی بیعت دل میں ہے اس کی عظمت
بہتر ہے اس کی طاعت طاعت میں ہے سعادت
یہ روز کر مبارک سُبۡحَانَ مَنۡ یَّرَانِیۡ

سب کا وہی سہارا رحمت ہے آشکارا     ہم کو وہی پیارا دلبر وہی ہمارا
اُس بن نہیں گذارا غیر اس کے جھوٹ سارا
یہ روز کر مبارک سُبۡحَانَ مَنۡ یَّرَانِیۡ

## আজি আমি প্ৰেমিকৰ আৰু প্ৰেমিক আমাৰ হৈ গৈছে

যি আমাৰ আছিল এতিয়া সেইবোৰ প্ৰেমিকৰ হৈ গ'ল
আজি আমি প্ৰেমিকৰ আৰু প্ৰেমিক আমাৰ হৈ গৈছে।
আল্লাহৰ ধন্যবাদ পালো আমি সেই মণি-মুকুতা অপৰিৱৰ্তনৰ সৈতে
কি হ'ল যদি জাতিৰ হৃদয় পাথৰ হৈ যায়।
(ইজালা আউহাম,ৰূহানি খাজাইন জিলদ ৩ পৃঃ৪৫৯)

## এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ

সকলো প্ৰশংসা সেইজনাৰ যি চিৰস্থায়ী
তেওঁৰ নিচিনা আন দ্বিতীয় কোনো নাই।
সেয়াই সৰ্বদা বাকী তেওঁৰ বাহিৰে সকলোবোৰ ক্ষণস্থায়ী
আনৰ সৈতে মন লগোৱা মিছা হয় সকলো কাহিনী।
সকলোবোৰ পৰ সেইজনাই হয় হৃদয়ৰ প্ৰেমিক
হৃদয়ত মোৰ এয়া আছে سُبۡحَانَ مَنۡ یَّرَانِیۡ।
সেইজনাৰ মৰ্যাদা পৱিত্ৰ হয়,পৱিত্ৰ কুদৰত মৰ্যাদাবান
তোমাৰ ভয়ত কপি উঠে।
আনৰ সৈতে কৰা মহব্বত কেতিয়া কৰিব তাৰ সন্মান
এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ।
যি কিছু আমাৰ আৰাম সেয়া তাৰ কৃপা আৰু মিন্নত।
সেইজনাৰ দ্বাৰাই হয় হৃদয়ৰ বয়াত,হৃদয়ত আছে সেইজনাৰ মৰ্যাদা।
উত্তম হয় সেইজনাৰ অনুকৰণ,অনুকৰণত আছে উপকাৰ
এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ।
সকলোৰে বাবে সেইজনা হয় প্ৰকাশ্য দয়ালু
সেইজনাই আমাৰ প্ৰিয়,সেইজনাই আমাৰ প্ৰেমিক।
সেইজনাৰ বাহিৰে কোনো উপায় নাই,সেইজনাৰ বাহিৰে সকলো মিছা
এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ।

ہے تیرا احساں مَیں تیرے در پہ قرباں  تونے دیا ہے ایمان تو ہر زماں نگہباں

تیرا کرم ہے ہر آں تو ہے رحیم رحماں

یہ روز کر مبارک  سُبْحَانَ مَنْ یَّرَانِیْ

ہو شکر تیرا، تیرا ہے جو ہے میرا  تُونے ہر اِک کرم سے گھر بھر دیا ہے میرا

جب تیرا نور آیا جاتا رہا اندھیرا

یہ روز کر مبارک  سُبْحَانَ مَنْ یَّرَانِیْ

(محمود کی آمین ۔ روحانی خزائن جلد ۱۲ صفحہ ۳۱۹، ۳۲۰)

## আহ্বান কৰিবলগীয়া সেইজনাক যিজন সকলোতকৈ প্ৰিয় সেইজনাত মন প্ৰাণ কোৰবান

جگر کا ٹکڑا مبارک احمد جو پاک شکل اور پاک خو تھا  وہ آج ہم سے جدا ہوا ہے ہمارے دل کو حزیں بنا کر

کہا کہ آئی ہے نیند مجھ کو یہی تھا آخر کا قول لیکن  کچھ ایسے سوئے کہ پھر نہ جاگے تھکے بھی ہم پھر جگا جگا کر

برس تھے آٹھ اور کچھ مہینے کہ جب خدا نے اُسے بُلایا  بُلانے والا ہے سب سے پیارا اُسی پہ اے دل تو جاں فدا کر

(لوح مزار مرزا مبارک احمد صاحب ۔ درثمین اردو صفحہ ۱۰۰ شائع کردہ نظارت اشاعت ربوہ)

## হে প্ৰিয়সকল সেইজনাক বিচৰা, প্ৰতিমাবোৰত উপকাৰ নাই

وہ دیکھتا ہے غیروں سے کیوں دل لگاتے ہو  جو کچھ بتوں میں پاتے ہو اُس میں وہ کیا نہیں

سورج پہ غور کر کے نہ پائی وہ روشنی  جب چاند کو بھی دیکھا تو اس یار سا نہیں

واحد ہے لاشریک ہے اور لازوال ہے  سب موت کا شکار ہیں اُس کو فنا نہیں

سب خیر ہے اِسی میں کہ اس سے لگاؤ دل  ڈھونڈو اُسی کو یارو! بتوں میں وفا نہیں

اس جائے پُرعذاب سے کیوں دل لگاتے ہو  دوزخ ہے یہ مقام یہ بُستاں سرا نہیں

(تشحیذ الاذہان ماہ دسمبر ۱۹۰۸ صفحہ ۴۸۵ ۔ درثمین صفحہ ۱۵۲)

হে প্ৰতিপালক তোমাৰ এহছানত তোমাৰ চৰণত উচ্চৰ্গা
তুমি দিছা ঈমানৰ প্ৰত্যেক যুগতে নিৰীক্ষণ।
তোমাৰ কৃপা সৰ্বদা, তুমি হোৱা দয়ালু আৰু দানকাৰী
এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ।
কাৰণ তোমাৰে ধন্যবাদ,তোমাৰে সকলো কিছু যি মোৰ হয়
তুমিয়ে প্ৰত্যেক ধৰণৰ কৃপাৰে মোৰ গৃহ ভৰ্তি কৰি দিছা।
যেতিয়া তোমাৰ পোহৰ আহিল নাইকিয়া হ'ল সকলো অন্ধকাৰ
এয়া প্ৰত্যেক দিনৰ মুবাৰক سُبۡحَانَ مَنۡ یَّرَانِیۡ।
(মাহমুদ কি আমিন- ৰুহানি খাজাইন জিলদ ১২ পৃঃ৩১৯,৩২০)

**আহ্বান কৰিবলগীয়া সেইজনাক যিজন সকলোতকৈ প্ৰিয় সেইজনাত মন প্ৰাণ কোৰবান**

হৃদয়ৰ টুকুৰা মুবাৰক আহমদ যিয়ে পৱিত্ৰ চেহেৰা আৰু পৱিত্ৰ আছিল
তেওঁ আজি আমাৰ পৰা বিদায় ললে আমাৰ হৃদয়ক দুঃখিত কৰি।
কৈছে যে, মোৰ টোপনি আহিছে এয়া আছিল তেওঁৰ কথন
কিন্তু কিছু এনেকুৱা হ'ল যে, আমি সাৰ কৰোঁতে বাগৰ হৈ গলো তথাপি সাৰ নাপালে।
বয়স আছিল ৮ আৰু কিছু মাহ যেতিয়া খোদা তেওঁক আহ্বান কৰিলে
আহ্বানকাৰী সকলোতকৈ প্ৰিয় সেইজনাতেই মন-প্ৰাণ কোৰবান।
(লাউহে মজাৰ মিৰ্জা মুবাৰক আহমদ চাহাব- দুৰৰে ছমিন উৰ্দু পৃঃ ১০০)
প্ৰকাশক নজাৰত ইশ্বায়ত ৰাবৱা)

**হে প্ৰিয়সকল সেইজনাক বিচৰা, প্ৰতিমাবোৰত উপকাৰ নাই**

সেইজনা দেখে আনৰ সৈতে কিয় মন লগোৱা
যি কিছু প্ৰতিমাবোৰত পোৱা,সেয়া কি আছে যি সেইজনাত নোপোৱা।
সূৰ্যৰ ফালে ধ্যান কৰি নাপালে সেই পোহৰ
যেতিয়া চন্দ্ৰক দেখিলে তেতিয়া সেয়া তাৰ নিচিনা নাছিল।
একক হয়, অংশীবিহীন হয় আৰু চিৰস্থায়ী হয়
সকলো মৃত্যুৰ কবলত পৰিব লগা হ'ব,সেইজনাৰ সমাপ্ত নাই।
সকলো উত্তম তেওঁৰ মাজত আছে সেইজনাৰ সৈতে মন লগোৱা
সেইজনাক বিচৰা বন্ধুসকল ! প্ৰতিমাবোৰত সহানুভূতি নাই।
সেই পৰিপূৰ্ণ আজাব (শাস্তিৰ) সৈতে কিয় মন লগোৱা
জাহান্নাম হয় এই স্থান এয়া বাগান নহয়।
(তশহিদুল আজহান মাহ ডিচেম্বৰ ১৯০৮ পৃঃ ৪৮৫,দুৰৰে ছমিন পৃঃ১৫২ )

## পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে

تجھے سب زور و قدرت ہے خدایا تجھے پایا ہر اِک مطلب کو پایا
ہر اک عاشق نے ہے اِک بُت بنایا ہمارے دل میں یہ دلبر سمایا
وہی آرام جاں اور دل کو بھایا وہی جس کو کہیں رَبُّ البرایا
ہوا ظاہر وہ مجھ پر بِالْاَیَادِی
فَسُبْحَانَ الَّذِیْ اَخْزَی الْاَعَادِیْ

مجھے اس یار سے پیوند جاں ہے وہی جنت وہی دارالاماں ہے
بیاں اس کا کروں طاقت کہاں ہے محبت کا تو اِک دریا رواں ہے
یہ کیا احساں ہیں تیرے میرے ہادی
فَسُبْحَانَ الَّذِیْ اَخْزَی الْاَعَادِیْ

تری نعمت کی کچھ قلّت نہیں ہے تہی اس سے کوئی ساعت نہیں ہے
شمار فضل اور رحمت نہیں ہے مجھے اب شکر کی طاقت نہیں ہے
یہ کیا احساں ترے ہیں میرے ہادی
فَسُبْحَانَ الَّذِیْ اَخْزَی الْاَعَادِیْ

ترے کوچہ میں کن راہوں سے آؤں وہ خدمت کیا ہے جس سے تجھ کو پاؤں
محبت ہے کہ جس سے کھینچا جاؤں خدائی ہے خودی جس سے جلاؤں
محبت چیز کیا ، کس کو بتاؤں وفا کیا راز ہے کس کو سُناؤں

## পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে

খোদা তোমাৰ মাজত, সকলো ধৰণৰ প্ৰবলতা আৰু কুদৰত আছে
তোমাক পোৱা মানে সকলো উদ্দেশ্যক পাই যোৱা।
প্ৰত্যেক প্ৰেমিকে এক প্ৰতিমা বনাইছে
আমাৰ হৃদয়ত এই প্ৰেমিক আহিছে।
সেয়া মন-প্ৰাণক আৰাম দিছে
সেয়াই যাক কোৱা সৃষ্টিৰ প্ৰতিপালক।
মোৰ ওপৰত প্ৰকাশ হৈছে শত্ৰু হৈ
পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে।
মই সেই বন্ধুৰ সৈতে জান জোৰিছো
সেয়াই জান্নাত,সেয়াই শান্তিৰ স্থান।
বৰ্ণনা কৰো সেইজনাৰ সেই শক্তি ক'ত
মহব্বতৰ তুমি এক প্ৰবাহিত নদী হয়।
এয়া কেনেকুৱা এহছান হয় তোমাৰ মোৰ পথ-প্ৰদৰ্শক
পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে।
তোমাৰ অনুগ্ৰহৰ কোনো কমি নাই
তাৰ পৰা কোনো সময় খালি নহয়।
ফজল আৰু দয়া গণনা কৰিব পৰা নাযায়
মোৰ এতিয়া ধন্যবাদ জ্ঞাপন কৰাৰ শক্তি নাই।
এয়া কেনেকুৱা এহছান হয় তোমাৰ মোৰ পথ-প্ৰদৰ্শক
পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে।
তোমাৰ গলিত কোন বাটেদি আহিম
সেই সেৱা কি আছে যাৰ মাধ্যমে তোমাক পাব পাৰো।
মহব্বত আছে যাৰ পৰা টানি লোৱা হয়
খোদায়ী হয় নিজেই যাৰ পৰা জ্বলাই দিওঁ।
মহব্বত কি বস্তু কাক কওঁ
সহানুভূতি কি ৰহস্য কাক শুনাও।

مَیں اس آندھی کو اب کیونکر چھپاؤں     یہی بہتر کہ خاک اپنی اڑاؤں

کہاں ہم اور کہاں دنیائے مادی

فَسُبحَانَ الَّذِیْ اَخْزَی الاَعَادِیْ

(بشیر احمد، شریف احمد اور مبارکہ کی آمین مطبوعہ ۱۹۰۱ء، درثمین صفحہ ۵۴، شائع کردہ نظارت اشاعت ربوہ)

মই  এই অন্ধকাৰক কিয় গোপন কৰো

এয়াই উত্তম হয় যে, ধূলিকণা উৰাই দিও।

ক'ত আমি আৰু ক'ত দুনিয়াৰ মূল

পৱিত্ৰ সেইজনা যিজনা শত্ৰুসকলক লাঞ্ছিত কৰিছে।

(বশিৰ আহমদ,শ্বৰিফ আহমদ আৰু মুবাৰকা কি আমিন মতবুৱা ১৯০১,দুৰৰে ছমিন পৃঃ৫৪,প্ৰকাশক নজাৰত নশ্বৰ ইশ্বায়ত ৰাবৱা)

## আল্লাহ তা'লাৰ প্ৰশংসাত (ফাৰ্চী নজম)

حمد و شکر آن خدائے کردگار     کز وجودش ہر وجودے آشکار ۱

این جہان آئینہ دار روئے او     ذرّہ ذرّہ رہ نماید سوئے او ۲

کرد در آئینہ ارض و سما     آن رُخِ بے مثلِ خود جلوہ نما ۳

ہر گیاہے عارفِ بُنگاہ اُو     دست ہر شاخے نماید راہِ اُو ۴

نُورِ مہر و مہ ز فیضِ نُور اوست     ہر ظہورے تابعِ منشورِ اوست ۵

ہر سرے سِرّے ز خلوت گاہِ اُو     ہر قدم جوید درِ باجاہ اُو ۶

مطلب ہر دل جمالِ روئے اوست     گمرہی گر ہست بہر کوئے اوست ۷

مہر و ماہ و انجم و خاک آفرید     صد ہزاران کرد صنعت ہا پدید ۸

این ہمہ صنعش کتابِ کارِ اوست     بے نہایت اندرین اسرار اوست ۹

## আল্লাহ আৰু তেওঁৰ গুণাৱলী

১) সেই খোদাৰ প্ৰশংসা আৰু ধন্যবাদ আদায় কৰা আৱশ্যক যাৰ অস্তিত্বৰ পৰা সকলো বস্তুৰ অস্তিত্ব প্ৰকাশ পাইছে।

২)এই ব্ৰহ্মাণ্ড তাৰ চেহেৰাৰ বাবে দাপোনৰ সদৃশ ক্ষুদ্ৰ ক্ষুদ্ৰ তাৰ ফালে বাট দেখুৱায়।

৩) সেইজনা আকাশ আৰু পৃথিৱীৰ দাপোনত নিজৰ অদ্ভুত চেহেৰা দেখুৱাইছে।

৪) ঘাঁহৰ প্ৰত্যেক পাত সেইজনাৰ ঘৰৰ চিনাক্ত হয় আৰু গছৰ প্ৰত্যেক শাখা তাৰ পথ দেখুৱায়।

৫)চন্দ্ৰ আৰু সূৰ্যৰ পোহৰ তাৰ নূৰৰ পৰাই আহে,সকলো বস্তুৰ প্ৰকাশ তাৰ আদেশৰ অধীনত হয়।

৬)প্ৰত্যেক মূৰ তাৰ গুপ্ত খানাৰ এক ৰহস্য হয় আৰু প্ৰত্যেক খোজ তাৰ মৰ্যদাশীল দুৱাৰৰ সন্ধান কৰে।

৭) সেইজনাৰ মুখৰ সৌন্দৰ্যতা প্ৰত্যেক দিলৰ উদ্দেশ্য হয়,কোনোবা পথভ্ৰষ্ট থাকিলেও তথাপি সেইজনাৰ সন্ধানত থাকে।

৮) সেইজনা চন্দ্ৰ, সূৰ্য্য,তৰাবোৰ আৰু পৃথিৱী সৃজন কৰিছে,আৰু লাখ লাখ আৱিষ্কাৰ প্ৰকাশ কৰিছে।

৯)এই সকলোবোৰ আৱিষ্কাৰ তাৰ কৰ্মচাৰীৰ কাৰ্যালয় হয় আৰু তাত সেইজনাৰ অসংখ্য ৰহস্য আছে।

این کتابے پیش چشم ما نہاد    تا ازو راہ ہدیٰ داریم یاد ۱
تا شناسی آن خدائے پاک را    کو نماند خاکیان و خاک را ۲
تا شود معیار بہرِ وحی دوست    تا شناسی از ہزاران آنچہ زوست ۳
تا خیانت را نماند ہیچ راہ    تا جدا گردد سفیدی از سیاہ ۴
بس ہماں شد آنچہ آن دادار خواست    کارِ دستش شاہد گفتار خاست ۵
مشرکان وانچہ پوزش مے کنند    این گواہان تیر دوزش مے کنند ۶
گر بگوئی غیر را رحمان خدا    تُف زند بر روئے تو ارض و سما ۷
در تراشی بہر آن یکتا پسر    بر تو بارد لعنت زیر و زبر ۸
با زبانِ حال گوید این جہان    کاں خدا فردست و قیوم و یگان ۹
نے پدر دارد نہ فرزند و نہ زن    نے مبدّل شد ز ایّامِ کہن ۱۰
یک دمے گر رشح فیضش کم شود    این ہمہ خَلق و جہان بر شود ۱۱

## আল্লাহ্ আৰু তেওঁৰ গুণাৱলী

یک نظر قانونِ قدرت را ببین تا شناسی شان ربُّ العالمین ۱۲

(ضیاءالحق۔روحانی خزائن جلد۹ صفحہ۲۵۱،۲۵۲)

১)এয়া নিচৰৰ কিতাপ তেওঁ আমাৰ চকুৰ সন্মুখত ৰাখি দিছে যাতে আমি তাৰ দ্বাৰা হিদায়তৰ বাট স্মৰণ ৰাখিব পাৰো।

২)যাতে তুমি সেই পৱিত্ৰ খোদাক চিনিব পাৰা যিয়ে পৃথিৱীবাসী আৰু দুনিয়াৰ সৈতে কোনো সাদৃশ্য নাই।

৩)যাতে খোদাৰ প্ৰত্যাদেশৰ কাৰণে এয়া মৰ্যদাপ্ৰাপ্ত হ'ব পাৰে যে হেজাৰ হেজাৰ কালামৰ মাজৰ পৰা খোদাৰ কালাম চিনাক্ত হ'ব পাৰে।

৪)যাতে বিশ্বাসঘাতকতাৰ কোনো বাট মুকলি নাথাকে জেউতি অন্ধকাৰৰ পৰা পৃথক হৈ পৰে।

৫)অৰ্থাৎ সেয়াই হয় যি খোদা তা'লাৰ ইচ্ছা আছিল আৰু তাৰ কাৰ্য্য তাৰ কালামৰ সাক্ষী হৈ যায়।

৬)অংশীবাদীসকলে যি বাহানা খোজে এই সাক্ষী সিহঁতৰ আপত্তিক কাড়ৰ দ্বাৰা ফোঁহা কৰি দিয়ে।

৭) যদি তুমি কোনো বেলেগক খোদাৰ ৰহমান কৰি দিয়া তেন্তে তোমাৰ মুখত আকাশ আৰু পৃথিৱী থুঁকক।

৮)আৰু যদি সেই একত্বৰ সৈতে সন্তান বনাই লোৱা তেতিয়া তলৰ পৰা আৰু ওপৰৰ পৰা লাঞ্চিত বৰ্ষিত হ'ব ধৰিব।

৯)এই বিশ্বব্ৰহ্মাণ্ড পৰিস্থিতি অনুযায়ী মুখৰ পৰা এয়া কৈ আছে সেই খোদা এক, সুপ্ৰতিষ্ঠিত আৰু ওৱাহিদ হয়।

১০)তেওঁৰ দেউতা নাই,সন্তান নাই,স্ত্ৰী নাই আৰু আদিৰ পৰা তেওঁৰ কোনো পৰিৱৰ্তন ঘটা নাই।

১১)যদি অলপ সময়ৰ বাবে সেইজনাৰ লাভালাভৰ বৰষুণ কম হৈ যায় তেতিয়া এই সকলোবোৰ স্ৰষ্টা আৰু বিশ্বব্ৰহ্মাণ্ড ধ্বংস হৈ যাব।

১২)খোদাৰ কানুনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি চোৱা যাতে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালকক চিনিব পাৰা।

## আকাশ আৰু পৃথিৱীৰ সৃষ্টিকৰ্তাৰ ওচৰত এক দোৱা (ফাৰ্চী নজম)

اے خالق ارض و سما برمن در رحمت کشا      دانی توآن درد مرا کز دیگراں پنہاں کنم ۱
از بس لطیفی دِلبرا در ہر رگ و تارم درآ      تاچوں بخود یابم ترا دِل خوشتر از بستاں کنم ۲
درسرکشی اے پاک خو جاں برکنم در ہجر تو      ز انساں ہمی گریم کز و یک عالمے گریاں کنم ۳
خواہی بقہرم کن جدا خواہی بلطفم رُونما      خواہی بکش یا کن رہا کے ترک آن دامان کنم ۴

(براہین احمدیہ ہر چہار حصص، روحانی خزائن جلد ۱ صفحہ ۶۱۳ حاشیہ در حاشیہ نمبر ۳)

## হে খোদা ! মোৰ বিপদ আঁতৰ কৰোঁতা (ফাৰ্চী নজম)

اے خدا اے چارۂ آزار ما      اے علاج گریہ ہائے زار ما ۵
اے تو مرہم بخش جانِ ریش ما      اے تو دلدارِ دِل غم کیشِ ما ۶
از کرم برداشتی ہر بار ما      و از تو ہر بار و برِ اشجارِ ما ۷
حافظ و ستاری از جود و کرم      بے کسان را یاری از لطفِ اتم ۸
بندۂ درماندہ باشد دل طپان      نا گہاں درمان برآرے از میان ۹
عاجزی را ظلمتے گیرد براہ      نا گہاں آری برو صد مہر و ماہ ۱۰
حسن و خلقِ دلبری بر تو تمام      صحبتی بعد از لقائے تو حرام ۱۱

---

১) হে আকাশ পৃথিৱীৰ সৃষ্টিকৰ্তা! মোৰ ওপৰত তোমাৰ দয়া মুকলি কৰি দিয়া তুমি মোৰ সেই কষ্ট জানা যাক মই বেলেগৰ পৰা গুপ্ত ৰাখো।

২)হে দিলবৰ তুমি বৰ কোমল হয় মোৰ প্ৰত্যেক নাৰ্ভত সোমাই গ'লহে যেতিয়া তোমাক নিজৰ ভিতৰত পাওঁ তেতিয়া নিজৰ হৃদয় বাগানতকৈয়ো বেছি আনন্দময় কৰি তুলো।

৩) হে পুণ্য গুণৰ গৰাকী যদি তুমি অস্বীকাৰ কৰা তেন্তে তোমাৰ কাৰণে জীৱন দি দিম আৰু ইমান ক্ৰন্দন কৰিম যে এক ব্ৰহ্মাণ্ডক ক্ৰন্দন কৰাই দিম।

৪)যদিওবা তুমি খং হৈ মোক পৃথক কৰি দিয়া অথচ কোমলতাৰ সৈতে

নিজৰ চেহেৰা দেখুওৱা,মাৰ আৰু এৰি দিয়াৰ ফলতো তোমাক এৰিব নোৱাৰিম।
৫)হে খোদা! হে আমাৰ দুঃখৰ ঔষধ,আৰু হে আমাৰ কামনা-বাসনাৰ চিকিৎসক।
৬)তুমি আমাৰ ক্ষত প্ৰাণৰ চিকিৎসক আৰু তুমি আমাৰ দুঃখিত হৃদয়ৰ হৃদয়ঙ্গমকাৰী।
৭)তুমি নিজৰ কৃপাৰ দ্বাৰা আমাৰ সকলো বোজা উঠাই লয়,আৰু আমাৰ গছত ফল-মূল তোমাৰ ফজলত হয়।
৮)তুমি দয়ালু আৰু পুৰুস্কাৰৰ সৈতে সুৰক্ষাকাৰী,অৰু পৰিপূৰ্ণ দয়াৰ সৈতে অসহায়ৰ সহানুভূতি।
৯) যেতিয়া বান্দা দুঃখিত হয় তেতিয়া তুমিয়ে তাৰ পৰা সিহঁতৰ চিকিৎসাৰ উপায় ওলায়।
১০)যেতিয়া কোনো প্ৰিয়জনক এন্ধাৰে আৱৰি ধৰে,তেতিয়া তাৎক্ষণিকভাৱে তুমি সিহঁতৰ বাবে সূৰ্য্য আৰু চন্দ্ৰ সৃষ্টি কৰি দিয়ে।
১১)সৌন্দৰ্য ও চৰিত্ৰ আৰু মন লগোৱা তোমালৈ সমাপ্ত,তোমাৰ সৈতে সাক্ষাতৰ পিছত আন কোনোবাৰ সৈতে সাক্ষাত কৰা হাৰাম হয়।

آن خرد مندے کہ او دیوانہ ات　　شمع بزم است آنکہ او پروانہ ات ۱ے
ہر کہ عشقت در دل و جانش فتد　　ناگہان جانے در ایمانش فتد ۲ے
عشقِ تو گردد عیاں بر روئے او　　بوئے تو آید ز بام و کوئے او ۳ے
صد ہزاران نعمتش بخشی ز جود　　مہر و مہ را پیشش آری در سجود ۴ے
خود نشینی از پئے تائید او　　روئے تو یاد اوفتد از دیدِ او ۵ے
بس نمایان کارہا کاندر جہان　　می نمائی بہرِ اکرامش عیان ۶ے
خود کنی و خود کنانی کار را　　خود دہی رونق تو آن بازار را ۷ے

خاک را در یک دمے چیزے کنی کز ظہورش خلق گیرد روشنی ۸ے
بر کسی چوں مہربانی مے کنی از زمینی آسمانی مے کنی ۹ے

(براہین احمدیہ ہر چہار حصص، روحانی خزائن جلد ا صفحہ ۶۲۶، ۶۲۷ حاشیہ در حاشیہ نمبر ۳)

## তোমাৰ সৈতে মহব্বত কৰা হাজাৰ ৰোগৰ ঔষধ(ফাৰ্চী নজম)

محبت تو دوائے ہزار بیماری است بروئے تو کہ رہائی درین گرفتاری است ۱۰ے
پناہ روئے تو جستن نہ طور مستان است کہ آمدن بہ پناہت کمال ہشیاری است ۱۱ے

. ১) সেইজনা জ্ঞানী যি তোমাৰ প্ৰেমৰ আসক্ত,সেইজনা বন্তি হয় যিয়ে তোমাৰ প্ৰজাপতি।

২)প্ৰত্যেক সেই ব্যক্তি যাৰ মন প্ৰাণত তোমাৰ প্ৰেম অন্তৰ্ভুক্ত হৈ যায় তেতিয়া তাৰ ঈমান তৎক্ষণাৎ বৃদ্ধি পায়।

৩)তোমাৰ প্ৰীতি তাৰ চেহেৰাত প্ৰকাশ হৈ যায় আৰু তাৰ দৰজা, দুৱাৰৰ পৰা তোমাৰ সুগন্ধি ওলায়।

৪)তুমি নিজৰ কৃপাৰ দ্বাৰা তাক লাখ লাখ অনুগ্ৰহ প্ৰদান কৰিছা,সূৰ্য্য আৰু চন্দ্ৰক তাৰ সন্মুখত চিজতাৰত কৰোৱায়।

৫)তুমি সেইজনৰ সহায়ৰ বাবে নিজেই প্ৰস্তুত হৈ যোৱা,আৰু দেখাৰ ফলত তোমাৰ চেহেৰা স্মৰণত আহে।

৬)এই ব্ৰহ্মাণ্ডত বহুত সফল কাম তুমি তাৰ সন্মানৰ কাৰণে প্ৰকাশ কৰা।

৭) তুমি নিজেই কাম কৰা নিজেই কাম কৰোৱায়,আৰু তুমিয়েই সেই বজাৰক সৌন্দৰ্যময় কৰি তোলা।

৮)মাটিক একেবাৰে এক মূল্যবান বস্তু বনাই দিয়ে যাতে তাৰ প্ৰকাশত স্ৰষ্টাই জেউতি অৰ্জন কৰিব পাৰে।

৯)যেতিয়া তুমি কাৰোবাৰ ওপৰত কৃপা কৰা,তেতিয়া তাক পৃথিৱীৰ পৰা আকাশ বনাই দিয়া।

১০) তোমাৰ মহব্বত হেজাৰ ৰোগৰ ঔষধ হয়,তোমাৰ মুখৰ শপত যে তাৰ গ্ৰেপ্তাৰীত আচল স্বাধীন হয়।

১১) তোমাৰ নিৰাপত্তা বিচৰা অজ্ঞসকলৰ পদ্ধতি নহয়,অৰ্থাৎ তোমাৰ নিৰাপত্তাত অহাটোয়ে হৈছে পূৰ্ণ জ্ঞানী।

متاع مہرِ رُخ تو نہان نخواہم داشت　　که خفیہ داشتن عشق تو زِ غداری است ۱
برآن سرم که سر و جان فدائے تو بکنم　　که جان بیار سپردن حقیقت یاری است ۲

(آ ئینہ کمالات اسلام۔روحانی خزائن جلد ۵ صفحہ ۱)

## মোৰ হৃদয় প্ৰেমিকৰ আসন (ফাৰ্চী নজম)

سخن نزدم مران از شہر یارے　　که ہستم بر درے اُمید وارے ۳
خداوندے که جان بخشِ جہان است　　بدیع و خالق و پروردگارے ۴
کریم و قادر و مشکل کشائے　　رحیم و محسن و حاجت برارے ۵
فتادم بر درش زیر آ نکه گویند　　برآید در جہان کارے ز کارے ۶
چو آن یارِ وفادار آیدم یاد　　فراموشم شود ہر خویش و یارے ۷
بغیر او چسان بندم دلِ خویش　　که بے رُویش نمے آید قرارے ۸
دلم در سینۂ ریشم مجوئید　　که بستیمش بدامانِ نگارے ۹
دل من دلبرے را تخت گاہے　　سر من در رہِ یارے نثارے ۱۰
چگویم فضل او برمن چگون ست　　که فضلِ اوست ناپیدا کنارے ۱۱

১) মই তোমাৰ মহব্বতৰ সম্পত্তি কেতিয়াও গুপ্ত নাৰাখিম,তোমাৰ প্ৰেমক গুপ্ত ৰখা এক গাদ্দাৰৰ কাম হয়।

২) মই প্ৰস্তুত আছো মোৰ প্ৰাণ উৎসৰ্গা কৰিবলৈ কাৰণ প্ৰাণক মহবুবৰ অধীনত কৰি দিয়াই আচল বন্ধু।

৩)মোৰ সন্মুখত কোনো বাদশ্বাহৰ উল্লেখ নকৰিব,কাৰণ মই বেলেগ দুৱাৰৰ মুখত আশাত পৰি আছো।

৪) সেই খোদা যিয়ে পৃথিৱীৰ জীৱনদাতা,সৃজনকাৰী আৰু প্ৰতিপালক।

৫)কৃপালু হয়,সৰ্বশক্তিমান হয়,কষ্ট আঁতৰ কৰোঁতা হয়,দয়ালু,মুহছিন আৰু অনাথৰ সহকাৰী।

৬)মই তাৰ দুৱাৰৰ সমুখত আহি পাইছোঁ, কাৰণ উদাহৰণ বিখ্যাত যে দুনিয়াত এটা কামৰ পৰা বেলেগ কাম ওলাই পৰে।

৭) যেতিয়া সেই সহানুভূতি মোক মনত পৰে তেতিয়া সকলোবোৰ ৰিস্তাদাৰ অৰু বন্ধু মোক পাহৰি যায়।

৮)মই সেইজনাক এৰি বেলেগৰ সৈতে কেনেকৈ মন লগাব পাৰো কাৰণ তেওঁ অবিহনে মই অসন্তুষ্টি অনুভৱ কৰো।

৯)হৃদয়ৰ মৃত ক্ষত বুকুত নিবিচাৰিবা যে আমি সেইজনাক এক মহবুবৰ বান্ধনত বান্ধি দিছোঁ।

১০) মোৰ হৃদয় দিলবৰৰ তখতা হয় আৰু মোৰ মূৰ সেইজনাৰ বাটত কুৰবান।

১১)মই কি কম যে মোৰ ওপৰত সেইজনাৰ ফজল কেনেকুৱা,সেইজনাৰ ফজল সীমাহীন সাগৰ হয়।

عنایت ہائے او را چون شمارم    کہ لطفِ اوست بیرون از شمارے ۱؎
مرا کاریست با آن دِلستانے    ندارد کس خبر زان کاروبارے ۲؎
بنالم بر درش ز انسان کہ نالد    بوقتِ وضع حملے بار دارے ۳؎
مرا با عشقِ او وقتے ست مامور    چہ خوش وقتے چہ خرم روزگارے ۴؎
ثناہا گویمت اے گلشنِ یار    کہ فارغ کر دی از باغ و بہارے ۵؎

(حجّۃ اللہ۔روحانی خزائن جلد ۱۲ صفحہ ۱۴۹)

## আকিদিয়ত (ধৰ্মত বিশ্বাস) (ফাৰ্চী নজম)

چہ شیریں منظری اے دلستانم چہ شیریں خصلتی اے جانِ جانم ۶
چو دیدم روئے تو دل در تو بستم نماندہ غیرِ تو اندر جہانم ۷
توان برداشتن دست از دو عالم مگر ہجرت بسوزد استخوانم ۸
در آتش تن بآسانی توان داد ز ہجرت جان رود باصد فغانم ۹

(حقیقۃالوحی۔روحانی خزائن جلد ۲۲ صفحہ ۳۵۵،۳۵۶)

১)মই তাৰ কৃপাক কিয় গণনা কৰিম কাৰণ তাৰ কৃপা গণনাৰ বাহিৰত হয়।
২) মোৰ সেই দিলবৰৰ সৈতে এনেকুৱা সম্পৰ্ক আছে যে কোনোবাক এই বিষয়ৰ খবৰ নাই।
৩) মই তাৰ দুৱাৰৰ সন্মুখত এনেকুৱা ভাৱে ক্ৰন্দন কৰো যেনেকুৱা শিশু জন্মৰ সময়ত গৰ্ভৱতী মহিলা চিঞৰে।
৪)মোৰ সময় সেইজনাৰ প্ৰেমত আৱদ্ধ,সেয়া কিমান সুন্দৰ সময় হয় আৰু কিমান চমৎকাৰ যুগ।
৫)হে ইয়াৰ কে গুলজাৰ,তুমি মোক পাৰ্থিৱ বাগানৰ ফালে আকৃষ্টৰ পৰা আঁতৰ কৰি দিছা।
৬)হে মোৰ মহবুব! তুমি কিমান ধুনীয়া আৰু হে মোৰ খোদা,তুমি কিমান ভাল চৰিত্ৰৰ।
৭)যেতিয়া মই তোমাৰ মুখ দেখো তেতিয়া তোমাৰ সৈতে মন লগাও আৰু পৃথিৱীত তুমি অবিহনে মোৰ কোনেও নাই।
৮)দুয়ো ব্ৰহ্মাণ্ডৰ সৈতে হাত সম্প্ৰদায় সম্ভৱ হয়,কিন্তু তোমাৰ ফাৰাক মোৰ হাড় জ্বলাই দিয়ে।
৯) জুইৰ ভিতৰত শৰীৰ অতি সহজে সোমাব পৰা যায়,কিন্তু তোমাৰ পৃথকতাত মোৰ জীৱন সমাপ্ত হোৱাৰ নিচিনা হৈ পৰে।

## প্ৰেমিকৰ সন্মানৰ বাবে যুদ্ধ

اے یارِ ازل بس است روئے تو مرا    بہتر ز ہزار خلد کوئے تو مرا ۱
از مصلحتے دگر طرف بینم لیک    ہر لحظہ نگاہ ہست سوئے تو مرا ۲
بر عزّت من اگر کسے حملہ کند    صبر است طریق ہمچو خوئے تو مرا ۳
من چیستم و چہ عزّتم ہست مگر    جنگ است ز بہرِ آبروئے تو مرا ۴

(ضمیمہ براہین احمدیہ حصہ پنجم۔روحانی خزائن جلد۲۱ صفحہ ۱۵۳)

১)হে চিৰঞ্জীৱ খোদা মোৰ বাবে তোমাৰ চেহেৰাই যথেষ্ট হয়,আৰু তোমাৰ গলি মোৰ বাবে হাজাৰ বেহেস্তকৈ উত্তম।

২)মই কোনো সংশোধনৰ কাৰণে বেলেগ ফালে দৃষ্টি কৰো,নতুবা সদায় মোৰ দৃষ্টি তোমাৰ ফালেই থাকে।

৩)যদি কোনোবা মোৰ সন্মানৰ ওপৰত আক্ৰমণ কৰে তেতিয়া তোমাৰ অভ্যাসৰ দৰে মোৰ তৰিকা ধৈৰ্য্য ধাৰণ কৰা।

৪)মই কোন হয় আৰু মোৰ কি সন্মান আছে,কিন্তু তোমাৰ সন্মানৰ খাতিৰে এয়া মোৰ যুদ্ধ হয়।